# কটনিয়ান

সম্পাদক ঃ

হিৰণ্য বৰা

৫৫ তম সংখ্যা ঃ ঃ ১৯০১-০২ শক

## ॥ কটনিয়ান ॥

কটন কলেজ ছাত্র সন্থাৰ বছৰেকীয়া মুখপত্ৰ ॥ ৫৫তম সংখ্যা ॥ ১৯৭৯-৮০

● **সম্পাদনা সমিতি ঃ**

উপাধ্যক্ষ নৰকান্ত বৰুৱা (সভাপতি), অধ্যাপক শ্যামাপ্ৰসাদ শৰ্ম্মা (তত্বাৱধায়ক), অধ্যাপক টাবু টাইড, অধ্যাপক ৰামচৰণ ঠাকুৰীয়া আৰু হিৰণ্য বৰা (সম্পাদক)।

● **বেটুপাতৰ শিল্পী ঃ** পুলিন চন্দ্ৰ দাস।

● **অঙ্গ সজ্জা ঃ** পুলিন চন্দ্ৰ দাস, শান্তনু ভট্টাচাৰ্য্য, ৰাতুল বেজ আৰু উত্তম কুমাৰ দাস।

● **বেটুপাতৰ ব্যাখ্যা ঃ**

"অসমৰ সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত লক্ষ্য ৰাখি ইয়াৰ এটি চিত্ৰৰূপ 'বেটুপাত'টিত দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। সুজলা-সুফলা অসম মাতৃ আজি অবৈধ বিদেশী বহিৰাগতৰ কবলত। বহুবছৰ ধৰি 'অবৈধ বিদেশী বহিৰাগতৰ এটি প্ৰবল সোঁত' অসমৰ বুকুলৈ বৈ আছে। জননীৰ সন্তানৰ 'শক্তিশালী ডুহাতেৰে' এই সোঁত বন্ধ কৰিবলৈ চেষ্টা কৰা হৈছে। আনফালে অসমৰ বুকুতে জীয়াই থাকি, ইয়াৰ বায়ু-পানী সেৱন কৰি, এচাম 'প্ৰতিক্ৰিয়াশীল কু-চক্ৰ'ই (ইয়াক এটি অৰ্দ্ধবৃত্তৰ ভিতৰত দেখুৱা হৈছে) অহৰহ অসমৰ অহিত চিন্তা কৰি আছিছে। ডেকা অসমৰ 'কঠোৰ হাতেৰে' ইয়াকো দমন কৰিবলৈ চেষ্টা কৰা হৈছে।

অসমৰ সকলোখিনি সম্পদ, কলা-কৃষ্টি আদি এটি বৃত্তত কেন্দ্ৰীভূত কৰি দেখুৱা হৈছে। অবৈধ বিদেশী বহিৰাগতৰ দৃষ্টি সদায় ইয়াৰ ওপৰত। অসমীয়াই এই কাৰ্য্য সহি থাকিব পৰা নাই। সেয়েহে অসমৰ ডেকা চকুত 'বিপ্লৱৰ জুই'। প্ৰতিজন অসমীয়াই 'শক্তিশালী ডুবাহুৰে' অসমৰ কলা-সংস্কৃতি জীয়াই ৰাখিবলৈ ইয়াৰ ৰক্ষণা-বেক্ষণ দিছে।"

● ছপাওঁতা ঃ লাৱণ্য প্ৰেছ, গুৱাহাটী-৭৮১ ০০১

## আমাৰ অভিনন্দন

প্ৰাক্তন কটনিয়ান

**ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য** লৈ,

'মৃত্যুঞ্জয়' উপন্যাসৰ জৰিয়তে

১৯৭৯ চনৰ ভাৰতীয় **'জ্ঞানপীঠ'** বঁটা লাভ কৰাৰ বাবে।

**চমু চিনাকি ঃ** ১৯২৪ চনৰ ২৪ মাৰ্চত শিৱসাগৰ জিলাত জন্ম গ্ৰহণ কৰা ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য একাধাৰে এজন সুবিখ্যাত কবি, সাহিত্যিক আৰু সাংবাদিক। তেওঁ '৪১ চনৰ পৰা '৪৫ চনলৈ এই কটন কলেজৰ ছাত্ৰ আছিল। ভাৰতীয় 'জ্ঞানপীঠ' বঁটা লাভ কৰা তেৰেঁই প্ৰথম অসমীয়া। ইয়াৰ আগতে ১৯৬১ চনত নগা জীৱনৰ পটভূমিত ৰচিত 'ইয়াৰুইঙ্গম' উপন্যাসৰ বাবে তেওঁ সাহিত্য একাডেমীৰ বঁটা লাভ কৰিছিল। তেওঁ লিখা আন কেইখনমান উপন্যাস, চুটিগল্প সংকলন আদি হ'ল—'সতঘ্নী', 'প্ৰতিপদ', 'ৰঙা মেঘ', 'কবৰ আৰু ফুল', 'কলং আজিও বয়', 'সাতসৰী', 'সীমাই আমনি কৰে', 'ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি' ইত্যাদি। তেওঁ পোৱা এই সন্মানৰ জৰিয়তে অসমীয় সাহিত্যই সৰ্বভাৰতীয় ক্ষেত্ৰত আৰু এখোজ আগ বাঢ়িবলৈ সক্ষম হ'ল।

### আৰু অভিনন্দন

- ১৯৭৯ চনৰ শান্তিৰ নবেল বঁটা বিজয়ী মাদাৰ টেৰেছালৈ,
- কলিকতাত অনুষ্ঠিত হোৱা, একেৰাহে দ্বিতীয় বাৰৰ বাবে ন্যায়াধীশ মিৰ ইকবাল হুছেইন ট্ৰফী বিজয়ী হোৱা অসমৰ ছাব-জুনিয়ৰ ফুটবল দল, দলৰ লগতে প্ৰশিক্ষক এ, লটিফ আৰু অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ-কল্যাণ সঞ্চালকালয়লৈ।

**আমাৰ অশ্রু অঞ্জলি ঃ**

অসমত সদৌ অসম ছাত্র সন্থা আৰু সদৌ অসম গণ-সংগ্রাম পৰিষদৰ যুটীয়া নেতৃত্বত অবৈধ বিদেশী নাগৰিকৰ বহিস্কৰণৰ দাবীত গঢ়ি উঠা অভূতপূর্ব গণ-আন্দোলনৰ শ্বহীদ পূর্ণানন্দ নির্মলীয়া, খর্গেশ্বৰ তালুকদাৰ, দিলীপ হুজুৰী, নৃপেন বৰা, কুমুদ গগৈ, অজিত নেওঁগ, নগেন ডেকা, পুষ্পেন্দ্র চুবেদাৰ, খগেন ভড়ালী, খর্গেশ্বৰ ৰায়, বল্লভ নাথ, মুনীন গোহাঁই, পূণ্যলতা গোহাঁই, সুবোধ গোহাঁই, কণক বৰা, আশুতোষ দেৱনাথ আৰু বহুতো অনামী শ্বহীদলৈ।

**শ্রদ্ধাঞ্জলি ঃ**

কটন কলেজৰ প্রাক্তন অধ্যক্ষ ডঃ কমলা ৰয়
গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতপূর্ব উপাচার্য ডঃ হিতেন্দ্র কুমাৰ বৰুৱা
অসমৰ পর্বতাৰোহণকাৰী ৰোহিণী কুমাৰ ভূঞা
স্বাধীনতা আন্দোলনৰ যুজাৰু ছবিলাল উপাধ্যায়
দুলীয়াজানৰ অইল ইণ্ডিয়া লিমিটেডৰ অভিযন্তা ডঃ ৰবি মিত্র
গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক সুৰেন্দ্র নাথ বৰুৱা
গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদার্থ বিজ্ঞান বিভাগৰ অধ্যাপক কন্দর্প কাকতি
ফৰাচী দার্শনিক জঁা প'ল চাৰ্ত্রে
বোলছবি জগতৰ বিখ্যাত পৰিচালক আল্ফ্রেড্ হিট্চ্কক্
যোগোশ্লাভিয়াৰ ৰাষ্ট্রপতি জোচেফ ব্রজ্ টিটো
সাংস্কৃতিক সঞ্চালক ৰুদ্র বৰুৱা॥

# সাম্প্ৰতিক গণ-আন্দোলনৰ দিনপঞ্জী

[সদৌ অসম ছাত্ৰ সন্থাৰ লগতে সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ নেতৃত্বত, অসমত থকা অবৈধ বিদেশী নাগৰিকক বহিষ্কাৰ কৰাৰ দাবীত যি গণ-আন্দোলন গঢ়ি উঠিছে, সি অভূতপূৰ্ব আৰু ন্যায়সঙ্গত। এজন সাহিত্যিকে লিখিছে, "আমাৰ এই ঐতিহাসিক অভ্যুদয়ৰ,......সমস্ত খুঁটি-নাটি ডিটেইল্‌চ্‌, বিভিন্ন ঘটনাস্ৰোত আৰু ভাববৈচিত্ৰ, সমস্ত কিছু ভবিষ্যতৰ বাবে বুৰঞ্জীবদ্ধ হ'ব লাগিব, ৰেকৰ্ড কৰা হ'ব লাগিব, এইটো আমাৰ কৰ্তব্য"। তাৰেই এটা সৰু-সুৰা প্ৰচেষ্টা হ'ল গণ-আন্দোলনৰ এই দিনপঞ্জীখন। ইয়াত থকা কোনো অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনীয়।

সম্পাদক, 'কটনিয়ান']

- ০ ১৯৭৯ চনৰ ৭-১০ মাৰ্চ— চাৰিদিনীয়া কাৰ্য্যসূচীৰে সদৌ অসম ছাত্ৰ সন্থাৰ বছৰেকীয়া অধিবেশন।
- ০ ৮ জুন—বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত বাৰ ঘণ্টা জোৰা অসম বন্ধ।
- ০ ২৫-২৬ আগষ্ট—ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্য্য-নিৰ্বাহকৰে সদৌ অসম গণ-সংগ্ৰাম পৰিষদ গঠন।
- ০ ৬-৭ চেপ্তেম্বৰ—গণ-অৱস্থান ধৰ্মঘট।
- ০ ১২-১৪ চেপ্তেম্বৰ—গণ-পিকেটিং।
- ০ ১৫ চেপ্তেম্বৰৰ পৰা অনিৰ্দিষ্ট কাললৈ গণ-সত্যাগ্ৰহ।
- ০ ২৫ চেপ্তেম্বৰ—জিলা সদৰ আৰু মহকুমা সদৰত গণ-সমাবেশ।
- ০ ২৬ চেপ্তেম্বৰ-৯ অক্টোবৰ— গণ-স্বাক্ষৰ অভিযান।
- ০ ১১-১৮ অক্টোবৰ—পিকেটিং ধৰ্মঘট।
- ০ ২০ অক্টোবৰ-৩ নবেম্বৰ— ভোটাৰ লিষ্ট সম্পৰ্কে সকলোবোৰ অভিযোগ দাখিলৰ সময়।
- ০ ৬ নবেম্বৰ—গুৱাহাটী জজ খেল পথাৰত সদৌ অসম ভিত্তিত কেন্দ্ৰীয় গণ-সমাবেশ।
- ০ ৯ নবেম্বৰৰ পৰা অনিৰ্দিষ্ট কাললৈ গণ-সত্যাগ্ৰহ।
- ০ ১২-১৭ নবেম্বৰ—গণ-সত্যাগ্ৰহ।
- ০ ১৭-১৯ নবেম্বৰ—গণ-পিকেটিং।
- ০ ২২-২৮ নবেম্বৰ—গণ-পিকেটিং।
- ০ ৩-১০ ডিচেম্বৰ—অসমৰ চৈধ্যটা সংসদী সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ দিন।
- ০ ৩ ডিচেম্বৰৰ ৰাতিপুৱা ৬ বজাৰ পৰা ৪ তাৰিখ ৪ বজালৈ ৩৪ ঘণ্টিয়া অসম বন্ধ।
- ০ ৫-৮ ডিচেম্বৰ—মনোনয়ন পত্ৰ দাখিল কৰিব পৰা সম্ভাব্য সকলো কাৰ্য্যালয়তে গণ-পিকেটিং।
- ০ ১০ ডিচেম্বৰ—ৰাতিপুৱা ৬ বজাৰ পৰা ৫ বজালৈ অসম বন্ধ। পুৱতি নিশা শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ হত্যা।
- ০ ১৮ ডিচেম্বৰ—মৃত্যুপণৰ সংকল্প দিবস।
- ০ ১৯-২০ ডিচেম্বৰ—অসহযোগ আন্দোলন।
- ০ ২১ ডিচেম্বৰ—শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ আদ্য-শ্ৰাদ্ধ।
- ০ ১৪-৩১ ডিচেম্বৰ—অসহযোগ আন্দোলন।
- ০ ২৭ ডিচেম্বৰ—অসমৰ বিভিন্ন তৈলক্ষেত্ৰত পিকেটিং আৰম্ভ।
- ০ ১৯৮০ চনৰ ১-৩ জানুৱাৰী—৫৮ ঘণ্টিয়া অসম বন্ধ।
- ০ ৩ জানুৱাৰী—দিলীপ হুজুৰীৰ হত্যা।
- ০ ৮-১৬ জানুৱাৰী—অসমৰ পৰা বাহিৰলৈ তেল যোৱা বন্ধ কৰাৰ কাৰণে অসমৰ তৈলক্ষেত্ৰত পিকেটিং।
- ০ ১১-১২ জানুৱাৰী—বিভিন্ন মহলৰ কৰ্মচাৰীৰ দ্বাৰা তেজপুৰত সদৌ অসম কৰ্মচাৰী পৰিষদ গঠন।
- ০ ১৮ জানুৱাৰী—নাৰী নিৰ্য্যাতন প্ৰতিবাদ দিবস। সেইদিনাই ৰাতিপুৱা দুলীয়াজানত নৃশংস হত্যাকাণ্ড। পুলিচৰ গুলীত নিহত হয়—অজিত নওঁগ, নগেন ডেকা, নৃপেন বৰা আৰু কুমুদ গগৈ।
- ০ ২১ জানুৱাৰী—উত্তৰ কামৰূপ তথা দুলীয়াজানত নিৰ্য্যাতিত সকলৰ সহানুভূতিত সকলো উৎপীড়নৰ প্ৰতিবাদত "কলা দিবস" পালন।
- ০ ২৫ জানুৱাৰী—পতাকা দিবস। আন্দোলনৰ বিভিন্ন পৰ্য্যায়ত ক্ষতিগ্ৰস্ত সকলৰ সাহায্যৰ বাবে সাহায্য পুঁজি গঠন।
- ০ ২৬ জানুৱাৰী—গণতন্ত্ৰ দিবসৰ সকলো চৰকাৰী কাৰ্য্যসূচী বৰ্জন। ছাত্ৰ সন্থাৰ দ্বাৰা সুকীয়া কাৰ্য্যসূচীৰে

গণতন্ত্র দিবস পালন।

- ০ ১-২ ফেব্রুৱাৰী—গণ অনশন পালন।
- ০ ৩ ফেব্রুৱাৰী—সমগ্র অসম জুৰি আন্দোলনৰ বিভিন্ন পটভূমিত নিহত হোৱা সকলৰ আত্মাৰ সদ্গতিৰ বাবে প্ৰাৰ্থনা সভা আৰু তুলীয়াজানত আদ্যশ্ৰাদ্ধ পালন।
- ০ ৪ ফেব্রুৱাৰী পৰা অনিৰ্দিষ্ট কাললৈ গণ-সত্যাগ্ৰহ।
- ০ ১-৪ ফেব্রুৱাৰী—সদৌ অসম ছাত্র সন্থাৰ দ্বাৰা ইন্দিৰা গান্ধীৰ সৈতে আন্দোলন সম্পৰ্কে নতুন দিল্লীত আলোচনা।
- ● ২১-২৩ ফেব্রুৱাৰী—গৃহমন্ত্রী জাইল সিঙৰ সৈতে সদৌ অসম ছাত্র সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ আলোচনা।
- ● ৩-৫ মাৰ্চ—গণ-পিকেটিং।
- ● ৬ মাৰ্চ—প্ৰধানমন্ত্রীৰ লগত দ্বিতীয় লানি আলোচনাৰ বাবে ছাত্র সন্থাৰ দিল্লী যাত্ৰা।
- ০ ৭ মাৰ্চ—ছাত্র সন্থাৰ প্ৰধানমন্ত্রীৰে সৈতে সাক্ষাত।
- ০ ৮ মাৰ্চ—ছাত্র সন্থাৰ গৃহমন্ত্রীৰ সৈতে সাক্ষাত।
- ● ৯ মাৰ্চ—সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ নেতৃবৃন্দৰ দিল্লী যাত্ৰা।
- ● ১০ মাৰ্চ—ছাত্র সন্থা-গণ-সংগ্ৰাম পৰিষদৰ গৃহমন্ত্রীৰ সৈতে যুটীয়া বৈঠক। আলোচনাৰ অসফল পৰিসমাপ্তি।
- ● ২৪ মাৰ্চ—পশ্চিমবঙ্গৰ ইন্দিৰা যুৱ কংগ্ৰেছ আৰু ছাত্র পৰিষদৰ দ্বাৰা উত্তৰ বঙ্গত অৰ্থনৈতিক অৱৰোধ কাৰ্য্যসূচী।
- ● ২৬ মাৰ্চ—ৰাতিপুৱা ৬ বজাৰ পৰা গধূলি ৬ বজালৈ অসম বন্ধ।
- ● ২৮ মাৰ্চ—জিলা সদৰবোৰত শোভাযাত্ৰা আৰু ৰাজহুৱা সভা।
- ০ ৩-১০ এপ্ৰিল—গণ-সত্যাগ্ৰহ।
- ● ৫ এপ্ৰিল—উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলা বাদ দি সমগ্র অসম 'অশান্ত অঞ্চল' ঘোষণা।
- ● ৭ এপ্ৰিল—অশান্ত অঞ্চলৰ তৎকালীন কাৰ্য্যপন্থা চৰকাৰে হাতত লোৱাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ 'আদেশ স্থগিতকৰণ' ব্যৱস্থা।
- ● ১২ এপ্ৰিল—প্ৰধানমন্ত্রী ইন্দিৰা গান্ধীৰ বহু প্ৰত্যাশিত অসম ভ্ৰমণ।
- ০ ১৩ এপ্ৰিল—'সময় সীমা নিৰ্দ্ধাৰণ'ৰ প্ৰশ্নৰ বাবে প্ৰধানমন্ত্রীৰে সৈতে আলোচনা ব্যৰ্থ।
- ০ ১৯ এপ্ৰিল—অতৰ্কিতে পুৱতী নিশা গুৱাহাটীত সান্ধ্য আইন ঘোষণা। আন্দোলনৰ নেতা গ্ৰেপ্তাৰ। প্ৰায় ৫ লক্ষাধিক মানুহৰ সান্ধ্য আইন ভঙ্গ কৰি নাৰেঙ্গী তৈলক্ষেত্ৰলৈ শোভাযাত্ৰা।
- ০ ২০ এপ্ৰিল—তৈলক্ষেত্ৰৰ বিষয়াবৰ্গৰ কামত অসহযোগ। নিৰস্ত্র জনতাৰ ওপৰত পুলিচৰ লাঠিচালনা। শতাধিক লোক আহত। নাৰেঙ্গী তৈলক্ষেত্র অঞ্চলত সান্ধ্য আইন ঘোষণা। চান্দমাৰীত অৱস্থান ধৰ্মঘট আৰম্ভ।
- ০ ২২-২৬ এপ্ৰিল—সকলো কাৰ্য্যালয়ৰ সন্মুখত পিকেটিং।
- ০ ২২ এপ্ৰিলৰ পৰা অসমৰ বাহিৰলৈ কাঠ, বেত, মৰাপাট, প্লাইউদ আদি সামগ্ৰীৰ সৰবৰাহত অনিৰ্দিষ্ট কাললৈ বাধা দান কাৰ্য্য আৰম্ভ।
- ০ ২৪ এপ্ৰিল—আততায়ীৰ হাতত দক্ষিণ শালমৰা ৰাষ্ট্ৰীয় পথৰ ওপৰত শ্বহীদ খৰ্গেশ্বৰ ৰায় নিহত।
- ০ ২৮ এপ্ৰিল—কৰ্মচাৰী পৰিষদৰ উদ্যোগত অসহযোগ কাৰ্য্যসূচী। 'ৰণশিঙা' দিবস।
- ০ ২৯-৩০ এপ্ৰিল—চাইকেলেৰে শোভাযাত্ৰা কৰি এটা আঞ্চলিকৰ কৰ্ম্মীৰ আন এটা আঞ্চলিকলৈ যাত্ৰা।
- ০ ১-২ মে'—"শান্তি-সম্প্ৰীতি" দিবস।
- ০ ৫-৯ মে'—ৰাজ্যজুৰি স্বেচ্ছামূলক কাৰাবৰণ কাৰ্য্যসূচী।
- ০ ৫মে'—কামপুৰত পিকেটিংকাৰীৰ ওপৰত গুলি চালনা।
- ০ ৭-৯, ১২ মে'—নিবাৰক নিৰোধ আইন অনুসৰি গ্ৰেপ্তাৰ কৰা নেতাকলৈ হোৱা 'বন্দী প্ৰত্যক্ষীকৰণ' কে'চৰ উচ্চ ন্যায়ালয়ত শুনানী।
- ০ ১২ মে'—উচ্চতম ন্যায়ালয়ৰ দ্বাৰা উচ্চ ন্যায়ালয়ত অসমৰ আন্দোলন সন্দৰ্ভত চলা শুনানীবোৰৰ 'স্থগিতকৰণ' ব্যৱস্থা।
- ০ ১৩-১৪ মে'—প্ৰতিবাদ দিবস।
- ০ ১৪ মে'—কৰ্মচাৰী নিৰ্য্যাতন বিৰোধী দিবস।
- ০ ১৫ মে'—ছাত্র সন্থা-গণ-সংগ্ৰাম পৰিষদে প্ৰধানমন্ত্রীলৈ দিয়া চৰমপত্ৰৰ ম্যাদ উকলাৰ শেষ দিন।

(ছপা হোৱাৰ সময়লৈকে) ●

## ঃ এই সংখ্যা কটনিয়ানৰ পাতে পাতে ঃ

( অসমীয়া বিভাগ )


সম্পাদকীয়

● **প্ৰবন্ধ**

১॥ জাতীয় অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত
৺জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভূমিকা ··· ··· পৰাগজ্যোতি বৰা
২॥ মহাকবি ডান্টেৰ সাহিত্যত বিয়েট্ৰিছৰ
দাৰ্শনিক তাৎপৰ্য্য ··· ৺তাৰিণী কান্ত ভট্টাচাৰ্য্য ৮
৩॥ সমসাময়িক অসমীয়া সাহিত্যত বাস্তৱবাদ··· মৃদুল বৰগোহাঁঞি ১৫
৪॥ ৰঘুনাথ চৌধাৰী ঃ এক নৱ মূল্যায়ন··· চমছেৰ আলি ২৪
৫॥ নেতৃত্বৰ অন্বেষণত ··· সুনীতা মজিন্দাৰ বৰুৱা ২৮
৬॥ বিশ্বমাতৃ মাদাৰ টেৰেছা ··· বিন্দু চৌধুৰী ৩৪
৭॥ সাম্প্ৰতিক কালৰ ভাৰতীয় ফুটবল ··· অধ্যাপক কমলেশ চৌধুৰী ৩৬
৮॥ কটন কলেজ লাইব্ৰেৰী ঃ এটি ঐতিহাসিক
মুল্যায়ন ··· প্ৰণৱ কুমাৰ তালুকদাৰ ৪২
৯॥ উদ্ভিদৰ সংবেদনশীলতা ··· গৌৰী প্ৰসাদ শৰ্মা বেজবৰা ৪৭
১০॥ পিৰামিডৰ ক্ষমতা ··· দীপঙ্কৰ মেধি ৫১
১১॥ এলকহল ঃ পেট্ৰ'লিয়ামৰ সলনি ইয়াৰ
ভাৰতবৰ্ষত ব্যৱহাৰৰ সম্ভাৱনা ··· কুমুদ চন্দ্ৰ গোস্বামী ৫৮
১২॥ স্বয়ংক্ৰীয় তুৱাৰৰ নক্সা ··· তপন কুমাৰ ডেকা ৬৩
১৩॥ কটন কলেজ আৰু প্ৰাসঙ্গিক উচ্চ শিক্ষা··· অধ্যাপক ডঃ কুলেন্দু পাঠক ৬৪

● **সম্প্ৰীতিৰ ৰামধেনু** ৭২

● **মৃত্যুৱে যাক কৰিব নোৱাৰে ম্লান**

১॥ কমলা বাইদেউ (ডঃ কমলা ৰয়) ··· অনন্ত দাস ৭৬
২॥ এটুপি চকুলো পৰে স্মৃৰি
(ৰোহিণী কুমাৰ ভূঞা) ··· অধ্যাপক তীৰ্থনাথ বৰকটকী ৭৮

● **ৰূপক কাহিনী**

১॥ প্ৰতিবিম্ব ··· নীলমণি মেধি ৮০

● **কথা কবিতা**

| | | | | |
|---|---|---|---|---|
| ১॥ | অপেক্ষা | ... | প্ৰাণজিৎ প্ৰাণ বৰুৱা | ৮৩ |

● **গল্প**

| | | | | |
|---|---|---|---|---|
| ১॥ | আমি | ... | দীপেন্দ্ৰ মোহন দাস | ৮৬ |
| ২॥ | কুকুৰ | ... | মজনুৰ হুছেইন | ৯০ |
| ৩॥ | তাই যেন এবিধ ক্ষয়িষ্ণু পণ্য | ... | বিজয় কলিতা | ৯৪ |
| ৪॥ | উপলব্ধি | ... | পূৰবী দেৱী | ৯৭ |
| ৫॥ | যোগসূত্ৰ | ... | গৌতম ঠাকুৰীয়া | ১০০ |

● **কবিতা**

| | | | | |
|---|---|---|---|---|
| ১॥ | অভিলাস | ... | পঙ্কজ কুমাৰ শইকীয়া | ৫৭ |
| ২॥ | সমুখলৈ | ... | হিৰণ্যজ্যোতি বায়ন | ৬২ |
| ৩॥ | সিহঁত | ... | ব্ৰজেন সোনোৱাল | ৬২ |
| ৪॥ | মোহ | ... | ব্ৰজেনজিৎ সিং | ৭৫ |
| ৫॥ | পুনৰুৎপত্তি | ... | নেকিবুৰ ৰহমান শইকীয়া | ৭৫ |
| ৬॥ | এহাত ডাবা | ... | দিলীপ শৰ্মা | ৭৯ |
| ৭॥ | ৰমণীয় বৰণীয় ভাস্বতী | ... | গৌতম তালুকদাৰ | ৭৯ |
| ৮॥ | অস্তিত্ব ৰক্ষাৰ প্ৰয়াস | ... | সীমান্ত শইকীয়া | ৯৩ |
| ৯॥ | অনুভৱ | ... | ডিম্বনাথ মিলি | ৯৯ |
| ১০॥ | ফল্গু | ... | আনফৰ আলি হক | ১০৬ |
| ১১॥ | দুটি সমসাময়িক হিন্দী কবিতা | ... | অনুঃ হীৰেন্দ্ৰ কুমাৰ নাথ | ১৩১ |

● **কবিতা ঃ কটন কলেজৰ বিভিন্ন প্ৰাচীৰ পত্ৰিকাৰ সৌজন্যত**

| | | | | |
|---|---|---|---|---|
| ১॥ | মোৰ এই ঢোলৰ শব্দত | ... | হাংমিজি হাঞ্চে | ১০৮ |
| ২॥ | এমুঠি 'শ্বায়েৰী' | ... | ... | ১০৮ |
| ৩॥ | শৃঙ্খলিত সময় | ... | তৰুণ বৰা | ১০৯ |
| ৪॥ | মই ৰুদ্ৰ | ... | মিতালী দেউৰী | ১০৯ |
| ৫॥ | এমুঠি মিনি কবিতা | ... | ঈশ্বৰ প্ৰসন্ন বুঢ়াগোহাঁই | ১১০ |
| ৬॥ | মই স্বপ্নদ্ৰষ্টা | ... | অনুপ কুমাৰ দাস | ১১০ |
| ৭॥ | আহ্বান | ... | দিপালী নাথ | ১১১ |

● **একাংকিকা নাট**

| | | | | |
|---|---|---|---|---|
| ১॥ | নায়কৰ ভূমিকাৰে | ... | অধ্যাপক শ্যামাপ্ৰসাদ শৰ্মা | ১১২ |

# সম্পাদকীয়

"কটনিয়ান" কটনিয়ানৰ সাহিত্য সংস্কৃতিৰ বাহক আৰু লগতে কটনিয়ানৰ মনোজগতৰ বেৰোমিটাৰ স্বৰূপ। বাক্যষাৰৰ প্ৰথম অংশ স্পষ্ট আৰু ব্যাখ্যা নিষ্প্ৰয়োজন— কিন্তু দ্বিতীয় অংশটোৰ ব্যাখ্যাৰ প্ৰয়োজন আছে। কটনিয়ানৰ বিভিন্ন সমস্যাৰ পৰা আদি কৰি সাহিত্য সংস্কৃতি সমন্বিতে 'Cottonian in the limelight' ত উপনীত হোৱা হয় এই "কটনিয়ান"ৰ জৰিয়তেই। সেয়েহে মননশীল কটনিয়ানৰ "কটনিয়ান" খন তেওঁলোকৰ ব্যক্তিত্বৰ প্ৰতিবিম্ব বুলিব পাৰি। এইক্ষেত্ৰত এটা কথাই সোঁৱৰাই থোৱা ভাল যে "কটনিয়ান" খন যদি দাপোন বুলি ধৰি কটনিয়ানৰ চিন্তা চৰ্চাৰ প্ৰতিবিম্ব ইয়াত বিচৰা যায় তেন্তে কেতিয়াবা ইয়াত বিকৃত প্ৰতিবিম্বও নেদেখা নহয়— ইয়াৰ অৰ্থ স্পষ্ট— "কটনিয়ান" কেতিয়াবা অসমতল দাপোনলৈ ৰূপান্তৰিত হয় আৰু সেইবাবেই হয়তো দুই এখন "কটনিয়ান" প্ৰকাশৰ সময়ত কটনিয়ান ক্ষুব্ধ হয়। এয়া অৱশ্যে প্ৰায়বোৰ আলোচনীৰ ক্ষেত্ৰতে প্ৰযোজ্য হয়।

অসমৰ সাহিত্য জগতৰ যি সকল উজ্জ্বল তাৰকা আছে প্ৰায় সকলেই এই মহাবিদ্যালয় খনৰ লগত বিভিন্ন প্ৰকাৰে জড়িত। পুৰণি "কটনিয়ান"ৰ পাত লুটিয়ালে এতিয়াৰ প্ৰবীন সাহিত্যিক সকলক সাহিত্য চৰ্চাকাৰী ছাত্ৰ হিচাবে দেখা পোৱা যায়। এটা কথা মন কৰিব লগীয়া যে আগৰ "কটনিয়ান" বিলাকৰ অধিকাংশই ইংৰাজী বিভাগেৰে পৰিপূৰ্ণ। তদুপৰি প্ৰথম অৱস্থাত এই "কটনিয়ান" সমূহত কেৱল ইংৰাজী বিভাগহে আছিল। এই ইংৰাজী বিভাগ সমূহত যি সকল ছাত্ৰই লিখিছিল তাৰে বেছিভাগেই বৰ্ত্তমান অসমীয়া সাহিত্যৰ সেৱক। তেখেতসকলৰ সাহিত্য সেৱাই আজি অসমীয়া সাহিত্যৰ সৌষ্ঠৱ বঢ়োৱাৰ বাবে কটনিয়ান হিচাবে আমি গৌৰৱান্বিত।

প্ৰায়ে কটনিয়ানসকলৰ মুখত শুনো "কটনিয়ান"ৰ Standard হেনো কমি গৈছে। কথাষাৰ হয়তো সঁচা, হয়তো মিছা। কটনিয়ান সকলে নিশ্চয় এটা কথা স্বীকাৰ কৰিব যে প্ৰথম অৱস্থাত "কটনিয়ান" খনৰ অসমীয়া সাহিত্যলৈ অৱদান শূণ্য আছিল আৰু ক্ৰমান্বয়ে ইয়াৰ অৱদান বাঢ়ি আহিছে। যদি অসমীয়া সাহিত্যলৈ অৱদান বঢ়াটোৱে Standard কমা বুজায় তেন্তে আমাৰ ক'বলগীয়া একো নাই। কিন্তু যদিহে ই নুবুজায় তেন্তে আমাৰ মনত আন এটা প্ৰশ্ন উদয় হয়— কোনখন আলোচনীৰ

**'Standard'ক আমি 'Standard' হিচাবে ল'ম?**

বৰ্ত্তমান অসমীয়া সাহিত্যত সাহিত্যিকৰ অভাৱ নাই, সাহিত্যৰহে অভাৱ। কথাষাৰ শুনাত বিসদৃশ যেন লাগে যদিও অলপ দকৈ ভাবি চালে কথাষাৰ যে সম্পূৰ্ণ সত্য তাক উপলব্ধি কৰিব পাৰি। অসমীয়া সাহিত্য জগতত দিনৌ নতুন সাহিত্যিকৰ আবিৰ্ভাৱ ঘটে আৰু দিনৌ বহু সাহিত্যিকৰ কলমৰ চিয়াঁহী শুকাই যায়। যি সকলে সাহিত্যক বিলাসীতাৰ বস্তু বুলি ভাবি সাহিত্য চৰ্চ্চা কৰে, সেইসকলৰ কথা বাদ দিলেও যি সকল সাহিত্যিকে সাহিত্যক সমাজ দৰ্পণ হিচাবে প্ৰয়োগ কৰিব বিচাৰে সেইসকলো উন্নত মানদণ্ডৰ সাহিত্য সৃষ্টি কৰাত ব্যৰ্থ হৈছে বুলিয়ে ক'ব লাগিব। বৰ্ত্তমানলৈকে অসমীয়া সাহিত্যত পৃথিবীৰ বাটচ'ৰালৈ যাব পৰা কোনো সাহিত্যৰ সৃষ্টি হোৱা নাই। উন্নত মান দণ্ডৰ সাহিত্যৰ সৃষ্টি নোহোৱাৰ মূল কাৰণ বিশ্লেষণ কৰি চালে দেখা যায় যে অসমৰ যি সকল অগ্ৰনী (সাধাৰণ সাহিত্যিক সকলৰ কোনো প্ৰশ্নই নুঠে) সাহিত্যিক আছে তেওঁলোকৰ সাহিত্য চৰ্চ্চা এক উপকৰা চৰ্চ্চা অৰ্থাৎ Side bussiness ৰ নিচিনা। প্ৰায়কেইজন সাহিত্যিকেই বিভিন্ন উচ্চ পৰ্য্যায়ৰ চাকৰিয়াল নাইবা অন্য কোনো ব্যৱসায়ী। অৱশ্যে দ্বিতীয়বিধৰ উদাহৰণ পাবলৈয়ো টান। স্বনামধন্য অসমীয়া লিখক কেইজনৰ বাহিৰে বাকী প্ৰায় সকলো লিখকৰ লিখনি তৰাং। ইয়াৰ কাৰণ হৈছে তেওঁলোক লিখকহে, পাঠক নহয়। এজন মানুহে যেতিয়ালৈকে নিজে সকলো জানো বুলি ভাৱে তেতিয়ালৈকে তেওঁ একো নেজানে— আৰু যেতিয়া একো নাজানো বুলি ভাৱে তেতিয়া কিঞ্চিৎ জানে। এই লিখকসকলৰো প্ৰথম ধাৰণাটো হোৱা বাবে অধ্যয়ন নকৰাকৈয়ে লিখিব আৰম্ভ কৰে, ফলত তেওঁলোকৰ তৰাং চিন্তাধাৰাৰ প্ৰতিফলন স্বৰূপে তৰাং সাহিত্যৰ সৃষ্টি হয়। এই তৰাং লিখকসকলৰ দ্বাৰা লিখনিৰ সংখ্যাহে বাঢ়িব পাৰে, কিন্তু সাহিত্যৰ পৰিসৰ নাবাঢ়ে। সেয়ে প্ৰতিবছৰে বহুকেইখন উপন্যাস প্ৰকাশ পালেও তাৰে দুখনমানহে সাহিত্যৰ শ্ৰেণীত পৰে। ইয়াৰ দ্বাৰা অৱশ্যে নতুন আৰু দ্বিতীয় শ্ৰেণীৰ লিখকসকলক হতাশ কৰিব খোজা নাই। তেখেতসকলক ইয়াকে ক'ব খোজা হৈছে যাতে তেওঁলোকে গভীৰ অধ্যয়নৰ যোগেৰে উচ্চ মানদণ্ডৰ সাহিত্যৰ সৃষ্টি কৰিব পাৰে। সাহিত্যিক সকলে এটা কথা মনত ৰখা উচিত যে এজন সাহিত্যিকৰ জীৱনৰ মূল্য লিখনিৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ নকৰে, গুণৰ ওপৰতহে কৰে। আৰ্থাৰ কনন ডয়লক বাদদি প্ৰায়বোৰ খ্যাতনামা সাহিত্যিকৰ জীৱনত দুই চাৰিখনতকৈ বেছি কাব্য ৰচনা কৰা আমাৰ চকুত নপৰে। সেইবুলি কাব্যৰ সংখ্যা কমালেই সাহিত্য উন্নত মানদণ্ডৰ হ'ব বুলি ভৱাটোও ভুল।

এখন সত্য সুন্দৰ গ্ৰন্থ ৰচনা কৰিবলৈ প্ৰয়োজন হয় গভীৰ অধ্যয়ন, বাস্তৱ অভিজ্ঞতা, বাস্তৱ অভিজ্ঞতাৰ ওপৰত কল্পনাৰ নিখুঁট প্ৰলেপ আৰু একান্ত নিষ্ঠাৰ। বহুক্ষেত্ৰত বাস্তৱ অভিজ্ঞতা লাভ কৰা সম্ভৱ নহ'লে অধ্যয়ন আৰু তাৰ ওপৰত কল্পনাৰ প্ৰলেপ দি

প্ৰয়োজনীয়তা পূৰণ কৰা হয়। সেয়ে আগতে উল্লেখ কৰাৰ দৰেই সাহিত্য সৃষ্টিত প্ৰচুৰ অধ্যয়নৰ প্ৰয়োজন আছে বুলি আমি ক'ব পাৰো। এইক্ষেত্ৰতে আন এটা কথা মন কৰিব লগীয়া যে একান্ত নিষ্ঠা বা সাধনাবিহনে বাকী গুণকেইটাৰ উপস্থিতিয়েও উন্নত সাহিত্যৰ সৃষ্টি কৰিব নোৱাৰে। নিষ্ঠাবিহনে যে উন্নত সাহিত্যৰ সৃষ্টি নহয় তাক পৃথিৱী বিখ্যাত সাহিত্যিক সকলৰ জীৱনীলৈ ভুমুকি মাৰিলেই উমান পোৱা যায়।

**বৰ্ত্তমানৰ অসমীয়া সংস্কৃতি ঃ—** বৰ্ত্তমান অসমত অসমীয়া বিভিন্ন লোক-সংস্কৃতিসমূহৰ পতন ঘটাই এক পাশ্চাত্য সংস্কৃতিৰ বৰ চোলা পিন্ধা এক বিজতৰীয়া সংস্কৃতিৰ জন্ম হোৱা দেখা গৈছে। তথাকথিত শিক্ষিত সমাজত অসমীয়া বিভিন্ন গীততকৈ পাশ্চাত্য সঙ্গীতৰ আদৰ বেছি। একেদৰেই অসমীয়া ভাওঁনা, থিয়েটাৰতকৈ Enter the Dregon আদিৰ দৰে কেতবোৰ হুলস্থূলীয়া ইংৰাজী কথাছবি ডেকাচামৰ বেছি প্ৰিয়। আনকি অসমীয়া কথাছবিও হিন্দী বা ইংৰাজী ছবিতকৈ ডেকাচামৰ মাজত কম জনপ্ৰিয়। বহু অসমীয়া যুৱকে স্পষ্ট ভাবেই Beat Contest তকৈ লোকগীত, বৰগীত নিম্ন মানদণ্ডৰ বুলি কয়। অসমীয়া জাতিৰ পক্ষে ইয়াতকৈ দুৰ্ভাগ্যৰ কথা একো নাই। অসমীয়া সংস্কৃতিৰ বিপদাপন্ন অৱস্থাত প্ৰতিজন অসমীয়াৰে কৰ্ত্তব্য হৈছে ইয়াক ৰক্ষণাবেক্ষণ দিয়া। শ্লোগান আৰু পোষ্টাৰত "জয় আই অসম" বুলি লিখিয়েই ক্ষান্ত নাথাকি অসমীয়া সংস্কৃতিক বিপদৰ মুখৰ পৰা ৰক্ষা কৰি এক সুস্থ সৰল সংস্কৃতিৰ সৃষ্টি কৰি "অসমীয়াৰ অসমীয়াত্ব" বজাই ৰাখিবলৈ সাজু হ'বৰ হ'ল।

**অসমৰ অভূতপূৰ্ব গণ-আন্দোলন আৰু কটন কলেজ এক নিউক্লিয়াছ ঃ—** অসমত যি অভূতপূৰ্ব আৰু সফল গণজাগৰণৰ ফলত সৃষ্টি হোৱা গণআন্দোলন হৈছে তাক কটন কলেজ ইউনিয়ন হলৰ পৰাই নিয়ন্ত্ৰণ কৰি থকা হৈছে বুলি ক'লে নিশ্চয় বঢ়াই কোৱা নহ'ব। সেয়েহে কটন কলেজৰ ইউনিয়ন হলক এই আন্দোলনৰ নিউক্লিয়াছ আখ্যা দিব পাৰি।

এই গণ-আন্দোলনৰ প্ৰয়োজনীয়তা আৰু যুক্তিসংগতা সম্পৰ্কে কাৰো দ্বিমত থকা উচিত নহয়। কোনো এখন দেশৰ নাগৰিকে অন্য কোনো দেশত ভিচা বা পাচপোৰ্ট নথকাকৈ প্ৰৱেশ কৰাটোৱেই সাংবিধানিক নহয়; অন্য দেশত স্থায়ীভাৱে বাস কৰাটোতো প্ৰশ্নই নুঠে। কিন্তু দুৰ্ভাগ্যৰ কথা যে লাখ লাখ বিদেশী নাগৰিকে অসমৰ মাজ মজিয়াত অবৈধ ভাৱে বাস কৰাৰ কথা অসমৰ ৰাইজে চৰকাৰক আন্দোলনৰ মাজেৰেহে জনাবলগীয়া হৈছে। তাতোকৈ পৰিতাপৰ কথা অসমৰ ৰাইজৰ এই সাংবিধানিক দাবীক কেন্দ্ৰীয় চৰকাৰে পুলিচ, মিলিটেৰীৰ দ্বাৰা দমন কৰি অবৈধ বিদেশীক বৰপীৰা পাৰি বহিব দিয়াটো। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ যুটীয়া নেতৃত্বত চলা এই গণ-আন্দোলনটোৰ প্ৰতি অধিকাংশ কটনিয়ানৰ পূৰ্ণ সমৰ্থন আছে আৰু সম্ভৱতঃ প্ৰতিজন কটনিয়ানেই বিভিন্ন ঠাইত এই আন্দোলনৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ পৰিছে। অলপতে কটনিয়ানসকলে সুৰ বাহিনী খুলি উত্তৰ কামৰূপৰ দুৰ্গতজনক

অর্থনৈতিক ভাৱে সহায় কৰে। তদুপৰি অসমৰ তৈল নগৰী তুলীয়াজানত চৰকাৰী পক্ষৰ দ্বাৰা যি নৰমেধ যজ্ঞৰ সৃষ্টি হৈছিল, তাৰ বিতং বিৱৰণীৰ বাবে কটন কলেজ ছাত্র সন্থাৰ দুজন কার্য্যবাহী সদস্যই ২৩।১।৮০ তাৰিখৰ পৰা ২৬।১।৮০ তাৰিখলৈ তৈলনগৰী আৰু ওচৰৰ চাৰ্চনী মৌজা, ভাদৈ পাঁচআলি আদি পৰিভ্ৰমণ কৰে। কটন কলেজ শিক্ষক সন্থাইও উত্তৰ কামৰূপৰ লুণ্ঠিত জনগণক অর্থনৈতিক সহায় আগবঢ়ায়।

**এই আন্দোলনৰ তাৎপৰ্য্য আৰু লাভা-লাভ ঃ—** অসমৰ বুৰঞ্জীত এই গণআন্দোলনটো বিশেষভাৱে তাৎপৰ্য্যপূর্ণ। স্বাধীনতাৰ আন্দোলনতো এনে ব্যাপক গণআন্দোলন গঢ়ি উঠা নাছিল বুলি বহু বয়োজ্যেষ্ঠ মানুহৰ মুখত শুনা গৈছে। এই আন্দোলনৰ ফলতে অধিকাংশ অসমীয়াৰ মনত জাতীয়তাবোধ জাগি উঠিছে। প্ৰত্যেক অসমীয়াই নিজক চিনি পাবলৈ, নিজকে অন্য এক প্ৰকাৰে মূল্যায়ন কৰিবলৈ বিচাৰিছে। ই এটা জাতিৰ পক্ষে শুভ লক্ষণ।

এই আন্দোলনৰ যোগেদি হোৱা লাভ লোকচানৰ এখনি সৰু খতিয়ান ডাঙি ধৰিবলৈ চেষ্টা কৰা হ'লঃ

(১) অসমীয়া প্ৰতিজন ডেকা, প্ৰতিগৰাকী গাভৰুৰ পৰা আৰম্ভ কৰি আলৰ বৃদ্ধলৈকে প্ৰায় সকলোৱেই জাতীয় চেতনা লাভ কৰিছে। আনকি শিশুহঁতেও—

"লুইতৰ পাৰৰে আমি ডেকা ল'ৰা—
মৰিবলৈ ভয় নাই—" আদি গাব আৰু মৰ্মে মৰ্মে উপলব্ধি

কৰিব পৰা হ'ল।

(২) প্ৰতিজন অসমীয়াই শ্ৰমৰ মৰ্য্যাদা বুজিবলৈ চেষ্টা কৰাতো পৰিলক্ষিত হৈছে। ইয়াৰে বাহ্যিক প্ৰকাশ বজাৰে-সমাৰে, বাটে-পথে দেখা পোৱা গৈছে।

(৩) অসমৰ বাহিৰৰ অন্য ৰাজ্যসমূহৰ জনসাধাৰণে এটা কথা বুজিবলৈ চেষ্টা কৰিছে যে অসম কেৱল জংঘলী ৰাজ্যই নহয়, ই এটা বীৰ জাতিৰ মাতৃও। অসমৰ তেল অবিহনে তেওঁলোকৰ অৱস্থা কি হ'ব পাৰে তাকো তেওঁলোকে উপলব্ধি কৰিব পাৰিছে।

(৪) যি হেতুকে প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে' ৭১ ৰ পিচৰ অবৈধ বিদেশী নাগৰিকখিনি বহিস্কাৰ কৰিবৰ বাবে প্ৰতিশ্ৰুতি দিছে ইয়াৰ অর্থ এইটোৱেই যে অসমৰ ওপৰত পৰা অবৈধ বিদেশী নাগৰিকৰ যি গুৰুভাৰ তাৰ কিছু অংশ হ'লেও লাঘৱ হ'ব।

(৫) অসমৰ যি সকল সৰ্ব্বভাৰতীয় নেতা আছে তেওঁলোকেও এটা কথা বুজি উঠিছে যে কেৱল সৰ্ব্বভাৰতীয় কথা চিন্তা কৰি থাকিলেই অসমৰ ৰাইজে তেওঁলোকক সমৰ্থন দি নাথাকে।

(৬) আন্দোলনক কেন্দ্ৰ কৰি বহু নৱ সাহিত্যৰ সৃষ্টি হৈছে; অৱশ্যে এই নতুন সাহিত্যসমূহ প্ৰায়ে ৰৰ তৰাং যেন বোধ হয়। তৰাং সাহিত্যৰ পৰাই গভীৰ সাহিত্যৰ সৃষ্টি হ'ব বুলি ধৰি ললে আমি ইয়াক অসমীয়া সাহিত্যৰ এক শুভ লক্ষণ বুলি ক'ব লাগিব।

(৭) অসমৰ গণআন্দোলনক ভিত্তি কৰিয়েই অসমৰ বিভিন্ন উপজাতিসমূহ লগ লাগি বৃহৎ অসমীয়া জাতি গঢ়ি উঠিব বুলি আশা কৰিব পাৰি।

(৮) উত্তৰ পূৰ্ব্বাঞ্চলৰ যি সাতভনী ৰাজ্য আছে, ই একতাৰ ডোলেৰে বান্ধ খাব ধৰিছে।

(৯) অসমক চিৰদিন শোষণ কৰি থাকিব পৰা নাযাব বুলিও দিল্লীশ্বৰ সকলে গম পাইছে।

কেতবোৰ সুযোগ সন্ধানী ৰাজনৈতিক নেতা আৰু কেতবোৰ সদৌ অসম ছাত্ৰসন্থাৰ সিদ্ধান্তসমূহক ভুল পথে পৰিচালনা কৰা ছাত্ৰ নেতাৰ হস্তক্ষেপে এই অভূতপূৰ্ব্ব গণআন্দোলনটো কিছুপৰিমাণে হলেও বিপথগামী কৰি তলৰ অপকাৰসমূহ ঘটাইছেঃ

(১) এই গণআন্দোলনে এটা জাতিক কলা-কৃষ্টি, শিক্ষা-দীক্ষাৰ দিশত প্ৰায় এটা বছৰ পিছুৱাই ৰাখিলে। আজি অসমত নিৰ্দ্দিষ্ট বেগত ধাৱমান হোৱা সাহিত্যৰ উৰ্দ্ধমুখী গতি স্থবিৰ হৈ গৈছে। যিটো সময়ত অসম সাহিত্য সভাই অসমীয়া সাহিত্য আৰু সাংস্কৃতিক এক নৱ-জাগৰণেৰে জাগৃত কৰিব পাৰিলেহেঁতেন সেইসময়ত প্ৰথমে সাহিত্য সভা স্থগিত ৰাখি আৰু শেষত অনুষ্টুপীয়াকৈ পাতি কিমান যুক্তি সংগত কাম কৰিলে সিও বিচাৰ্য্য বিষয়। যিটো সময়ত অসমৰ কলা-কৃষ্টি বিদেশীৰ গৰাহত পৰিব বুলি ভবা হৈছে সেই সময়ত অসমীয়াৰ জাতীয় উৎসৱ ৰিহুৰ আড়ম্বৰতা কমাবলৈ [ যাৰ অৰ্থ বিহুনাচ, বিহুগীত, ঢোল, পেপা, তাল, গগণা বাদন আদিৰ সাধনা আৰু চৰ্চ্চা কমাবলৈ ইঙ্গিত দিয়াটো ] চেষ্টা কৰাটোৱে কিমান দূৰদৰ্শিতাৰ পৰিচয় দিছে সিও ভাবিবলগীয়া কথা।

(২) যদি ১৯৫১ক ভূমি বছৰ হিচাবে ছাত্ৰসন্থাই দাবী কৰি শেষত ইয়াতকৈ পিচৰ কোনোবা এটা চনক ভূমি বছৰ হিচাবে গ্ৰহণ কৰে তেন্তে এই দুই সময়সীমাৰ মাজৰ মানুহখিনি অসম বিৰোধী হোৱাৰ এটা আশু আশংকা আছে।

এই গণআন্দোলনৰ তাৎপৰ্য্য, লাভ লোকচানৰ উপৰিও কেইটামান সৰু অথচ বিশেষ প্ৰশ্নৰ উদয় হয়। "চৰকাৰ কোন ?" ইয়াৰ উত্তৰ নিশ্চয় এইটো নহয় যে চৰকাৰ মানে I.A.S. অফিচাৰ কেইজন, পুলিচ আৰু মিলিটেৰী বিভাগটো। ইয়াৰ উত্তৰ নিশ্চয় এইটোহে শুদ্ধ হ'ব যে শাসনাধিস্থ ৰাজনৈতিক দলটো আৰু তেওঁলোকক বিভিন্ন উপায়ে সহায় কৰা বিভিন্ন চৰকাৰী চাকৰিয়াল সকলক লৈয়ে চৰকাৰ হয়। শাসনাধিস্থ দলটোৰ কাৰ্য্যক্ৰমনিকাতকৈ চৰকাৰী চাকৰিয়ালসকলৰ কাৰ্য্যক্ৰমনিকা বহু বেছি। চৰকাৰক বিভিন্ন উপায়ে সহায় কৰা, সাংবিধানিক ৰক্ষণা-বেক্ষণ দিয়াৰ দায়িত্বও চৰকাৰী চাকৰিয়াল সকলৰ নোহোৱা নহয়। বৰ্ত্তমানৰ পৰিস্থিতিৰ খাতিৰত কেৱল কেইটামান চৰকাৰী চাকৰিয়ালৰ গোটক আমি প্ৰশ্নটো কৰিম। বিভিন্ন ঠাইৰ A. C. S. অফিচাৰ সকল, মাটিৰ মণ্ডলকে আদি কৰি সেই বিভাগটোৱে আজি ইমানদিনে বেদখলকাৰী বিদেশী বহিৰাগত সকলক দেখা নাছিলনে ? সাম্প্ৰতিক গণআন্দোলনৰ প্ৰতি তেওঁলোকে সঁহাৰি জনাইছে, "বিদেশী নাগৰিকক বহিস্কাৰ কৰক" ধ্বনি দিছে— দেশপ্ৰেমৰ খাতিৰত নে ?

নে জাতীয় চেতনাৰ তাড়নাত? নে এই নিস্কলুষ জাতীয় আন্দোলনটো পঙ্কিলতাৰে পৰিপূৰ্ণ কৰিবৰ বাবে? সঁচা কথা সকলো A. C. S. অফিচাৰ নাইবা মাটিৰ মণ্ডলেই দায়ী নহয়— কিন্তু ইয়াৰ এক বুজন সংখ্যক লোকেই এই বিদেশী বহিৰাগতৰ অবাধ বেদখলৰ বাবে দায়ী বুলি ক'লে নিশ্চয় বঢ়াই কোৱা নহয়। যি কি নহওঁক এই আন্দোলনত তেখেতসকলৰ স্বতঃস্ফুট যোগদানৰ বাবে তেখেতসকল ধন্যবাদৰ পাত্ৰ আৰু যদি তেখেতসকলৰ এই স্বতঃফুট যোগদান ব্যক্তি স্বাৰ্থ বিবৰ্জিত হয় তেন্তে ই অসম মাতৃৰ সৌভাগ্য বুলিব লাগিব। কিন্তু যদি ইয়াত সুবিধাবাদৰ ন্যুনতম গোন্ধও থাকে তেন্তে ইয়াতকৈ দুখৰ কথা একো নাই।

**চৰকাৰৰ দমনমূলক নীতিঃ**— চৰকাৰী পক্ষৰ ফালৰ পৰা নিৰপৰাধী মানুহৰ ওপৰত গুলি চালনা কৰা, লাঠী চালনা কৰা, হকে বিহকে ৰাজনৈতিক বা অৰাজনৈতিক নেতাক [ যি সকলে অসম মাতৃৰ দুখক নিজৰ দুখ বুলি লৈছে ] আটক কৰা, কোনো কাৰণ নোহোৱাকৈ অসমক 'অশান্ত অঞ্চল' বুলি ঘোষণা কৰা, যধে-মধে সান্ধ্য আইন দিয়া আদিলৈ চাই আমি মাথো এটা প্ৰশ্নই কৰিব পাৰো— "ভাৰতবৰ্ষত কেনেধৰণৰ গণতন্ত্ৰ চলে?"

**অশান্ত বিশ্বঃ**— আজি সমগ্ৰ বিশ্ব তৃতীয় মহাযুদ্ধৰ আশংকাত সন্ত্ৰস্ত। আচলতেই তৃতীয় বিশ্বযুদ্ধ হ'বনে? খুউব সম্ভৱ নহয়— কাৰণ মানুহে কোনো প্ৰাণীক হত্যা কৰে নিজে ভালদৰে জীয়াই থকাৰ কাৰণেহে। যদি সেই প্ৰাণীটো হত্যা কৰোতে নিজৰ ভীষণ ক্ষতি নাইবা মৃত্যু হোৱাৰ আশংকা থাকে তেন্তে বুদ্ধিমানজনে তেনে হত্যা কৰিবলৈ আগনাবাঢ়ে। অৱশ্যে বাঘ চিকাৰটো তৃপ্তি নথকা নহয়। পৃথিবীৰ বৰ বৰ শক্তিৰ নেতা সকলৰো সেইকণ বুদ্ধি আছে বুলি ধৰি ল'লে অদূৰ ভৱিষ্যতত কোনো মহাযুদ্ধ হোৱাৰ Chance নাই।

**কটনিয়ানৰ অভাৱ অভিযোগঃ**— মানুহৰ দেহা থকালৈকে অসুখ বিসুখ থাকিবই। সেইদৰেই কটন কলেজ থকালৈকে কটনিয়ানৰ অভাৱ অভিযোগ থাকিবই— গতিকে কটনিয়ানৰ অভাৱ অভিযোগ "নোকোৱাই ভাল"।

**ব্যক্তিগত একাষাৰঃ**— প্ৰথমেই মোক এই দায়িত্বপূৰ্ণ পদৰ বাবে নিৰ্বাচিত কৰা বাবে কটনিয়ান বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল। "কটনিয়ান" খন উলিয়াওতে যি সকলে মোক সহায় কৰিলে তাৰ ভিতৰত সম্পাদনা সমিতিৰ উপাধ্যক্ষ শ্ৰীযুত নৰকান্ত বৰুৱা, ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত শ্যামাপ্ৰসাদ শৰ্ম্মা, অধ্যাপক শ্ৰীযুত টাবু টাইড আৰু শ্ৰীযুত ৰামচৰণ ঠাকুৰীয়ালৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল। তদুপৰি অধ্যাপক হেমন্ত কুমাৰ ভট্টাচাৰ্য্য, ডঃ কুলেন্দু পাঠক, অধ্যাপক সুনীল বৰঠাকুৰ, অধ্যাপক ৰবীন গোস্বামী, অধ্যাপক ডঃ অনিল কুমাৰ গোস্বামী, অধ্যাপক ৰঞ্জন কুমাৰ শইকীয়া আদি চাৰ সকললৈও মোৰ আন্তৰিক ধন্যবাদ থাকিল। ইয়াৰ উপৰি বন্ধুবৰ সৰ্ব্বশ্ৰী গৌৰী প্ৰসাদ শৰ্ম্মা বেজবৰা, দীপঙ্কৰ মেধি, আমানুল্লা আহমেদ, চাহিদুল হক লস্কৰ, দীপেন্দ্ৰ মোহন দাস, পুলিন চন্দ্ৰ দাস,

ৰাণা ভূঞা, মজনুৰ হুছেইন, হৰেন তালুকদাৰ, তপন আড়নধৰা, দিগন্তজ্যোতি গগৈ, স্বপনজ্যোতি শৰ্ম্মা, শান্তনু ভট্টাচাৰ্য্য, অমৰজ্যোতি ভূঞা, বিজয় চক্ৰৱৰ্ত্তী, মাধুৰ্য্য বৰুৱা আদিলৈ আৰু বান্ধৱী সুনীতা মজিন্দাৰ বৰুৱা, অজন্তা গগৈ, বিন্দু চৌধুৰী, দিপালী নাথ আদিলৈ, তেখেতসকলে কৰা সহায়ৰ বাবে ধন্যবাদ জনালো। শেষত সমূহ পাঠক-পাঠিকালৈ প্ৰীতি আৰু শুভেচ্ছা জনাই সমূহ লিখক-লিখিকালৈ সময়মতে প্ৰবন্ধ পাতি যোগান ধৰাৰ বাবে আন্তৰিক ধন্যবাদ জনালো।

**হিৰণ্য বৰা**
সম্পাদক, কটনিয়ান (৫৫তম সংখ্যা)
৩।৫।৮০

## ॥ আমাৰ কলেজ প্ৰতীকটো ॥

১৯৩৩ চনত প্ৰথম ব্যৱহাৰ কৰা আমাৰ কলেজৰ এই মহান আৰু বিখ্যাত প্ৰতীকটি, প্ৰাক্তন অধ্যক্ষ ফ্ৰেদেৰিক চুডমাৰ্চনৰ উদ্গনিত প্ৰাক্তন কটনিয়ান মহেন্দ্ৰ নাথ ফুকনে (বা মই হেংদাং ডেকা ফুকনে) আঁকিছিল। প্ৰতীকটিৰ ব্যাখ্যা এনেধৰণৰ—

প্ৰতীকৰ পিছ অংশ হিচাবে থকা ঢালখনে অসমক বিদেশী আক্ৰমণৰ পৰা ৰক্ষা কৰা বুজাইছে। এই ঢালখনৰ দুটা ৰং কমলা আৰু সেউজীয়াই ক্ৰমান্বয়ে হিন্দু ধৰ্মৰ ত্যাগ আৰু ইচলাম ধৰ্মৰ শান্তিৰ কথা বুজাইছে। অসমত হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ কথা এই দুই ৰঙৰ দ্বাৰা বুজাবলৈ চেষ্টা কৰিছে। তদুপৰি সেউজীয়া ৰঙেৰে হিন্দু ধৰ্মত তৰুণ মনৰ কথাও বুজায়। সেয়েহে অসমৰ তৰুণ মনত এই দুই ৰঙৰ বাহিৰে অন্য কোনো ৰঙেই বেছি প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে।

মূল প্ৰতীকটো আঠোটা সৰু ধনুভিৰিয়া চাপ সমৃদ্ধ ওভেল আকৃতিৰ। ই পুৰণি আহোম ৰাজ্যৰ যুগমীয়া স্মৃতি মনত পেলাই দিয়ে। ইয়াৰ নীলা ৰঙে মুক্ত আৰু বহল আকাশ সূচায়। ইয়েই কটনিয়ানৰ মনোজগতৰ উদাৰতাৰ আভাষ দিয়ে। প্ৰতীকটিত পৰ্ব্বত-ভৈয়ামৰ সম্প্ৰীতিৰ ৰেঙনি দেখা যায়। পৰ্ব্বতৰ পিছত থকা দীপ্ত সূৰ্য্যই অজ্ঞানতা দূৰ কৰি জ্ঞানৰ পোহৰ বিস্তাৰ কৰা নিৰ্দ্দেশ কৰিছে।

প্ৰতীকত থকা প্ৰজ্বলিত প্ৰদীপ গছিয়ে "জ্ঞান-প্ৰদীপ"ক বুজাইছে। চাকিৰ তলতে থকা শৰাইখনে কটনিয়ানৰ জ্যেষ্ঠজনৰ প্ৰতি থকা সন্মান পৰিস্ফুট কৰে। শৰাইখনত থকা সাঁচিপতীয়া পুথিখনে পুৰণি অসমীয়া সংস্কৃতিৰ কথা সোঁৱৰাই দিয়ে।

আমাৰ এই কটন কলেজৰ বাবে ইয়াতকৈ সুন্দৰ প্ৰতীক আৰু কি হ'ব পাৰে !!!

# সাম্প্ৰতিক গণ-আন্দোলনৰ পৰিপ্ৰেক্ষিতত কোনে কি কয়—

"......লুইতপৰীয়া সংস্কৃতি, লুইতৰ পাৰতে জীয়াই ৰাখি বাস্তৱ সত্যতাৰ লগত খাপ খুৱাই অহিংস কাৰ্য্যপন্থাৰে সংগ্ৰামমুখী মনোভাৱ অৱলম্বন কৰি বিশ্বৰ দৰবাৰত অসমীয়া জাতিক যুগৰ প্ৰবাহত জীয়াই ৰাখি ৰচনা কৰিম নৱজাগৰণৰ নতুন ইতিহাস।"

*যতীন মালী*
সভাপতি, উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সন্থা
৯।৪।৮০

"আমি অসমীয়াই আমাৰ অতীত ইতিহাসৰ আঁত হেৰুৱাই পেলাইছিলো সেয়েহে আমাৰ ইমান দুৰ্গতি। আমি ইতিহাসৰ আঁত আজি বিচাৰি পাইছো। সেই আঁত ধৰি আমি আজি আগবাঢ়িছো। এই পদক্ষেপ শুদ্ধ, এই পদক্ষেপ সাহসী। জাতি গঠনৰ এই নতুন প্ৰচেষ্টাত ছমাহ সময় যথেষ্ট নহয়। আমি আৰু অধিক স্বাৰ্থত্যাগ কৰিবলৈ সাজু হৈ থাকিব লাগিব।"

*নিবাৰণ বৰা*
সভাপতি, পূৰ্বাঞ্চলীয় লোক পৰিষদ
১২।৪।৮০

"অসমৰ গণ-আন্দোলনক স্বাধীন ভাৰতৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনা বুলি সকলোৱে স্বীকাৰ কৰিছে। লক্ষ লক্ষ মানুহৰ স্বতঃস্ফূৰ্ত যোগদানে ইয়াক প্ৰকৃত গণ-আন্দোলনৰ ৰূপ দিছে। আন্দোলনৰ বৃহত্তম সাফল্য এইটোৱেই যে প্ৰথমবাৰৰ বাবে ই অসম তথা উত্তৰ-পূব ভাৰতৰ অনগ্ৰসৰ অৱস্থাৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰ আৰু সমগ্ৰ দেশবাসীৰ মনোযোগ আকৰ্ষণ কৰিছে।

আন্দোলনৰ প্ৰধান ঘোষিত উদ্দেশ্য ব্যাপক বিদেশী অনুপ্ৰবেশৰ পৰা অসমক মুক্ত কৰা। এই উদ্দেশ্য সাধনত আন্দোলন নিশ্চয় সফল হ'ব। কিন্তু ১৯৫১ চনক ভিত্তি বছৰ হিচাবে ধৰি বিদেশী নাগৰিকক বহিস্কাৰ কৰিবলৈ হ'লে অসমৰ স্বাৰ্থৰক্ষা হোৱাৰ পৰিবৰ্ত্তে ক্ষতিগ্ৰস্ত হ'ব বুলিহে মই ভাবো।"

*হোমেন বৰগোহাঞি*
সম্পাদক, 'নাগৰিক'

● সাম্প্ৰতিক গণ-আন্দোলনৰ পৰিপ্ৰেক্ষিতত 'কটনিয়ান'ৰ তৰফৰ পৰা সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তক চাৰিটা প্ৰশ্ন কৰা হৈছিল। কিন্তু তেখেত বিভিন্ন কামত ব্যস্ত হৈ থকাত তেখেতে উত্তৰকেইটা দিবলৈ অপাৰগ হয়। সেয়ে একেকেইটা প্ৰশ্নকে প্ৰাক্তন সভাপতি আৰু বৰ্ত্তমানৰ সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীললিত ৰাজখোৱালৈ প্ৰেৰণ কৰা হয়। ৰাজখোৱা দেৱে সেই প্ৰশ্নকেইটাৰ উত্তৰৰ পৰিবৰ্ত্তে সাম্প্ৰতিক গণ-আন্দোলনৰ ওপৰত কিছু মন্তব্য ডাঙি ধৰে।

"কটনিয়ানৰ" তৰফৰ পৰা উত্থাপিত হোৱা প্ৰশ্নকেইটা কটনিয়ানৰ জ্ঞাতাৰ্থে তলত উল্লেখ কৰা হ'ল।

**প্ৰশ্নঃ—**

(১) আপুনি আৰু আপোনাৰ সতীৰ্থসকলে অসমৰ সাম্প্ৰতিক গণ-আন্দোলনটো সম্পূৰ্ণ যুক্তিসঙ্গত বুলি ভাবে। নহয় জানো?

(২) বৰ্ত্তমানলৈকে এই আন্দোলনৰ পৰা কি কি লাভ আৰু কি কি লোকচান হৈছে বুলি ভাবে?

(৩) ১৯৫১ চনৰ পিচৰ পৰা বসবাস কৰা যি বিৰাট সংখ্যক অবৈধ বিদেশী নাগৰিক অসমত আছে তাক বিতাৰণৰ ক্ষেত্ৰত কেতবোৰ বাস্তৱ অসুবিধা আছে। আপোনাক আৰু আপোনাৰ সতীৰ্থ সকলক এইক্ষেত্ৰত সাৰ্বভৌম ক্ষমতা দিলে আপোনালোকে কি ব্যৱস্থাৰ জৰিয়তে এই বিতাৰণ কাৰ্য্যকৰী কৰিব?

(৪) এই আন্দোলন যে সফল হ'ব আপুনি নিশ্চিত নে?

## ॥ বৰ্ত্তমান আন্দোলন কোনো জাতিৰ বিৰুদ্ধে নহয়, চৰকাৰে নিজৰ দায়িত্ব পালন কৰক ॥

বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত বৰ্ত্তমান অসমত যি গণ-আন্দোলনৰ অভ্যুত্থান হৈছে ই কোনো ভাষা, ধৰ্ম, জাতি, সম্প্ৰদায় বা গোষ্ঠীৰ বিৰুদ্ধে নহয়। সদৌ অসম ছাত্ৰ সন্থাই অসমৰ জনসাধাৰণৰ বৃহৎ স্বাৰ্থ আৰু মহান অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে ছাত্ৰ সন্থাৰ জন্মলগ্ন পৰাই আন্দোলন কৰি আহিছে। যিহেতু লাখ লাখ বিদেশী নাগৰিকৰ অবাধ প্ৰবজনে মহান অসমীয়া জাতিৰ জাতীয় সত্বাক ইতিমধ্যে কেউফালৰ পৰা কলুষিত কৰিবলৈ ধৰিছে, সেয়ে সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান ক্ৰমে এই গণ-আন্দোলন গঢ়ি উঠিল। সৌভাগ্যৰ বিষয় এই যে, এই আন্দোলনত দেৰিকৈ হ'লেও অসমপ্ৰেমী প্ৰত্যেক জন ব্যক্তি, —শিশুৰ পৰা আবাল-বৃদ্ধা-বনিতালৈ, স্বতঃস্ফূৰ্তভাৱে অংশ গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। কিন্তু দুৰ্ভাগ্যৰ কথা যে অসম তথা কেন্দ্ৰীয় চৰকাৰে আজি পৰ্যন্ত সাংবিধানিক আৰু নাহ্য দাবীৰ ওপৰত প্ৰতিষ্ঠিত এই বিপ্লৱৰ গুৰুত্ব উপলব্ধি নকৰি আন্দোলনকাৰী সকলৰ ওপৰত পুলিচ, মিলিটাৰী, চি-আৰ-পিৰ দ্বাৰা আতিশয্য আৰু বৰ্বৰতাৰে চলাই আন্দোলন মষিমূৰ কৰিবলৈ প্ৰচেষ্টা চলাইছে। কিন্তু চৰকাৰে এই কথা পাহৰি যোৱা উচিত নহয় যে লুইতৰ বলীয়া বানক যেনেদৰে কোনো শক্তিয়ে ৰুদ্ধ কৰিব নোৱাৰে; তেনেদৰে অসমৰ জনগণৰ স্বতঃস্ফূৰ্ত জাগৰণকো কোনো শক্তিয়ে ৰুদ্ধ কৰিব নোৱাৰে। উদিত সূৰ্য্যৰ দৰে শক্তিমান অসমৰ জনগণৰ জাগ্ৰত চেতনাক চৰকাৰী কোনো কৌশলেৰে প্ৰতিহত কৰিব নোৱাৰে। এই কথা স্পষ্ট যে অসমৰ জনগণৰ এনে মহান আন্দোলন মষিমূৰ কৰিবলৈ যত্ন কৰা যি কোনো ধৰণৰ কু-চক্ৰান্তকাৰী শক্তিক প্ৰতিহত কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থা সদায় প্ৰস্তুত। ভাৰতৰ সংবিধানৰ পবিত্ৰতা আৰু মৰ্য্যদা অক্ষুন্ন ৰখাটো চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য; সেয়ে চৰকাৰে সকলো ধৰণৰ দমনমূলক নীতি পৰিহাৰ কৰি বিদেশী নাগৰিকৰ সমস্যা সমাধান কৰক।

বৰ্ত্তমান এই আন্দোলনৰ মহান উদ্দেশ্যক ম্লান কৰিবলৈ বহুতো সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ ব্যক্তিয়ে বদনৰূপী কাৰ্য্যত লিপ্ত হোৱা দেখা গৈছে। ঐতিহ্যমণ্ডিত অসমৰ জাউতিযুগীয়া ভাষা-সংস্কৃতি, কলা-কৃষ্টিক যি সকলে ধ্বংস কৰিবলৈ বিচাৰে, সেই সকলক সদৌ অসম ছাত্ৰ সন্থা আৰু অসমৰ জনগণই কেতিয়াও ক্ষমা নকৰিব। সেইকাৰণে, তথাকথিত বুদ্ধিজীৱিয়েই হওক বা ৰাজনৈতিক ব্যক্তিয়েই হওক, যি জনৰ অসমত জন্ম হৈছে তেওঁ প্ৰথমে অসমক ভাল পাবলৈ শিকা উচিত; নহ'লে অসমৰ তৰুণ সমাজে (সন্তানে) তেওঁলোকক ক্ষমা কৰাৰ কোনো প্ৰশ্নই নুঠে। আৰু বৰ্তমান বিদেশী নাগৰিকক কিছুমান কু-চক্ৰান্তকাৰীয়ে উচটনি দি অসমত এক কুৰুক্ষেত্ৰ ৰণৰ আয়োজন কৰিবলৈ যত্ন কৰিছে যাৰ ফলত শান্তিকামী অসমৰ থলুৱা জনগোষ্ঠীৰ জনগণক হত্যা কৰিছে। সেইকাৰণে সকলো বিভেদকামী শক্তিৰ এনে প্ৰচেষ্টাক প্ৰতিহত কৰিবলৈ অসমৰ জনগণলৈ আমাৰ আহ্বান থাকিল আৰু যি পৰ্য্যন্ত আমাৰ দাবী পূৰণ নহ'ব সেই পৰ্য্যন্ত আমাৰ এই আন্দোলন চলি থাকিব। সাহস আৰু ধৈৰ্য্যৰ পৰিচয় দি অহা অসমৰ ছাত্ৰ আৰু জনগন ইয়াৰ বাবে সাজু থাকিব লাগিব। আমি শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ আদৰ্শক শ্ৰদ্ধা জনাব লাগিব আৰু এই আন্দোলনৰ আন আন শ্বহীদসকলৰ অসম্পূৰ্ণ কাম সম্পূৰ্ণ কৰিব লাগিব। চৰকাৰেও ১৯৫১ চনৰ ৰাষ্ট্ৰীয় পঞ্জিয়ন তালিকাৰ ভিত্তিত বিদেশী নাগৰিকক চিনাক্ত কৰি বিদেশী নাগৰিকৰ সমস্যাৰ সমাধান কৰক আৰু দমন নীতি পৰিহাৰ কৰি এক সুস্থ পৰিবেশ সৃষ্টি কৰক।

*শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা*
প্ৰাক্তন সভাপতি আৰু বৰ্ত্তমান উপদেষ্টা,
সদৌ অসম ছাত্ৰ সন্থা
৭।৬।৮০

আমাৰ অভিনন্দন·········



ভাৰত চৰকাৰৰ শিক্ষা আৰু সাংস্কৃতিক মন্ত্ৰণালয়ৰ অধীনস্থ প্ৰাপ্তবয়স্ক শিক্ষাধিকৰ্ত্তাই পতা "ন-শিকাৰুৰ বাবে পাণ্ডুলিপি" শীৰ্ষক ১৯৭৯ চনৰ বাবে পতা প্ৰতিযোগিতাত আমাৰ কলেজৰ উচ্চ-বৰ্গৰ সহকাৰী চমছেৰ আলিয়ে লিখা ন-আশাৰ ৰেঙণি নামৰ উপন্যাসৰ পাণ্ডুলিপিটো ৰাষ্ট্ৰীয় পুৰস্কাৰৰ বাবে নিৰ্বাচিত হৈছে। ভাৰতৰ বিভিন্ন আঞ্চলিক ভাষাত পতা উক্ত প্ৰতিযোগিতাৰ প্ৰতিটিৰ মূল্য এহেজাৰ টকা।

শ্ৰীআলি গুৱাহাটীৰ কেইবাটাও সাহিত্য সাংস্কৃতিক অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত হোৱাৰ উপৰিও অসম সাহিত্য সভাৰ এজন আজীৱন সভ্য।

'কটনিয়ান'ৰ তৰফৰ পৰা তেখেতলৈ অভিনন্দন জনোৱা হ'ল আৰু লগতে ভৱিষ্যতে তেখেত যাতে সাহিত্য জগতৰ ভোটা তৰা স্বৰূপ হয় তাৰ বাবে শুভেচ্ছা থাকিল।

---

"কটনিয়ান"খন ঠিক সময়ত প্ৰকাশ কৰাত সহায় কৰা বাবে লাৱণ্য প্ৰেছৰ সমূহ কৰ্মীবৃন্দ আৰু বিশেষকৈ শ্ৰীসনাতন মেধি আৰু শ্ৰীদেৱৰাজ তালুকদাৰলৈ কটনিয়ানৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল।

# জাতীয় অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত ৺জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভূমিকা

শ্ৰীপৰাগজ্যোতি বৰা
২য় বাৰ্ষিক স্নাতক (বিজ্ঞান)

'মৃত্যুমোৰ হাতধৰি লিগিৰী প্ৰধান
জন্মমোৰ ঘৰুৱা সোনাৰী
গঢ়িব নতুন মনি
শুৱাবলৈ অন্তৰৰ
বক্ষ সুবিশাল।'

নৱজাগৃতি যুগত যেতিয়া অসম মাতৃয়ে ঔপনিবেশিকতাৰ হেচাঁত আৰ্ত্তনাদ কৰি উঠিছিল, সংস্কৃতিৰ অকাল মৃত্যুৰ আশঙ্কাত কঁপি উঠিছিল, নিৰ্য্যাতনৰ বেদনাত মাতৃৰ বুকুত থকা প্ৰতিটো সত্বাই নীৰৱে কান্দি উঠিছিল, সেই যুগসন্ধিক্ষনতেই জন্ম মৃত্যুক জয় কৰি সোণৰ অসম গঢ়াৰ সপোন লৈ, এচেৰেঙা জ্যোতি অসমী আইৰ বক্ষত পৰিছিল। ডিবৰুৰ মদাৰখাট মৌজাৰ তামোল-বাৰী চাহ বাগিছাত ১৯০৩ চনৰ ১৭ জানুৱাৰীৰ দিনা ৺পৰমানন্দ আগৰৱালাৰ ঔৰসত শিৱসাগৰৰ বলিয়া ঘাটৰ জগন্নাথ তিৰোকাকতি ঘৰৰ বিদুষী জীয়ৰী ৺কিৰণময়ী দেৱীৰ গৰ্ভজাত এটি সন্তানে প্ৰসূতি কোঠা পোহৰ কৰি তুলিছিল। সেইজনা আছিল সাধক শিল্পী, যি জনাই পৃথিৱীৰ ঘৰে ঘৰে হাঁহিৰ ফুল ফুলাব খুজিছিল, যাৰ অমৃত সাধনাতে অসমীয়া সাহিত্য সংস্কৃতিৰ সোণৰ কলচী জিলিকি উঠিছিল, ভাৰতৰ স্বাধীনতা সংগ্ৰামত বিপ্লৱৰ বিজয় ডঙ্কা বজাই দিছিল, অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰিছিল, তেওঁৱেই হ'ল বহুমুখী প্ৰতিভা সম্পন্ন ৰূপকোঁৱৰ ৺জ্যোতিপ্ৰসাদ আগৰৱালা।

জ্যোতিপ্ৰসাদৰ পৰিয়াল পৰম্পৰাত এক বিচিত্ৰ ঘটনাৰ সমাবেশ। তেওঁৰ উপৰিপুৰুষ অৰ্থাৎ তেওঁৰ আজোককাক ৺নাৰঙ বা নৱৰঙ্গ আগৰৱালা আহিছিল সুদূৰৰ ৰাজস্থানৰ চুৰুগাৱঁৰ পৰা। অনা অসমীয়া সাউদজনে পিছত বৈবাহিক সমন্ধে অসমৰ সাহিত্য সংস্কৃতিক আকোঁৱালি লয়। তেওঁৰেই পুতেক আছিল ৺হৰিবিলাস আগৰৱালা। অসমীয়া সংস্কৃতি জীয়াই ৰখাত এওঁৰ অৰিহনাৰ কথাও অসমীয়াই কেতিয়াও পাহৰিব নোৱাৰে। তেওঁৰেই পুত্ৰ ৺পৰমানন্দ আগৰৱালা। ৺পৰমানন্দ

আগৰৱালাৰ পুত্ৰ ৺জ্যোতিপ্ৰসাদ আগৰৱালা। প্ৰতিমা কবি ৺চন্দ্ৰকুমাৰ আগৰৱালা আৰু ৺আনন্দ চন্দ্ৰ আগৰৱালাও এই সুযোগ্য বংশৰেই সন্তান।

ঐতিহ্যমণ্ডিত কাৰেংঘৰ সদৃশ পকীঘৰত, আভিজাত্যৰ প্ৰসাদ লভি, সোণৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰা, মাকৰ আলাসৰ লাড়ু হৈ মৰম চেনেহৰ ডেউকাৰ আবঁত ডাঙৰ দীঘল হোৱা জ্যোতি কিন্তু সৰুতে বৰ অঘাইতং আছিল। অসমৰ কলা সংস্কৃতিৰ কৰ্ণধাৰ স্বৰূপ জ্যোতিপ্ৰসাদৰ ব্যক্তিত্বত ল'ৰালি অৱস্থাৰ পৰা নেতৃত্বসুলভ চিন ফুটি উঠিছিল। যদিও জ্যোতিপ্ৰসাদৰ চৰিত্ৰত ধিতিঙালি, উদ্ভণ্ডালি আদি ফুঁটি উঠিছিল তথাপি তেওঁৰ চৰিত্ৰৰ অন্য এটা উল্লেখনীয় দিশ হ'ল অত্যন্ত জেদী স্বভাব। এই স্বভাবে জ্যোতিৰ জীৱনলৈ কঢ়িয়াই আনিছিল সাফল্যতাৰ মধুৰবাণী। "দেউতা মোক এটা বিলাতী বাঁহী আনি দিয়ক-চোন।" এইয়া ল'ৰা জ্যোতিপ্ৰসাদৰ শ্ৰবোক্তি। কিন্তু ই জানো সম্ভৱ। জ্যোতিপ্ৰসাদৰ দেউতাক সম্পূৰ্ণ বিৰোধী। "সৰু ল'ৰা—বিলাতী বাঁহী কেলেই?" জেদী জ্যোতিপ্ৰসাদে কিন্তু তিনিদিন নেখাই নবই হলেও বাপেকৰ পৰা এটি অৰ্গেন বাহিৰ কৰিছিল।

প্ৰথম যুদ্ধোত্তৰ ভাৰতৰ সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনৰ সংঘাটত জ্যোতিপ্ৰসাদৰ কিশোৰ প্ৰতিভা দাবানলৰ দৰে জ্বলি উঠিছিল। জ্যোতি-প্ৰসাদ তেতিয়া হাইস্কুলৰ ল'ৰা। তেনে সময়তে গান্ধীজীৰ নেতৃত্বত অসহযোগ আন্দোলনে মুৰ দাঙি উঠিছিল। তেজপুৰ হাইস্কুলৰ পৰা বাচনি পৰীক্ষা দিয়াৰ পিছতেই জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে আন্দোলনত জপিয়াই পৰিছিল। শেষত কলিকতাৰ চিত্তৰঞ্জন দাসে প্ৰতিষ্ঠা কৰা নেচনেল স্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত উৰ্ত্তীন হয়। ১৯১৭ চনতে মাত্ৰ চৈধ্য বছৰ বয়সতে "শোণিত কুঁৱৰী" নাটক লিখি অসমীয়া নাট্য সাহিত্যত এক অভূতপূৰ্ব সাফল্য আনি দিছিল। ১৯২৬ চনত তেওঁ বিলাতলৈ যায় আৰু এদিনবৰা বিশ্ববিদ্যালয়ৰ পৰা এম্, এ, পৰীক্ষা দিয়াৰ আগতেই বাৰ্লিনলৈ গুচি যায়। ইংলেণ্ডত থাকোতে তেওঁ ইংৰাজী থিয়েটাৰ আৰু পাশ্চাত্য সংগীত সম্পৰ্কে শিক্ষা লাভ কৰে। তেওঁ বাৰ্লিনত হিমাংশু ৰায়ৰ তত্বাবধানত ফিল্ম প্ৰযোজনা আৰু পৰিচালনা সম্পৰ্কে অভিজ্ঞতা অৰ্জন কৰে।

পাশ্চাত্য সংগীতৰ চৰ্চা কৰি তেওঁ নিজ সাহিত্য সংস্কৃতিৰ প্ৰতি এক প্ৰবল অনুৰাগ জাগি উঠে। মহাপুৰুষ শঙ্কৰদেৱৰ স্থাপত্য ভাস্কৰ্য্যৰ প্ৰতি জ্যোতিপ্ৰসাদৰ মন দোঁ খালে। এই সংস্কৃতিক তেওঁ আকোঁৱালি ললে। পিছত তেওঁ নিজেই কৈছিল "পশ্চিমীয়া শিক্ষা পাই অহঙ্কাৰত অন্ধ হৈ ঘৰৰ প্ৰতিভাক চিনি নাপাই ফুৰা মোৰ মনটোৰ সকলো অহঙ্কাৰ সেইদিনা ধূলিসাৎ হৈ গ'ল। সেইদিনাৰ পৰাহে মই অসমীয়া হবলৈ আৰম্ভ কৰিলো। মোৰ ভিতৰৰ চাহাবটো ওলাই লৰ মাৰিলে।

ভাৰতৰ মুক্তিসংগ্ৰাম সেই সময়ত ভৰপক। গান্ধীজীৰ ১৯৩০ চনৰ আইন অমান্য আন্দোলনত দেশৰ অন্য অন্য ৰাজ্যবিলাকৰ লগতে অসমতো তাৰ বহ্নিশিখা জ্বলি উঠিছিল। সেই আন্দোলনত ডেকা জ্যোতিপ্ৰসাদে আত্মবলিদানৰ আদৰ্শৰে আগবাঢ়ি আহিল। গীতিকাৰ সুৰকাৰ জ্যোতি-প্ৰসাদে উদাত্ত কণ্ঠেৰে লুইতপৰীয়া ডেকা সকলক

আহ্বানিছিল সম্মুখ সমৰ ক্ষেত্ৰলৈ, পৰাধীনতাৰ শিকলি চিঙি পেলাবলৈ। সেয়েহে তেওঁ লিখিছিল—

"লুইতৰ পাৰৰে আমি ডেকা ল'ৰা
মৰিবলৈ ভয় নাই।
মুকুতি মেধৰ মহান মেজিৰ
নেজাল ফিৰিঙতি চাঁই॥
পুৰুহিতো যদি থিতাতে আতঁৰি
ত্ৰাসতে মূৰ্চ্চা যায়।
আমি আগে বাঢ়ি ডিঙি পাতি পাতি
তেজেৰে বলিশাল যামে বোলাই॥"

১৯৩২ চনত জ্যোতিপ্ৰসাদ যাব লগা হৈছিল জেললৈ। পোন্ধৰ মাহ সশ্ৰম কাৰাদণ্ড। ইয়েই কঢ়িয়াই আনিছিল জ্যোতিৰ স্বাস্থ্যৰ অবনতি। বিপ্লৱী সত্বা কেতিয়াওঁ শুই থাকিব নোৱাৰে। সেয়েহে ১৯৪২ চনৰ গণবিপ্লৱত জ্যোতিপ্ৰসাদে লৈছিল নেতৃত্বৰ ভূমিকা। ইয়াৰ পিছতেই তেওঁ তেজপুৰৰ এখন ৰাজহুৱা সভাত ঘোষণা কৰিছিল যে "বিপ্লৱৰ সংজ্ঞা মাত্ৰ এটিয়েই আছে।" ঐশ্বৰ্য্যৰ বুকুত ডুব গৈ থকা জ্যোতিপ্ৰসাদে তেতিয়াৰ পৰাই আৰম্ভ কৰিছিল অজ্ঞাতবাস। যেতিয়া অজ্ঞাতবাসৰ সময়ত তেওঁ কলিকতাত আছিল স্বাস্থ্যজনিত কাৰণ বা অইন যিকোনো কাৰণতেই নহওঁক লাগিলে চৰকাৰে তেওঁৰ নামৰ গ্ৰেপ্তাৰী পাৰোৱানা প্ৰত্যাহাৰ কৰে আৰু তেতিয়া তেওঁ পুনৰ অসমলৈ ঘূৰি আহে।

বহুমুখী প্ৰতিভাসম্পন্ন জ্যোতিপ্ৰসাদৰ প্ৰতিভা ৰাজিক এই সীমিত পৰিসৰৰ মাজেদি সম্পূৰ্ণৰূপে প্ৰকাশ কৰাটো কঠিন। তথাপি তেওঁৰ প্ৰতিভাৰ কিছুদিশ হলেওঁ এই প্ৰবন্ধৰ মাজেদি সামৰি লবলৈ যত্ন কৰা হৈছে।

**জ্যোতিৰ নাট্যপ্ৰতিভা—**অসমীয়া সাংস্কৃতিক জীৱনলৈ নামি অহা সন্ধ্যা নতুন প্ৰদীপেৰে উদ্ভাসিত কৰি অভিনৱত্ব আনি পুৰণি আৰ্য্য সংস্কৃতিৰ লগত অসমীয়া জাতিক সামৰি যি জনা মহান পুৰুষে সুকুমাৰ কলাসাধনৰ বাট প্ৰশস্ত কৰি দিছিল সেইজনা আছিল শ্ৰীমন্ত শঙ্কৰদেৱ। তাৰ পিছতেই নাট্য সাহিত্য আদিত আৰু অভিনৱত্ব আনি দিছিল ৰূপকোঁৱৰ ৺জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে। নাট্য সাহিত্যৰ ক্ষেত্ৰত তেওঁ এক নিখুঁত ৰচনাশৈলীৰে সকলো পৰিস্থিতিকে এক আবেগ মধুৰ কৰি তুলিছিল। জ্যোতিপ্ৰসাদ ৰচিত নাটক সমূহৰ মাজেদি অসমীয়া জাতীয় জীৱনৰ এক সুন্দৰ প্ৰতিচ্ছবি ফুটাই তুলিছে। জ্যোতিপ্ৰসাদে কৈছিল "অভিনৱত্বই হৈছে নাটকীয় চৰিত্ৰ সৃষ্টিৰ প্ৰধান ভেটি।" এই উক্তি তেওঁ প্ৰথম সৃষ্টি কৈশোৰ অৱস্থাত ১৯৭১ চনত লিখা "শোণিত কুৱঁৰী" নাটকৰ মাজেদি ফুটাই তুলিছে। এই নাটকৰ চিত্ৰলেখাৰ চৰিত্ৰ সৃষ্টিত তেওঁ শিল্প প্ৰতিভাৰ এক অবিস্মৰণীয় কৌশল দেখুৱাইছে। এই "শোণিত কুৱঁৰীৰ" মাজেদি তেওঁ অসমৰ লোক সংস্কৃতিৰ এখন চিত্ৰ ডাঙি ধৰিছে।

জ্যোতিপ্ৰসাদৰ লিখনিৰ অন্য এক নিদৰ্শন "কাৰেঙৰ লিগিৰী" আজিও অসমীয়া নাটকৰ মধ্যমনি। সংলাপৰ ক্ষেত্ৰতো জ্যোতিপ্ৰসাদ সিদ্ধহস্ত। "কাৰেঙৰ লিগিৰীত" সুন্দৰৰ নিষ্ঠুৰ আদেশত অনঙ্গৰ মুখত দিয়া সংলাপ এনেধৰণৰ "সুন্দৰ সুন্দৰ! বন্ধু হৈ বন্ধুক নুবুজিলা। পণ্ডিত হৈ যুক্তি নুশুনিলা। হৃদয়বান হৈ কলিজাৰ তেজেৰে ফাঁকু খেলিলা। মনত ৰাখিবা সুন্দৰ কোৱঁৰ, তুমিও সাৰি নোযোৱা। যি ৰথৰ

বাঘজৰী ধৰি তুমি নিৰ্ম্মম ভাৱে আমাৰ ওপৰেদি ৰথ চলাই লোহাৰ চাকৰিৰে আমাক নিষ্পেষিত কৰি গ'লা, এদিন তুমিও নিজে তোমাৰ ৰথৰ চকাৰ তলত পৰি নিষ্পেষিত হ'বা।"

কল্পনাপ্ৰৱন ভাবুক শিল্পী জ্যোতিপ্ৰসাদৰ কল্পনাৰ লিখনিৰে লিখি উলিওৱা কাল্পনিক নাটক ৰূপালীম। 'ৰূপালীমৰ' পিছত জ্যোতিপ্ৰসাদে ১৯৪৭ চনত আগষ্ট লৈ তেওঁৰ শেষ বয়সত লিখা লভিতাও অন্য এক সুন্দৰ সৃষ্টি। এই নাটকৰ মাজেদি জ্যোতিপ্ৰসাদে ডেকা শক্তিক বিপ্লৱৰ পথলৈ আহ্বান কৰিছে। তেওঁ লিখিছে "যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ দিনৰ ডেকা হব নোৱাৰে।" জ্যোতিপ্ৰসাদে ১৯৩৬ চনত অন্য দুখনি শিশু নাটিকা লিখি উলিয়াই। সেই দুখন হ'ল "নিমাতী কন্যা" আৰু "সোণ-পখিলি"। জ্যোতিপ্ৰসাদৰ প্ৰতিভাৰাজিৰ ভিতৰত তেওঁৰ কাব্য-নাট্য-নৃত্য প্ৰতিভা অসমীয়া সাহিত্যত চিৰদিনলৈ সুন্দৰৰো সুন্দৰ হৈ অগ্নিমন্ত্ৰ স্বৰূপে জীয়াই থাকিব। সেয়েহে—

"তাত সুন্দৰযে ফুলাব মন্ত্ৰ
অহোৰাত্ৰি মাতে।
সেয়েহে আজি ইমান্ ফুল
প্ৰভাতে প্ৰভাতে॥"

**সুৰকাৰ, গীতিকাৰ জ্যোতিপ্ৰসাদ**—অজ্ঞাত অসমীয়া লোকসঙ্গীতৰ পুনৰুদ্ধাৰৰ প্ৰথম পথ-প্ৰদৰ্শক হ'ল জ্যোতিপ্ৰসাদ। যিদিনা অসমীয়া সংস্কৃতিৰ লুপ্তপ্ৰায় অৱস্থা হৈছিল, তেতিয়া জ্যোতিপ্ৰসাদ আগৱালাই নানা গীত মাতেৰে অসমীয়া সাহিত্য সংস্কৃতিৰ ভৰাল উন্নত কৰি তুলিছিল। জ্যোতিপ্ৰসাদৰ গীতবিলাক তিনিটা ভাগত ভগাব পাৰি। তিনিটা ভাগেই যেন তিনিটা যুগ। "শোণিত কুৱঁৰী যুগ"। "কাৰেঙৰ লিগিৰী যুগ" আৰু "লভিতা যুগ"। অনাদৃত জীৱনৰ দুখ বেদনা, দেশাত্মকবোধ তথা বিপ্লৱৰ অগ্নিস্ফুলিঙ্গ তেওঁৰ গীত বিলাকৰ মাজেদি প্ৰকাশ পাইছিল। পূৰ্ব্বপুৰুষ লাচিতৰ বীৰত্বৰ তেজ প্ৰতি শিৰা উপশিৰাই বৈ যোৱা অসমীয়া সন্তানে কাপুৰুষৰ দৰে নিজ দেশমাতৃৰ লাঞ্চনা সহি নাথাকি জাতীয় যুজ'ত জপিয়াই পৰিবৰ কাৰণে জ্যোতিপ্ৰসাদে আহ্বান কৰিছিল। শিল্পী জ্যোতিপ্ৰসাদৰ অন্তৰাত্মাই হাহাঁকাৰ কৰি উঠিছিল তেতিয়া যেতিয়া দুষ্কৃতিৰ ধুমুহাই ভাৰতৰ আকাশ পাতাল কপাই তুলিছিল। সেয়েহে সুন্দৰৰ উপাসক জ্যোতিপ্ৰসাদে দেশবাসীক সাৱধান কৰি দিলে—

"অগ্নিবৃষ্টি আহিব লাগিছে
গৰজে বজ্ৰপাত
শিলাবৃষ্টি ভূমিকম্প
হ'ব উল্কাপাত।"

বিদ্ৰোহৰ মহাগ্নি ঘৃতাহুতি দি থাকি অন্যফালে পাঞ্চজন্যৰ নিনাদেৰে নিষ্পেষিত, নিৰ্য্যাতিত কোটি কোটি জনতাক কৈছিল—

"সাজু হবৰে হ'ল ডেকা ল'ৰা
সাজু হবৰে হ'ল।"

শিল্পীজনাই নতুন জোৱান সকলক কৈছে—সাজু হোৱা, তোমালোকৰ গাৰ সেই দুষ্কৃতি আৱৰণ আতঁৰাবলৈ হলে অগ্নিস্নান কৰিব লাগিব।

"তই কৰিব লাগিব অগ্নিস্নান
সাজু হ সাজু হ ন-জোৱান॥"

ন-জোৱান সকলক সাৱধান বানী শুনোৱাৰ লগতে জ্যোতিপ্ৰসাদে দেশৰ তেনে সংকটময় অৱস্থাত

বিদ্ৰোহৰ অগনি জ্বলাই গাইছিল—

"কোন ক'ত আছ আহ অ' ডেকা ল'ৰা
সম্মুখ ৰণত হ থিয়,
মাতৃপূজাৰ ভাগ লবলৈ
বেলি কৰ কিয় ?"

এইয়েই জানো—বিপ্লবৰ অনিৰ্ব্বান শিখাৰ মাজে-দিও চিৰসুন্দৰক বিচাৰিবলৈ হলে জ্যোতিপ্ৰসাদে পাহৰা নাছিল।

"মোৰে জীৱনৰে সখা কৃষ্ণ তই
বজাৱ কি সুৰে বেণু
কপালতে তোৰ কোনে আঁকি দিলে ইন্দ্ৰধনু ?
সুৰৰে জিঞ্জিৰি পিন্ধালি মোক
সুৰেৰে জিঞ্জিৰি ॥"

জ্যোতিপ্ৰসাদে বিচাৰিছিল সদায় দুস্কৃতিক নাশিবলৈ। সেয়েহে তেওঁ এহাতে দুস্কৃতিক নাশ কৰিবলৈ মহাৰণৰ পাতনি আৰু অন্যহাতে সংস্কৃতি সৃষ্টিৰ মহা আয়োজন।

জ্যোতিপ্ৰসাদৰ সংঙ্গীত সাধনাৰ অন্য এটা দিশ হ'ল প্ৰাচ্য আৰু পাশ্চাত্যৰ সংস্কৃতিৰ মাজত সমন্বয় ঘটাবলৈ প্ৰয়াস কৰাটো আৰু তাৰ ফল-স্বৰূপেই ঠাই পাইছিল অৰ্কেষ্ট্ৰা। মুঠৰ ওপৰত তেওঁ গীতমাতেৰে অসমীয়া জনসাধাৰণক প্ৰকৃত পথ দেখুৱাই দি অসমীয়াক নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ সাহস যোগাইছিল।

**চলচিত্ৰ জগতত জ্যোতিপ্ৰসাদ—** সোণৰ অসমক সকলো প্ৰকাৰে সুসজ্জিত কৰি, বিশ্বৰ দৰবাৰত উলিয়াবলৈ যি সপোন জ্যোতিপ্ৰসাদে দেখিছিল তাৰ ফলস্বৰূপেই অসমত চলচিত্ৰ প্ৰৰ্দশনৰ অদম্য হেপাহঁ তেওঁৰ মনত জাগি উঠিছিল। সেয়েহে জ্যোতিপ্ৰসাদে তেজপুৰত অসমৰ বোলছবিৰ পৰ্ব্বত আত্মনিয়োগ কৰিছিল। সেই মহৎ প্ৰচেষ্টা জ্যোতিপ্ৰসাদে তেতিয়াই নকৰা হলে বোলছবিৰ ক্ষেত্ৰত অসম আজিৰ অৱস্থাত যে উপনীত হব পাৰিলেহেঁতেন তাক সতকাই কোৱা টান। জেলত থাকোতে অসমৰ জাতীয় নেতৃত্বৰ থৰক্ বৰক্ অৱস্থাই বৈপ্লবিক নেতৃত্বৰ অভাবে জ্যোতিপ্ৰসাদক অনুপ্ৰেৰণা যোগাইছিল চিনেমা জগতত নামিবলৈ আৰু তাৰ ফলস্বৰূপেই তেওঁ জয়মতীক লৈ প্ৰথম চিত্ৰ নাট্য ৰচনা কৰিছিল। তাকে কৰিবলৈ যাওঁতে বোলছবিৰ আওঁ-ভাওঁ নোপোৱা অসমীয়া সকলৰ মাজত জ্যোতিপ্ৰসাদে অশেষ অসুবিধাৰ সম্মুখীন হৈছিল। তেওঁ তেজপুৰৰ ভোলাগুৰি চাহবাগিছাত ডে লাইট ষ্টুডিঅ' সাজে আৰু তাৰ নাম ৰাখে চিত্ৰবন। তাতেই তেওঁ এটা লেবৰেটৰী স্থাপন কৰে। ইয়াৰ পিছত তেওঁ অশেষ কষ্ট কৰি জয়মতীৰ চৰিত্ৰসমূহ ৰূপায়ন কৰিবলৈ মানুহ বিচাৰি উলিয়াই। এইদৰে ১৯৩৪ চনত আৰম্ভ কৰা জয়মতীৰ কাম ১৯৩৫ চনত শেষ কৰি সেই চনৰে ১০ মাৰ্চত কলিকতাত ৰসৰাজ ৺লক্ষ্মীনাথ বেজবৰুৱাৰ পৌৰো-হিত্যত বোলছবিৰ প্ৰদৰ্শন কৰাই। ১৯৩৫ চনৰ ২০ মাৰ্চত অসমৰ ৰাইজৰ আগত সমূহিয়া ভাবে জয়মতীৰ প্ৰদৰ্শন হয়। পৰীক্ষা নিৰীক্ষা, কষ্ট-সহিষ্ণুতা, আত্মত্যাগ আৰু দুৰ্ব্বাৰ প্ৰতিকূলৰ বিৰুদ্ধে সংগ্ৰাম কৰি জ্যোতিপ্ৰসাদে "জয়মতীৰ" চিত্ৰৰূপ দিয়ে। এইয়া জ্যোতিপ্ৰসাদৰ অসমীয়া বোলছবি জগতলৈ এক অপূৰ্ব বৰঙনি।

**কবি ৰূপে জ্যোতিপ্ৰসাদ—**এজন ব্যক্তিয়েই সংগীতজ্ঞ, গীতিকাৰ, বিপ্লবী হোৱাৰ উপৰিও জ্যোতিপ্ৰসাদ আছিল এজন কবি। জ্যোতিপ্ৰসাদৰ

কবিতাবিলাক গীতিধৰ্মী কবিতা। তথাপি তেওঁৰ কবিতাবিলাকত দুটা ভিন্নদিশ দেখিবলৈ পোৱা যায়। এটা হ'ল প্ৰবল দেশাত্মকবোধ আৰু অন্যটো হ'ল বিপ্লবী মনিষাৰ জলন্ত প্ৰতিভূ। জ্যোতিপ্ৰসাদে কিন্তু কল্পনাবিলাসী হৈ অন্য কিছু কবিৰ দৰে কল্পনাৰ ভাৰ ৰাজ্যত বিচৰণ কৰিব খোজা নাই। তেওঁৰ কবিতাত আছে বাস্তবৰ সমস্যা, জীৱনৰ কৰ্ত্তব্য। সেয়েহে তেওঁ লিখিছে

কবি মই

"কল্পনাবিলাসী হৈ
কল্পনাৰ বগা ডাৱৰৰ
মাজে মাজে উৰিফুৰা
সোণোৱালী পুৰা সন্ধিয়াৰ
ফুলে ফুলে পাখী লগা
পখিলাটি হৈ
পাহৰিব খোজা নাই
বাস্তৱৰ সমস্যা নিষ্ঠুৰ।
পাহৰিব খোজা নাই
জীৱনৰ কৰ্ত্তব্য কঠোৰ।
পৃথিৱীৰ মাটি পানী
ধুলিবালি এৰি থৈ
হ'ব খোজা নাই মাথো
কল্পনাৰ সপোনৰ ৰাগিৰে বিভোৰ।

বিপ্লবী জ্যোতিপ্ৰসাদে বিচাৰিছিল সামাজৰ সংস্কাৰ। এয়েই জানো? চাহবাগিছাৰ মালিক হৈয়ো জ্যোতিপ্ৰসাদে ৰাখিব বিচাৰিছিল শ্ৰমিকৰ লগত সমন্বয়।

"সাম্য মৈত্ৰীৰ মৰেই ৰণুৱা।
চাহবাগিছাৰ মৰেই বনুৱা।"

এইদৰে কবিতা কাননতো জ্যোতিপ্ৰসাদে নিজৰ অৱদানেৰে পাৰিজাত ফুল ফুলাই তুলিছিল।

এইয়া হ'ল জ্যোতিপ্ৰসাদৰ প্ৰতিভাৰ এক চমু আভাষ।

জীৱনৰ শেষ স্তৰত সাহিত্য সভাৰ এক অভিভাষণত তেওঁ কৈছিল—"পৃথিবী যিদিনা শিল্পীৰ পৃথিবী হব, মুক কন্যা 'শান্তি' সিদিনা মুখৰ হব, যিদিনা বিশ্বজনতা ৰূপকোৱঁৰ হৈ জাগি উঠিব।" "সুন্দৰৰ পূজাৰী" জ্যোতিপ্ৰসাদৰ এই অভিব্যক্তি ফলৰূপেই অসমৰ জনগনে তেওঁলোকৰ মৰমৰ শিল্পী গৰাকীক ৰূপকোৱঁৰ আখ্যাৰে বিভূষিত কৰিছিল।

দুশবছৰ ধৰি পৰাধীনতাৰ শিকলিৰে বান্ধ খাই থকা প্ৰতিজন ভাৰতীয়ই যেতিয়া মুক্তি-সংগ্ৰামত জপিয়াই পৰিছিল তেতিয়া জ্যোতি-প্ৰসাদেও জাতীয় অস্তিত্ব ৰক্ষাৰ হেতু জীৱন আহুতি দিবলৈও কুণ্ঠাবোধ কৰা নাছিল। মুক্তি সংগ্ৰামৰ লগতেই জ্যোতিপ্ৰসাদ জপিয়াই পৰিছিল অসমৰ সংস্কৃতিৰ সংগ্ৰামত। অস্তাচলৰ অস্তগামিত সূৰ্য্যৰ দৰেই অসমৰ সংস্কৃতিও বিপন্ন হৈ উঠিছিল তেতিয়া জ্যোতিপ্ৰসাদে দিগন্তত প্ৰহৰী হিচাবে বৈ মাৰ যাব খোজা দিবাকৰক উদয়াচললৈ আনি পুনৰ অসমৰ সংস্কৃতিৰ নীলা আকাশ উদ্ভাসিত কৰি তুলিছিল। জাতীয় অস্তিত্ব ৰক্ষাৰ কাৰণে মুলতঃ এজন অনাঅসমীয়া লোকে কিদৰে অসমৰ সংস্কৃতিক আকোঁৱালি লৈ নিজকে অসমীয়া বোলাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল; ই অসমীয়াৰ কাৰণে কম গৌৰৱৰ কথা নহয়। বৰ্ত্তমান অৱস্থাতো জ্যোতিপ্ৰসাদ তথা তেওঁৰ সমসাময়িক বিষ্ণুৰাভা আদিৰ আদৰ্শ অসমীয়া জাতীয় স্বাৰ্থৰক্ষাৰ কাৰণে অমোঘ অস্ত্ৰ

হৈ পৰিছে। আজি ৩০-৪০ বছৰৰ আগতে যি দৰে নিজ গীত মাতেৰে জ্যোতিপ্ৰসাদে অসমীয়াক সম্মুখ ৰণলৈ আহ্বান কৰিছিল সেই গীতমাতে বৰ্ত্তমান জাতিৰ সংকটময় অৱস্থাতো অসমীয়াক বিচলিত নহ'বলৈ সকিয়াই দিছে। সেয়েহে আজিৰ অসমীয়া ডেকাই গাব লাগিছে "লুইতৰ পাৰৰে আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই।" আজিৰ অসম মাতৃৰ সন্তান সকল টোপনিৰ পৰা সাৰ পাবৰ হ'ল। নহলে যে তোমালোক নিঃশেষ হৈ যাবা। ভয় নাই অসমীয়া সকল, শেষবিন্দু তেজ থকালৈকে নিজক হেৰুৱাই নেপেলাবা। আজি তোমালোকৰ আদৰ্শ জ্যোতিপ্ৰসাদ।

জন্মিলে মৰিব লাগে এইটো বিশ্বৰ নিয়ম। ইয়াৰ ব্যতিক্ৰম কোনো হব নোৱাৰে। সেয়েহে ৺জ্যোতিপ্ৰসাদৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নহয়। নিষ্ঠুৰ নিয়তিৰ কুটিল চাৱনিৰ পৰা কোনো সাৰি যাব নোৱাৰে। অসমৰ আকাশত সেইদিনা বিষাদৰ কলা ছাঁৰে আৱৰি ধৰিছিল। মৃত্যুৰ আগলৈকে অসমৰ সংস্কৃতিৰ বেদীত জীৱন শিখাৰ শেষ ৰশ্মিৰে এগছি বন্তি জ্বলাই বিপ্লৱ ধ্বনিৰ অগ্নি বীণাৰ ঝঙ্কাৰ জগতক শুনাবলৈ নোপাওঁতেই ১৯৫১ চনৰ কোনোবা এটা দিনত জ্যোতিপ্ৰসাদে সমগ্ৰ অসমবাসীক কন্দুৱাই যাত্ৰা কৰিলে সুন্দৰৰ সন্ধানৰ হেতু অনন্তধামলৈ। কিন্তু তেওঁ অসমীয়াৰ অন্তৰত মৰিও অমৰ হৈ ৰ'ল। আজীৱন ৰূপ তীৰ্থৰ যাত্ৰী, জ্যোতিপ্ৰসাদৰ জ্যোতি অসমৰ সংস্কৃতিৰ আকাশত চিৰ জ্যোতিষ্মান হৈ ৰব। হে প্ৰয়াত শিল্পী জ্যোতিপ্ৰসাদ—

মৃত্যু গছকি
আনাজয় জিনি
কৰি দুৰ্জ্জয় অভিযান।

তুমি গুচি গ'লা সংস্কৃতিৰ অস্তগামিত বেলিক পুনৰ তেজোদীপ্ত কৰি। তোমাৰ আদৰ্শৰে আজি অসমীয়া মহিয়ান হওঁক। তাকে কৰিবলৈ আমাৰ তুবাহুত শক্তি দিয়ক।

সদৌশেষত আজন্ম শিল্পীজনালৈ সভক্তিৰে—

ধুপ দীপ নৈবদ্য
নাই একো উপচাৰ।
পূজিবলৈ তোমাক
হে চিৰসুন্দৰ! হে সুৰকাৰ!
তথাপি হৃদয় ৰক্ত কৰবী
আনিছো বুটলি
স্মৃতিৰ অৰ্ঘ্য ৰূপে
তাকেই আজি,
হে শিল্পী
তোমাৰ চৰণে দিওঁ অঞ্জলি।
সংস্কৃতিৰ মধ্যমনি
তুমি হে মহান
আজীৱন কষ্ট ত্যাগ
দিলা তাৰ জীৱন দান।
নাপাহৰে অসমীয়াই
ই কথা সমুলি
হে জ্যোতি!
চিৰ জ্যোতিৰে তুমি
হোৱা জ্যোতিষ্মান।

●

# মহাকবি ডাণ্টেৰ সাহিত্যত বিয়েট্ৰিছৰ দাৰ্শনিক তাৎপৰ্য্য

কটনকলেজৰ প্ৰাক্তন অধ্যক্ষ আৰু ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক স্বৰ্গীয় তাৰিণীকান্ত ভট্টাচাৰ্য্যই তেখেতৰ জীৱন্তকালৰ শেষৰ পিনে ইটালীৰ মহাকবি দাৰ্শনিক ডাণ্টেৰ অমৰগ্ৰন্থ "ডিভাইন কমেডি"খন অসমীয়া ভাষালৈ অনুবাদ কৰিবলৈ লয়। এইয়া তেওঁৰ বহুদিনৰ এটা প্ৰবল হেপাহঁ আছিল। সেই ইচ্ছানুসৰি তেওঁ গ্ৰন্থখনৰ তিনিটা ভাগৰ, দুটা ভাগৰহে অনুবাদকাৰ্য্য সপূৰ্ণ কৰে। কিন্তু তৃতীয়ভাগ "পেৰাডাইছো" সম্পুৰ্ণ কৰিব নোৱাৰিলে। ইয়াৰ ২৭ টা সৰ্গ তেওঁ অনুবাদ কৰিব নোৱাৰিলে। কিন্তু সৌভাগ্যক্ৰমে অসম সাহিত্য সভা পত্ৰিকাত (পঞ্চত্ৰিংশ বছৰ ঃ চতুৰ্থ সংখ্যা) সম্পাদকৰ অনুৰোধক্ৰমে উক্ত প্ৰবন্ধটি লিখি প্ৰচাৰ কৰে। সেই প্ৰবন্ধটিকে এই সংখ্যা 'কটনিয়ান'ত পূৰ্ণপ্ৰকাশ কৰা হ'ল।

এই প্ৰবন্ধটি সংগ্ৰহ কৰি অনা হৈছে যাতে সমুহ ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰবন্ধটি পঢ়ি উপকৃত হয়।

'সম্পাদক', কটনিয়ান

মহাকবি ডাণ্টেৰ সাহিত্যত বিয়েট্ৰিছে এক বিশিষ্ট ভূমিকা গ্ৰহন কৰিছে। এই মনোৰম চৰিত্ৰৰ সুষমা, গাম্ভীৰ্য্য আৰু মৃদুতাই যুগে যুগে সকলো সাহিত্য প্ৰেমীকে আকৰ্ষণ কৰিছে। ডাণ্টেৰ সাহিত্যৰ এই মূল চৰিত্ৰটোৰ দাৰ্শনিক তাৎপৰ্যই মহাকবিৰ কাব্যিক অৱস্থানটো ফটিকৰ দৰে উজ্জ্বল কৰি ৰাখিছে।

১২৬৫ খৃষ্টাব্দত উত্তৰ ইটালীৰ ফ্লোৰেন্স নগৰীত ডাণ্টে এলিঘেৰীয়ে জন্ম গ্ৰহণ কৰে। তেওঁৰ পৰিয়ালটো মধ্যবিত্ত শ্ৰেণীৰ আছিল। বাল্যকালত তেওঁ সেই যুগৰ সকলো শিক্ষা লাভ কৰিছিল। প্ৰকৃততে সেই সময়ত ফ্লোৰেন্স নগৰী শিক্ষা, সাহিত্য, চাৰুকলা, সংস্কৃতি সকলো বিষয়তে অতি আগবঢ়া আছিল। তৰুণ যুৱক ডাণ্টেই এৰিষ্টটোল, প্লেটো, টোলেম, ভাৰ্জিল, ষ্টেটিয়াচ, বনা ভেণ্টুৰা, চেণ্ট্ টমাছ একুইনাছ আদি কবি-সাহিত্যিক আৰু দাৰ্শনিক সকলৰ কিতাপ পঢ়াৰ উপৰিও সেই যুগৰ সকলো উচ্চশিক্ষা, তত্ত্ব আৰু তথ্য জ্যোৰ্তি-বিদ্যা আৰু কবিতা আদিৰ বা-বতাহৰ মাজেৰে নিজৰ বৌদ্ধিক জীৱন গঢ়ি তুলিছিল। তেওঁৰ যৌৱন-কালৰ পণ্ডিত শিক্ষক জন হল ব্ৰুনেটো লেটিনি।

ডাঙৰ হলত তেওঁ ৰাজকীয় বিষয়ো ভোগ কৰিছিল। তেওঁৰ যেতিয়া বয়স ৩৫ বছৰ, তেতিয়া ১৩০০ খৃষ্টাব্দত ফ্লোৰেন্স নগৰীত ছজন উচ্চ বিচাৰক শাসকৰ ভিতৰত তেৰো এজন হৈছিল। এবাৰ তেওঁ ৰোম নগৰীৰ ৰাষ্ট্ৰদূত হিচাপেও গৈছিল।

সেই কালত ইটালীত কোনো এটা কেন্দ্ৰীয় চৰকাৰ নাছিল। দেশৰ বিভিন্ন অঞ্চল বিভিন্ন নগৰ ৰাষ্ট্ৰ কিছুমানত বিভক্ত আছিল। তেওঁৰ জন্ম-নগৰী ফ্লোৰেন্সো এনে এখন নগৰ-ৰাষ্ট্ৰহে আছিল। নৱ-জাগৰণৰ ঢৌৰ মৃদু-খলকনি দূৰত শুনাৰ সময়ত এই কালত বেহা-বেপাৰ আদিৰ জৰিয়তে ভেনিচ, ফ্লোৰেন্স, জেনোৱা আদি নগৰ ৰাষ্ট্ৰবোৰৰ প্ৰতিপত্তি ক্ৰমে বাঢ়ি গৈছিল, আৰু সেইবোৰত শিক্ষা-দীক্ষা, চাৰু-কলা শিল্প, চিত্ৰ, ভাস্কৰ্য্য, দৰ্শন, ৰাজনীতি আদিৰো উন্নত, তত্ত্বমূলক চৰ্চ্চা, গবেষনা চলিছিল। মধ্যযুগ আৰু বৰ্ত্তমান যুগৰ এনে এটা সজীৱ সন্ধিক্ষণত জন্মগ্ৰহন কৰি মেধাৱী আৰু চেতনা চঞ্চল যুৱক ডাণ্টেই সেই যুগৰ সকলো উচ্চ আস্পদৰ লগত নিজকে জড়িত কৰিব পাৰিছিল। নগৰ-ৰাষ্ট্ৰবোৰত ক্ৰমে অভ্যুদয় হোৱা ক্ষমতাশালী মধ্যবিত্ত শ্ৰেণীটো পোপৰ স্বেচ্ছাচাৰ আৰু দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিদ্বন্দী হৈ উঠিছিল। এই দুই শক্তিৰ মাজত ক্ষমতা আৰু প্ৰতিপত্তিৰ বাবে ৰক্তাক্ত যুদ্ধও হৈছিল।

ডাণ্টেৰ জন্মনগৰী ফ্লোৰেন্সত এই কাজিয়াই দুটা বিবাদমান দলৰ সৃষ্টি কৰিছিল। কিছুমানে ৰজাৰ সহায়ক পোপক দমন কৰিবলৈ বিচাৰিছিল আৰু এওঁলোকক 'গুয়েলফ' বোলা হৈছিল। অন্য দলটোৱে মধ্যবিত্ত দলৰ প্ৰাধান্য স্থাপন কৰিবলৈ চেষ্টা কৰিছিল। এওঁলোকক 'ঘিবেলিন' আখ্যা দিয়া হৈছিল। 'গুৱেলফ' আৰু 'ঘিবেলিন' দলদুটাৰ মাজত ঘনাই দলত্যাগ আদিও হৈছিল। একেখন নগৰতে নাইবা একেটি চুবুৰীতে দুই ফৈদৰ প্ৰতি শক্তিশালী জমিদাৰবিলাক বাস কৰিছিল। এওঁলোকৰ ভৱনবিলাক একোটা দুৰ্গত পৰিণত হৈ পৰিছিল। এওঁলোকৰ ভিতৰত হোৱা তীব্ৰ কাজিয়া, অত্যাচাৰ, প্ৰপীড়ন, নৰহত্যা, খণ্ডযুদ্ধ, প্ৰতিহিংসা— এইবোৰেই সমসাময়িক জীৱনৰ দস্তুৰ হৈ পৰিছিল। এজনলোকেই স্বাৰ্থৰ খাতিৰত বিভিন্ন সময়ত গুয়েলফ্ বা ঘিবেলিন হৈ পৰিছিল।

ডাণ্টে নিজে গুয়েলফ্ ফৈদত আছিল। এই ফৈদৰ হকে ১২৮৯ খৃষ্টাব্দত কেম্পোল ডিনো যুদ্ধক্ষেত্ৰত ডাণ্টেই নিজেও যুদ্ধ কৰিছিল। কিন্তু পাছত এই ফৈদটো দুটা উপশাখাত বিভক্ত হ'ল : এটা শাখা 'শ্বেত গুয়েলফ্' আৰু অপেক্ষাকৃতভাৱে এওঁলোকে শান্ত ; অন্য শাখাটো 'কৃষ্ণ গুয়েলফ্' আৰু এওঁলোকসকল উগ্ৰপন্থী। ৰাজকাৰ্য্যত ডাণ্টে ১৩০১ চনত ৰোমৰ পোপৰ ওচৰলৈ যাওঁতে তেওঁৰ পক্ষ অৰ্থাৎ শ্বেত গুয়েলফ্ ফৈদক পৰাস্ত কৰি কৃষ্ণ গুয়েলফ্ ফৈদে নগৰীৰ ক্ষমতা হস্তগত কৰিলে আৰু আৰু অন্য কেইজনমান লোকৰ লগতে ডাণ্টেকো কিবা অস্পষ্ট আৰু মনে-সজা দুৰ্নীতিৰ অপৰাধত ফ্লেৰেন্স নগৰীৰপৰা নিৰ্ব্বাসিত কৰিলে। এই আদেশ অমান্য কৰি নগৰীত প্ৰৱেশ কৰিলে তেওঁক জীয়াই জীয়াই পুৰি পেলোৱাৰ আদেশ হ'ল। ১৩০১ খৃষ্টাব্দৰ পৰা ১৩২১ খৃষ্টাব্দত তেওঁৰ মৃত্যু হোৱাৰ কাললৈকে জীৱনৰ শেষৰ কুৰি বছৰ কাল তেওঁ প্ৰিয় জন্মভূমি

ফ্লোৰেন্স নগৰীৰ পৰা নিৰ্ব্বাসিত হৈ থাকি উত্তৰ ইটালীৰ টুস্কানি আৰু ৰোমাগ্ৰাৰ বিভিন্ন নগৰত অঘৰী হৈ কষ্ট আৰু দাৰিদ্ৰৰ মাজতে জীৱন কটালে। প্ৰিয় নগৰী ফ্লোৰেন্সলৈ উভতি আহিবলৈ এবাৰ তেওঁ সশস্ত্ৰ আক্ৰমনো চলাইছিল। কিন্তু সেই চেষ্টা কৃতকাৰ্য্য নহ'ল। আবেগিক কষ্ট, দাৰ্শনিক চিন্তা, দাৰিদ্ৰ্য, সন্মান হানি—এইবোৰৰ পোটক তুলিবলৈ তেওঁ সাহিত্য সাধনাতে মন দিলে আৰু তাৰ মাজেৰে প্ৰাণৰ বেদনা প্ৰকাশ কৰি প্ৰতিষ্ঠা লাভ কৰিলে। ১৩২১ চনত ৰেভেনা নগৰীত তেওঁৰ মৃত্যু হয় ৫৬ বছৰ বয়সত। তেওঁৰ মৃত্যুৰ ২০ বছৰ পিছত অৱশ্যে ফ্লোৰেন্স নগৰীয়ে তেওঁক তাৰ শ্ৰেষ্ঠ সন্তান হিচাপে স্বীকাৰ কৰিলে। ৰেভেনা নগৰীতে থকা তেওঁৰ দেহাৱশেষ পাছত ফ্লোৰেন্স নগৰীয়ে ওভটাই আনিবলৈ কৰা প্ৰস্তাৱ অৱশ্যে ৰেভেনাই মঞ্জুৰ নকৰিলে।

অঘৰী জীৱন-যাপন কৰাৰ সময়ত তেওঁ পেৰিছ আদি নগৰলৈ গৈছিল। আনকি এই সময়ত তেওঁ অক্সফোৰ্ডলৈ যোৱা বুলিও কিছুমানে অনুমান কৰে।

ডাণ্টেৰ বয়স তেতিয়া মাত্ৰ ন বছৰ, তেতিয়া এদিন তেওঁ ফ্লোৰেন্স নগৰীত এজন ধনী নাগৰিকৰ কোমল বয়সৰ ছুহিতা বিয়েট্ৰিছ পোৰ্টিনাৰিক দূৰৈৰ পৰা দেখিছিল। ছোৱালীজনীৰ ৰূপ-লাৱণ্য, কমনীয়তা আৰু নিৰ্দ্দোষজ্যোতি দেখি তেওঁ প্ৰেমত পৰে। ইয়াৰ ন বছৰৰ পাছতহে বিয়েট্ৰিছে তেওঁৰ লগত পোন প্ৰথমবাৰৰ বাবে কথা পাতে। বিয়েট্ৰিছে তেওঁৰ লগত কথা কোৱাৰ দিনৰে পৰা তেওঁ 'কবি' হৈ পৰিল।

কিন্তু গাভৰু হলত বিয়েট্ৰিছৰ ছিমন-ডি-বাৰ্ডি নামৰ অন্য এজন লোকৰ লগতহে বিয়া হ'ল। সেয়ে হলেও ডাণ্টেই দূৰৰ পৰা মনতে বিয়েট্ৰিছক পূজা কৰি থাকিল। অন্যপিনে ২৮ বছৰ বয়সত ডাণ্টেই নিজেও গেম্মা ডোনাটি নামৰ গাভৰু এগৰাকীক বিয়া কৰালে। এই বিয়াৰ ফলস্বৰূপে তেওঁৰ ছুজন ল'ৰা আৰু এজনী ছোৱালী জন্মিল। এই ছোৱালীৰ নাম বিয়েট্ৰিছ ৰখা হ'ল।

১২৯০ খৃষ্টাব্দত তেওঁক অনুপ্ৰাণিত কৰা ৰূপহী বিয়েট্ৰিছ প্লেগ বেমাৰত পৰি অকালতে স্বৰ্গী হ'ল। ডাণ্টেৰ মনত গভীৰ শোক জন্মিল। তেওঁৰ স্মৃতি সম্বলিত ৩১ টা চনেট আৰু 'বেনজনি' শ্ৰেণীৰ গীত-কবিতা লিখি তাৰ নাম ভাইটা ন'ভা ('নতুন নাইবা যুবা জীৱন') দি এই ছুখ প্ৰকাশ কৰা হ'ল।

এই কৱিতাত বিয়েট্ৰিছক এগৰাকী দয়াৱতী, কৰুণাশীল স্বৰ্গীয় দূত হিচাবে কল্পনা কৰা হৈছে। ডাণ্টেক আৰু সমষ্ট মানৱ জাতিক দিব্যজ্যোতি দিবৰ কাৰণে এয়া যেন স্বৰ্গীয় দূত।

কৱিতা কেইটিক অৱশ্যে গদ্যৰ পটভূমিত সংযুক্ত কৰা হৈছে। তিনিটা শাখাত বিভক্ত এই কৱিতাৱাজিৰ প্ৰথম দহোটা কৱিতাত বিয়েট্ৰিছৰ ৰূপ-লাৱণ্যই কৱিৰ মনত যি প্ৰভাৱ বিস্তাৰ কৰিছিল, তাৰ বৰ্ণনা আছে। দ্বিতীয় শাখাৰ অন্য দহোটা কৱিতাত বিয়েট্ৰিছৰ আত্মাৰ জ্যোতিয়ে কৱিজনাৰ মনত যি নৈসৰ্গিক প্ৰভাৱ জন্মাইছিল, তাক কেৱা হৈছে। তৃতীয় শাখাত বিয়েট্ৰিছৰ অকাল পৰলোক-প্ৰাপ্ত আৰু কবিজনাৰ মনত থকা তেওঁৰ স্মৃতিৰ কথা আছে। তৃতীয় শাখাৰ শেষৰ পিনে কৱিজনাই বিয়েট্ৰিছক স্বৰ্গীয় প্ৰেমৰ প্ৰতীকত পৰিণত কৰিবলৈ আৰম্ভ কৰা

পৰিলক্ষিত হয়। এই কৱিতাৰ শেষৰ স্তবকত ডাণ্টেই এটা ইঙ্গিত দিলে— বিয়েট্রিছৰ বিষয়ে বেছি মৰ্য্যদাৰে লিখিবলৈ সামৰ্থ্য আহৰণ নকৰা পৰ্য্যন্ত তেওঁ এই বিষয়ে লিখা স্থগিত ৰাখিব। তেওঁ আশা প্ৰকাশ কৰিলে যে প্ৰস্তুতিৰ পাছত তেওঁ বিয়েট্রিছৰ বিষয়ে এনে উচ্চ মনোৰম পৰ্য্যায়ৰ কথা লিখিব যে তেনে কথা কোনো নাৰীৰ বিষয়ে আগতে কেনোৱেই লিখা নাই। এই ইঙ্গিততে তেওঁ বিয়েট্রিছ বিষয়ৰ ধাৰণা সম্পৰ্কে কিছু পূৰ্ব্বাভাস পোৱা যায়, আৰু হয়তো ইয়েই তেওঁৰ অমৰ কৱিতা 'ডিভাইন কমেডি'ৰ অস্পষ্ট পূৰ্ব্ব ইঙ্গিত। সেই কালত কথিত ইটালীত ইটালী ভাষাত কোনো ভাল কিতাপ লিখা নহৈছিল। সুপ্ৰতিষ্ঠিত, উন্নত আৰু মৰ্য্যদা-বিশিষ্ট লেটিন ভাষাতে সকলো উচ্চ সাহিত্য ৰচনা কৰা হৈছিল।

ডাণ্টেই পোনতেই এই ৰীতি ভঙ্গ কৰি কথিত ইটালীয় ভাষাত সাহিত্য ৰচনা কৰিবলৈ সৰোগত কৰিলে আৰু মাতৃভাষাৰ হকে যুক্তি ডাঙি ধৰি 'ডি ভালগাৰি ইলোকুৱেন্টিয়া' নামৰ গ্ৰন্থ প্ৰণয়ন কৰিলে। ইয়াৰ পিছত মাতৃ-ভাষাতে 'কনভাইটো' নামৰ পুস্তিকাত দৰ্শনৰ কথা কিছুমান সৰলভাৱে লিখি পাঠকৰ আগত ডাঙি ধৰিলে। ইয়াৰ উপৰিও 'ডি মনাকি নামৰ ৰাজনৈতিক গ্ৰন্থত ৰাজনৈতিক স্বৈৰ্যৰ কাৰণে উন্নত ৰাজতন্ত্ৰক সমৰ্থন কৰি লেটিন ভাষাত এখন গ্ৰন্থ প্ৰণয়ন কৰিলে।

কিন্তু তেওঁৰ চেতনা-চঞ্চল কবি-প্ৰাণৰ খু-হুৰনিবোৰে মন ভাৰাক্ৰান্ত কৰি ৰাখিলে। গীৰ্জাত চলা দুৰ্নীতি, আত্মম্ভৰিতা, ৰাজনৈতিক দলবোৰৰ স্বাৰ্থপৰ যুৰ্জ-বাগৰ, দম্ভ, নিষ্ঠুৰতা, হিংসা, প্ৰতি-শোধ-পৰায়ণতা, নাগৰিক সকলৰ পাপ, অশান্তি, অস্থৈৰ্য, অতপালি, অধঃপতন, তেওঁৰ আশ্ৰয়দাতা সকলৰ প্ৰতি কৃতজ্ঞতা, বিয়েট্রিছৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম, মানৱ জীৱনৰ ঘাত প্ৰতিঘাত, কৱিপ্ৰাণৰ তীব্ৰ-অনুভূতি আৰু আক্ষেপ— এনে অসংখ্য শক্তিৰ সমাহাৰ স্বৰূপে তেওঁৰ মনত 'ডিভা-ইন কমেডি'ৰ যোজনাই আকৃতি গ্ৰহণ কৰিলে।

এই অমৰ কৱিতাটো এটা সপোন। সপোনত তেওঁ দেখিলে যে জীৱনৰ সোঁমাজতে তেওঁ পথ হেৰুৱাই গৈ এখন অন্ধকাৰ হাবিত সোমাল। উপত্যকাৰ অন্তত গৈ তেওঁ এখনি পৰ্বতৰ নামনিত (আধ্যাত্মিক জীৱন) উপনিত হ'ল। কিন্তু তেওঁ তাত উঠিবলৈ গৈ দেখিলে যে তাত এটা নাহৰ-ফুটুকী বাঘ বাট বন্ধ কৰি বহি আছে। তেওঁৰ মনত ভয় লাগিল। তেতিয়া অৱশ্যে ক্ৰমে ৰাতি পুৱাব ধৰিলে আৰু পুৱাৰ পিনে সূৰ্য্য ওলোৱাৰ উপক্ৰম হ'ল। পোহৰৰ আগমনত তেওঁৰ মনত কিছু সাহস জন্মিল। ইতিমধ্যে তেওঁ আঁতৰি অহাৰ কথা চিন্তা কৰোতেই এজন পুৰুষক তেওঁৰ পিনে অহা দেখিলে। এইজন হ'ল— মহাকবি ভাৰ্জিলৰ আত্মা। ভাৰ্জিলে (মনবীয় জ্ঞান আৰু বুদ্ধি-যুক্তি) দয়া কৰি নিজৰ সাহাৰ্য্য আগবঢ়ালে, আৰু কবিজনাক তেওঁৰ যাত্ৰা পথ-প্ৰদৰ্শণ কৰিবলৈ গাত ললে।

এওঁলোকে প্ৰথমে গৈ নৰকৰ গাঁতত (ইনফাৰ্নো) নামিবলৈ আৰম্ভ কৰিলে। এই গাতঁত ওপৰৰ পৰা তললৈ বহুতো খলপ। ইয়াত পাপীসকলক অবৰ্ণনীয় শাস্তি দিয়া হয়। যিমানেই তললৈ যোৱা যায়, সিমানেই বেছি শাস্তি

ভোগকৰা দেখা যায়। কবি দুজনাই ইয়াত বহুতো আত্মাক পৃথিৱীত কৰি অহা পাপৰ কাৰণে তীব্ৰ যাতনা আৰু শাস্তি ভোগ কৰি থকা দেখিলে। ইয়াত যে কেৱল ইটালীৰ লোককহে লগপালে নাইবা কোনো বিশেষ শ্ৰেণীৰ লোককহে দেখা পালে, তেনে নহয়। সকলো যুগৰ, স্তৰৰ, সকলো ধৰণৰ সৰু-বৰ নৰ-নাৰীক তাত পাপ অনুসাৰে তীব্ৰতৰ শাস্তি ভোগকৰি আৰ্ত্তনাদ কৰি থকা দেখা পালে। (ইনফাৰ্নো অন্ত)।

নৰক (ইনফাৰ্নো)ৰ পৰা সুকৌশলে ভাৰ্জিলে কবিজনাক বাট দেখুৱাই উলিয়াই লৈ গৈ 'পাৰ্গেটৰী' পৰ্বতৰ নামনিত উপনীত হ'ল। এই পৰ্বতৰ শুধৰণিৰ পৰ্ব্বতত ওপৰৰ পৰা তললৈ মুঠতে সাতোটা খলপ বা স্তৰ আছে। এই খলপবোৰত অনুতপ্ত পাপী সকলৰ পৰিশোধন হয়। ইয়ালৈ অহা পাপীসকলৰ ইতিমধ্যে কিছু পৰিশোধন হৈছে, আৰু তেওঁলোক ক্ৰমে সজপথলৈ আহিছে। এই পৰ্ব্বতৰ সৰ্ব্বোচ্চ খলপটোতে ভূস্বৰ্গ; এখন হাবিয়ে অৱশ্যে তাক ঢাকি ৰাখিছে। ভাৰ্জিলৰ সস্নেহ পৰিচালনাত আমাৰ কবি এটা এটাকৈ এই খলপ কেইটাত উঠি গৈ থাকিল। বিভিন্ন খলপত লগপোৱা আত্মাবিলাকৰ কিছুমানক ডাণ্টেই আগতে জানিছিল; কাৰণ তেওঁলোক সমসাময়িক পুৰুষ-স্ত্ৰী আছিল। এওঁলোকৰ লগত পাপ-পূণ্য, কৰ্ম-অকৰ্ম্ম, ভ্ৰম-ভ্ৰান্তি, পবিত্ৰপ্ৰেমৰ মূল উৎস, আৰু প্ৰকৃতি, মানৱৰ মুক্ত ইচ্ছা শক্তি ইত্যাদিৰ বিষয়ে তেওঁৰ কথোপকথন হৈ গ'ল। স্থান বিশেষে ডাণ্টেৰ মনৰ সন্দেহ ভঞ্জন কৰি দিছে তেওঁৰ গুৰুদেৱ ভাৰ্জিলে।

'পাৰ্গেটৰী'ৰ ছটা স্তৰ ওপৰলৈ উঠাৰ পাছত ডাণ্টেই এটা দিব্য-জ্যোতি দেখি চমকিত হ'ল, তেওঁ চকু মুদি দিলে। ভাৰ্জিলে তেওঁক আশ্বাস দি ক'লে ঃ সেই দিব্যজ্যোতি বিয়েট্ৰিছৰ। তেওঁ ঈশ্বৰৰ ওচৰৰ পৰা ডাণ্টেক বাট দেখুৱাই নিবলৈ আগবাঢ়ি আহিছে। গতিকে তাক দেখি ডাণ্টে ভীত-চকিত হব নালাগে; তদুপৰি ইতিমধ্যে যিহেতু ডাণ্টেৰ 'মুক্ত ইচ্ছা-শক্তি' লাভ হৈছে, সেইহেতু ভাৰ্জিলে এতিয়া ওপৰলৈ তেওঁক পথ দেখুৱাব নোৱাৰে। এতিয়া তেওঁক পথ দেখুৱাব পাৰিব একমাত্ৰ বিয়েট্ৰিছেহে (স্বৰ্গীয় অনুকম্পা) একমাত্ৰ মানবীয় জ্ঞান আৰু বৌদ্ধিক সম্বলে মানৱক চৰম উপলব্ধি প্ৰদান কৰিব নোৱাৰে। ডাণ্টেৰ "মুক্ত ইচ্ছাশক্তি" লাভ হোৱা হেতুকেহে বিয়েট্ৰিছো তেওঁক পথ দেখুৱাবলৈ আহিছে।

আমাৰ কবিয়ে তেতিয়া বিয়েট্ৰিছৰ পদ অনু-সৰণ কৰিলে। দুয়ো উঠি গৈ পোনতে ভূস্বৰ্গ পালে। ডাণ্টেই এই ভূস্বৰ্গৰ অনুপ সৌন্দৰ্য্য দেখিলে। এতিয়াৰ পৰা তেওঁলোকৰ আৰোহন অপেক্ষাকৃত ভাবে সহজহৈ আহিল। তলৰ স্তৰ বোৰত ইয়াতকৈ বহু বেছি কষ্ট হৈছিল। (পাৰ্গেটৰীও অন্ত)।

ইয়াৰ পাছত তেওঁলোকৰ যাত্ৰা আৰম্ভ হ'ল বহিঃ স্বৰ্গলৈ (এম্পিৰিয়ানঃপেৰাডাইছো)। এই স্বৰ্গ বিভিন্ন নক্ষত্ৰেৰে ক্ৰমে ওপৰলৈ উঠি গৈছে। বতাহৰ বোকোচাত উঠি গৈ দুয়ো ক্ৰমে, মঙ্গল, বৃহস্পতি, শনি আদি বিভিন্ন ওপৰমুখী স্তৰ অতিক্ৰম কৰি অৱশেষত 'এম্পিৰিয়ান'ৰ চৰম লক্ষ্যত উপনীত হ'ল। যাওঁতে বাটত প্ৰত্যেক জ্যোতিষ্কতে লগ পোৱা বিভিন্ন স্তৰৰ শুদ্ধ, সদাচাৰী, সন্ত, সাধু আৰু উদ্দীপ্ত আত্মাসৱৰ লগত আমাৰ

কবিৰ সংক্ষিপ্ত অথচ তাৎপৰ্য্যপূৰ্ণ কথোপকথন হৈছে আৰু মানৱাত্মাক প্ৰকৃত অৱস্থান, পাপ, বিবেক, শুদ্ধ আচৰণ, ক্ষমা, দয়া, কাৰুণ্য, বৌদ্ধিক সততা, গভীৰ খৃষ্টান ধৰ্মীয় শাস্ত্ৰালাপ, পেগান ধৰ্ম, মানৱৰ পতন আৰু উত্থান আদিৰ বিষয়ে তত্বপূৰ্ণ কথা জানি লৈছে।

ডাণ্টেৰ মনত জন্মা সঙ্কোচ, দ্বিধা, বিতৰ্ক, অজ্ঞতা, ভ্ৰম আদিত বিয়েট্ৰিছ অসন্তুষ্টনহৈ বৰং সহনশীলতা, ধৈৰ্য আৰু দয়াৰ মিচিকিয়া হাঁহি মাৰি তেওঁক শুদ্ধ তত্ব বুজাই দি শুদ্ধপথ দেখুৱাই দিছে। সেই যুগৰ অতি মেধাবী চেতনা চঞ্চল কবি এজনাৰ মনত আধ্যাত্মিক তত্বৰ সূক্ষ্মতিসূক্ষ্ম যিবোৰ প্ৰশ্নৰ উদয় হৈছে, সেইবোৰত ৰেখা পাত কৰি অকৃত্ৰিম প্ৰেমৰ জৰিয়তে স্বৰ্গীয় সুখ শান্তি লাভ কৰাৰ স্তৰ আৰু ক্ৰমবিলাক সংক্ষিপ্ত, নিৰ্ভুল আৰু প্ৰাঞ্জল ভাবে বিয়েট্ৰিছে দেখুৱাই দিছে আৰু অৱস্থাৰ এই সমাহাৰত ডাণ্টেয়ো শেষত প্ৰশান্ত আনন্দেৰে স্বৰ্গৰ প্ৰশস্তি গাইছে।

এইটো স্পষ্টযে ডণ্টেৰ এই 'সপোনত' মানৱ-আত্মাৰ যাত্ৰায়েই ৰূপকত অঙ্কিত হৈছে। ডাণ্টে যিখন পৰ্বতত উঠিবলৈ গৈ অন্ধকাৰ হাবিত সোমাল আৰু পৰ্বতৰ নামনিত যি হিংস্ৰ বাঘ, সিংহ আদি দেখি পোনতে ভয় খালে, সেই পৰ্বত যে উন্নত আধ্যাত্মিক জীৱন-যাত্ৰাৰ পৰ্বত আৰু হিংস্ৰ জন্তুবোৰ যে মানৱ ৰিপুৰূপ প্ৰতিবন্ধকবোৰ, তাক সহজে অনুমান কৰিব পাৰি। তেওঁ লগ পোৱা প্ৰথম পথ প্ৰদৰ্শক ভাৰ্জিলো যে মানৱীয় জ্ঞান আৰু বিচাৰ-বুদ্ধিৰ প্ৰতীক তাক নকলেও হয়। এই মানৱীয় জ্ঞান আৰু বিচাৰ বুদ্ধিৰ প্ৰতীক ভাৰ্জিলে ডাণ্টেক ওপৰৰ কোনো এটা স্তৰলৈ লৈ যোৱাৰ দৰে মানৱ জীৱনক কিছু ওপৰলৈ নিব পাৰে, তাৰ পাছত নোৱাৰে। তাৰ পাছত অৰ্থাৎ মানৱৰ মুক্ত ইচ্ছাশক্তি লাভহোৱাৰ পাছত পথ প্ৰদৰ্শন কৰিব পাৰে বিয়েট্ৰিছৰূপী ঐশ্বৰিক দয়া-কৰুণাইহে। ডাণ্টেৰ সাহিত্যত বিয়েট্ৰিছৰ এয়েই তাৎপৰ্য্য। এই দয়া স্বয়ং-সম্পূৰ্ণ, স্বয়ং-প্ৰাণোদিত, প্ৰেমময়, অযৌক্তিক আৰু অহৈতুকী। খৰচ কৰিলেও ই আগৰ পৰিমাণ পুনৰ লাভ কৰে। কাৰণ যি স্তৰত ইয়াৰ আগমন হয়, সেই স্তৰত মানৱীয় হেতু, সীমা, যুক্তি, মাপ-দণ্ড, পৰিমাণ আদিৰ প্ৰশ্ন নুঠে। এই সূক্ষ্মাতিসূক্ষ্ম তত্ত্ববোৰ কৰুণাময়ী বিয়েট্ৰিছে জ্যোতিষ্ক বোৰত বাস কৰা পবিত্ৰ আত্মাসবে বাখ্যা কৰি আমাৰ কবিৰ মনৰ অসংখ্য প্ৰশ্নৰ সমাধান দিছে আৰু সন্দেহো আঁতৰাইছে। এইদৰে অৱশ্যে 'সপোনে' আধ্যাত্ম বিষয়ে কৱিতাই ঢুকি পোৱা সকলো উচ্চতা লাভ কৰিছে।

অথচ ; এনে এটা উচ্চ পৰ্য্যায়ৰ আলোচনা ডাণ্টেই কি যাদুৰে যে কৱিতাৰ মুৰত ৰাখিছে, তাক চিন্তা কৰি বিস্মৃত হব লাগে। অন্য এজনৰ হাতত যিবোৰ কথা অতিসহজে নীৰস দৰ্শনত পৰিণত হ'ল হেতেন, সেইবোৰক ডাণ্টেই অতুলনীয় কৱিতাৰূপে প্ৰকাশ কৰিছে। তেওঁৰ কৱিতাৰ সঙ্গীত ময়তা, সৰস উপমা বাছক বনীয়া শব্দ-সংগ্ৰহ, ঘটনাৰ গতি-শীলতা, মাৰ্জিত ৰুচিৰ পৰাকাষ্ঠা, জীৱন নিৰীক্ষণৰ সূক্ষ্মতা, প্ৰাকৃতিক বৰ্ণনাৰ বিচক্ষণতা, মন-বুদ্ধি-আবেগ আদিৰ বিভিন্ন স্তৰৰ নিখুঁত বৰ্ণনা আদিৰ জৰিয়তে এই সপোনটোক এক অবিস্মৰণীয় কাব্যিক সুষমাৰ আকঁৰ কৰি পেলাইছে। পশ্চিমীয়া ৰূপক বিলাক

সাধাৰণতঃ কোনো পূৰ্ব প্ৰসিদ্ধ ঘটনা বা আখ্যানক অৱলম্বন কৰি ৰূপায়িত কৰা হৈছিল। স্পেন্সাৰৰ 'ফেয়াৰিকুইন' আৰু বুনিয়নৰ পিলগ্ৰিম্‌ছ প্ৰগেছ' অদিলৈ মন কৰিলেই এইটো দেখা পোৱা যায়। কিন্তু ডাণ্টেই তেওঁৰ ৰূপকটো নিজে ৰচনা কৰি তেওঁ স্বয়ং নিজে তাৰ প্ৰধান চৰিত্ৰ এটা হৈ পৰিল। তদুপৰি এই ৰূপকটোত বাস্তৱ আৰু সমকালীন নাইবা ঐতিহাসিক চৰিত্ৰবোধৰ সমন্বয় সাধন কৰি তাত বাস্তৱৰ উদ্দীপ্ততা প্ৰদান কৰিলে। এইটো লক্ষ্য কৰিব লগীয়া যে বাস্তৱ শৰীৰেৰে গৈ ডাণ্টেই ঐশ্বৰিক কৃপাৰ প্ৰতীক বিয়েট্ৰিছক লগ পাইছিল। মহাকবিয়ে হয়তো ইয়াকেই বুজাব খুজিছে যে সেই চৰম শান্তি-সম্ভোগ আৰু উদ্ধুদ্ধতা বাস্তৱ জীৱনতো সম্ভৱপৰ। বাস্তৱ আৰু আদৰ্শৰ ই এক নিৰ্ভীক সমন্ব।

মহাকৱিৰ আকাশ-পাতাল জোৰা এই নিৰী-ক্ষণৰ ব্যাপকতা পৰ্য্যাপ্ততা আৰু বিদগ্ধতা দেখি স্তব্ধ হব লাগে। টাইবাৰ গঙ্গা, খৃষ্টীয়ান-আৰব, ষোদ্ধা-সেনাপতি, ৰজা-প্ৰজা, হিথেন-পেগান, নৰহত্যা-সন্ন্যাসী, পুৰুষ-স্ত্ৰী, ধনী-ভিক্ষুক, শিপিনী বোৱনি, দাৰ্শনিক-কবি এই সকলো স্তৰৰ জীৱনকে আৰু বস্তুকে তেওঁ নিৰীক্ষণ কৰিছে। মহাকবি শ্বেক্সপীয়েৰৰ বিচিত্ৰতা আৰু ব্যাপকতাতকৈয়ো ই যেন বিশালতা বিষয়ত চহকী আৰু এই নিৰীক্ষণৰ লগতে আছে প্ৰাকৃতিক নিৰীক্ষণ। ইটালীৰ স্থানীয় প্ৰকৃতি, সমুদ্ৰ, চৰাই-চিৰিকতি মঠ-মন্দিৰ পূৱা- মধ্যাহ্ন-গধুলিৰ বিভিন্ন পলত সূৰ্য্যৰ ৰশ্মিৰ বিভিন্ন জেউতি, গ্ৰাম্য জীৱন, ঘৰুৱা জীৱন ইত্যাদিয়ে সংক্ষিপ্ত অথচ আপ্ত প্ৰয়োগৰ দ্বাৰা এই কৱিতাৰ জৰিয়তে ৰূপ-সৃষ্টি কৰাৰ লগতে তেওঁৰ চকুমনৰ স্পৃহাৰ আভাস দিছে। কি অতুলনীয় ধৰণে যে সেইবোৰ মূল কথাৰ লগত সাঙোৰ খাই পৰি মানৱ-অস্তিত্বৰ সম্পদ ৰাশি আৰু চৰম সন্ধান দুয়োতাকে ফুটাই তুলিছে, তাক ভাবিলেও আচৰিত হব লাগে। ডাণ্টৰ যুগৰ নক্ষত্ৰবিদ্যা, বিশ্ব-ব্ৰহ্মাণ্ডৰ ধাৰণা আদিৰ সীমাবদ্ধতা খিনি পাহৰি পেলালেও এই কৱিতাত নিহিত থকা আৰু মানুহৰ বিবেকত সুচিত হোৱা সৰু-বৰ সকলো ত্ৰুটি-বিচ্যুতি-আকাঙ্খা ইত্যাদিক কাব্যিক ভাষাত ৰূপায়িত কৰি মানৱৰ চৰম চিন্তাশক্তি আৰু কাব্যিক প্ৰকাশভঙ্গীৰ যি নমুনা তেওঁ ডাঙি ধৰিলে, সি চিৰকালৰ বাবে পূৱতি তৰাৰ দৰে প্ৰায় অকলশৰে জিলিকি থাকিব। তেওঁৰ আকাশ-পাতালৰ বিভাজনবোৰ সহজে অৱজ্ঞা কৰিব পাৰি। কিন্তু বিয়েট্ৰিছক কেন্দ্ৰকৰি তেওঁ মানৱত্মাৰ যি গভীৰ উপলব্ধি কাব্যিক ভাষাত ব্যক্ত কৰি গ'ল, তাৰ বিশ্বজনীন আৰু চিৰন্তন আবেদন ৰৈ যাব সৰুতে দেখা পোৱা সেই ৰূপহী আৰু পবিত্ৰ ছোৱালীজনীৰ দৈহিক লাৱণ্য আৰু মানসিক দয়া, গাম্ভীৰ্য, মৃদুতাৰ জৰিয়তে ডাণ্টেই যেন ঈশ্বৰৰেই অংশ এটা দেখা পাইছিল। তাকেই তেওঁৰ সাহিত্যত ফুটাই তুলিছে। এগৰাকী গাভৰুৱে এইদৰে এজনা কবিক আধ্যাত্মিক আনন্দ আৰু জ্যোতি প্ৰদান কৰাত কবিজনাৰ নামৰ দিগন্ত এটাও পোৱা যায়। কি যাদুৰে যে ডাণ্টেই কবিত্ব, উচ্চ অধ্যাত্মিকতা, সঙ্গীত আৰু কমনীয়তা ৰক্ষা কৰিছে সি এক বিস্ময়। এই বিস্ময়ৰ প্ৰত্যুত্তৰ সেই কৰুণাময়ী, লাৱণ্যময়ী, গৰিমাময়ী নাৰী বিয়েট্ৰিছ নিজেই। এই চৰিত্ৰই সকলো সাহিত্য-প্ৰেমী লোককে পূৰ্ণতৃপ্তি প্ৰদান কৰিছে। ● ● ●

# সমসাময়িক অসমীয়া সাহিত্যত
# বাস্তৱবাদ

মৃদুল বৰগোহাঞি
প্ৰথম বাৰ্ষিক (স্নাতক, বিজ্ঞান)

সাহিত্য আবদ্ধ সৰোবৰ নহয়। ই বোৱতী নৈৰ দৰে গতিশীল। সমাজ আৰু সাহিত্যৰ সম্পৰ্ক অতি নিবিড়। সময়ৰ অগ্ৰগতিৰ লগে লগে সমাজৰো পৰিবৰ্ত্তন হয়। ইতিহাসে কয়, মানৱ সমাজে বিভিন্ন স্তৰ অতিক্ৰম কৰি বৰ্ত্তমান এই অৱস্থা পাইছেহি। জনমানসত প্ৰতি স্তৰতে উত্তৰণৰ চেতনা প্ৰকাশ পায়। এই চেতনাই পৰবৰ্তী স্তৰক গঢ় দিয়ে।

সাহিত্যত বাস্তৱবাদ মানে কি? কোনো সামাজিক অৱস্থা আৰু সমসাময়িক সাহিত্যৰ চৰিত্ৰ বিশ্লেষণ কৰি সেই সামাজিক ৰূপ সাহিত্যত কি দৰে প্ৰকাশ পাইছে তাক বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে চালি-জাৰি চোৱা প্ৰয়োজন। এয়াই বাস্তৱবাদৰ তাৎপৰ্য। সমাজ প্ৰগতিৰ লগে লগে সাহিত্যও আগবাঢ়ে। সাহিত্য আৰু সমাজৰ মাজত জোন-বেলিৰ নিচিনা সম্পৰ্ক বৰ্ত্তমান। গতিকে সাহিত্যও যুগধৰ্ম্মৰ লগত খাপ খাব লাগে। সমাজ খনক প্ৰতিফলিত কৰাই সাহিত্যৰ কাম।

সামন্তবাদী সামাজিক গাঠনি দুৰ্বল হৈ অহাৰ লগে লগে ভাৰতীয় সমাজত বিভিন্ন আদৰ্শৰ সংঘাট ঘটিছে। অৰ্থনৈতিক আৰু সাংস্কৃতিক ব্যৱস্থাই এতিয়ালৈকে নিৰ্দ্দিষ্ট ৰূপ লব পৰা নাই। ইতিহাসত জনসাধাৰণৰ সংগ্ৰামী চেতনাৰ স্বৰূপ নিৰ্ণয় কৰা অসম্ভৱ নহয়। কিন্তু বৰ্ত্তমান ভাৰতীয় সমাজত এই কামো নিচেই সহজ বুলি কব নোৱাৰি। খেলি-মেলি চিন্তা চৰ্চ্চাই আমাৰ জনগনক প্ৰায়েই বিপথে পৰিচালিত কৰে।

ইয়াৰ মূল কাৰণ কি? নিশ্চয় প্ৰয়োজনীয় সাক্ষৰতাৰ অভাৱ। অনুৰূপ পৰিস্থিতি বহু সময়ত অসমীয়া সাহিত্যতো বিৰাজমান। আমাৰ দেশৰ সৰহভাগ লোকেই নিৰক্ষৰ। উচ্চ শ্ৰেণী প্ৰকৃত সাহিত্যৰ প্ৰতি কমেই আগ্ৰহী। গতিকে মধ্যবিত্ত সকলেই সাহিত্য সংস্কৃতিৰ সকলো দিশতে আগ ভাগ লব লগীয়া হয়। কোনো কোনো দেশৰ সাহিত্যত সাধাৰণ গাড়ী চালকৰো সাহিত্য সৃষ্টিও আদৰণীয় হোৱাৰ উদাহৰণ আছে। আমাৰ সাহিত্য তেনে অৱস্থাপ্ৰাপ্ত হোৱা নাই।

মধ্যবিত্তৰ সাহিত্য সংস্কৃতিৰ অনুষ্ঠানে সাহিত্যৰ সত্ত্বাবিন্দু পাবগৈনে— সিও বিচাৰ্য্য বিষয়। বৰ্ত্তমানৰ বহুতো লেখকে স্বাৰ্থপৰ চিন্তা চৰ্চ্চা এৰিব

পৰা নাই। জ্ঞাতে-অজ্ঞাতে তেওঁলোকে নিজৰ অনুকুল শ্ৰেণী স্বাৰ্থৰ সপক্ষে ওকালতি কৰিব লগীয়া হয়। কিয়নো আমাৰ সমাজত কোনো সাহিত্য সৃষ্টি কৰি- জীয়াই থকা নাই। সাহিত্য বহুক্ষেত্ৰত উপজীৱিকাহে। নিজৰ বৈষয়িক উন্নতিৰ চিন্তাই মুকলি অনুধাবন পথাৰত দেৱাল গঢ়িছে। একে কাৰণতে, সমাজ বিপ্লবৰ ফলশ্ৰুতি আশানুৰূপ হোৱা নাই। মধ্যবিত্ত সকলেই ইতিহাসত বিপ্লবৰ বাহক। এই কথা অনবস্বীকাৰ্য্য। কিন্তু তেওঁলোকে চিন্তাৰ জড়তা আৰু দৈন্যতা ত্যাগ কৰিব পাৰিলেহে এই কথা মানি লব পাৰি। জনগণৰ লগত তেওঁলোকে একাত্মবোধ তেতেয়াহে অনুভব কৰিব পাৰে। দেখা যায় অসমীয়া সাহিত্যৰো অনুৰূপ সমস্যা বিৰাজমান। মধ্যবিত্তৰ ৰোগগ্ৰস্ত চিন্তাধাৰা বাৰুকৈয়ে শিপাইছে। জনসাধাৰণৰ জীৱনৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰি তেওঁলোকৰ সপক্ষে যোৱা সাহিত্য সৃষ্টি আমাৰ সাহিত্যত অভাব। বহু সময়ত সাহিত্য চিন্তা কেৱল ভাব বিলাসত পৰিণত হৈছে। বাস্তৱতাক স্বীকাৰ কৰিব পৰা নাই। এনে অসাৰ্থক জন্ম বেদনাই আমাৰ সাহিত্যক জ্বলা-কলা কৰিছে। সাহিত্যৰ জনপ্ৰিয়তা হ্ৰাস পাইছে। মুঠতে সচেতন মধ্যবিত্ত চিন্তা চৰ্চ্চাইহে বৰ্ত্তমান পৰিস্থিতিত সামাজিক দায়বদ্ধ লেখকৰ জন্ম দিব।

অভিজ্ঞতা সাহিত্যৰ অন্যতম উপাদান। ভাবলেশহীন নিস্তৰংগ জীৱন-যাপনে অভিজ্ঞতা সংকুচিত কৰে। কেৱল ঘৰৰ চৌহদৰ মাজত আবদ্ধ থাকিলে ইয়াৰ প্ৰসাৰণ নঘটে। সাহিত্যিক সদায় জনসাধাৰণৰ লগত একাকাৰ হোৱা উচিত। জনজীৱনৰ গভীৰলৈ নগলে পৰিপূৰ্ণ জ্ঞান আৰু সচেতনতা লাভ কৰিব নোৱাৰি। এই সত্য অস্বীকাৰ কৰি চহৰৰ বা গাৱঁৰ মধ্যবিত্ত সমাজৰ পৰা উদ্ভুত বুদ্ধিজীৱিয়ে সৃষ্টি কৰা সাহিত্যও আশাতীত কল্পনাৰে ভৰপূৰ। তাত বাস্তৱতা নাথাকে। আধুনিক মনস্তত্বৰ শোকলগা পৰিণতিহে এইবোৰত দেখা যায়। সেইবুলি অভিজ্ঞতা নিজেই সৃষ্টি হব নোৱাৰে। পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ দেৱে মন্তব্য কৰিছে— "অভিজ্ঞতাৰ ওপৰত প্ৰতিস্থিত হলেও সাহিত্য বাস্তৱিকতে অভিজ্ঞতাৰ কেটেলগ বা যাতুঘৰ নহয়। নিৰ্বাচন কৌশল, কল্পনা আৰু ৰীতিৰ সহায়েৰে অভিজ্ঞতাৰ কেচাঁ সৰ্জুলি গঢ়ি-পিতি হলেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়?" অভিজ্ঞতা সৃজনী শক্তিৰহে পৰিপূৰক। ইয়াৰ লগত চিন্তা কল্পনা আৰু জিজ্ঞাসা অন্যতম উপাদান। ৰুচিয়াৰ লেখক টলষ্টয় ৰুচবিপ্লবৰ কিছু আগতে পৃথিৱীৰ পৰা আতৰি যায়। টলষ্টয়ে বিপ্লৱৰ ভবিষ্যতটোক ভালদৰে দেখা নাছিল। বহুতৰ মতে তেওঁ প্ৰধানতঃ Christian moralism ৰ হে সমৰ্থক। যিয়েই নহওক শুদ্ধ অশুদ্ধ ধাৰণাৰ সংমিশ্ৰনেৰে তেওঁৰ ঐতিহাসিক অভিজ্ঞতা আছিল ব্যাপক। বৃহৎ বঙালী উপন্যাস 'প্ৰথম প্ৰতিশ্ৰুতি' বৰ্ণিত সত্যবতীৰ দৰে কালজয়ী চৰিত্ৰ উপন্যাসিক আশা পূৰ্ণ দেবীৰ বিপুল ব্যক্তিগত অভিজ্ঞতা আৰু জীৱন জিজ্ঞাসাৰ ফলশ্ৰুতি। অভিজ্ঞতাই বাস্তৱক সহজে মানি লবলৈ বাধ্য কৰিছে।

কেৱল সমাজ চেতনাই বাস্তৱবাদৰ সম্পূৰ্ণ অৰ্থ বহন নকৰে। পৰৱৰ্ত্তী দিক-দৰ্শনৰ সম্ভেদো ইয়াত থাকিব লাগিব। মুক্ত চিন্তা আৰু নতুন চিন্তাৰ সংযোজনে সাহিত্যক অধিক গঠনমূলক

কৰি তোলে। সামাজিক পৰিস্থিতিৰ শেহতীয়া ইঙ্গিত সাহিত্যত থকা প্ৰয়োজন। সামাজিক দায়বদ্ধ লেখক সকলে এই সম্পৰ্কত নিজৰ জীৱন দৰ্শন (অৰ্থাৎ নিজে কি ভাবে) প্ৰকাশ কৰিবলৈ বাধ্য। জন্ম-মৃত্যু, প্ৰেম সংসাৰ আদিৰ প্ৰত্যেক ব্যক্তিৰে নিজা দৃষ্টিভঙ্গী থাকে। সেইদৰে সামাজিক অন্যায়, অবিচাৰ, দুৰ্নীতি, অৰ্থনৈতিক বৈষম্য আদিয়ে লিখক সকলক নিজৰ দৃষ্টি ভঙ্গী আৰু দৰ্শনৰ কথা সোঁৱৰাই দিয়ে।

অসমীয়া সাহিত্যত এনে দৃষ্টি ভঙ্গী বা দৰ্শনে মুক্তভাবে প্ৰকাশ পোৱা নাই। বোধহয় লেখক সকলৰ জীৱন দৰ্শন অনিৰ্দিষ্ট আৰু দুৰ্ব্বল। "পিতাপুত্ৰৰ" লেখক হোমেন বৰগোহাঁয়ে নিজেই এঠাইত স্বীকাৰ কৰিছে "পিতাপুত্ৰৰ শেষাৰ্দ্ধ প্ৰথমাৰ্ধৰ দৰে সজীৱ আৰু আকৰ্ষণীয় নোহোৱাৰ কাৰণ মোৰ ৰাজনৈতিক চিন্তাৰ অস্বচ্ছতা বা খেলিমেলি নহয়। অৱশ্যে মোৰ ৰাজনৈতিক চিন্তাৰ অস্বচ্ছতা যে আছে সেই কথা মই অস্বীকাৰ নকৰো। এই ক্ষেত্ৰত মই গোটেই জীৱন ধৰি হেমলেটিয় আত্মদ্বন্দত ভুগিছো।" অৱশ্যে এই মন্তব্য বহুতৰ ক্ষেত্ৰত প্ৰযোজ্য।

সাম্প্ৰতিক অসমীয়া সাহিত্যত বাস্তৱবাদৰ প্ৰাবল্যই বেছি। নতুন-পুৰণি প্ৰায়বোৰ লেখক এই ধাৰণাৰ প্ৰতি আগ্ৰহী। তেওঁলোকৰ সাহিত্য সৃষ্টিক সফল অসফলৰ মাজতেই বিবেচনা কৰি চাব পাৰি। বহুতো সাহিত্যিকৰ মূল্যৱান সৃষ্টি আমাৰ পঢ়াৰ সৌভাগ্য ঘটিছে। আটাই বোৰৰ আলোচনা সম্ভৱ নহলেও কিছুমান আলোচনা কৰিব পাৰি। চুটি গল্প আৰু উপন্যাসৰ প্ৰাচুৰ্য্য অসমীয়া সাহিত্যত যথেষ্ঠ বেছি। অসমীয়া চুটিগল্পৰ পিতৃস্বৰূপ সাহিত্যৰথী বেজবৰুৱাৰ সাহিত্যৰ অন্যতম মূল প্ৰেৰণা আছিল মনুষ্যত্বৰ এক নতুন উপলব্ধি। তেখেতে "মুক্তি" গল্পত মনুষ্যত্বৰ অমৰ্য্যদা প্ৰকাশ কৰিছে। "বাপীৰাম" নামৰ গল্পতো একপ্ৰকাৰৰ সামাজিক সচেতনতা প্ৰকাশ পাইছে। বহুক্ষেত্ৰত বেজবৰুৱাৰ সচেতনতা আছিল মানৱতামুখী। পৰাধীন যুগৰ এই মানৱতা বাদ আছিল স্বকীয়া বস্তু। ই সহজ সৰল আৰু দ্বন্দহীন। বিৰিঞ্চি কুমাৰ বৰুৱাৰ "আঘোনীবাই" গল্পটোত তেখেতৰ বাস্তৱ চেতনাৰ সাক্ষী। সৌৰভ চলিহাৰ "অশান্ত ইলেকট্ৰন" আৰু "গোলাম" নামৰ কিতাপত সান্নিবিষ্ট গল্পবোৰতো আধুনিক মধ্যবিত্ত জীৱনৰ অনিশ্চয়তা আৰু বিক্ষিপ্ত গতি বিৰাজমান। ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পবোৰ দিকদৰ্শী সমাজ সচেতনতাৰে সমৃদ্ধ নহয়। তেখেতৰ শেহতীয়া গল্পবোৰত জীৱনৰ মোহভংগতাই অবাধ ৰাজত্ব চলাইছে। তেখেতৰ "বানপ্ৰস্থ" "গ্ৰহণ" সেন্দুৰ আদি গল্পক সাৰ্থক সৃষ্টি বুলি কব পাৰি। মহিম বৰাৰ "কাঠনী বাৰী ঘাট" অসমীয়া সাহিত্যৰ অন্যতম চুটিগল্প। জৈবিক প্ৰক্ৰিয়াৰে তেখেতৰ উক্ত গল্পটি ছায়া-ছন্নময়। একেজন লিখকৰ "টোপ" নামৰ গল্পটোত মানুহৰ মৃত্যু জিজ্ঞাসা প্ৰকাশ পাইছে। কথাৰ যাদুকৰ চৈয়দ আব্দুল মালিকৰ গল্পবোৰত সামাজিক বাস্তৱতাই ঠাই পাইছে। তেখেতৰ "বেয়াটকা" "আজোখা" আদি গল্পবোৰত সৰ্ব্ব-সাধাৰণ ৰাইজৰ দুখ যন্ত্ৰনাৰে মিহলি। মালিকৰ অন্যতম উপন্যাস "সুৰুয মুখীৰ স্বপ্ন"ও দ্বন্দহীন গাৱঁলীয়া সাধাৰণ জীৱনৰ বাস্তৱতা প্ৰকাশ মান। "অঘৰী আত্মাৰ কাহিনীত" মধ্যবিত্ত মনত দেখা

দিয়া অন্তৰ্দ্বন্দ্বৰ কথা পোৱা যায়। সমাজৰ সুবিধাবাদী চৰিত্ৰৰ মানসিকতাৰ পৰিচয়ো আমি পাওঁ। পিছে তেখেতৰ অৰুণাভৰ অসম্পূৰ্ণ জীৱনী এখন মেল'ড্ৰামাহে। এই কিতাপখন নিলিখা হলেও অসমীয়া সাহিত্যৰ একো ক্ষতি নহ'লহেঁতেন। আন এগৰাকী শক্তিশালী লেখক পদ্ম বৰকটকীৰ লিখনিত সমাজৰ প্ৰতি তেখেতৰ নিজা দৃষ্টিভঙ্গীৰ পৰিচয় পোৱা যায়। সমাজৰ পঙ্কিল চেহেৰা ফুটাই তোলাত বৰকটকীক প্ৰায়েই কৃতকাৰ্য্য হোৱা দেখা যায়। তেখেতৰ "বিচাৰৰ বাবে" "ৰঙা ৰঙা ৰং" আৰু শেহতীয়া "নতুন দিনৰ কইনা" নামৰ কিতাপ খনৰ নাম এই প্ৰসঙ্গত লব পাৰি। বীণা বৰুৱাৰ "জীৱনৰ বাটত" নামৰ উপন্যাস খনত কাব্যিকতা থাকিলেও তাত সমাজ সচেতনৰে অভাব ঘটা নাই। তেখেতৰ আন এখন উপন্যাস "সেউজীপাতৰ কাহিনী"। নতুন অৰ্থনৈতিক অৱস্থাৰ কবলত পৰি ককবকাই থকা এখন সহিষ্ণু সমাজৰ চৰিত্ৰ সমূহৰ মানসিক চিন্তাৰ প্ৰতিফলন উপন্যাস খনিত পোৱা যায়। কথা-সাহিত্যিক লক্ষ্মীনন্দন বৰাৰ গল্পবোৰতো সমাজ সচেতনতাই ঠাই পাইছে। উদাহৰণ স্বৰূপে তেখেতৰ "এজুৰৰ বাৰিষা" নামৰ গল্পটোলৈ আঙুলিয়াই দিব পাৰি।

হোমেন বৰগোহাঞি দেৱৰ "পিতাপুত্ৰ" নামৰ উপন্যাস খনত ৰুছিয়াৰ প্ৰসিদ্ধ উপন্যাসিক ইভান টুৰ্গেভিৰ "পিতা আৰু পুত্ৰ" (Fathers and Sons)ৰ দূৰৱৰ্তী প্ৰভাব পৰোক্ষভাবে কিছু দৃষ্টিগোচৰ হয়। টুৰ্গেনিভৰ উপন্যাসখনৰ বৈশিষ্ট্য আছিল দুটা যুগৰ চৰিত্ৰৰ মানসিক ব্যৱধান—একেবাৰে কবলৈ গ'লে Generation gap। বৰগোহাঞি দেৱৰ উপন্যাস খনতো দুটা পুৰুষৰ ব্যৱধান চিত্ৰিত হৈছে। লেখকৰ ব্যক্তিগত অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি উপন্যাস খন ৰচনা কৰা হৈছে। বৰগোহাঞি দেৱৰ গদ্যৰীতি বৰ শক্তিশালী কিন্তু উপন্যাসখনৰ শেষৰ চোৱা অপৰিকল্পিত আৰু পালমৰা বিধৰ। নতুন চাম লিখকৰ ভিতৰত অৰুণ গোস্বামী, পোলেন বৰকটকী আদিৰ চিন্তা চৰ্চাত শ্ৰেণী সংগ্ৰামৰ মতাদৰ্শৰ প্ৰতি আকৰ্ষণ প্ৰকাশ পাইছে। তদুপৰি আধুনিক মধ্যবিত্তৰ সংকীৰ্ণতা অতিক্ৰম কৰিবলৈ এওঁলোকে আন্তৰিকতাৰে চেষ্টা কৰা দেখা যায়। তেওঁলোকৰ ৰচনাৱলী সংগ্ৰামীমুখী আৰু পৰিবৰ্তন কামী বিপ্লৱী চেতনাৰে সমৃদ্ধ। ষাঠিৰ দশকত আত্ম-প্ৰকাশ কৰা এই সকল লেখকে সামাজিক দায়িবদ্ধতাক স্বীকাৰ কৰি সাহিত্য সৃষ্টি কৰিছে। বিপ্লৱী ৰাজনৈতিক চেতনা সত্তৰ দৰ্শকৰ দুজনমান লেখকৰ ৰচনাতো দেখিবলৈ পোৱা যায়। তৰুণ বামপন্থী লেখক সকলেও অনুৰূপ ভাবাদৰ্শ ব্যক্ত কৰিছে। অৱশ্যে তেওঁলোকৰ গোড়ামী আৰু মতান্ধতাই মাজে সময়ে আমাৰ আশাত চেচাঁ পানী ঢালে।

সাম্প্ৰতিক অসমীয়া গল্পকাৰ আৰু উপন্যাসিক সকলে অৱশ্যে কেৱল প্ৰত্যক্ষ অভিজ্ঞতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে বুলি ক'লে ভুল হ'ব। জীৱন ৰহস্যতো কিছুদূৰ তেওঁলোকে সত্যন্বেষণ চলাইছে। এই উপলব্ধিয়ে জীৱনৰ প্ৰকৃত অৰ্থ আৱিস্কাৰৰ বাট মুকলি কৰে। বৰ্ত্তমান সভ্যতাই আমাক কেতিয়াবা বিপথগামী কৰি জীৱনৰ অন্ধগলিত অৱস্থান কৰোৱায়। তাৰ পৰা পৰিত্ৰান পাবৰ উদেশ্যই বোধহয় বৰ্ত্তমান লেখক সকলৰ এয়া অন্তহীন প্ৰচেষ্টা। মানুহ সৰ্ব্বশ্ৰেষ্ঠ জীৱ।

মানৱ বিবেক সততে সৎ-অসৎৰ অবগত। কেৱল সেয়াই নহয়, সাহিতাও এনেকুৱাই। ই পৰবর্তী সমাজখনৰ কথা ব্যক্ত কৰিব পাৰে। আনকথাত সমাজৰ গতিবিধি নির্ণয় কৰিব পাৰে। বাস্তৱবাদী অসমীয়া সাহিত্য নিশ্চয় এনেকুৱা অপ্রচেতনাৰ আজ্ঞাবাহক। স্বাধীনতাৰ পাছত আমাৰ সমাজ প্ৰগতিত সংশয় আহিছে। সামাজিক দৃষ্টিভঙ্গীৰ ফালৰ পৰা পার্থিব আপার্থিব কোনো দিশতে সন্তোষজনক অগ্ৰগতি হৈছে বুলি কব নোৱাৰি। এখন সুবিধাবাদী সমাজৰহে সৃষ্টি হ'ল। তদুপৰি আমাৰ সকলো কাম অন্তিম বিশ্লেষণ হৈ পৰিল স্বাৰ্থজড়িত। সংস্কৃতি বহুদিশত দুৰ্ব্বল হৈ আছে। পূৰণি সংস্কৃতিৰ বহু উপাদান ধুই পখালি নিকা কৰিব পৰা হোৱা নাই। তেনেস্থলত সাহিত্যিক সকলৰ দায়িত্ব বহুত বেছি হোৱা প্ৰয়োজন। তেওঁলোকে সাৱধানতাৰে এই দায়িত্ব বহন কৰাটো সাহিত্য আৰু সমাজ উভয়ৰ বাবে মঙ্গলজনক।

এতিয়া কবিতাৰ কথাকে ধৰা যাওঁক। পৌৰাণিক সাহিত্যৰ ওপৰত আমাৰ জ্ঞান-সীমিত। বৰ্ত্তমান যুগৰ যান্ত্ৰিকতা আৰু বস্তুৰতাই আমাক পূৰণি সাহিত্যৰ ওপৰত আলোকপাত কৰিবলৈ সময়কে দিয়া নাই। ইয়াৰ বাবে আমি অতিশয় লজ্জিত। অতীতৰ পিনে খুব বেছি ৰোমান্টিক যুগলৈকে আমি ভুমুকিয়াই চাবলৈ সক্ষম হৈছো। আমাৰ ৰোমান্টিক সাহিত্য পাশ্চাত্যৰ পদানুসৰণ-কাৰী। প্ৰেমৰ কল্পনাৰে ভাৰাক্ৰান্ত। মুলতঃ প্ৰেয়সীৰ চিন্তাই এই যুগৰ সাহিত্যৰ সৃষ্টি কৰিছে। লগত প্ৰকৃতিয়েও কিছু অৰিহণা যোগাইছে। ইংৰাজ কবি ৱৰ্দচৱাৰ্থ ( wordsworth ) স্কটলেণ্ডৰ মনোৰম পৰ্ব্বতৰাশিৰ সৌন্দর্যত অভিভূত হৈছিল। প্ৰেয়সীৰ লগত একেলগে বহি চিনেমা চোৱাটো যিদৰে এক আমোদজনক অভিজ্ঞতা সেইদৰে কবি ( Wordsworth ) য়েও প্ৰেয়সীক নিচেই কাষত ৰাখি সৌন্দৰ্য্য উপভোগ কৰিবলৈ ভাল পাইছিল। কিন্তু তেখেতে প্ৰেয়সীক বিচাৰি পেলাইছিল। সহায় লৈছিল ভনীয়েকৰ(Dorothy)। অসহনীয় বিৰহত ভুগি কৰি জন কীটছে মাত্ৰ ২৫ বছৰ বয়সতে চকু মুদিলে। ইয়াৰ ফলত বিপুল প্ৰতিভাৰ অপমৃত্যু ঘটিল। প্ৰেমত পৰি হাবু-ডুবু খোৱা কবি শ্বেলীয়ে ( Shelly ) লিখিয়েই পেলালে।

**Most miserable man are eroded into poetry by wrong.**
**They learn is suffering what they teach in song.**

আমাৰ অসমীয়া সাহিত্যতো অনুৰূপ ঘটনা নঘটাকৈ নাথাকিল। আদৰৰ কবি যতীন্দ্ৰ নাথ দুৱৰা দেৱৰ যৌৱন কালত তেখেতৰ প্ৰেমৰ অৰ্ঘ্য অৱহেলিত হৈছিল। তাতেই তেওঁৰ দুখ। এই ব্যৰ্থতাৰ পৰা নিজকে উদ্ধাৰ কৰিব নোৱাৰিলে। সেয়েহে শেষ জীৱনতো তেওঁ পাহৰণি নৈৰ কাষত পঁজা সাজি আঙুলি মূৰত নিজৰ অন্তহীন দুখৰ হিচাব কৰিবলগীয়া হ'ল। কবি গনেশ গগৈ দেৱৰ কপালতো একে ভাগ্যকে লিখা আছিল। কবিয়ে লিখিছে—

"ভুল প্ৰিয়া অতি ভুল বিৰহ বেদনা ভুগি।
নাকাটে অকনো কাল চকুলো ওলায়।
কলিজাৰ একোনত জ্বলিছে চিতাৰ জুই।
থাকিম নিতউ তাকে অকলে ফুৰাই।

ৰোমান্টিক কবিয়ে কেৱল প্ৰিয়তমাৰ নিপোতল বুকু, লাটুমণি, ওঠ আৰু ডালিম গুটীয়া দাঁতৰ কথাকে ভৱা নাছিল। ইয়াৰ লগে লগে প্ৰেমৰ

ৰহস্যময় দিশটোৰ প্ৰতি আলোক পাত কৰিছিল। হ'লেও বিবাহৰ কবলত পৰি বহুতো বিপুল প্ৰতিভাৰ প্ৰজ্জ্বলিত বন্তি নুমাই গ'ল। ৰোমান্তিক সাহিত্য এইদৰে চৰম ব্যক্তিবাদৰ ওপৰত প্ৰতিস্থিত সমাজখনৰ কথা তেওঁলোকে চিন্তা কৰা নাই। বানপানী, ভুমিকম্প আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগে সমাজ নাশিলেও তেওঁলোক যেন প্ৰেয়সীৰ চিন্তাতে বিভোৰ হৈ ৰব।

ৰোমান্টিক কবিসকল আছিল মানৱতাবাদ বিশ্বাসী কিন্তু তেওঁলোকৰ মনৱতাবাদ ইটালীৰ বেনেডেট্টো ক্ৰচেৰ দৰে সংগ্ৰামী নাছিল। অসমীয়া সাহিত্যত মানৱতাবাদৰ পৰিসৰ আছিল সংকীৰ্ণ। তেওঁলোকৰ ভয় আছিল জানোচা বাস্তৱৰ ৰূঢ় আঘাটত সুন্দৰৰ আশা হেৰাই যায়। পাঠকৰ হৃদয় তন্ময় কৰি তোলা আনকি দেৱ বৰুৱাৰ দৰে কবিয়েও ইতিহাসক মিছা বুলি ভাবিলে। জন-সাধাৰণৰ সুখ দুখৰ লগত নিজৰ সুখ দুখ একাকাৰ কৰি তুলিবলৈ এওঁলোক অপৰাগ।

ৰোমান্টিক যুগৰ অৱতাৰণা চমুকৈ কৰিব লগীয়া হ'ল। এই কাৰণেই যে ইয়াৰ পটভুমিতে বাস্তৱবাদী কবিতাৰ জন্মৰ আঁত বিচাৰি উলিয়াব লাগিব। এই শতিকাৰ তৃতীয় আৰু চতুৰ্থদশকত অসমীয়া ৰোমান্টিক সাহিত্যই শীৰ্ষস্থান লাভ কৰিছিল। এনে সময়তে প্ৰগতিশীল বাস্তৱবাদী কবিতাৰ জন্ম হৈছিল। কিছু পলমকৈ উদ্ভৱ হলেও কিছুদিন চালুকীয়া অৱস্থাত থাকি ই সমান্তৰাল গতি লাভ কৰে। অগ্ৰগামী কবি সকল আছিল ভবানন্দ দত্ত, অমূল্য বৰুৱা, চক্ৰেশ্বৰ ভট্টাচাৰ্য্য, ধীৰেণ দত্ত আদি। ৰোমান্টিক কবি সকলৰ ভাববাদী মূল্যবোধৰ বিপৰীতে এওঁলোক সাহিত্যিক বাস্তৱ জীৱনৰ মাজলৈ আনিবলৈ চেষ্টা কৰে। সমসাময়িক বিশ্বৰ বুৰঞ্জীত ঘটা বিভিন্ন ঘটনা প্ৰবাহে এওঁলোকৰ চিন্তা আলোড়িত কৰিছিল। কবি সমালোচক ভবানন্দ দত্তৰ বঙালী কাব্য আন্দোলন সমন্ধে সম্যক ধাৰণা আছিল। অসমীয়া সাহিত্যতো তেওঁ এই ধাৰণা বোৱাই দিয়ে। তেখেতে "জয়ন্তী" নামৰ আলোচনীৰ যোগেদি কবি অমূল্য বৰুৱাক গঢ় দিয়ে। "বেশ্যা", "কয়লা", "কুকুৰ" আদিৰ দৰে সাৰ্থক কবিতাৰ জন্ম হয়। এজনী যুৱতীয়ে কিয় বেশ্যাবৃত্তি অবলম্বন কৰিব লগীয়া হ'ল কবি অমূল্য বৰুৱাই তেখেতৰ বেশ্যা নামৰ কবিতাত তাৰ কাৰণ বিশ্লেষণ কৰিছে। ইয়াৰ জৰিয়তে প্ৰচলিত সমাজ ব্যৱস্থাক পঙ্কিলতাময় কৰি তোলা শক্তি সমূহক তেওঁ সাহসেৰে উদঙাই দিছে। অন্যহাতে বেশ্যা-জনীৰ প্ৰতি কবিৰ শ্ৰদ্ধাও প্ৰকাশ পাইছে। সক্ৰিয় বিপ্লবী ৰাজনীতিবিদ হিচাবে পৰিচিত কবি ধীৰেণ দত্তয়ো কেইটামান ভাল কবিতা লিছিল। তেখেতৰ "কাঠমিস্ত্ৰীৰ ঘৰ" নামৰ কবিতা-টিক নৰকান্ত বৰুৱা দেৱে অন্যতম শ্ৰেষ্ঠ কবিতা বুলি অভিহিত কৰিছে। শ্ৰেণী সংগ্ৰামৰ প্ৰতি এইজনা বিপ্লবীৰ আকৰ্ষণ আছিল তীব্ৰ। হেম বৰুৱাৰ কবিতাবোৰতো ৰোমান্টিকতাৰ প্ৰভাব বৰ্ত্তমান। তেখেতৰ "মমতাৰ চিঠি"ৰ দৰে কবিতা কলেজীয়া ডেকা গাভৰুৰ মাজত জনপ্ৰিয় আছিল। একে সময়তে জয়ন্তী যুগৰ উক্ত কাব্যগোষ্ঠীৰ প্ৰভাব তেওঁৰ কবিতাত কবিতাত পৰিছিল। তেখেতৰ কবিতাৰ প্ৰেয়সী কেৱল আলফুলীয়া কুমাৰীয়েই নাছিল। ৰদে-বৰষুণে তেখেতৰ প্ৰেয়সী আছিল সংগ্ৰামী নায়িকা। সেয়ে প্ৰেয়সীৰ লগতে

তেওঁ আৰু লাখ লাখ জনৰ কথা ভাবিব পাৰিছিল। শেষৰ পিনে ৰাজনৈতিক চিন্তা আৰু কাৰ্যকলাপে তেখেতৰ কবিতাত কিছু সীমাবদ্ধতাৰ সৃষ্টি কৰে বুলি ভাবিবৰ থল আছে। "মনময়ূৰী" খনৰ বহুকবিতাত নতুন বাস্তৱবোধৰ লগত ৰোমান্টিক চেন্টিমেণ্টৰ যুজ-বাগৰ চলিল। হেমবৰুৱা দেৱে আগবয়সত লিখা "পৃথিৱী" "জাৰৰ দিনৰ সপোন" আদি কবিতা সাৰ্থক সৃষ্টি। বীৰেন্দ্ৰ কুমাৰ, ভট্টাচাৰ্য্য, হেমাংগ বিশ্বাস, অমলেণ্ডুগুহ, কেশৱ মহন্ত আদি কবি সকলেও বাস্তৱ জীৱনৰ ভিত্তিত কবিতা ৰচনা কৰিছিল। কেশৱ মহন্তৰ কবিতাত গাৱঁলীয়া জীৱনৰ চিত্ৰ অঙ্কিত হৈছে। ৰাম গগৈ জয়ন্তী যুগৰ উত্তৰ কালৰ কবি। তেখেতৰ কবিতাবোৰেই বাস্তৱবাদী কবিতাবোৰৰ ভিতৰত সৰ্ব্বোৎকৃষ্ট বুলি কব পাৰি। তৃথীয়া শ্ৰেণীৰ যন্ত্ৰণা, ক্ৰোধ আৰু উত্তৰণৰ চেতনা তেখেতৰ কবিতাত যি দৰে প্ৰকাশিত হৈছে সেইদৰে আজিলৈকে আন কাৰো কবিতাত হোৱা নাই। তেখেতৰ "পথাৰ" "আশা" "আকাশৰ প্ৰতি প্ৰাৰ্থনা" "ফাগুনৰ জুই" আদি সাৰ্থক সৃষ্টি আৰু সংগ্ৰামী চেতনাৰে ভৰা। মুঠতে অসমৰ তেওঁ এজন অসামান্য কবি। ইয়াৰ পাছত ষাঠিৰ দশকৰ শেষৰ ফালে কেইবাজনো কবিয়ে একেলগে আত্ম প্ৰকাশ কৰে। অসমীয়া সাহিত্যৰ কাৰণে ই সৌভাগ্যৰ কথা। এই প্ৰসঙ্গত কবি ৰবীন্দ্ৰ সৰকাৰৰ নাম লবই লাগিব। সৰকাৰৰ অনুভুতিত শ্ৰেণী চেতনাৰ প্ৰবল্য বিৰাজমান। তেখেতৰ "মানুহ", "নৰজন্ম" আদি লেখত লব লগীয়া কবিতা। জয়ন্তী যুগৰ অৱসানৰ পিছত ক্ৰমে ম্লান পৰি অহা অসমীয়া বাস্তৱবাদী কবিতাক পুনৰ সজীৱ কৰি তোলাৰ বাবে কবি ৰবীন্দ্ৰ সৰকাৰ ধন্যবাদৰ পাত্ৰ। কবি হীৰেণ ভট্টাচাৰ্য্যৰ কবিতাও কিছু গীতি ধৰ্মিতা দেখা পোৱা যায়। গভীৰ অনুভুতি প্ৰৱণ এই গৰাকী জনপ্ৰিয় কবিয়ে কেইবাটাও সাৰ্থক কবিতা ৰচনা কৰিছে।

উদাহৰণ স্বৰূপে তেখেতৰ "লখিমী" নামৰ কবিতাটোৰ একাংশ—

মেটমৰা ধানৰ ডাঙৰী
ডাঙৰীয়াৰ চোতালত থলো
এতিয়া মোক, ঘৰলৈ যাবলৈ দিয়া।
আইজনীৰ মাকৰ গাত লেঠা ;
এইবেলি ল'ৰা এটা হলে ভাল হয় বৰ
জানাইতো খেতিয়কৰ ল'ৰাৰ
হাত বৰ চিধা।

অৱশ্যে কবি ভট্টাচাৰ্য্যৰ ৰাজনৈতিক দৰ্শন স্পষ্ট নহয়। বুৰ্জ্জোৱা মানসিকতাৰ সীমা তেখেতে অতিক্ৰম কৰিব পাৰিলে আৰু অধিক সাৰ্থক কবিতাৰ সৃষ্টি হব। অৱনী চক্ৰৱৰ্তী আমাৰ পৰিচিত কবি। সহজ সৰল ভাষাত তেখেতে লিখা কবিতা সুখ পাঠ্য। নিপিড়িত জনগনৰ বিদ্ৰোহৰ কথা তেখেতৰ কবিতাত পোৱা যায়। ইয়াৰ বাহিৰেও ৰবীন্দ্ৰ বৰা, অনিল ৰায় চৌধুৰী, পুণ্ডৰীকাক্ষ ভৰালী, মদন শৰ্মা, যতীন্দ্ৰ কুমাৰ বৰ গোহাঞি, সদা শইকীয়া, হেমন্ত বৰ্মন, ৰোহিনী কুমাৰ পাঠক আদিয়ে দুই এটা সাৰ্থক কবিতা ৰচনা কৰিছে। নতুন চাম কবি সকলৰ হাতত পৰি আধুনিক অসমীয়া কবিতা আৰু সঠিক বাস্তৱ উপাদানেৰে সমৃদ্ধ হব বুলি আশা কৰিব পাৰি। এটা কথা স্বীকাৰ্য্য, বহুতো বাস্তৱবাদী কবিতা বৰ্ত্তমান কবিতাৰ শাৰীলৈ উঠিব পৰা নাই।

বিভিন্ন শব্দৰ সমষ্টিৰে এইবোৰ কবিতা দুৰ্বোধ্য অ-কবিতাত পৰিণত হৈছে। কবিতাত ব্যাকৰণ আৰু অভিধানৰ প্ৰতি অৱহেলা, অৰ্থহীন ঝংকাৰৰ প্ৰতি আকৰ্ষণ আৰু উচ্ছাস প্ৰৱণতা আদিয়ে প্ৰাধান্য পোৱাৰ ফলত ভাল কবিতাৰ জন্ম হব পৰা নাই। সৃষ্টি কল্পনাৰ পৰ্য্যয়ত থকা বহুতো ভাল কবিতাও শেষলৈ ঘূনে ধৰিছে। বহুকবিৰ ক্ষেত্ৰত মৌলিক অনুভূতি আৰু সম্যক উপলব্ধিৰ অভাব। এই প্ৰসঙ্গত কবি জীবনানন্দ দাসৰ ভাষাৰে কব পাৰি "সকলেই কবি নয় কেউ কেউ কবি।"

সেই বুলি বাস্তৱবাদে সাহিত্যৰ তৰপৰ আসন দখল কৰিব নোৱাৰে। এইটো অনুচিত। বাস্তৱতাৰ অতিশয্যাত সাহিত্যই বিশ্বজনীনতা হেৰুৱাই পেলোৱাটো দুৰ্ভাগ্যৰ কথা। দেখা যায় বাস্তৱ জীৱনতকৈ উচ্চতৰ বৈশিষ্ট্য মণ্ডিত সাহিত্যইহে বিশ্বজনীনতা আদায় কৰিব পাৰে। নিকটম আদৰ্শৰ প্ৰতি ইয়াৰ গতি দ্ৰুততৰ হয়। ৰবীন্দ্ৰ নাথ বা শৰৎ চন্দ্ৰৰ ৰচনাৱলীয়ে এই কথাকে প্ৰমাণ কৰে। জনগনৰ জীৱন আৰু সংগ্ৰামৰ জীৱন্ময় ৰূপ ৰীতিক তেওঁলোকে সাৱধানতাৰে পৰ্য্যবেক্ষন কৰিছিল। সাহিত্য শিল্পকৰ্মৰ ভিতৰুৱা বস্তু। বহুতৰ মতে সম্পূৰ্ণ বৌদ্ধিক আৰু যৌক্তিক দৃষ্টিকোনৰ ওপৰত নিৰ্ভৰ কৰি শ্ৰেষ্ঠ শিল্প কৰ্ম গঢ়ি উঠা অসম্ভৱ। সৃষ্টিশীল প্ৰক্ৰিয়াত অবাস্তৱতাৰ স্থান অপৰিহাৰ্য্য। দেশী বহুতো সাহিত্যত এই কথা অনুভূত হৈছে। বৰ্ত্তমান অসমীয়া সাহিত্যতো প্ৰকৃত শিল্পকৰ্মৰ দুৰ্গতি নোহোৱাকৈ থকা নাই। এজন সমালোচকৰ মতে "বৰ্ত্তমান নতুন চাম লেখকে সমাজতান্ত্ৰিক বিপ্লবী অথবা মাৰ্ক্সবাদী মতাদৰ্শ গ্ৰহণ কৰিবহে পাৰিলে কিন্তু শিল্প সাহিত্যৰ কোনো নতুন ৰূপ আৰু নতুন ভাষা সৃষ্টি কৰিব নোৱাৰিলে। এই ক্ষেত্ৰত আনকি প্ৰতিশ্ৰুতি মূলক সৃষ্টিও নাই।" বোধহয় স্থূল সমাজতাত্ত্বিক ভাব ভাষাৰে প্ৰকৃত শিল্পৰ সৃষ্টি কৰা ক্ষেত্ৰত কিছুদূৰ দুৰূতয়া বৰ্ত্তমান। খ্যাত্তিমান সমালোচক ডঃ হীৰেণ গোহাইৰদৰে দিক্‌দৰ্শকৰ প্ৰয়োজনীয়তা আমি এই খিনিতে অনুভৱ কৰো। সাহিত্য বিচাৰৰ শৈল্পিক মানদণ্ড তেওঁলোকে যেন গুৰুত্ব সহকাৰে বিবেচনা কৰে। এই অসুবিধা আতৰাবলৈ বহল আলোচনাৰ প্ৰয়োজন। দেখা যায় যে অনেক ক্ষেত্ৰত মাৰ্ক্সবাদী সাহিত্য সাধাৰণ দৃষ্টিত অপাঠ্য। আনহাতে লিও টলষ্টয়ৰ মহান সৃষ্টিৰাজিক মাৰ্ক্সবাদী সকলে মূল্য দিব নোখোজে। অনকি তেওঁলোকে টলষ্টয়ৰ চিন্তা-ধাৰাকো অপৰিহাৰ্য্য ঐতিহাসিক বিভ্ৰান্তি বুলিহে ক'ব খোজে। অমাৰ ভাৰতবৰ্ষৰ সাম্যবাদী সাহিত্যও বৰ জনপ্ৰিয় নহয়। (ব্যাকৰণত কেতিয়াবা আমৰ পুলি গজাদি বঙালী কবি বিষ্ণু দে'ৰ কবিতা অৱশ্যে এই ক্ষেত্ৰত ব্যতিক্ৰম)। ইয়াৰ গুৰিতে কি? চিন্তা কৰিবলগীয়া কথা। এই স্কন্ধই আমাক ভাবিবলৈ বাধ্য কৰায় যে যিমানেই বাস্তৱবাদী নহওঁক লাগে আৰ্ট (Art) বাস্তৱৰ অনুকৰণ নহয়। কিছু পৰিমানে ই অলৌকিক আৰু আদৰ্শমূলক। অৱশ্যে এনে মানসিকতাত বৰ্ত্তমান আমাৰ সমাজতত্ত্বৰ প্ৰভাবো স্বীকাৰ্য্য। যি ভাব অনুভূতিয়ে আমাৰ বিক্ষিপ্ত অভিজ্ঞতা বোধক সংযোজন কৰে সি মৌলিক পৰ্য্যায়ৰ নহয়। টি, এছ, ইলিয়টে (T. S. Eliot) এই কথা স্বীকাৰ কৰিছে। কেৱল লৌকিক জীৱনৰ ভাৱ

আৰু অনুভূতিয়ে যেতিয়া আমাৰ চিন্তাক আলোড়িত আৰু চঞ্চল কৰে তেতিয়া সৃষ্টি কৰ্ম বিকলাঙ্গ হয়। ৰুচিপূৰ্ণ আৰু ৰসাতীৰ্ণ সাহিত্যই এনে অনুভূতিক প্ৰশ্ৰয় দিয়া নাই। বৰং তাৰ পৰা আঁতৰি আহিছে। পাশ্চাত্য লেখক সকলৰ মতেও এনে অনুভূতি শুদ্ধ অনুভূতি ( pure feeling ) নহয়।

সাহিত্যই যেতিয়া বাস্তৱ চেতনাৰ জৰিয়তে সমাজ আৰু জীৱনৰ গভীৰতম প্ৰদেশলৈ প্ৰৱেশ কৰে তেতিয়া ই শৈল্পিক গুণেৰে সমৃদ্ধ হয়। উনবিংশ আৰু বিংশ শতাব্দীত ইউৰোপৰ চিন্তা আছিল সমাজৰ নিজস্ব গতিৰ স্পন্দন। সেয়েহে এই যুগৰ চিন্তাধাৰাত সজীৱতাৰ অভাৱ ঘটা নাই।

সমাজৰ অগ্ৰগতিৰ লগে লগে চিন্তা ধাৰাও গতিশীল হৈ পৰিছে। কিয়নো মানুহ জড় পদাৰ্থ নহয় যে সমাজৰ বিবৰ্তনক আতঁৰৰ পৰা লক্ষ্য কৰি হাত সাৰতি বহি থাকিব। সাহিত্য সমাজ পৰিবৰ্তনৰ মূল আহিলা।

আৰাম্ভনিতে উল্লেখ কৰাৰ দৰে সৃজনীশীল সাহিত্যৰ ধৰ্ম এখন বোৱতী নৈৰ লগতহে মিলে। নৈৰ পানী বৈ যায়। বৈ যোৱা পানী কাহানিও উলটি নাহে। সেইবুলি নৈৰ খনৰ সোঁত স্তব্ধ নহয়। ই নিৰবিচ্ছিন্ন গতিৰে প্ৰবাহিত হৈ থাকে। নৈৰ গতিপথত কেতিয়াবা কেকুঁৰি পৰে। তেতিয়া এপাৰত গৰা খহনীয়া হয় আৰু আন পাৰত চাপৰি পৰে। সাহিত্যতো নতুন চিন্তাৰ প্ৰকাশ ঘটিলে ই গতি সলায়। পুৰণি ধাৰণাৰো পুনৰ মূল্যায়ন কৰিব লগীয়া হয়। ইলিয়ট যুগৰ সাহিত্য বিচাৰত ডি, এইচ, লৰেঞ্চে মন্তব্য কৰিছে: It is the shifting over from the old psyche to a something new,— displacement. একেদৰে সাম্প্ৰতিক অসমীয়া সাহিত্যয়ো গতি সলনি কৰিছে।

* * * * * * *

এই প্ৰবন্ধ যুগুত কৰোতে ওপৰত উল্লেখ কৰা গ্ৰন্থৰ বাহিৰেও তলত দিয়া গ্ৰন্থপঞ্জী আৰু প্ৰবন্ধ-পাতিৰ সহায় লোৱা হৈছে।


১। সাহিত্য আৰু সাহিত্য—হেম বৰুৱা।
২। সাহিত্যৰ সত্য—ডঃ গোহাঁই হীৰেণ।
৩। Road to realism—Vasili Koroban.
৪। অসম সাহিত্য সভাৰ ভাষণাৱলী—( দ্বিতীয় ভাগ )—সম্পাদনা, অতুল চন্দ্ৰ হাজৰিকা
৫। অসমীয়া কবিতাৰ কাহিনী—ভবানন্দ দত্ত।
৬। সাহিত্য আৰু চেতনা—ডঃ গোহাঁই হীৰেণ।
৭। মঙ্গলদৈ সাহিত্য সভাৰ স্মৃতিগ্ৰন্থ।
আৰু আন কেবা খনো গ্ৰন্থ আৰু আলোচনীৰ সহায় লোৱা হৈছে।

( জন্ম-শতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি )

# ॥ ৰঘূনাথ চৌধাৰী ঃ এক নৱ মূল্যায়ণ ॥



চম্মছুৰ আলি

"অমল ধৱল ৰূপ লৱনু সদৃশ
দিলে কোন বিশ্বখনিকৰে
দেখুৱাই দিয়া বাট যাওঁগৈ বিচাৰি
হাবি-বন, দেশ-দেশান্তৰে।"

কেৱল প্ৰকৃতি বৰ্ণনাৰ বাবে কবিতাৰ সৃষ্টি, অসমীয়া সাহিত্যৰ বাবে এক অৰ্ব্বাচীন কথা। অসমীয়া কাব্যৰ দীঘলীয়া সুঁতিটোত প্ৰকৃতিক লৈ কবিতা লিখা কবিৰ সংখ্যা বৰ কম নহয়। কিন্তু প্ৰকৃতিৰ এই বৰ্ণনা প্ৰাসঙ্গিকহে মূখ্য নহয়। মাধৱ কন্দলীৰ পৰা আৰম্ভ কৰি আহোম যুগৰ শ্ৰেষ্ঠ কবি কবিৰাজ চক্ৰৱৰ্তী আদিৰ কাব্যত প্ৰাকৃতিৰ বৰ্ণনা প্ৰাসঙ্গিক, কিন্তু এই ক্ৰমৰ ব্যতিক্ৰম হিচাপে আমাৰ সম্মুখত ঠিয় হয়হি ৰঘুনাথ চৌধাৰী।

ৰঘূনাথ চৌধাৰী প্ৰথম অসমীয়া কবি, যিয়ে প্ৰকৃতি-বৰ্ণনা প্ৰসঙ্গতঃ নকৰি প্ৰধানভাৱে কৰিছিল। অৰ্থাৎ কবি চৌধাৰী প্ৰকৃতি বিষয়ক কবিতাৰ নতুন দিশ নিৰ্ণায়ক—

"সৌন্দৰ্য্যৰ মহামেলা বিশ্ব মন্দিৰত
জ্বলে গোন্ধ-পুষ্প, দীপ-ধূপ,
যেনি চাওঁ তেনি যেন মহা মহিমৰ
বিশ্বভোলা, প্ৰেমানন্দ ৰূপ।"

ইংৰাজ কবি ওৱাৰ্ডচৱাৰ্থৰ প্ৰকৃতি বিষয়ক কবিতাৰ সদৃশ্য এইখিনিতেই পৰিদৃশ্যমান হয়। কিন্তু ইয়াৰ অৰ্থ এইটো নহয়যে কবি চৌধাৰী ওৱাৰ্ডচ্ৱাৰ্থৰ দ্বাৰা প্ৰভাৱান্বিত। চৌধাৰীৰ কবিতাৰ পংক্তিয়ে পংক্তিয়ে সোমাই আছে তেওঁৰ মৌলিকতাৰ সৃষ্টি অসমীয়া প্ৰকৃতি কবিতাত এক বাটৰ আৰম্ভনি।

"সুগন্ধী ৰহন সনা সৌন্দৰ্য্য প্ৰতিমা
প্ৰকৃতিৰ নন্দন বনত,
মৰতত শোভা ৰাশি একেলগে যেন
সৰজিলে বিধি নিজানত।"

ড° বাণীকান্ত কাকতিৰ পৰামৰ্শ মতে প্ৰথিতযশা

সাহিত্যিক হলিৰাম ডেকাই ৰঘুনাথ চৌধাৰীক সৰ্ব্বপ্ৰথম আখ্যা দিছিল "বিহগী-কবি" হিচাপে। কিন্তু মোৰ সনম্ৰ নিবেদন এই যে "বিহগী কবি" বুলিলে কবি চৌধাৰীক এক ঠেক পৰিসৰলৈ টানি নিয়া হয়, অৰ্থ যাৰ "চৰাই বিষয়ক" কবি। কিন্তু চৌধাৰী কাব্যৰ অধ্যয়নে পৰিস্ফুট কৰে যে কেৱল চৰাইয়েই নহয়, প্ৰকৃতিৰ বিভিন্ন উপাদানক লৈও তেওঁ কাব্য সৃষ্টি কৰিছে। গতিকে তেওঁক "বিহগী কবি নুবুলি "প্ৰকৃতি কবি" বোলাহে অধিক উপযুক্ত।

"প্ৰকৃতিৰ মানৱীকৰণ" কবি চৌধাৰী কাব্যৰ আন এটা দিশ। বাল্মিকীৰ "মহাকাব্য ৰামায়ণ"ত প্ৰকৃতিৰ এই মানৱীকৰণ দেখা যায়। দ্বাদশ শতিকাৰ ৰুচ কাব্য "ইগোচৰ-গীত"তো প্ৰকৃতিৰ এই মানৱীকৰণ পৰিদৃশ্যমান হয়। দুয়োখন মহাকাব্যতে মানুহৰ সুখ-দুখৰ অনুৰূপে প্ৰকৃতিও সুখী বা দুখী হয়। কবি চৌধাৰীৰ প্ৰকৃতিৰ মানৱীকৰণ, বাল্মীকিৰ প্ৰকৃতি বৰ্ণনাৰে এক সুদূৰ প্ৰসাৰী ফলশ্ৰুতি।

"মানৱীকৰণ"ৰ কথা ওলালেই মনত পৰে কবি চৌধাৰীৰ "মানৱ-দৰদ"ৰ কথা। কবিৰ নিজৰ ভাষাত "মোৰ মনত মানৱতাতকৈ ডাঙৰ ঈশ্বৰ নাই। মোৰ কাষলৈ যিয়ে আহিছে, মোক প্ৰতিপাল, সেৱা-শুশ্ৰূষা কৰিছে, মোৰ পক্ষে তেওঁলোকেই ঈশ্বৰ।" প্ৰকৃতি বৰ্ণনাৰ মাজতো মানুহৰ প্ৰতি তেওঁৰ দৰদ বাংময় হৈ উঠিছে। তেওঁৰ মতে মানুহৰ মাজত কোনো শ্ৰেণী নাই। "সবাৰ উপাৰে মানুষ সত্য, তাহাৰ ওপৰে নেই (চণ্ডিদাস)"—এই ধ্বনি তেওঁৰ কাব্যত অনুৰণীত হৈ আছে।

আনহাতে "হিন্দু দৰ্শন"ৰ পৰা "ইছলাম দৰ্শন"লৈ তেওঁ গতি কৰিছে। "হিন্দু-মুছলিম"ৰ সম্প্ৰীতিৰ সাঁকো সাজিব খুজিছিল কবি চৌধাৰীয়ে। সেই কাৰণে "কাৰবালা"ৰ কৰুণ কাহিনীৰ ওপৰতো তেওঁৰ কাব্যৰ সোঁত প্ৰবাহিত হৈছে। অসমত এনে সম্প্ৰীতিৰ সাঁকো সাজিব খোজা কবিৰ সংখ্যা খুব বেছি নহয়। কবি চৌধাৰী এই সকল কবিৰ ভিতৰত অগ্ৰগণী।

গতিকে কবি চৌধাৰী অকল "প্ৰকৃতি কবি"য়েই নহয়—"মানৱ দৰদী" কবিও। "নৱ-মল্লিকা"ত কেৱল প্ৰকৃতি বৰ্ণনা সুস্পষ্ট যদিও ইয়াত মানৱ দৰদ দুষ্প্ৰাপ্য নহয়। "জড়-জগততো মানুহৰ কৃতকৰ্ম্মৰ প্ৰতিক্ৰিয়া হয়"—ইয়াৰ প্ৰমাণ "নৱ-মল্লিকা" (আগকথা ঃ স্মৃতিগ্ৰন্থ)।

আমেৰিকাৰ পৰা প্ৰকাশিত এক বিশ্বকাব্য সংকলনত ঠাই পোৱা তেওঁৰ "বহাগীৰ বিয়া" কবিতাটি প্ৰকৃতি কবিতা যদিও, প্ৰকৃতিৰ বৰ্ণনাৰ মাজতে মূৰ্ত্ত হৈ উঠিছে—"মানুহৰ কথা"। প্ৰকৃতিক অৱলম্বন হিচাপে লৈ "মানুহৰ কথা" কোৱা এই লেখিয়া কবিতা অসমীয়া-কাব্য-সাহিত্যত নিচেই কম। এক কথাত কবি চৌধাৰীয়ে এই লেখিয়া কবিতাৰ সৃষ্টিত এক দুৱাৰ উন্মোচন কৰি ৰাখিছে।

"মানৱ-দৰদ" ব্যক্তি কেন্দ্ৰিকতাৰ পৰাও উদ্ভুত হয়। অম্বিকাগিৰি ৰায় চৌধুৰীৰ "তুমি" কাব্য, ডাণ্টেৰ "দিভাইন কমেডী"—ইয়াৰেই চানেকী। ৰঘুনাথ চৌধাৰীয়ে "ব্যক্তি-প্ৰেমক" ৰায়চৌধুৰী বা ডাণ্টেৰ সমান পৰ্য্যায়লৈ উন্নীত কৰিব পৰা নাই সঁচা, কিন্তু তেওঁৰ দুই এক কবিতাত "ব্যক্তি-প্ৰেম"ৰো ছবি আছে। 'মৰমৰ পখী"

কবিতাটোক বহুতে তেওঁৰ ব্যক্তি-প্ৰেমৰ চিন স্বৰূপে চিহ্নিত কৰিব খোজে। কিন্তু কবি চোধাৰীয়ে এই প্ৰেমৰ ওপৰত আধ্যাত্মিকতা আৰোপ নকৰি তাক প্ৰকৃতি ৰাজ্যলৈ টানি নিছে—

"জীৱন নাটৰ কঠিন বান্ধনি
অলক্ষিতে সোলোকাই,
নজনা নুশুনা দিক্‌চো বনলৈ
গ'ল পখী পুনুৰায়।"

আনহাতে যতীন্দ্ৰ নাথ দুৱৰা বা গনেশ গগৈৰ দৰে ব্যৰ্থ-প্ৰেমৰ আশাত কবি চৌধাৰী ভাঙিও পৰা নাই। প্ৰকৃতি-প্ৰেমৰ মাজতেই কবিয়ে নিজকে আৱদ্ধ ৰাখিছে।

চৌধাৰী-কাব্যৰ বৈশিষ্ট্য এইখিনিতে পৰিলক্ষিত হয়। ডাণ্টে, ৰায়চৌধুৰী আদি কবি সকলে ব্যক্তি-প্ৰেমক উন্নীত কৰিছে আধ্যাত্মিক-প্ৰেমলৈ কিন্তু কবি চৌধাৰীয়ে ব্যক্ত-প্ৰেমক লৈ গৈছে প্ৰকৃতিৰ মাজলৈ। ব্যক্তি-প্ৰেমক প্ৰকৃতি-প্ৰেমৰ মাজলৈ লৈ যোৱা অভিলেখ অসমীয়া কাব্যতো নাইয়েই বিশ্বকাব্যতো ই সহজ লব্ধ নহয়।

"আধ্যাত্মিকতা" কবি চৌধাৰীৰ কবিতাৰ অন্য এক দিশ। এই আধ্যাত্মিকতা মূলত হিন্দু-দৰ্শনৰ ওপৰত প্ৰতিস্থিত যদিওঁ আগতে কৈ অহাৰ দৰে ইছলাম দৰ্শনেও তাত ভূমুকি নমৰাকৈ থকা নাই। এই আধ্যাত্মিকতা কবিয়ে পুথিগত অধ্যয়নৰ দ্বাৰা আয়ত্ব কৰা নাই, জীৱনৰ ঘাত-প্ৰতিঘাত আৰু কঠোৰ সংগ্ৰামে তেওঁৰ মনৰ পথাৰত এই আধ্যাত্মিকতাৰ অঙ্কুৰ অঙ্কুৰিত কৰিছে—

"জীৱনৰ মায়াফেৰী নোৱাৰো থাকিব এৰি
বিচাৰিলো সংসাৰত আছে কোন মিত্ৰ !
নাপালো মায়াৰ সন্ধি কতোজনে মুখা পিন্ধি
দেখুৱালে অভাগাক বিভীষিকাৰ চিত্ৰ !!"

পিছত গৈ এই অঙ্কুৰেই পল্লৱিত হৈছে। "ফুলশয্যা" শীৰ্ষক কবিতাটিত এই ঘাত-প্ৰতিঘাত আৰু কঠোৰ সংগ্ৰামৰ দ্বাৰা উদ্ভূত আধ্যাত্মিকতাৰ কথাই বৰ্ণিত হৈছে।

"কোন কাহানিয়েই তুমি হৰি নিছা মোৰ
প্ৰীতিভৰা প্ৰণয়ৰ লাৰু !
অন্তৰ্দাহী ৰাৱণৰ চিতাঁ-জুই কুৰা
কোন দিনা নুমাবনো আৰু !!"

জীৱনৰ ঘাত-প্ৰতিঘাতে মানুহক "জীৱন উন্মুখী" কৰে। "ফুলশয্যা" তাৰেই সাক্ষী। এই কঠোৰ সংগ্ৰামত দুৰ্ব্বল লোকে আত্মহত্যা কৰে, কিন্তু সবলৰ বাবে আত্মহত্যা তেনেই ঘৃণনীয়। কবি চৌধাৰী এই লোক সকলোৰে এগৰাকী।

সৰুতে পিৰালীৰ পৰা পৰি কবি হ'ল পঙ্গু। হেৰুৱালে পিতৃ-মাতৃক। সময়ৰ সোঁতত হ'ল গৈ আনৰ পোষ্যপুত্ৰ। গুৱাহাটীৰ পৰা সাত মাইল পূৱৰ বোন্দাৰ-খাটত কৃষিপাম পাতিলে। গৰু-গাই মৰি তাতো হ'ল কিমান লটি-ঘটি। কিন্তু সবল হৃদয়ৰ কবি চৌধাৰী কেতিয়াও ভাঙি পৰা নাই। এই প্ৰতিকুল আৱহাৱাই তেওঁক আধ্যাত্মিকতাৰ শিখৰলৈ উন্নীতহে কৰিছে। এই কাৰণে এই পৃথিৱীৰ উপৰিও আন এক স্বৰ্গলোক থকা বুলি তেওঁ বিশ্বাস কৰিছে। তেওঁৰ বহু কবিতাত এই স্বৰ্গলোকৰ ছবি বা উল্লেখ আছে।

"উচ্চাকাংক্ষা নাই প্ৰভু ক্ষুদ্ৰ হৃদয়ত
কৰা মোক সকলোৰে সৰু ;
মাজ পথাৰত যেন থাকে অকলই
পত্ৰ-পুষ্প ফলহীন তৰু।"

কবি চৌধাৰী মূলতঃ "ৰোমাণ্টিক কবি"। "ৰোমাণ্টিক" বুলি কলেই আমাৰ মনলৈ আহে কল্পনাৰ অবাধ প্ৰচলন। কিন্তু কবি চৌধাৰী ৰোমাণ্টিক কবি হৈও একেবাৰে কল্পনা-বিলাসী হৈ পৰা নাই। কল্পনা আৰু বাস্তৱৰ এক সঙ্গম সাজিছে তেওঁ, তেওঁৰ কাব্যত—

"হাস্নাহানাৰ তীব্ৰ গোন্ধত
সপোন বিভোৰ মাধৰী নিশা;
তোৰ বিৰিহত বিৰোহী জোনৰ
পলালনে প্ৰিয়া প্ৰাণৰ তৃষ্ণা।"

উত্তৰ গুৱাহাটীৰ মণি-কৰ্ণকেশ্বৰ পাহাৰৰ নামনিত "গিৰিমল্লিকা" ফুল দেখি ৰচনা কৰা "গিৰিমল্লিকা" কবিতা, বোন্দাৰখাট পামত "দহিক-তৰা" আৰু "কেতেকী" কবিতা, দক্ষিণ কামৰূপৰ পানীখাঁইটি গাৱঁৰ পুৰতি পৰত "পুৰতি ত'ৰা" কবিতা এই বাস্তৱ আৰু কল্পনাৰেই সাক্ষী। চৌধাৰীৰ কাব্যত কল্পনাৰ পাখীলাহী ভাৱবিলাস আছে সঁচা, কিন্তু তাৰ লগতে আছে বাস্তৱৰো ছবি।

কবি চৌধাৰীৰ আৰু আন এটা দিশৰ কথা সমালোচক সকলে প্ৰায়েই পাহৰি আছে। সেইয়া হ'ল তেওঁৰ শিশুৰ প্ৰতি থকা দৰদৰ কথা। চিৰ অবিবাহিত অথচ সন্তানমুখ নেদেখা কবি চৌধাৰীয়ে শিশুক লৈওঁ কেইটিমান কবিতা লিখিছে। "খেকেৰুপটীয়া" তেওঁৰ অবিস্মৰণীয় শিশু-কবিতা। একমাত্ৰ এই কবিতাটোৰেই তেওঁক শিশু-সাহিত্যিকৰ আসন দিবলৈ যথেষ্ট।

"বনফুল"ৰ কবি যতীন্দ্ৰ নাথ দুৱৰাই অসমীয়া কাব্যলৈ "কথা-কবিতা"ৰ সোঁত বোৱাই আনে। ৰঘুনাথ চৌধাৰীকো এই সোঁতে আকৰ্ষণ কৰিছিল। "নৰ-মল্লিকা" এই আকৰ্ষণৰেই ফলশ্ৰুতি। দুৱৰাৰ কথা-কবিতাৰ লগত নৰ-মল্লিকাৰ মিল নেদেখি বহুতে এই কাব্যখনিক "কথা-কবিতা"ৰ শাৰীলৈ উন্নীত কৰিব নোখোজে। মন কৰিবলগীয়া কথা যে কবি চৌধাৰী কাৰো দ্বাৰা প্ৰভাৱান্বিত কবি নহয়। সেই কাৰণে "নৰ-মল্লিকাত দুৱৰা বা আন কাৰো প্ৰভাৱ পৰিলক্ষিত নহয়। আচলতে "নৰ-জন্ম লভা কথা-কৱিতা"ত চৌধাৰীয়ে আৰোপ কৰিব খুজিছিল এক নতুন সাজ। সেই কাৰণে তেওঁৰ "কথা-কবিতা" হ'ল এক নতুন ধৰণৰ সৃষ্টি। এই নতুন সৃষ্টি "কথা-কবিতা"ৰো অঙ্গ। "নৰ-মল্লিকা," "কথা-কবিতা" নহয় বুলি কোৱাতো কবিৰ প্ৰতি এক অন্যায়।

আধুনিক কালত ৰঘুনাথ চৌধাৰী একমাত্ৰ কবি যাৰ কাব্যত "তৎসম শব্দ" উভৈনদী। সংস্কৃত সাহিত্যৰ প্ৰচুৰ অধ্যয়নেই ইয়াৰ কাৰণ। সংস্কৃত শব্দৰাজীয়ে তেওঁৰ কাব্যক কৰি তুলিছে অধিক সুমধুৰ। কিন্তু আচৰিত লাগে এই খিনিতেই যে সংস্কৃতৰ কঠোৰ বান্ধনি ভাঙি সেই শব্দক তেওঁ দিছে এক নতুন ৰূপ। অসমীয়া কাব্যৰ ইতিহাসত এনে অভিলেখ এয়ে প্ৰথম। উদাহৰণ স্বৰূপে "অই নৱগুণ্ঠিতা, ফুল্ল শিখৰিণী ৰঞ্জিত মণি, মণিকাৰ হৰিত মেখেলা……"। ইয়াৰ প্ৰতিটো শব্দই সংস্কৃত, কিন্তু এই সংস্কৃত শব্দ সমূহে "অসমীয়া সাজ-পাৰ পিন্ধি হৈ পৰিছে কিমান জাতিস্কাৰ"—ভাবিলে আচৰিত হোৱাৰে কথা। ভাষাৰ ওপৰত এনে সবল দখল "জোনাকী যুগ"ৰ খুব কম লিখকৰে আছিল।

* * * * *

# নেতৃত্বৰ অন্বেষণত

সুনীতা মজিন্দাৰ বৰুৱা

"……মোৰ পুথাও পুলিনে লোকৰ তলপ্ হৈ যোৱা নাই, এতিয়া মই লোকৰ তলপ হৈ থাকিব নোৱাৰো," স্বৰ্গদেৱ চক্ৰধ্বজ সিংহৰ উপৰি পুৰুষ কাহানিও লোকৰ তলপ হোৱা নাছিল। উত্তৰ পুৰুষো লোকৰ তলপ নহয়। সূৰ্য্য গ্ৰহণ হোৱাটো যি দৰে এটা ভৌগোলিক সত্য, সূৰ্য্যগ্ৰহণ অসমৰ ইতিহাসত হোৱাটোও এটা ঐতিহাসিক সত্য, ১৬৬২, ১৮২০-২৬, ১৯৪৬, ১৯৬০, ১৯৭২ আৰু শেহতীয়াকৈ ১৯৭৯-৮০ চনত। "……কিন্তু ৰাহুৱে আগ্ৰহণ কৰি থয়, তথাপিতো কি সূৰ্য্যে পুনৰ প্ৰকাশ নকৰে?" সূৰ্য্য সম জাতি অসমীয়া, "বঙালৰ অধীন হৈ থকাতকৈ মৰণেহে উচিত," বুলি যুঁজা জাতি অসমীয়া।

"আমি অসমীয়া নহওঁ দুখীয়া / বুলি শান্তনা লভিলে নহ'ব……।" ইতিহাসৰ পৰা শান্তনা লভিবলৈ ময়ো নিবিচাৰো, বিচাৰো প্ৰেৰণা, বিশ্লেষণ—দুটা কালৰ তাৰতম্যৰ। ইতিহাসৰ প্ৰয়োজনীয়তাও নিশ্চয় সেইখিনিতেই। মোগলে অসমীয়াক পৰাভূত কৰিব নোৱাৰিলে মান ইংৰাজ তথা ইংৰাজৰ লিকচৌ "বাবু তন্ত্ৰয়ো"। ১৯৪৭ চনত স্বাধীনতা অৰ্জ্জন কৰাৰ পিছতো ভাৰতবৰ্ষৰ অখণ্ড ভূ-ভাগ অসম বাৰে বাৰে আক্ৰান্ত হৈ আহিছে দেশী-বিদেশীৰ ৰক্ত অথবা স্নায়ু ক্ষয়ী আক্ৰমণৰ দ্বাৰা। জ্যোতিপ্ৰসাদে আগতীয়াকৈয়ে কৈ গৈছিল "……ভাষাত শত্ৰু, দেশত শত্ৰু, কলা সাহিত্যত, সঙ্গীত শিল্পত/সোমাল শত্ৰু তোৰ ভিতৰত/শত্ৰু আহিছে বেয়া বতৰত……।" ১৯৭৯-৮০ চনলৈকে জীয়াই থকা হ'লে চাগে জ্যোতিয়ে ক'লেহেঁতেন "ভিতৰুৱাল শত্ৰু, বিদেশী শত্ৰু/শত্ৰু আহিছে বেয়া বতৰত"। আমাৰেই দুৰ্ভাগ্য— এতিয়া মোমাইক কটা হেংডাংধাৰী লাচিতো নাই, জ্যোতিপ্ৰসাদ, অম্বিকাগিৰি, কৰ্ম্মবীৰ, লোকপ্ৰিয়, দেশভক্তহঁতো নাই। আছে শান্তিকামী জনতাৰ বিপৰীতে পুঁজিপতিৰ ধনেৰে সমাজবাদৰ কঠিয়া সিঁচা 'ৰাজনৈতিক নেতা' নামধাৰী কেতবোৰ অপৰিপক্ক মস্তিষ্কৰ লোক।

বিদেশী প্ৰব্ৰজনৰ প্ৰকোপত অসমীয়া জাতিৰ অস্তিত্বৰ সন্মুখত যেতিয়া এটি প্ৰশ্নবোধক চিনৰ উদয় হৈছিল, তেতিয়া অসমীয়া ৰাইজে অত্যন্ত উদগ্ৰীৱ হৈ বাট চাইছিল অসমৰ ৰাজনীতিৰ

অকাশত জ্বলি থকা নেতৃবৃন্দৰ নেতৃত্বলৈ। কিন্তু এই মহা সঙ্কটৰ সময়ত এই ৰাজনীতিবিদ সকলে নেতৃত্ব দিয়াৰ পৰিবৰ্ত্তে যেতিয়া পলায়নবাদী মনোভাব অৱলম্বন কৰিলে তেতিয়া অত্যন্ত হতাশা তথা ক্ষোভেৰে অসমীয়াৰ মন ভৰি পৰাটো স্বাভাবিক। এই নেতাসকলেই জানো আজি সেই আসনত বহা নাই, যি আসনত তাহানিৰ সিংহপুৰুষ সকল বহিছিল? অসমী আইৰ এটুপি চকুলোৰ বাবে এটোপাল এটোপালকৈ শৰীৰৰ সমস্ত তেজ দিবলৈ কুণ্ঠা বোধ নকৰিছিল?

অসম ইতিহাসৰ আৰম্ভনি নেমেলি সৌ সিদিনাৰ ঘটনা লিপিবদ্ধ কৰা অধ্যায়টোকে চাওঁকচোন।

মানৰ পিছতেই ইয়াণ্ডাবু সন্ধিৰ লগে লগেই অসমত সোমালহি বেলিমাৰ নোযোৱা দেশৰ ইংৰাজহঁত। সমগ্ৰ দেশৰ লগতেই পৰাধীনতাৰ শিকলিডালে বান্ধিলেহি অসমকো। ভাৰতবৰ্ষৰ স্বাধীনতাৰ বাবে সমগ্ৰ দেশবাসীৰ লগতে পূব প্ৰান্তৰ কোনত থকা ৰাজ্য অসমতো হাতত জাতীয় পতাকা লৈ শ্বহীদ হ'ল কনকলতা, ভোগেশ্বৰী আদি বীৰাঙ্গনা সকল, কুশলকোঁৱৰ, পিয়লি, মণিৰাম আদি বীৰ পুৰুষ সকল। ভাৰতৰ বুৰঞ্জীত এই সকলৰ নাম কোনোবাই সুঁৱৰিছে নে নাই নাজানো, কিন্তু আমি প্ৰতিজন অসমীয়াই এই সকলৰ প্ৰতি সদায়েই মূৰ দোৱাঁই আহিছো। অসমৰ ইতিহাসৰ পৰা কালৰ ক্ষয়ৰ লগে লগে এখেত সকলৰ নামৰ বিলুপ্তি সাধন কাহানিও নহয়। সমগ্ৰ ভাৰতবাসীৰ কঠোৰ প্ৰচেষ্টাত ভাৰতে এদিন স্বাধীনতা লাভ কৰিলে। ভাৰতৰ লগতে অসমো মুক্ত হ'ল ইংৰাজৰ কৱলৰ পৰা। কিন্তু যোৱাৰ আগেয়ে বৃটিছে হিন্দুস্থান-পাকিস্থানৰ সৃষ্টি কৰি যি ভাঙোনৰ জন্ম দি থৈ গ'ল সেই ভাঙোনৰ সৰ্ব্বশীয়া কালশিপাই ঘাইকৈ অসমকহে চুলেহি। ১৯৪৬ চনত অসমত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নেতৃত্বই ভাৰতৰ ৰাজনৈতিক ইতিহাসত এক বিশেষ মোৰ দিছিল। ভাৰতবৰ্ষই স্বাধীনতা পোৱা দেখিয়েই ইংৰাজ শক্তিয়ে দেশ এৰি যোৱাৰ আগে আগে যি কূটনৈতিক জালখন ভাৰতত পেলাই থৈ যোৱাৰ প্ৰচেষ্টা চলাইছিল সেই সকলে ষড়যন্ত্ৰ ব্যৰ্থ হৈছিল বৰদলৈৰ কৌশলতা আৰু প্ৰচেষ্টাত। ১৯৪৬ চনত বৃটিছ "কেবিনেট মিছনে" ভাৰতৰ স্বাধীনতাৰ দাবীৰ সমাধান সূত্ৰ বিচাৰে তেওঁলোকৰ অথা বৃটিছ চৰকাৰৰ আচঁনিখন অনুমানিক ভাৱে প্ৰকাশ কৰে। "কেবিনেট মিছনৰ" মূল ব্যক্তব্য আছিল এনে ধৰণৰ— (১) ভাৰতৰ প্ৰত্যেকখন প্ৰদেশৰ আইন সভা বোৰে প্ৰতিখন আইন সভাৰ মুঠ সভ্যসংখ্যাৰ দহভাগৰ এভাগ পৰিমানে ভাৰতীয় গণপৰিষদ বা Contitnent Assembly লৈ প্ৰতিনিধি নিৰ্ব্বাচন কৰিব আৰু সংশ্লিষ্ট আইন সভাৰ মুছলমান আৰু অমুছলমান প্ৰতিনিধি নিৰ্ব্বাচন কৰিব। (২) প্ৰত্যেক প্ৰদেশৰ পৰা এইদৰে নিৰ্বাচিত হোৱা গণপৰিষদৰ সদস্য সকলে গণপৰিষদত একেলগে লগ হৈ তিনিটা Section বা শাখা পৰিষদত বিভক্ত হব। মাদ্ৰাজ, বোম্বে, উৰিষ্যা, মধ্যপ্ৰদেশ, বিহাৰ আৰু উত্তৰ প্ৰদেশ A section বা 'ক' শাখাত, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, সিন্ধু, বেলুচিস্থান আৰু পঞ্জাৱ B section বা 'খ' শাখাত, অসম আৰু বঙ্গদেশ C section বা 'গ' শাখাত। (৩) Section বা শাখা পৰিষদ

বিলাকে নিজ নিজ শাখাৰ অন্তৰ্ভুক্ত প্ৰদেশ বিলাকৰ সংবিধান ৰচনা কৰিব আৰু নিজ নিজ শাখাৰ অন্তৰ্ভুক্ত প্ৰদেশ বিলাককলৈ এখন Group বা সংঘৰাজ্য স্থাপন কৰিলে সেই সংঘৰাজ্যৰ সংবিধানো ৰচনা কৰিব পাৰিব। (৪) গণপৰিষদৰ সকলো সদস্যই ভাৰতীয় সংবিধান বা যুক্তৰাষ্ট্ৰৰ সংবিধান ৰচনা কৰিব। এই ব্যৱস্থা আনুযায়ী Section C বা 'গ' শাখাই বঙ্গদেশ আৰু অসমৰ সংবিধান ৰচনা কৰাৰ উপৰিও দুয়োখন প্ৰদেশৰ এখন Group বা সংঘৰাজ্য গঠন কৰা বা নকৰাৰ বিষয়ে সিদ্ধান্ত ল'ব।

'কেবিনেট মিছন'ৰ Grouping আচনিৰ আৰঁত লুকাই থকা ইংৰাজ চৰকাৰৰ কু ষড়যন্ত্ৰৰ ভু অসমে নোপোৱাকৈ নাথাকিলে আৰু সেয়েই ১৬ মে'ত গুৱাহাটীত বহা অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে এই ব্যৱস্থাই অসমৰৰ নাৰ্য্য স্বাৰ্থৰ বিপৰীতে যাব বুলি আৰু তাৰ প্ৰতিকাৰৰ বাবে অনুৰোধ জনাই কংগ্ৰেছ ৱৰ্কিং কমিটি আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈলৈ তৎমুহূৰ্তে টেলিগ্ৰাম কৰে। বৰদলৈদেৱে এই বাৰ্ত্তা পাই ততালিকে অসমৰ বিপদৰ কথা নিখিল ভাৰত কংগ্ৰেছ ৱৰ্কিং কমিটিৰ আগত যুক্তি সহকাৰে ডাঙি ধৰিলে। কমিটিৰ সভাপতি মৌলানা আব্দুল কালাম অজাদে। 'কেবিনেট মিছন'ৰ প্ৰতিনিধি সকলৰ লগত এই বিষয়ে আলোচনা কৰিলে যদিও লৰ্ড পেথিক লৰেন্সে কংগ্ৰেছ সভাপতিৰ পৰামৰ্শ লবলৈ অনাস্তি হ'ল। বৰদলৈ দেৱে ভাইচৰয় লৰ্ড ৱাভেল আৰু 'কেবিনেট মিছনলৈ' লিখিত ভাৱে জনাই দিলে যে অসমৰ সংবিধান অসমৰ প্ৰতিনিধিয়েহে ৰচনা কৰিব আৰু বঙ্গৰে সৈতে চামিল হৈ Grouping ত সোমাবনে নোসোমায় সেই বিষয়েও প্ৰতিনিধি সকলেহে কিবেচনা কৰিব। বৰদলৈয়ে Grouping ৰ বিৰুদ্ধে অসম বাসীক এই বুলি সঁকিয়াই দিয়ে যে যিহেতু 'কেবিনেট মিছন'ৰ মতে, আচনি খনৰ এই ব্যৱস্থা প্ৰত্যাহাৰ কৰিব পৰা নাযাব আৰু যেওঁলোকৰ এনে আকোঁৰ গোজ মনোভাৱ কংগ্ৰেছ ৱৰ্কিং কমিটিয়েও অসমৰ বাবে ভাৰতৰ স্বাৰ্থ ক্ষুণ্ণ হব পাৰে বুলি হয়তো অসমবাসীৰ প্ৰতি সদয় নোহোৱাত ইন্ধন যোগাব পাৰে। সেয়েই প্ৰতিকাৰ স্বৰূপে সদৌ অসমবাসীয়েই জাগ্ৰত হৈ গণআন্দোলনৰ মাধ্যমেৰে ইয়াৰ সমাধান বিচাৰিব লাগিব।

'কেবিনেট মিচনৰ' Grouping আঁচনিৰ বিৰুদ্ধে "প্ৰতিবাদ সপ্তাহ" স্বৰূপে জুন মাহৰ প্ৰথম সপ্তাহটো পালন কৰিবলৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে সিদ্ধান্ত লয়। ৰাজহুৱা ভাৱে সভা সমিতি পাতি এই ব্যৱস্থাৰ প্ৰতিবাদ স্বৰূপে প্ৰস্তাৱ গ্ৰহণ কৰি সদৌ অসমবাসীক তেখেতে কংগ্ৰেছৰ সৈতে সহযোগ কৰিবলৈ অহ্বান জনায়। অভূতপূৰ্ব্ব সফলতাৰে অসমবাসীয়ে তেওঁৰ আহ্বানৰ সঁহাৰি জনালে। অসমৰ অস্তিত্ব বিপন্ন হোৱাৰ আশঙ্কাত গোটেই অসমবাসী কঁপি উঠিল। পৰিস্থিতি গুৰুতৰ হৈ পৰাত ১০ জুনৰ দিনা দিল্লীত কংগ্ৰেছ ৱৰ্কিং কমিটিৰ বৈঠক বহাৰ আগে আগ সেই কমিটিৰ সভাত অসমৰ প্ৰতি কৰা অন্যায়ৰ কথা বুজায় কবৰ নিমিত্তে পাঁচজন সদস্যৰে গঠিত এটা প্ৰতিনিধি দল দিল্লী অভিমুখে ৰাওনা হ'ল। অসমবাসীয়ে তেতিয়াই বুজি উঠিছিল অসমৰ অস্তিত্ব প্ৰায় বিনাশ হওঁ হওঁ অৱস্থা।

এই অৱস্থাত অসমে নিজকে বচাবৰ নিমিত্তে নিজেই পাৰ্য্যমানে যুঁজিলে অসমক ৰক্ষা কৰোতা কোনো নাই। বঙ্গদেশৰ নেতা সকলৰ মনোভাৱ আছিল 'কেবিনেট মিছনৰ' কথা মতে অসম আৰু বঙ্গদেশৰ চামিল কৰণৰ পিছত অসমে লাহে ধীৰে প্ৰতিবাদ জনাই ৱাক আউট কৰি আকৌ ওলাই আহিব পাৰিব। কিন্তু এইদৰে Grnuping ত এবাৰ সোমাই যোৱাৰ পিছত আকৌ ওলাই আহিব খোজাতো যে কি হাস্যকৰ তথা কুটনীতিৰ মেৰুপাকৰ কথা তাক তেওঁলোকে বুজি পায়ো উপলব্ধি কৰিব পৰা নাছিল। Grouping আচনিৰ বিৰুদ্ধে অসমে কৰা প্ৰতি-বাদৰ সহানুভূতিৰ চকুৰে চাইছিল পশ্চিম বঙ্গৰ কেৱল দুজন নেতাই। তেওঁলোকে প্ৰতিনিধি দলটোক অসমে বঙ্গৰ লগত চামিল নহ'বৰ কাৰণে প্ৰস্তুত কৰি অনা প্ৰস্তাৱ, চিঠি-পত্ৰ আদিত নানান ধৰণেৰে যুক্তি দিও সহায় কৰিছি। আনহাতে বিজয়লক্ষ্মী পণ্ডিতে অসমৰ পৰা যোৱা প্ৰতিনিধি দলটোক এনে মন্তব্য পৰ্য্যন্ত দিছিল যে অসমে মুছলিম লীগৰ দৰে আকোঁৰগোজ মনোভাৱ লৈ ভাৰতৰ বৃহত্তৰ স্বাৰ্থক আঘাট হানিব খুজিছে। অৰ্থাৎ তেখেতৰ মতে এই বুলি ভাবিব পৰা যায় যে অসমীয়াই নিজৰ ভাগ্য নিৰ্ণয় কৰিব খুজিলেই ভাৰতৰ বৃহত্তৰ স্বাৰ্থত আঘাট হনা হয়। অথচ এইখন অসমেই চোতাল ৰঙা কৰি ভাৰতৰ স্বাধীনতাৰ বাবে শ্বহীদৰ তেজাহুতি আগবঢ়াইছিল। যি কি নহওক ১০ জুনৰ দিনা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিকে আদি কৰি কংগ্ৰেছ নেতা কেইজনে অসমক C section বা 'গ' শাখাত অন্তৰ্ভুক্ত কৰাৰ তীব্ৰ প্ৰতিবাদ কৰে। কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সভাপতি মৌলানা চাহাবে যেনিবা অসমৰ প্ৰতি কিছু সহানুভূতিশীল হোৱা যেন দেখা গ'ল। অসমৰ প্ৰতি আকুণ্ঠ সমৰ্থন আগ বঢ়াইছিল মহাত্মা গান্ধীয়ে। কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে বৰদলৈ দেৱক অসম বিধান সভাৰ তৰফৰ পৰাও সৰ্ব্ব-সম্মতিক্ৰমে গৃহীত প্ৰস্তাৱ এটি আনিবলৈ পৰামৰ্শ আগবঢ়ায়। বৰদলৈ দেৱ আৰু তেওঁৰ বিধায়ক সকলে সেয়ে ৱৰ্কিং কমিটিৰ পৰা গণপৰিষদলৈ নিৰ্বাচিত হোৱা প্ৰতিনিধি সকলে কেবিনেট আচনি সম্পৰ্কে কি ব্যৱস্থা লব সেই নিৰ্দেশৰে এটি খচৰা প্ৰস্তাৱ বিচাৰিলে। সভাপতিয়ে এই মৰ্ম্মে বৰদলৈলৈ চিঠি লিখিলে যে তেওঁ যেন ৱৰ্কিং কমিটীৰ সিদ্ধান্তৰ আলমত প্ৰস্তাৱ এটি প্ৰস্তুত কৰি বাছনি বোৰ্ডৰ দ্বাৰা প্ৰস্তাৱটো পৰীক্ষা কৰি লয়। কথামতেই কাম কৰি বৰদলৈ দেৱে বিধান সভাত সৰ্ব্বসন্মতিক্ৰমে প্ৰস্তাৱ গৃহীত কৰে। প্ৰস্তাৱটোৰ মূল কথা আছিল—"অসম বিধান সভাই গণপৰিষদলৈ নিৰ্বাচিত কৰা প্ৰতিনিধিয়েহে কেৱল সংবিধান ৰচনা কৰিব আৰু প্ৰতিনিধি সকলে নিজ নিজ প্ৰদেশৰ সংবিধান ৰচনা কৰিবলৈ যাওঁতে কোনো শাখা বা সংঘই আহ্বান কৰা কোনো সভাত যোগ নিদিয়ে। লগতে কোনো শাখা সংঘই অসমৰ স্বাৰ্থৰ বিৰুদ্ধে সংবিধান ৰচনা কৰিবলৈ গলেও অসমে তাৰ বিৰোধিতা কৰিব।"

সেই সময়তেই নেহৰুজী নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভাপতি হিচাবে নিৰ্ব্বাচিত হয়। নেহৰুজীয়ে কিন্তু অসমৰ এই প্ৰস্তাৱ অকণো ভাল পোৱা নাছিল। তেখেতৰ মতে

অসমে Section বা শাখাৰ অন্তৰ্ভূক্ত হৈও নিজৰ সংবিধান ৰচনা কৰিব পাৰিব আৰু সেয়েই Section লৈ যোৱাত অসমে আপত্তি দৰ্শাব নালাগে। শেষত ৱৰ্কিং কমিটিয়ে বাধ্য লৈ অসমৰ ইচ্ছাৰ বিৰুদ্ধে নোযোৱাটোকেই থিৰ কৰে যদিও বৰদলৈ দেৱে তথাপিও সহজে প্ৰতীয়মান নগৈ গণপৰিষদৰ অসমৰ সদস্য সকলৰ গোহাঁৰিৰে নেহৰুজীক আকৌ জনালে যে Section C ৰ অন্তৰ্ভূক্ত হ'বলৈ হ'লে অসমে মুছলিম লীগৰ ওপৰত বৰ্ত্তি থাকিব লাগিব। তদুপৰি ৱৰ্কিং কমিটিয়ে কংগ্ৰেছ আৰু মুছলিম লীগৰ মাজত মতানৈক্য হ'লে তাৰ ৰায় ফেডাৰেল কোৰ্টৰ ওপৰত এৰি দিয়াত অসমৰ ভৱিষ্যত আৰু বিপদ জনক হৈ উঠিব। সেয়েই অসমৰ গণপৰিষদৰ সদস্য সকলে Section লৈ নোযোৱাটোকে ঠিৰাং কৰিছে। গৌৰৱৰ কথা এইটোৱেই যে বৰদলৈ দেৱে Grouping ৰ কথা কবলৈ যাওঁতে কেৱল অসমৰ কথাই কোৱা নাছিল, অসমৰ সমস্যাৰ কথা কোৱাৰ লগতে তেওঁলোকে সেই একেই সমস্যা, যি পশ্চিম সীমান্ত প্ৰদেশ আৰু পঞ্জাৱতো মূৰ ডাঙি উঠিছে, তাৰ কথাও কবলৈ পাহৰা নাছিল।

অসমৰ সদস্য সকলৰ এই গোহাঁৰিত নেহৰুজীয়ে উত্তেজিত হৈ এবাৰ মন্তব্য এই বুলি দিছিল যে অসমে আকোঁৰগোজ মনোভাৱ লৈ ভাৰতৰ সৰ্বনাশ কৰিব খুজিছে। তেখেতে Grouping ৰ প্ৰস্তাৱটো পুনৰ অসমে বিবেচনা কৰি চাব লাগে বুলি বৰদলৈলৈ পৰামৰ্শ আগ বঢ়ালে। ৬ ডিছেম্বৰত বৃটিছ মন্ত্ৰী মিছনৰ সংশোধিত ঘোষনা প্ৰকাশ হ'ল। কিন্তু এই প্ৰস্তাৱতো অসমে Grouping ৰ পৰা ৰেহাই নাপালে। অসমৰ জনগন বিক্ষুব্ধ হৈ উঠিল। বৰদলৈৰ পৰামৰ্শ অনুসৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে এইবাৰ দৃঢ় প্ৰতিজ্ঞ হৈ Grouping ৰ বিৰুদ্ধে সাহসেৰে যুদ্ধ কৰিবৰ নিমিত্তে সাজু হ'ল। প্ৰয়োজন হলে ভাৰতীয় কংগ্ৰেছৰ পৰা ফালৰি কাটি আহিবলৈকো অসম ৰাজী আছিল।

এই বিষয়ে গান্ধীজীৰ পৰামৰ্শ আৰু আশীৰ্ব্বাদৰ বাবে অসমৰ পৰা প্ৰদেশ কংগ্ৰেছ কমিটিৰ দুজন নেতাই গান্ধীজীক লগ ধৰিলে। গান্ধীজীয়ে কৈছিল—"যদিহে কংগ্ৰেছ নেতৃত্বৰ পৰা সুস্পষ্ট পথ নিৰ্দেশ নাহে তেন্তে অসমে নিজেই প্ৰতিবাদ কৰি গণপৰিষদৰ পৰা ওলাই আহি Grouping বৰ্জ্জন কৰিব লাগিব। অসমবাসীৰ ওপৰত ভগৱানৰ আশীৰ্ব্বাদ আছে। "If they are men, and not manikins they must oppose the grouping plan." গান্ধীজীৰ অমৰ আশীৰ্ব্বাদে অসমীয়াক বিপুল সাহস যোগালে, অসীম শক্তি দিলে, যাৰ ফলত বৰদলৈৰ নেতৃত্বত সমগ্ৰ অসমৰ ৰাইজে Grouping ৰ প্ৰস্তাৱৰ তুমুল ভাৱে বিৰোধিতা কৰিলে। ফলত Grouping ৰ প্ৰস্তাৱ নাকচ হ'ল। তাৰ পিছত ১৯৪৭ চনৰ পোন্ধৰ আগষ্টত ভাৰত বিভাজন কৰিহে ভাৰতৰ এই সমস্যাৰ বৃটিছ চৰকাৰে মীমাংসা কৰিব লগা হয়। পঞ্জাৱৰ উত্তৰ পশ্চিম অংশ, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, সিন্ধু প্ৰদেশ আৰু বেলু-চিস্থানক লৈ পশ্চিম পাকিস্তান আৰু অসমৰ চিলেট জিলাক লৈ পূব পাকিস্তান গঠিত হ'ল।

বহুত সমালোচকে এই বুলি কব খোজে যে অসমে Grouping প্ৰস্তাৱ বিৰোধিতা নকৰা হলে

ভাৰত বিভাজনো নহ'ল হেঁতেন। এই সমালোচনাৰ যুক্তযুক্ততা তথা সত্যতা কিমান দূৰ সত্য কব নোৱাৰো, কিন্তু অসমে Grouping ৰ পৰা নিজকে বচোৱাত যে মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ পৰিল এই কথা নিৰ্ঘাট সত্য, Grouping আঁচনি গ্ৰহণ কৰা হলে অসমৰ জাতীয় অস্তিত্ব লোপ পালে হেতেন, অসমীয়া জাতি নিচিহ্ন হৈ পাকিস্তানৰ বুকুত জাহঁ গ'ল হেঁতেন। বৰদলৈৰ নেতৃত্বত অসমে কৰা আন্দোলনৰ সুফল স্বৰূপে অসমীয়া জাতিৰ অস্তিত্ব জীয়াই থাকিল।

সাম্প্ৰতিক কালত অসমৰ জীৱন মৰণৰ সন্ধিক্ষনত সম্পূৰ্ণ ভাৱে নিষ্ক্ৰিয় হৈ থকা আৰু জাতীয় স্বাৰ্থক লৈ ধেমালি কৰা অসমীয়া ৰাজ-নৈতিক নেতৃবৃন্দই যদি লোকপ্ৰিয়ৰ আদৰ্শৰে নিজকে যৎকিঞ্চিত পৰিমাণে হ'লেও পুষ্ট কৰি নতুন পুৰুষৰ কণ্ঠেৰে "জয় আই অসম" বুলি চিঞৰি উঠে তেন্তে বৰদলৈৰ বীৰোচিত নেতৃত্বৰ কথা সোঁৱৰণৰ সাৰ্থকতা থাকিব।




CIRCUS

Sri Uttam Das.
P. G. Classes.

# বিশ্বমাতৃ মাদাৰ টেৰেছা



**বিন্দু চৌধুৰী**
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

মাদাৰ টেৰেছা— ত্যাগ আৰু কৰুণাৰ মূৰ্ত্তি মাদাৰ টেৰেছা। নাৰীজাতিৰ আদৰ্শ, নিঃস্বজনৰ মাতৃ—ত্যাগ আৰু সেৱাৰ জ্বলন্ত প্ৰতীক এই মাদাৰ টেৰেছা। এই নামত শান্তি আছে, এই নামতেই আনন্দৰ ঢল নামে।

বিশ্বমাতৃ মাদাৰ টেৰেছা। তেৱেঁই শান্তিৰ দেৱী। বিশ্বৰ সন্তানেই যাৰ সন্তান,—যাৰ জীৱন কেৱল পীড়িত, অনাথ আৰু মুমূৰ্ষ সকলৰ কাৰণে অৰ্পিত—এইজনা দেৱীয়ে ১৯১০ চনত যুগোশ্লোভিয়াৰ স্কোপজে নামৰ চহৰত জন্মগ্ৰহণ কৰে। তেতিয়া তেওঁৰ নাম আছিল "আগ্নেছ গোনহা বেজাক্সিহিউ।" আলবেনিয়াৰ পৰা ১৯২৮ চনত তেওঁ পোন প্ৰথম ভাৰতলৈ আহে। তেওঁ আহি কলিকতাৰ "চেণ্টমেৰীজ স্কুল'ত শিক্ষয়িত্ৰী হিচাপে বিশ বছৰ কটাইছিল। শেষলৈ তেওঁ সেই স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ পদো পাইছিল। ১৯৪৮ চনত তেওঁ প্ৰথম ভাৰতীয় নাগৰিক হয়।

কিন্তু দয়াৱতী মাতৃৰ হৃদয়নো কিমানদিন বন্ধনত থাকিব! স্কুলৰ কাষতেই "মতিঝীল বস্তি"। মতিঝীল বস্তিৰ দুৰ্গতজনৰ, মৰি মৰিও জীয়াই থাকিব খোজা জীৱন্ত নৰকংকাল সমূহক দেখিয়েই মাদাৰ টেৰেছা বিতত হ'ল। তেতিয়াই তেওঁ মৰমৰ স্কুলখন এৰি সোমাই পৰিল মতিঝীল বস্তিৰ সহস্ৰ চকুপানীবোৰ নিজৰ আচঁলেৰে মচি দিবলৈ।

এইয়াই মাদাৰ টেৰেছা—

মানৱতাৰ প্ৰতীক মূৰ্ত্তি মাদাৰ টেৰেছা।

সংগ্ৰাম! মানুহৰ জীয়াই থকাৰ সংগ্ৰাম
আৰু এইজনা মাতৃৰ মানুহক জীয়াই
ৰখাৰ সংগ্ৰাম—।
কিযে মহান সংগ্ৰাম।
জীৱন যদি সাৰ্থক হব পাৰে তেন্তে
হব এই সংগ্ৰামৰ মাজেদিহে।
বিশ্বক চমক খুৱাই—মানুহক মানুহৰ
দৰে জীয়াই থাৰিবলৈ দিবলৈ
এইজনা সন্যাসিনীয়ে একনিষ্ঠ ভাবে
সেৱা কৰি থাকিলে দুখীতজনৰ।

১৯৫১ চনত তেওঁ "মিছনেৰীজ অৰ চেৰেটিজ" নামৰ এক বৃহৎ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰে। আজি সেই প্ৰতিষ্ঠানৰ যোগেদি মাদাৰ টেৰেছাই সমগ্ৰ বিশ্বত ৬০খন স্কুল, দুশৰো ওপৰ চিকিৎসালয়, শিশুসদন আদি প্ৰতিষ্ঠা কৰে।

কালিঘাটৰ ওচৰত তেৱেঁই এটা ধৰমশালা "নিৰ্মল হৃদয়" প্ৰতিষ্ঠা কৰে।

শিশুবৰ্ষ নোপাতোতেই শিশুৰ মংগলৰ বাবে শিশুসকলৰ যত্ন লবৰ বাবে মাদাৰ টেৰেছাই "শিশুভৱন" প্ৰতিষ্ঠা কৰে। হাজাৰ শিশুৱে "শিশুভৱন"ৰ শুশ্ৰূষা আৰু সেৱাৰ যোগেদি নতুন জীৱন লাভ কৰিবলৈ সক্ষম হয়।

এয়া ভাৰতবৰ্ষ—

এই ভাৰততেই কুষ্ঠৰোগী সকলৰ কাষলৈ যাবলৈ ভয় কৰা মানুহৰ সংখ্যা বেচি। মানুহে মানুহৰ বেমাৰকো ভয় কৰে, ঘৃণা কৰে—।

কিন্তু মাদাৰ টেৰেছাই—!

এইজনা মানৱীয়েই দুৰাৰোগ্য ৰোগী সকলৰ বাবে আৰু কুষ্ঠৰোগী সকলৰ বাবে "শান্তি নগৰ" প্ৰতিষ্ঠা কৰে। বিশ্বমাতৃৰ কৰুণাময় হাতৰ পৰশত "শান্তি নগৰ'ত সচাকৈয়ে শান্তিয়েই বিৰাজমান। I. C. I (India) ই মাদাৰ টেৰেছাক এই সুবৃহৎ আধুনিক প্ৰাসাদ দান কৰিছে। কিন্তু মাতৃয়ে সন্তানৰ বাবে মানসিক বিকাশগ্ৰস্ত সকলৰ চিকিৎসাৰ বাবে এই প্ৰাসাদ ব্যৱহাৰ কৰিছে। দানৰ বস্তুক পুনৰ দান কৰি তেওঁ যি মহানতা দেখুৱালে সেয়া আজিৰ যুগত সাধুকথা যেন লাগে।

উপযুক্ত কামৰ প্ৰাপ্য হিচাপে তেওঁ ১৯৬২ চনত "পদ্মশ্ৰী আৰু Mogsaysay" এৱাৰ্ড লাভ কৰে।

১৯৭৯ চনত তেওঁক শান্তিৰ নেবেলবঁটা অৰ্পন কৰি তেওঁৰ কামৰ যথোচিত মৰ্যদা প্ৰদান কৰা হয়। ১৯৮০ চনত ভাৰতে তেওঁক "ভাৰতৰত্ন" উপাধিৰে বিভূষিত কৰে।

মাদাৰ টেৰেছাৰ নাম ভেনেচুৱেলা, টাঞ্জানিয়া, শ্ৰীলংকা, অষ্ট্ৰেলিয়া আদি বিশ্বৰ বিভিন্ন ঠাইলৈ প্ৰসাৰিত হব ধৰিছে। অকল তেৱেঁই নহয়, তেওঁৰ মহান আদৰ্শেৰে অনুপ্ৰাণিত হৈ সহস্ৰজনে জীৱন অৰ্পণ কৰি তেওঁৰ অনুগামী হৈছে নিজৰ জীৱন সাৰ্থক কৰিছে। ভাৰতবৰ্ষত নাৰীৰ স্থান উচ্চ স্থানত। ত্যাগৰ মূৰ্ত্তি নাৰীক দয়াবতী, কৰুণাময়ী আদি মানৱীয় গুণেৰে অভিহিত কৰা হয়। তথাপিও এই গৰাকী মহাত্যাগী মহাযোগীৰ আদৰ্শেৰে যদি আমি বাট বুলিবলৈ লওঁ তেন্তে আমি আমাৰ জীৱনৰ প্ৰকৃত সাৰ্থকতা ইয়াতেই পাম। আমাৰ পথ হব তৰ আলোকৰ পথ— জীৱন জয়ৰ পথ।

এই পথেই
সূৰ্য্য আহি আছে।
এই বাটেই
এই বাটেই॥

# সাম্প্ৰতিক কালৰ

# ভাৰতীয় ফুটবল

কমলেশ চৌধুৰী
অধ্যাপক, ৰসায়ন বিভাগ

অসমকে ধৰি ভাৰতৰ প্ৰতিটো অংশৰ ক্ৰীড়ামোডী ৰাইজৰ মাজত সকলোতকৈ বেছি উৎসাহ উদ্দীপনা সৃষ্টি কৰা খেল হৈছে ফুটবল। গুৱাহাটীৰ জনগণেও এনে উৎসাহ দেখুৱাইছিল যোৱা বছৰৰ ১৫ অক্টোবৰ তাৰিখে, যিদিনা সৰ্ব্বভাৰতীয় স্কুল ক্ৰীড়া সমাৰোহৰ ফুটবল ফাইনেল খেলত অসম স্কুলদলে মধ্যপ্ৰদেশৰ বিৰুদ্ধে প্ৰতিদ্দিন্দ্বিতা কৰিছিল। নেহেৰু ষ্টেডিয়াম দৰ্শকৰে উপচি পৰিছিল। স্থানাভাৱত বহুতো দৰ্শক নিৰাশ হৈ উভতি যাব লগা হৈছিল। খেলত অসম স্কুলদলে 'টাইব্ৰেকাৰ' পদ্ধতিৰে জয়লাভ কৰাৰ লগে লগে সমগ্ৰ ষ্টেডিয়াম উল্লাসেৰে উপচি পৰিছিল। সেইদিনা দৰ্শকৰ আনন্দৰ বহিপ্ৰকাশ ঘটিছিল বিভিন্ন দিশত— কিছুমানে চিঞৰি চিঞৰি মাত ভাঙিছিল, কিছমানেতো খেলপথাৰত সোমাই নাচি-বাগি ফুৰিছিল আৰু ফটকা যে কিমান ফুটুৱা হৈছিল তাৰ হিচাব নাই। ফুটবল খেলক কেন্দ্ৰ কৰি এনে ধৰণৰ আনন্দ উল্লাস ভাৰতৰ আন আন ঠাইটো পৰিলক্ষিত হয়। কলিকতাত ইষ্টবেঙ্গল, মোহনবাগান, বোম্বেত মফটলাল-টাটা নাইবা পঞ্জাৰত জে, সি, টি, বি, এস, এফ দলৰ খেলক কেন্দ্ৰ কৰি যি উত্তেজনাৰ সৃষ্টি হয় ই অবিশ্বাস্য। কিন্তু প্ৰশ্ন হ'ল, দৰ্শকৰ মাজত ইমান উত্তেজনা সৃষ্টিকাৰী এই খেলত ভাৰতৰ মানদণ্ডনো সাম্প্ৰতিক কালত কিমান উচ্চ আৰু আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰতৰ স্থান ক'ত ? এই প্ৰশ্নৰ উত্তৰ দিয়াৰ বোধকৰো প্ৰয়োজন নাই। কাৰণ আমি সকলোৱে জানো যে কেবাবছৰো ধৰি ভাৰতৰ ফুটবলৰ মানদণ্ড অতিশয় নিম্নস্তৰৰ আৰু সম্ভৱতঃ নিম্নগামী। এইটো সঁচা কথা যে ভাৰতীয় ফুটবল দলে কেতিয়াও বিশ্বৰ আগশাৰীৰ দল বিলাকৰ মাজত স্থান লব পৰা নাছিল, কিন্তু এসময়ত এছিয় ফুটবলত এটা প্ৰধান শক্তি হিচাবে গণ্য হৈছিল। লগে লগে বিভিন্ন অলি-

ম্পিক প্ৰতিযোগিতা সমূহতো উন্নত মানদণ্ডৰ খেল প্ৰদৰ্শন কৰি বিশেষজ্ঞ সকলৰ প্ৰশংসা-ভাজন হ'ব পাৰিছিল। কিন্তু সাম্প্ৰতিক কালত বিশ্ব ফুটবল দূৰতে থাওক, এছিয় ফুটবলতো ভাৰত এটা নিম্নস্তৰৰ দল। এই অৱনতিৰ কাৰণ বিচাৰিলে প্ৰথমতেই যোৱা ত্ৰিশ বছৰৰ ভাৰতীয় ফুটবলৰ ইতিহাস পৰ্য্যালোচনা কৰি চাব লাগিব।

আন্তৰ্জাতিক প্ৰতিযোগিতাত ভাৰতীয় ফুটবল দলে ১৯৪৮ চনৰ লণ্ডন অলিম্পিকত অসমৰে এজন খেলুৱৈ টি, আওৰ নেতৃত্বত প্ৰথমবাৰৰ বাবে অংশ গ্ৰহণ কৰে। অৱশ্যে ইয়াৰ পূৰ্ব্বেও ভাৰতীয় দলে বিদেশী দলৰ বিপক্ষে স্বদেশ বা বিদেশতো বহুতো সৌহাৰ্দ-মূলক খেলত প্ৰতিদন্দ্বিতা কৰিছিল। অলিম্পিকত প্ৰথম খেলখন আছিল শক্তিশালী ফ্ৰান্সৰ বিপক্ষে। এই খেলত উন্নত মানৰ খেল প্ৰদৰ্শন কৰিও দুটা পেনাল্টিৰ সুযোগ নষ্ট হোৱাত ভাৰতীয় দলে ১-২ গ'লত পৰাজিত হয়। ১৯৬১ চনত দিল্লীত অনুষ্ঠিত হোৱা এছিয়ান গেমছ্‌ত ভাৰতে স্বৰ্ণপদক অৰ্জ্জন কৰে। কিন্তু ১৯৫২ চনৰ 'হেলচিঙ্কি' অলিম্পিকৰ প্ৰথমখন খেলত আধুনিক খেল প্ৰদৰ্শন কৰি যুগোশ্লাভিয়া দলে ভাৰতক পৰ্য্যদুস্থ কৰি ১০-১ গ'লত জয়লাভ কৰে। ভাৰতীয় দলৰ কোচ এছ, এ, ৰহিমে ইউৰোপ আৰু লেটিন আমেৰিকাৰ বিভিন্ন দলৰ ক্ৰীড়াকৌশল লক্ষ্য কৰি সিদ্ধান্ত লয় যে ভাৰতীয় ফুটবলকো আধুনিক ক্ৰীড়াধাৰাত পাৰদৰ্শী কৰিব লাগিব। তেওঁৰ তত্বাৱধানত প্ৰশিক্ষণ পোৱা ভাৰতীয় দলে সমৰ বেনাৰ্জ্জীৰ নেতৃত্বত মেলবোৰ্ণ অলিম্পিকত চমকপ্ৰদখেল প্ৰদৰ্শন কৰি চতুৰ্থ স্থান অধিকাৰ কৰে। বিশ্বফুটবলত ভাৰতৰ এয়ে হ'ল শ্ৰেষ্ঠ প্ৰদৰ্শন। অলিম্পিক খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতৰহৈ নেভেল ডি স্নুজাই একমাত্ৰ হেট্ৰিক কৰাৰ গৌৰৱ অৰ্জ্জন কৰে মেলবোৰ্ণতেই। ১৯৬০ চনৰ ৰোম অলিম্পিকতো ভাৰতে যথেষ্ঠ উচ্চমানৰ খেল প্ৰদৰ্শন কৰি ফুটবল বিশেষজ্ঞ সকলৰ প্ৰশংসা লাভ কৰে। ১৯৬২ চনত জাকাৰ্টাত অনুষ্ঠিত এছিয়ান গেমছত চুনী গোস্বামীৰ অধিনায়কত্বত ভাৰতীয় দলে ফাইনেল খেলত শক্তিশালী দক্ষিণ কোৰিয়াক পৰাজিত কৰি দ্বিতীয় আৰু শেষবাৰৰ বাবে স্বৰ্ণপদক অৰ্জ্জন কৰে। এই জয় বিশেষভাৱে প্ৰশংসনীয় এই কাৰণত যে ভাৰতীয় দলে সেইদিনা ৰাজনৈতিক কাৰণত ইন্দোনেচীয় দৰ্শকৰ ভাৰত বিৰোধী ধ্বনিৰ মাজত খেলিব লগা হৈছিল। আমাৰ দুৰ্ভাগ্য যে এছিয়ান গেমছৰ পৰা ঘূৰি আহিয়েই ৰহিম চাহাব দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ কিছু দিনৰ পাছত শেষনিশ্বাস ত্যাগ কৰে। ক'বলৈ গ'লে তেওঁৰ তিৰোধানৰ লগতেই ভাৰতীয় ফুটবলৰ স্বৰ্ণযুগৰ অন্ত পৰে। ১৯৬৪ চনৰ প্ৰি-অলিম্পিকত ইৰাণৰ হাতত পৰাস্ত হোৱাৰ পৰাই ভাৰতীয় ফুটবলৰ নিম্নমুখী যাত্ৰা আৰম্ভ হ'ল। ভাৰতীয় দলৰ শেষ আন্তৰ্জাতিক সন্মান হ'ল ১৯৬২ চনৰ 'এছিয়ান গেমছৰ' স্বৰ্ণপদক অৰ্জ্জন। জাকাৰ্টাত হোৱা এই গেমছত ভাৰতীয় দলে চূড়ান্ত খেলখনত উত্তৰ কোৰীয়াৰ বিপক্ষে ২-১ গ'লত জয়লাভ কৰিছিল। এই

সন্মানৰ পাচত ১৯৭০ চনত বেঙ্কক এছিয়ান গেমছত তৃতীয় স্থান অধিকাৰ কৰাৰ বাহিৰে যোৱা ওঠৰ বছৰৰ ভিতৰত ভাৰতে বিশেষ কৃতিত্ব দেখুৱাব পৰা নাই। সত্তৰৰ দশকত ভাৰতীয় ফুটবলৰ মান সৰ্ব্বকালৰ নিম্নতম স্তৰত উপনীত হয়। ১৯৭২ চনত ভাৰতে প্ৰি-অলিম্পিকৰ বেৰ পাৰ হব নোৱাৰিলে। ১৯৭৪ চনৰ তেহৰাণ এছিয়ান গেমছ্ত প্ৰাৰম্ভিক লীগ প্ৰতিযোগিতাত সকলোকেইখন খেলতেই পৰাজিত হৈ বিদায় লব লগা হৈছিল। ১৯৭৮ চনৰ বেঙ্কক এছিয়ান গেমছ্তো অৱস্থাৰ কোনো পৰিবৰ্ত্তন নহ'ল। একমাত্ৰ দুৰ্ব্বল বাংলাদেশ দলৰ বিৰুদ্ধে জয়লাভ কৰাৰ বাহিৰে সকলো খেলতেই ভাৰত পৰাজিত হয়। মাত্ৰ কেইবছৰমানৰ ভিতৰতে ভাৰত এছিয়াৰ ফুটবল জগতৰ সৰ্ব্বোচ্চ স্তৰৰ পৰা নিম্নতম স্তৰলৈ নামি আহিব লগা হ'ল। ইয়াতকৈ দুখৰ কথা আৰু কি হ'ব পাৰে।

এতিয়া এটা প্ৰশ্ন হ'ল— ভাৰতীয় ফুটবল-এই শোচনীয় অৱস্থাৰ কাৰণ কি? সঁচা কথা যে ৺ৰহিমৰ দৰে এজন সুদক্ষ আৰু অভিজ্ঞ প্ৰশিক্ষক আমি নাই পোৱা কিন্তু একমাত্ৰ কোচিংৰ দুৰ্ব্বলতাই এই শোচনীয় সংস্থাৰ একমাত্ৰ কাৰণ হ'ব নোৱাৰে। সাম্প্ৰতিক কালৰ খেলুৱৈ সকলৰ ব্যক্তিগত নৈপুন্যৰ অভাবো ইয়াৰ এটা প্ৰধান কাৰণ কিয়নো ব্যক্তিগত নৈপুন্যৰ সমষ্টিতেই সৃষ্টি হয় দলগত নৈপূন্য। উন্নতমানৰ মচলা নাপালে কাৰিকৰে উন্নতমানৰ বস্তু গঢ়িব নোৱাৰে। ৺ৰহিমৰ সময়ত ভাৰতত বহুতো আন্তৰ্জাতিক মানৰ খেলুৱৈৰ সমাবেশ ঘটিছিল। যেনে— শৈলেন মান্না, আমেদ খাঁন, প্যাপেন, চন্দনসিং, থংগৰাজ, আজিজ, সমৰ বেনাৰ্জ্জি, ইউচুফখান, লতিফ, বলৰাম, প্ৰদীপ বেনাৰ্জি, জাৰ্নাইলসিং, অৰুণ ঘোষ, নেভিল ডি সুজা, কেম্পিয়া, ৰামবাহাদুৰ, প্ৰশান্ত সিন্‌হা, প্ৰদ্যুত বৰ্মন ইত্যাদি। তেওঁলোকৰ মাজৰ পৰা এটা সংহতিপূৰ্ণ দল গঠন কৰাত তেওঁৰ বিশেষ অসুবিধা হোৱা নাছিল। কিন্তু যোৱা ওঠৰবছৰত প্ৰকৃতাৰ্থত আন্তৰ্জাতিক মানৰ খেলুৱৈ ওলাইছে মাত্ৰ দুজন— ইন্দাৰ সিং আৰু সুধীৰ কৰ্ম্মকাৰ। মাৰডেকা ফুটবল প্ৰতিযোগিতাত ইন্দাৰ সিংৰ তীব্ৰ গতিসম্পন্ন খেলৰ মুগ্ধ হৈ দৰ্শকে তেওঁৰ নাম দিছিল "হিউমেন লোকোমোটিভ্" (Human Locomotive) আৰু ১৯৭০ চনৰ এছিয়ান গেমছত সুধীৰ কৰ্ম্মকাৰৰ খেল চাই FIFA ৰ সভাপতিয়ে তেওঁক "এছিয়াৰ শ্ৰেষ্ঠ ডিফেন্দাৰ" আখ্যা দিছিল। ইয়াৰ পৰা আমি বুজিব পাৰো যে তেওঁ কিমান উন্নতমানৰ খেলুৱৈ আছিল। আমাৰ দুৰ্ভাগ্য যে এওঁলোকৰ দৰে ধাৰাবাহিকভাবে ভাল খেল প্ৰদৰ্শন কৰা খেলুৱৈ আজি এজনো নাই। পৃথিবীৰ আন আন দেশৰ তুলনাত পিছ পৰি যোৱাৰ আন এটি কাৰণ হ'ল আমাৰ খেলুৱৈ সকলৰ শাৰীৰিক সক্ষমতাৰ অভাব। বৰ্ত্তমান ফুটবল হ'ল— "টোটাল ফুটবল" (Total Football) অৰ্থাৎ 'সৰ্ব্বাত্মক ফুটবল', য'ত কোনো এজন খেলুৱৈয়ে এটা নিৰ্দ্দিষ্ট স্থানত নেখেলে। গোলৰক্ষকৰ বাহিৰে প্ৰত্যেক খেলুৱৈ সমান পাৰদৰ্শিতাৰে সকলো স্থানতে খেলিব পৰা হ'ব লাগে। ইয়াৰ

বাবে ব্যক্তিগত নৈপুন্যৰ উপৰিও দৰ্কাৰ চূড়ান্ত শাৰীৰিক সক্ষমতা আৰু অফুৰন্ত দম। দেশৰ প্ৰাকৃতিক অৱস্থা আৰু কিছু পৰিমাণে অৰ্থ-নৈতিক কাৰণত আমাৰ খেলুৱৈ সকলৰ শাৰী-ৰিক ক্ষমতা সেই স্তৰলৈ নাযায়। এটা সমীক্ষাৰ পৰা পোৱা গৈছিল যে— আমাৰ দেশৰ পুৰুষ খেলুৱৈ সকলৰ শাৰীৰিক সক্ষমতা ইউৰোপৰ কেইখনমান দেশৰ মহিলা খেলুৱৈ সকলতকৈও কম। শাৰীৰিক সক্ষমতা বঢ়াব নোৱাৰিলে আন্তৰ্জাতিক প্ৰতিযোগিতাত আমাৰ সাফল্য লাভৰ সম্ভাৱনা খুবেই কম।

ওপৰত উল্লেখিত কাৰণ কেইটাৰ বাহিৰেও সৰ্ব্বভাৰতীয় ফুটবল সন্থা AIFF (All India Foot-ball Fedaration) ৰ কৰ্ম্মকৰ্ত্তা সকলৰ দায়িত্ব পালনৰ ব্যৰ্থতাক ভাৰতীয় ফুটবলৰ মানদণ্ড উন্নতিৰ এটা প্ৰধান অন্তৰায় বুলি ধৰা হয়। এই কৰ্ম্মকৰ্ত্তা সকলৰ সৰহভাগ সময় নিজৰ মাজত কন্দল কৰোতেই পাৰ হয়। সেইবাবে এই সন্থা অতি দুৰ্ব্বল হৈ পৰিছে। এই দুৰ্ব্বলতাৰ সুযোগ লৈ ১৯৭৯ চনত গুৱা-হাটীত অনুষ্ঠিত হোৱা তৃতীয় ফেডাৰেচন কাপৰ প্ৰায় একে সময়তে বাঙ্গালোৰত অনুষ্ঠিত হ'ল ষ্টেফোৰ্ড কাপ প্ৰতিযোগিতা— যদিও ফেডাৰেচন কাপ চলি থকাৰ সময়ত আন কোনো সৰ্ব্বভাৰতীয় প্ৰতিযোগিতা অনুষ্ঠিত হ'ব নোৱাৰে। ইয়াৰ ফলত ক্ষতিগ্ৰস্ত হ'ব লগাত পৰিল গুৱাহাটী ফুটবল সন্থা আৰু দৰ্শকেও কেইটামান ভাল দলৰ খেলচোৱাৰ পৰা বঞ্চিত হ'ল। ইয়াৰ বিৰুদ্ধে AIFF এ কিবা ব্যৱস্থা লৈছে বুলি জনা নাযায়। কৰ্ম্ম-কৰ্ত্তা সকলৰ ব্যৰ্থতা প্ৰকট হৈ পৰে দলনিৰ্ব্বা-চনৰ সময়ত। নিৰ্ব্বাচক মণ্ডলীৰ প্ৰায়ভাগ সদস্য আৰু লগতে আন কিছুমান কৰ্ম্মকৰ্ত্তাই স্বজন পোষণত আগভাগ লোৱাৰ আভাস পোৱা যায়। প্ৰত্যেকেই নিজ নিজ অঞ্চলৰ খেলুৱৈ দলভুক্ত কৰাৰ কাৰণে চেষ্টা চলায়। নিৰপেক্ষ কৰ্ম্মকৰ্ত্তাও যে নাই সেইটো নহয়, কিন্তু তেওঁ লোক সংখ্যালঘু হোৱাৰ কাৰণে প্ৰায়ক্ষেত্ৰতেই নিৰাশ হয়। নহলে ভাৰতৰ অন্যতম খেলুৱৈ বলৰামে নিৰ্ব্বাচক মণ্ডলীৰ সদস্যপদৰ পৰা পদত্যাগ কৰে নে? AIFF ৰ দ্বাৰা আয়োজিত কম দিনৰ প্ৰশিক্ষণ ব্যৱস্থাও ভাৰতীয় ফুটবলৰ অৱনতিৰ আন এটা কাৰণ। যেতিয়া আন দেশত এবছৰ বা ততোধিক সময় প্ৰশিক্ষণ দিয়া হয়, আমাৰ দেশত পোন্ধৰদিনৰ প্ৰশিক্ষণ শিবিৰ পাতি যথেমধে দল এটা নিৰ্ব্বাচন কৰি পঠোৱা হয়। এই কমদিনৰ প্ৰশিক্ষণে খেলুৱৈ সকলৰ মাজত যথেষ্ট বুজাপৰাৰ সৃষ্টি নকৰাৰ ফলত এটা সংহতিপূৰ্ণ দল গঢ়ি উঠিব নোৱাৰে। "টিমস্পিৰিট" নথকা এটা দলে উন্নতমানৰ খেল প্ৰদৰ্শন কৰিব নোৱাৰে।

তেনেহলে বৰ্ত্তমান অৱস্থাত ভাৰতীয় ফুট-বলৰ মান উৰ্দ্ধমুখী কৰাৰ কিবা উপায় আছে নেকি? নিশ্চয় আছে। যদিহে অনতিপলমে এটা নিৰ্দ্ধাৰিত কৰ্ম্মসূচী যুগুতাই কাম কৰা হয় আৰু তাৰে প্ৰথম পদক্ষেপ হ'ব AIFF ৰ কৰ্ম্মকৰ্ত্তা সকলে আত্মকলহ বাদ দি নিজৰ নিজৰ দায়িত্ব সুকলমে আৰু নিৰপেক্ষ ভাৱে পালন কৰিবলৈ যত্ন কৰে। আঞ্চলিকতাবাদৰ উৰ্দ্ধত উঠি সৰ্ব্বভাৰতীয় দৃষ্টিভঙ্গীৰে তেওঁলোকে

কাম কৰিব লাগিব। অৰশ্যে দৃষ্টিভঙ্গী বাস্তৱ-মুখী আৰু বিজ্ঞান সম্মত হ'ব লাগিব। ভাৰতীয় ফুটবলৰ উন্নতিকল্পে AIFF এ একো বৰঙণি যোগোৱা নাই বুলি কলে মিছা কথা কোৱা হ'ব, কিন্তু তেওঁলোকৰ বেছিভাগ প্ৰচেষ্টাই আধা ডুখৰীয়া যাব কাৰণে হাতত লোৱা কাৰ্যসূচীবিলাক সম্পূৰ্ণ নহয়। ইয়াৰ ফল স্বৰূপে চৰকাৰী ধনৰ অপচয়ৰ বাহিৰেও খেলুৱৈ সকলক বিচলিত হোৱা দেখা যায়।

আমাৰ 'কোচ' সকল আধুনিক ক্ৰীড়াধাৰাৰ লগত পৰিচিত নহয় তথাপি বিদেশৰ পৰা কোচ আনি প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন বোধকৰো নাই। অৰশ্যে আমাৰ 'কোচ' সকলক বিদেশৰ ক্ৰীড়াধাৰাৰ বিষয়ে জনাবৰ বাবে তেওঁলোকক বিশ্বকাপ, অলিম্পিককে আদি কৰি বিভিন্ন আন্তৰ্জাতিক প্ৰতিযোগিতাত দৰ্শক হিচাবে প্ৰেৰণ কৰিলে সুফল পোৱা যাব। কিন্তু ইয়াৰ লগতে 'স্বল্পম্যাদি' প্ৰশিক্ষণ ব্যৱস্থাৰ ওৰ পেলাব লাগিব। প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ বহুত আগতীয়াকৈ খেলুৱৈ সকলক এজন বা প্ৰয়োজন হলে দুজন কোচৰ অধীনত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। চূড়ান্ত দল নিৰ্ব্বাচনৰ ব্যৱস্থা কৰিব লাগিব কেৱল মাত্ৰ এজন কোচৰ দায়িত্বৰ আৰু এই ক্ষেত্ৰত কোনেও হস্তক্ষেপ কৰিব নোৱাৰিব। এই সময়ছোৱাত খেলুৱৈসকলৰ আৰ্থিক দায়িত্ব চৰকাৰে গ্ৰহণ কৰাটো বাঞ্চনীয়। ১৯৬৬ চনত লণ্ডনত অনুষ্ঠিত বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা উত্তৰ কোৰীয়া দলক একেৰাহে ওঠৰ মাহৰ প্ৰশিক্ষণ দিয়া হৈছিল। ইয়াৰ ফল সকলোৰে জনাজাত। বিশেষজ্ঞ সকলৰ সকলো ভৱিষ্যত বাণী মিছা প্ৰতিপন্ন কৰি এই দলটিয়ে বিশ্বফুটবলত এটা অভিলেখ স্থাপন কৰিবলৈ সক্ষম হৈছিল। দীৰ্ঘম্যাদি আৰু আধুনিক প্ৰশিক্ষণৰ ফলত উত্তৰ কোৰীয়াই যি কৰিব পাৰিছিল আমিনো নোৱাৰিম কিয়? ইয়াৰ বাবে ভাৰততো প্ৰয়োজন দীৰ্ঘম্যাদী আৰু আধুনিক প্ৰশিক্ষণ ব্যৱস্থাৰ লগতে শাৰীৰিক সক্ষমতা বঢ়োৱাৰ বাবে বিশেষ শাৰীৰিক প্ৰশিক্ষণ শিবিৰ (Physical Conditioning Camp) স্থাপনৰ ব্যৱস্থা। কোনো প্ৰতিযোগিতাত ভাগ লোৱাৰ আগতে খেলুৱৈ সকলে যাতে চূড়ান্ত শাৰীৰিক সক্ষমতা অৰ্জ্জন কৰে, সেই দিশতো চকু দিব লাগিব। প্ৰশিক্ষণৰ আন এটা অংশ হিচাবে প্ৰশিক্ষাৰ্থী সকলক উন্নতমানৰ আন্তৰ্জাতিক খেল টেলিভিচন আৰু ধীৰ গতিৰ ( Slow motion ) বোলছবিৰ মাধ্যমেৰে দেখুৱাই আধুনিক ক্ৰীড়াধাৰাৰ লগত পৰিচয় হোৱাৰ সুবিধা দিলে তেওঁলোকে নিজৰ ক্ৰীড়ানৈপূণ্য বঢ়োৱাৰ সুযোগ পাব। ইয়াৰ লগতে বছৰৰ অন্ততঃ এবাৰকৈ সৰ্ব্বভাৰতীয় দলক বিদেশত, বিশেষকৈ ইউৰোপ আৰু লেটিন আমেৰিকাত খেলাৰ সুবিধা দিলে সুফল পোৱা নিশ্চিত। AIFF এ অৰশ্যে সাম্প্ৰতিক কালত বাংলাদেশ, আফগানিস্থান, জাম্বিয়া আদি দেশলৈ জাতীয় দল প্ৰেৰণ কৰিছে। কিন্তু ফুটবল জগতৰ দ্বিতীয় বা তৃতীয় শ্ৰেণীৰ এই দল কেইটাৰ লগত খেলি বিশেষ লাভ আশা কৰিব নোৱাৰি। ভৱিষ্যতে AIFF এ দেশৰ ফুটবল খেলৰ মান উন্নত

কৰিবলৈ দেশৰ চাব-জুনিয়ৰ আৰু জুনিয়ৰ ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতিভা সম্পন্ন খেলুৱৈ সকলৰ কাৰণে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰাটো প্ৰয়োজন। এওঁলোকক চৰকাৰী খৰছত দেশৰ স্পোর্ট্চ্ স্কুল বা কলেজত ভৰ্ত্তি কৰি যথাযোগ্য প্ৰশিক্ষণৰ জৰিয়তে প্ৰতিভাৰ বিকাশ ঘটোৱাত সহায় কৰিব লাগিব। সৰ্ব্ব-ভাৰতীয় ফুটবল সন্থাই মনত ৰাখিব লাগিব যে এইচাম উদীয়মান চেমনীয়া খেলুৱৈৰ দ্বাৰাই গঠিত হ'ব ভৱিষ্যতৰ ভাৰতীয় দল। উপযুক্ত প্ৰশিক্ষণ পালে ভৱিষ্যতে আন্তৰ্জাতিক ক্ৰীড়া ক্ষেত্ৰত এওঁলোকে যে ভাৰতৰ নাম উজ্জ্বল কৰিব তাত অকণো সন্দেহ নাই। আমাৰ দেশত কোনো ক্ষেত্ৰতেই প্ৰতিভাৰ অভাৱ নাই; কিন্তু সৰহভাগ প্ৰতিভাই সুযোগ সুবিধাৰ অভাৱত অকালতে মৰহি যায়। অৱশ্যে চাব-জুনিয়ৰ প্ৰতিযোগিতাৰ আয়োজন কৰি AIFF এ সঠিক দিশত আগবাঢ়িছে বুলি কব পাৰি যদিও তাৰ পাছৰ প্ৰশিক্ষণ আদিৰ কাম-কাজ-বোৰ সুচাৰুৰূপে পালন কৰিলে উন্নতিৰ থল আছে।

ভাৰতীয় ফুটবলৰ এই দুৰ্দিনতো ১৯৭৯ চনত প্ৰসূন বেনাৰ্জ্জীৰ নেতৃত্বত মধ্যপ্ৰাচ্যলৈ যোৱা ভাৰতীয় দলটোৰ যোগেদি কিছু আশাৰ ৰেঙনী আমি দেখিবলৈ পাইছো। মধ্যপ্ৰাচ্যৰ ফুটবলৰ মান যথেষ্ট উন্নত। এই দলৰ লগত মেনেজাৰ হিচাবে যোৱা AIFF ৰ সভাপতি শ্ৰীযুত সুকুল আমিন ডাণ্ডৱীয়াই ভাৰতীয় দলৰ খেল প্ৰদ-ৰ্শনত সন্তুষ্ট হৈ কৈছিল— "যোৱা ত্ৰিচ বছৰ ভাৰতীয় ফুটবলৰ লগত সংযুক্ত থকা কাল-চোৱাত ভাৰতীয় দলৰ ইমান উন্নত খেল প্ৰদৰ্শন কৰা চকুত পৰা নাই। তোমালোকে যদি এই খেল প্ৰি-অলিম্পিক প্ৰতিযোগিতাত প্ৰদৰ্শন কৰা তেনেহলে ভাৰতে মস্কো অলি-ম্পিকত ফুটবলৰ মূল প্ৰতিযোগিতাত খেলাৰ যোগ্যতা অৰ্জ্জন কৰিব।" অৱশ্যে ইমানখিনি আশা আমি সদ্যহতে নকৰো। প্ৰি-অলিম্পিক প্ৰতিযোগিতাত ভাৰতীয় ফুটবল দলে উন্নতমানৰ খেল প্ৰদৰ্শন কৰিলেই আমি সন্তুষ্ট হম। ইতিমধ্যে অৱশ্যে এই প্ৰতিযোগিতাৰ প্ৰথমখন খেলতে শক্তিশালী চীনদেশৰ হাতত পেনাল্টিৰ যোগেদি ভাৰতীয় দল এগ'লত পৰাজিত হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে ১৯৭৪ চনৰ এচিয়ান গেমছ্ত [তেহৰাণ] চীনৰ হাতত ভাৰত ৭-১ গ'লত পৰাজিত হৈছিল। ভাৰতে এইদৰে যদি বাকী কেইখন খেলতো ভাল খেল প্ৰদৰ্শন কৰিব পাৰে তেন্তে স্বীকাৰ কৰিবই লাগিব যে সাম্প্ৰতিক সত্তৰ দশকটোলৈ চাই যোৱা দুটা বছৰে ভাৰতৰ ফুটবলৰ মান-দণ্ডলৈ অলপ হলেও উন্নতি আহিছে আৰু সঠিক পথত পৰিচালিত কৰিব পাৰিলে ভাৰ-তীয় ফুটবলে এই ৮০ ৰ দশকটোতেই হৃত-গৌৰৱ পুনৰুদ্ধাৰ কৰি বিশ্ব-ফুটবলৰ আগশাৰীত স্থান লৈ ভাৰতৰ নাম উজ্জলাব পাৰিব।

---

# কটন কলেজ লাইব্ৰেৰী

## এটি ঐতিহাসিক মূল্যায়ন

প্ৰণৱ কুমাৰ তালুকদাৰ, বি-এ
কটন কলেজ পুথিভঁড়াল

"A well equipped and well managed library is, indeed, the foundation stone of modern educational structure. The importance of library in education can be appreciated properly and precisely only if we try to understand the changing concepts of education of today. Education bereft of library service is like a body without soul, a vehicle without an engine and an edifice merely a collection of bricks without cement. Education and library are twin sisters, rather true lovers and one cannot live apart from the other."

অসমৰ অন্যতম আৰু প্ৰাচীন শিক্ষাৰ অনুষ্ঠান কটন কলেজৰ পুথিভঁৰালটোৰ গৌৰৱময় ইতিহাস আপোন আলোকতে উদ্ভাসিত। অসমৰ কলেজীয়া শিক্ষাৰ সম্প্ৰসাৰণতা আৰু আৰু সৃজনীমূলক কৰ্মক্ষেত্ৰত এই কলেজৰ অৱদান আৰু সেই অৱদানত তাৰ পুথিভঁৰালটোৰ গুৰুত্বপূৰ্ণ বৰঙণিৰ কথা কোনেও নুই কৰিব নোৱাৰে। সমগ্ৰ উত্তৰ-পূৱ ভাৰতৰ পুথিভঁৰাল সমূহৰ ভিতৰতে শ্ৰেষ্ঠ এই পুথিভঁৰালে গবেষণা তথা বিশেষ অধ্যয়নৰ প্ৰতি দি অহা অৰিহণা অনস্বীকাৰ্য্য।

১৯০১ চনত স্থাপন হোৱা কটন কলেজ লাইব্ৰেৰীয়ে সমসাময়িক অন্যান্য লাইব্ৰেৰীতকৈ অধ্যয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল আৰু ই আজিও সেই ভূমিকা সগৌৰৱে বহন কৰিছে। এই প্ৰসঙ্গত এই উক্তি মন কৰিব লগীয়া—

"The Calcutta University Commissioon (the Sadler Commission) which visited the college in 1917 have recorded the view that the library of the Cotton college though not large was better organised and better used by the students than but two or three of the many which they had visited." [General Report on Public Instruction in Assam, 1919-20, vol. 1, P. 6]

### ঐতিহাসিক তথ্য

১৯১৩ চনত পুথিভঁৰালটোৰ পৰিচালনাৰ

ভাৰ ন্যস্ত হৈছিল কলেজৰ অভিজ্ঞ অধ্যাপক জনচেৰেকৰে সমৃদ্ধ এক কমিটীৰ ওপৰত। সেই কমিটিয়ে ভালেমান পুথিভঁৰাল সম্পৰ্কীয় সংস্কাৰ, প্ৰণালীবদ্ধ পৰিচালনা, পঢ়ুৱৈৰ অধ্যয়ন পিপাসা আৰু এইবোৰৰ বাবে প্ৰয়োজন হোৱা সুচিন্তিত ব্যয় আদিৰ প্ৰতি থকা কৰ্ত্তব্য সুচাৰুৰূপে পালন কৰিছিল। এই কাৰণতে এতিয়াৰ নিচিনাকৈ সেই সময়তো কটন কলেজ লাইব্ৰেৰী আছিল বহুজনৰ বাবে অধ্যয়নৰ পৰম স্থান। **The *Quinguennial* Renew, 1907-12** ত পোৱা মতে "মহাবিদ্যালয় সমূহৰ পুথিভঁৰালবোৰৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ মনোযোগ দিয়া হৈছিল। অধ্যক্ষ সকলে জনোৱা মতে কটন কলেজ লাইব্ৰেৰীয়েই আছিল একান্ত জনপ্ৰিয়"। (Vol. I. P. 141)।

১৯০৯-১০ চনত পুথিভঁৰালটোত কিতাপৰ সংখ্যা আছিল ২২০০ খন আৰু তাৰ এটা দশকৰ ভিতৰতে ই ৮০০০ ত কৈ বৃদ্ধি পায়। তাৰ পিছৰ কুৰিটা বছৰত কিতাপৰ সংখ্যা হয় দুগুণ আৰু ১৯৩৯-৪০ চনত ই হয় ১৬,৮৯১ খন। কিতাপৰ সংখ্যা এনেদৰে বৃদ্ধি পোৱা বাবেই তেতিয়াৰে পৰা এটা ডাঙৰ ঘৰৰ নিৰ্মাণৰ প্ৰয়োজনীয়তা অনুভূত হয়। কিন্তু আৰ্থিক দিশত থকা অসুবিধা বা আসোঁৱাহৰ বাবেই সেই প্ৰয়োজনীয়তাক বাস্তৱ ৰূপ দিয়াটো আজিও অসম্ভৱ হৈ থাকিল।

১৯২৪ চনত অধ্যক্ষ চুডমাৰ্চন চাহাবে "মুকলি ভঁৰাল" পদ্ধতিৰ সূচনা কৰে। সেই পদ্ধতি ভালে ভালে এবছৰ চলিছিল যদিও বছৰটোৰ শেষৰ ফালে এখন কিতাপ হেৰোৱাত এই পদ্ধতিৰ প্ৰতি সংশ্লিষ্ট অনেকৰে সন্দেহ ওপজে। সেই স্বত্বেও অধ্যক্ষ গৰাকীয়ে তেনে পদ্ধতিকে পৰীক্ষামূলক ভাবে পিছৰটো বছৰলৈ সম্প্ৰসাৰিত কৰে। কিন্তু ইয়াৰে পিছত কিতাপ হেৰোৱা বা চুৰি হোৱাটো সঘনে ঘটিবলৈ ধৰাত পূজাবন্ধৰ পিছতে এই পদ্ধতি বাতিল কৰি দিয়া হয়। ইয়াৰো কেইবা দশকৰ পাছত উক্ত মুক্ত ভঁৰাল (open self) পদ্ধতিৰ পুনৰ সূচনা কৰা হৈছিল কিন্তু একেবোৰ কাৰণতে সেই পদ্ধতি পূৰ্ব্বৰ দৰেই বিলোপ কৰা হয়।

১৯৩৯-৪০ চনত ১৬,৮৯১ খন কিতাপৰ বিপৰীতে বৰ্ত্তমান এই পুথিভঁৰালত আলোচনী আদি লেখত নধৰিও ৭৫,০০০ খন কিতাপ আছে। তাৰ উপৰিও বিভিন্ন আলোচনী, সাময়িকী, প্ৰাসঙ্গিক অধ্যয়নৰ পুথিও ইয়াত আছে।

## পুথিভঁৰালৰ বিভিন্ন শাখা

কটন কলেজ লাইব্ৰেৰীক অন্যান্য লাইব্ৰেৰীৰ নিচিনা কৈ কেইবা শাখাতো ভাগ কৰিব পাৰি।

(ক) **ওপৰঞ্চি অধ্যয়ন শাখা ঃ**

ওপৰঞ্চি অধ্যয়নৰ বাবে এই লাইব্ৰেৰীত **Encyclopaedia Britanica, Pictorial Encyclopaedia, Census Report, Statistical Accounts,** আদি ৰাখি এই শাখা খোলা হৈছে। তদুপৰি বহু বিদেশী পুথিও ইয়াত ৰখা হৈছে।

(খ) **সাময়িকী শাখা ঃ**

**Assam Gazette,** বিভিন্ন সাময়িক পত্ৰ যেনে— **Assam Information, Assam**

Sahitya Sabha Patrika, Geographical Review of India, Reserve Bank Bulletin, Economic and Political weekly, Eastern Anthropologist, Journal of Applied physics, Biometrica আদিৰে এই শাখা পুষ্ট ।

(গ) **সচৰাচৰ পুথিশাখা ঃ**

সকলো দিশ বা সকলো বিষয় সামৰি লোৱা কিতাপৰে এই শাখা সমৃদ্ধ । ৭৫,০০০ ত কৈ অধিক পুথিৰে পুষ্ট এই শাখাকে লাইব্ৰেৰীৰ প্ৰধান শাখা বুলিব পাৰি ।

(ঘ) **গবেষণা শাখা ঃ**

অধ্যাপক আৰু গৱেষণা কাৰ্যত ব্ৰতী পণ্ডিতৰ বাবে কটন কলেজৰ লাইব্ৰেৰীৰ এই শাখা খোলা হৈছে। দৰাচলতে এই শাখাৰ গৱেষণা কাৰ্য্যত অৱদান অনস্বীকাৰ্য্য ।

(ঙ) **অধ্যয়ন কোঠা ঃ**

লাইব্ৰেৰীত বহি পঢ়িব পৰাকৈ বিভিন্ন আলোচনী দেশী বিদেশী, সাময়িকী আৰু ওপৰঞ্চি অধ্যয়নৰ বাবে লগা পুথি-পাজিৰে এই শাখা সমৃদ্ধ।

(চ) **চেমিনাৰ ঃ**

বিভিন্ন স্নাতক শ্ৰেণীৰ মেধাবী ছাত্ৰ-ছাত্ৰীৰ তথা অধ্যাপক-অধ্যাপিকা সকলৰ অধ্যয়নৰ বিশেষ সা-সুবিধা দিবলৈকে এই শাখাৰ সৃষ্টি ।

## পঢ়ুৱৈৰ শ্ৰেণীবিভাগ

এই পুথিভঁৰালটো ঘাইকৈ ব্যৱহাৰ কৰে কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকা সকলে । ইয়াৰ উপৰিও গৱেষণা কাৰ্যত ব্ৰতী ব্যক্তি, অন্যান্য স্বীকৃত অনুষ্ঠানৰ লোকেও সময়ে সময়ে ইয়াক ব্যৱহাৰ কৰে । গুণগত দুৰ্লভ পুথিৰে পুষ্ট আৰু চহকী বুলিয়েই গোটেই উত্তৰ-পূৰ্ব ভাৰতত ইয়াৰ সমাদৰ ।

## কেতবোৰ ভিতৰুৱা কথাৰ আলোকপাত ঃ

পুথিভঁৰাল এটা বিশেষকৈ কটন কলেজৰ দৰে এটা পুথিভঁৰালৰ পৰিচালনা বৰ সহজ সাধ্য কাম নহয় বুলি কলেও বিশেষ একো কোৱা নহয় । পৰিচালনা কাৰ্য্যত নিয়োজিত অন্যতম ব্যক্তিৰূপে জড়িত আমি ইয়াত কিছুমান সংশ্লিষ্ট বিষয় আৰু তথ্যৰ অৱতাৰণা কৰিম ।

(ক) **ব্যয়শিতানৰ অসুবিধা ঃ**

কোনো অনুষ্ঠানেই যথেষ্ট বা প্ৰয়োজনীয় ব্যয় মঞ্জুৰী বিনে নিয়াৰিকৈ চলিব নোৱাৰে । সততে দেখা কথাৰ পৰা এইটো প্ৰতীয়মান হয় যে পুথি ভঁৰালসমূহ সকলো সময়তে এক নিৰ্দ্ধাৰিত আৰু অপৰিকল্পিত ব্যয় শিতানত বৰ্ত্তি থাকে । কটন কলেজ লাইব্ৰেৰীৰ নিচিনা অনুষ্ঠান যোৱা দহ বছৰ ধৰি বাৰ্ষিক কুৰি হেজাৰ টকাৰ অনুদানৰ ওপৰতে নিৰ্ভৰশীল হৈ আছে । বৰ্ত্তমানৰ ব্যয় বহুল পৰিস্থিতিত এই টকাৰে কিমান কিতাপ সংগৃহীত কৰিব পাৰি সি সহজেই অনুমেয় । তদুপৰি এই মঞ্জুৰীও সময়মতে দিয়া নহয় ।

(খ) **অবৈজ্ঞানিক গৃহভৱন ঃ**

বৈজ্ঞানিক পদ্ধতিত নির্মিত গৃহভৱনৰ অভাৱ। সদাবৰ্দ্ধিত কিতাপৰ সংখ্যাৰ বাবে লাইব্ৰেৰীৰ বিভিন্ন শাখাৰ পৰিবৰ্দ্ধনৰ প্ৰয়োজনীয়তা অনেক বছৰৰ অৱহেলিত অভিযোগ। ১৯৪২ চনতে তেতিয়াৰ অধ্যক্ষই লিখিছিল— "The College library is most terribly congested. The main room is very dark and presents a most gloomy appearance. It looks more like a godown of books than a college library." ১৯৪০ চনত ১৬,৮৯১ খন কিতাপৰ পৰিপ্ৰেক্ষিতত কৰা এই দুখজনক উক্তিক, বৰ্ত্তমানৰ ৭৫,০০০ ৰো অধিক কিতাপৰ ভাৰত বিপৰ্য্যস্ত অবৈজ্ঞানিক ভাবে নিৰ্মিত আৰু পৰিচালিত পূৰ্ব্বৰ একেটা গৃহভৱনেই এতিয়া আৰু অধিক দুখজনক কৰি তুলিছে। এই পৰিপ্ৰেক্ষিতত পুথিভঁৰালটিৰ উন্নয়ন আৰু ব্যৱহাৰোপযোগী কৰিবৰ বাবে আমি কেতবোৰ পৰামৰ্শ দিলো—

১। Stock room টো যথেষ্ট পৰিসৰৰ হোৱাটো বাঞ্ছনীয়। আহল-বহল কোঠা আৰু আৰু পোহৰ বতাহ সততে চলাচল কৰা স্থান নহলে কিতাপৰ আয়ুস দীৰ্ঘস্থায়ী নহয় বুলি ব্যক্তিগত অভিজ্ঞতাৰ পৰা আমাৰ বিশ্বাস। তদুপৰি খিৰিকীবোৰত লোৰ জাল দিয়াটোও নিতান্ত প্ৰয়োজনীয় বিষয়।

২। ওপৰত উল্লেখ কৰা Stock room টো পুথিভঁৰালীৰ অথবা পুথিভঁৰালৰ সংশ্লিষ্ট ব্যক্তিৰ দৃষ্টিৰ পৰিসৰত থাকিব লাগে।

৩। Shelf সমূহত পাৰস্পৰিক দূৰত্ব পঢ়ুৱৈৰ চলাচল, অৱস্থান আদিলৈ লক্ষ্য ৰাখি কমেও তিনিফুট হোৱাটো বাঞ্ছনীয়।

৪। গৱেষণা কাৰ্য্যত ব্ৰতী পঢ়ুৱৈৰ অধ্যয়ন কালত সম্পূৰ্ণ আচুতীয়া কোঠাৰ দিহা কৰিব লাগে।

৫। ওপৰত উল্লেখ কৰা পৰামৰ্শবোৰকাৰ্য্যকৰী কৰা হলে open self system পুনৰ প্ৰৱৰ্ত্তন কৰাত অসুবিধা নহব আৰু পঢ়ুৱৈও সেইফালৰ পৰা উপকৃত হ'ব।

(গ) **Shelf সলনিৰ প্ৰয়োজনীয়তা ঃ**

পুৰণিকলীয়া কাঠৰ আচ-বাব পত্ৰতে কিতাপ সমূহৰ অৱস্থান। বহু দুৰ্লভ আৰু মূল্যবান পুথিপাঁজিক steel shelf ৰ অভাৱত, প্ৰাচীন পদ্ধতিত কাঠেৰে নিৰ্মিত shelf তে ৰখা হৈছে। তদুপৰি আগৰ shelf ত পৰিবৰ্দ্ধিত পুথি সংখ্যাক সংৰক্ষণ কৰাটোও সম্ভৱ নহয়। এই দিশত কৰ্ত্তৃপক্ষৰ মনোযোগ বিশেষ দৰকাৰ।

(ঘ) **শোধন সংৰক্ষণ ঃ**

কিতাপ সমূহৰ বৈজ্ঞানিক শোধন সংৰক্ষণ। বহু উন্নত লাইব্ৰেৰীত বছৰি কিতাপ কুটা কীট মৰাত কীটনাশক ঔষধ ব্যৱহাৰ কৰা হয়। এই ব্যৱস্থাৰ অভাৱত ইয়াৰ বহুতো মূল্যবান আৰু আৰু দুৰ্লভ কিতাপ এতিয়া জৰাজীৰ্ণ অৱস্থাত উপনীত অথবা ক্ষয় প্ৰাপ্ত। এই দিশটোও উপেক্ষিত হৈ আছে।

(ঙ) **ওপৰঞ্চি কৰ্ম্মচাৰীৰ অভাৱ ঃ**

ওপৰঞ্চি কৰ্মচাৰীৰ প্ৰয়োজনীয়তা। পুথিভঁৰালৰ আকাৰ আৰু তাৰ বাবে নিয়োজিত

কৰ্মচাৰীৰ সংখ্যা তুলনামূলক ভাৱে আন পুথিভঁৰালতকৈ কম। অথচ এই বিষয়ত বিশেষ গুৰুত্বৰ প্ৰয়োজন আছিল। ইয়াৰ লগতে এই কথাও কোৱা একান্ত উচিত হ'ব যে পুথিভঁৰালৰ দৰে এক অনুষ্ঠানত নিয়োজিত ব্যক্তিসমূহৰ এই বিশেষ কামৰ বাবে কৰ্মক্ষমতা আৰু অসাধাৰণ আগ্ৰহশীলতাৰ অতীব প্ৰয়োজন। নিয়োগৰ সময়ত এই কথালৈ চকু দিয়া উচিত। তাতকৈ ডাঙৰ কথা হ'ল বৰ্ত্তমানৰ গ্ৰন্থাগাৰিক পদটোৰ উন্নীত-কৰণৰ প্ৰয়োজনীয়তা। বৰ্ত্তমানৰ দৰমহাৰ হাৰত এই পদটোৰ পুনৰ দৰমহা নিৰ্দ্ধাৰণ আৰু তাৰ লগতে কম পক্ষেও চাৰিটা সহকাৰী গ্ৰন্থাগাৰিক পদৰ দৰকাৰ বুলি আমাৰ বিশ্বাস। উত্তৰ-পূব ভাৰতৰ ভিতৰতে বৃহৎ এই পুথিভঁৰালটোৰ দায়িত্ব কেৱল এজন গ্ৰন্থাগাৰিকৰ ওপৰতে ন্যস্ত কৰাত এহাতে এজন ব্যক্তিৰ ওপৰত পৰা গুৰুভাৰক আওকাণ কৰাৰ লগতে এই বৃহৎ অনুষ্ঠানটোৰ প্ৰতিও অন্যায় কৰা বুলি অনেকেই চিন্তা কৰে। এই পটভূমিত এই পুথিভঁৰালৰো বাবে চাৰিটা সহকাৰী গ্ৰন্থাগাৰিক পদৰ সৃষ্টি কৰাটো সোনকালেই দৰকাৰ বুলি অনুভূত হৈছে।

(চ) **পঢ়ুৱৈৰ সহযোগিতা ঃ**

আৰু শেষ কথা হ'ল পঢ়ুৱৈৰ সহযোগিতা। দৰাচলতে এই পুথিভঁৰালৰ ক্ষেত্ৰত এই বিষয়েই সকলোৰে দৃষ্টি আকৰ্ষণ কৰা প্ৰয়োজন। পুথিভঁৰালৰ পৰা নিয়া কিতাপৰ সযত্ন ব্যৱহাৰৰ কথা অন্ততঃ ইয়াত সংশ্লিষ্ট পঢ়ুৱৈক দোহাৰিব নালাগে। কিন্তু তাকে কৰিব লগা হৈছে অযত্ন-পালিত বহু মূল্যবান আৰু দুৰ্লভ কিতাপৰ বহু অধ্যায় ম্লান অথবা ক্ষয়প্ৰাপ্ত অৱস্থাত পৰা বাবে। ইয়াৰ পিছতে এই কথা কোৱা ভাল হব যে সময় মতে কিতাপ অনেক ক্ষেত্ৰতে ঘূৰাই নিদিয়াটো পৰিলক্ষিত হয়। এই ক্ষেত্ৰত সকলো শ্ৰেণীৰ পঢ়ুৱৈৰে দায়িত্ববোধ থকা দৰকাৰ। হেৰোৱা কিতাপৰ কথাতো সঁহাৰি নিদিয়াটো অনেক পঢ়ুৱৈৰ অভ্যাসত পৰিণত হৈছে। এইবোৰ কথাত পঢ়ুৱৈৰ সহযোগিতা বিচৰাটোৱেই নিতান্ত দুখ জনক।

সামৰণিত আমি অসমৰ শিক্ষাৰ ক্ষেত্ৰত ব্যাপক আৰু বিস্তৃত অৰিহণা দি অহা এই সৰ্ব্ববৃহৎ আৰু গুৰুত্বপূৰ্ণ অনুষ্ঠান কটন কলেজ পুথিভঁৰালটোৰ সমাগত দিনবোৰত সকলো দিশৰ পৰা উন্নতিৰ পৰা উন্নততৰ হোৱাটো মনে প্ৰাণে কামনা কৰিলো।

# উদ্ভিদৰ সংবেদনশীলতা

শ্ৰীগৌৰী প্ৰসাদ শৰ্মা বেজবৰা
১ম বাৰ্ষিক স্নাতক (বিজ্ঞান)

মধ্যযুগত এৰিষ্টটলৰ সিদ্ধান্ত আছিল যে উদ্ভিদৰ প্ৰাণ থাকিব পাৰে কিন্তু চেতনা নাই। পিচে অষ্টাদশ শতিকাত আধুনিক উদ্ভিদ বিদ্যাৰ জনক কাৰ্ল ভনে মতামত আগবঢ়ায় যে চলন ক্ষমতাহীনতাই প্ৰাণী আৰু উদ্ভিদৰ মাজৰ পাৰ্থক্য। উনবিংশ শতিকাত চাৰ্লচ ডাৰউইনে কয় গছৰো চলন ক্ষমতা আছে। উদাহৰণ স্বৰূপে তেখেতে আকৰ্ষৰ কথা আঙুলিয়াই দিয়ে। অৱশেষত বিংশ শতিকাৰ আৰম্ভণিতে উদ্ভিদবিদ ৰাউল ফ্ৰাংকে মত প্ৰকাশ কৰে যে উদ্ভিদৰো প্ৰাণীৰ লেখীয়া চলন ক্ষমতা আছে। অৱশ্যে ইয়াৰ হাৰ তুলনামূলক ভাৱে তেনেই নগন্য।

ওপৰত উল্লেখ কৰা উদ্ভিদবিদ সকলৰ বক্তব্যৰ পৰা এই কথা স্পষ্ট হয় যে উদ্ভিদ এৰিষ্টটলে বিশ্বাস কৰাৰ দৰে চেতনাবিহীন নহয় বৰং ইয়াৰ গমন শক্তিও আছে।

যদি সঁচাকৈয়ে উদ্ভিদৰ চেতনা আছে তেতিয়া প্ৰশ্ন হয় কিহৰ জৰিয়তে উদ্ভিদে পাৰিপাৰ্শ্বিক পৰিঘটনাৰ দ্বাৰা উত্তেজিত তথা অনুভূত হয়। কাৰণ প্ৰাণীৰ লেখীয়া স্নায়ুতন্ত্ৰটো ইয়াত নাই অৰ্থাৎ স্পৰ্শ, দৃষ্টি, শব্দ, গোন্ধ, স্বাদ আদিৰ জৰিয়তে কিবা অনুভৱ কৰিবলৈ উদ্ভিদৰ চকু, কাণ, নাক, জিভা আদি নাই।

৬ ফেব্ৰুৱাৰী ১৯৬৬ চন। আমেৰিকাৰ অগ্ৰণী 'লাই ডিটেক্টৰ' ক্লি ব্লেকষ্টাৰে এটা 'পলিগ্ৰাফ লাই ডিটেক্টৰ' যন্ত্ৰ সংযোজিত কৰিছিল Dracaena massangeana নামৰ গছ এবিধৰ পাতৰ সৈতে। এই বিশেষ গছবিধ বাচি লোৱাৰ কাৰণ এয়ে আছিল যে সংযোজিত বিদ্যুৎদ্বাৰৰ ভাৰ সহিব পৰাকৈ ইয়াৰ পাতবোৰ ডাঙৰ আৰু ডাঠ।

এই যন্ত্ৰৰ লগত যোজিত গেলভেন'মিটাৰৰ স্পূচক ডালে আনুভূতিক উত্তেজনাৰ প্ৰতিক্ৰিয়াবশতঃ বিচ্যুতি দেখুৱায় অথবা পেঞ্চিল এডালে ঘূৰ্ণায়মান লেখকাগজত 'বেৰগ্ৰাফ'ৰ দৰে লেখ আঁকি যায়। জীৱৰ ক্ষেত্ৰত আনুভূতিক প্ৰতিক্ৰিয়া সৃষ্টিৰ সবাতোকৈ ফলপ্ৰসূ পদ্ধতি হৈছে শাৰীৰিক ক্ষতি সাধনৰ ভাবুকি দিয়া। ব্লেকষ্টাৰে সেয়ে হাতত থকা পিয়লাটোৰ গৰম কফিত গছ জোপাৰ পাত এটা ডুবাই দিলে। কিন্তু গেলভেন'মিটাৰত কোনো বিক্ষেপন পৰিলক্ষিত নহল।

এইবাৰ তেখেতে গছজোপাৰ যিটো পাতত বিদ্যুৎদ্বাৰ সংযোজিত আছিল সেই পাতটোকে জুইশলাৰে পুৰি পেলোৱাৰ কথা মনলৈ আনিলে। নিজৰ ঠাইতে স্থিৰ হৈ থাকি যেতিয়া তেখেতে দগ্ধ পাতটোৰ কথা চিন্তা কৰিলে লগে লগে বিস্ময়কৰ ভাৱে সূচক ডালে বিচ্যুতি দেখুৱালে আৰু লেখ কাগজত উৰ্দ্ধগামী লেখ অংকিত হ'ল। ব্লেকষ্টাৰে ভাবিলে গছজোপাই তেখেতৰ মনোভাৱ কেনেকৈ জানিব পাৰিলে। এইবাৰ তেখেতে এটা জুইশলা বাকচ আনিবলৈ আন এটা কোঠালৈ গ'ল। ঘূৰি আহি লেখডালৰ আৰু অধিক পৰিবৰ্ত্তন দেখা পালে। ইয়াৰ পিচত তেখেতে পাতটো দগ্ধ কৰাৰ অভিনয় কৰিব ধৰিলে। কিন্তু এইবাৰ পলিগ্ৰাফত কোনো প্ৰতিক্ৰিয়া দেখা নগ'ল। ব্লেকষ্টাৰে অৱশেষত ভাবিবলৈ বাধ্য হ'ল গছজোপাই আনকি প্ৰকৃত আৰু ভুৱা ভাবুকিৰ মাজৰ পাৰ্থক্যও ধৰিব পাৰিলে।

বিভিন্ন ঠাইত বিভিন্ন উদ্ভিদৰ ক্ষেত্ৰত সতৰ্কতাৰে পৰীক্ষা কৰি তেখেতে শেষত এই সিদ্ধান্তলৈ আহিল যে গছৰ যিহেতু কোনো বিশেষ স্নায়ু তন্ত্ৰ নাই, ওপৰত বৰ্ণোৱা অনুভূতি এক বিশেষ ব্যৱস্থা যাক "extrasensory perception" (ESP) বুলি কোৱা হয়।

এই ক্ষমতাক কামত খটুৱাই দোষীক ধৰা পেলোৱাৰ ক্ষেত্ৰত উদ্ভিদক ব্যৱহাৰ কৰাৰ পৰিকল্পনা ব্লেকষ্টাৰে কৰে। এইমতে তেখেতৰ গৱেষণাগাৰৰ একেলগে থকা দুজোপা গছৰ এজোপা মাৰি পেলাবলৈ ছজন লোক নিয়োগ কৰে। অৱশ্যে এই ছজনৰ ভিতৰত কোনজনে 'হত্যাকাণ্ড' টো সংঘটিত কৰিব সেয়া এক বিশেষ ব্যৱস্থাৰ দ্বাৰা ঠিক কৰা হ'ল যিটো ব্লেকষ্টাৰ অথবা বাকী পাঁচজনৰ কোনেও নাজনিছিল। কেৱল সাক্ষী ৰব লগৰ গছজোপা। ঘটনা সংঘটিত হোৱাৰ পিছত তেখেতে জীৱিত গছজোপাৰ লগত পলিগ্ৰাফ সংযোজিত কৰি আটাইকেউজন সান্তাব্য অপৰাধীকে কাষেৰে পাৰ হৈ যাবলৈ দিলে। প্ৰকৃত দোষীজন কাষ চপাৰ লগে লগে গেলভেন-মিটাৰত বিচ্যুতি দেখা গ'ল।

একেটা কৌশলকে ব্লেকষ্টাৰে নিউজাৰ্চিৰ এটা কাৰখানাত হোৱা হত্যাকাণ্ডৰ অপৰাধী ধৰা পেলোৱাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰে। হত্যাকাণ্ডটোৰ প্ৰত্যেক্ষদৰ্শী দুজোপা টাৰত ৰোৱা গছৰ লগত পলিগ্ৰাফ যন্ত্ৰ সংযোজিত কৰি গধূলিৰ খেপত কাম কৰা সমূহ শ্ৰমিকক এজন এজনকৈ পাৰ হৈ যাবলৈ দিলে। কিন্তু গেলভেন'মিটাৰে কোনো আচহুৱা বিচ্যুতি নেদেখুৱালে। কাৰণ হত্যাকাৰী কাৰখানাৰ কোনো শ্ৰমিক নাছিল বাহিৰৰ পৰা আহিছিল।

এই পৰীক্ষাৰ ফলসমূহে অপৰাধ অনুসন্ধান কাৰ্য্যত উদ্ভিদৰ ব্যৱহাৰৰ সম্ভাৱনকেই উজ্জ্বল

কৰি দিয়ে। ব্লেকষ্টাৰে মত প্ৰকাশ কৰে যে উদ্ভিদৰ সংবেদন শীলতাক হাবি-বননিত যুদ্ধৰ সময়ত শত্ৰুপক্ষৰ আগমনৰ আগলিবতৰা দিয়াৰ কাৰ্য্যত ব্যৱহাৰ কৰিব পাৰি। আনকি মানসিক চিন্তাধাৰাতে উদ্ভিদক বিভিন্ন ধৰণৰ প্ৰয়োজনীয় নিৰ্দেশাদি দিয়াৰ কাৰ্য্যত ব্যৱহাৰ কৰিব পাৰি বুলি তেখেতে মত প্ৰকাশ কৰে।

ব্লেকষ্টাৰৰ পিচতে ESP ৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলোৱা ব্যক্তি সকলৰ ভিতৰত নিউ জাৰ্চিৰ ইলেকট্ৰনিক্‌চ বিশেষজ্ঞ চ'ভিনৰ নাম উল্লেখযোগ্য। এখেতে ব্লেকষ্টাৰৰ পলিগ্ৰাফ যন্ত্ৰতকৈ অধিক সুবেদী এক প্ৰকাৰ যান্ত্ৰিক কৌশল উদ্ভাৱন কৰে যি অধিকতৰ সূক্ষ্মতাৰে উদ্ভিদৰ সংবেদনশীলতাক চিহ্নিত কৰিব পাৰে। ব্লেকষ্টাৰে কোৱাৰ দৰে চ'ভিনে নিজ ইচ্ছা শক্তিৰ জৰিয়তে উদ্ভিদ নিয়ন্ত্ৰক তথা নিৰ্দেশক ৰূপে ব্যৱহাৰ কৰি যাৱতীয় কাৰ্য্য সম্পাদনৰ কথা চিন্তা কৰে। এইমতে তেখেতে এখন পুতলা বৈদ্যুতিক ৰেলগাড়ীক উদ্ভিদৰ জৰিয়তে নিজা ইচ্ছাশক্তিৰ মাধ্যমেৰে অগা-পিচা কৰোৱাৰ কথা ভাবে। যেতিয়াই ইঞ্জিনটো চলিবলৈ আৰম্ভ কৰে তেতিয়াই চ'ভিনে আগেয়ে ঠিক কৰি থোৱা যান্ত্ৰিক কৌশলৰ দ্বাৰা এক বৈদ্যুতিক 'শ্বক' দেহত অনুভৱ কৰে। এই 'শ্বক' পিছত তেখেতৰ মানসিক প্ৰতিক্ৰিয়াৰ পলিগ্ৰাফ সংযোজিত Philodendron cordatum নামৰ গছজোপাই ESPৰ জৰিয়তে অনুভৱ কৰে আৰু সেয়ে গেলভেন'মিটাৰৰ সূচকে বিক্ষেপন দেখুৱায়। এই বিক্ষেপনেই এক প্ৰকাৰ নিৰ্দেশ যাৰ দ্বাৰা এক বিশেষ 'চুইচ' কাৰ্য্যক্ষম হয়, ৰেলগাড়ীখন বিপৰীত দিশত চলিবলৈ বাধ্য কৰে। এই ক্ষেত্ৰত চ'ভিনৰ মানসিক স্থিতিৰ দ্বাৰা উত্তেজিত হৈ গছজোপাই হে গাড়ীখনৰ গতিবিধি নিয়ন্ত্ৰন কৰিছে। ভাবি চাওকচোন যদিহে এদিন এঠাইত বহি থাকিয়েই যদি বৈদ্যুতিক হিটাৰ, মটৰ-গাড়ীৰ ইঞ্জিন আদি ইচ্ছাশক্তিৰে উদ্ভিদৰ নিৰ্দেশত কৰ্মক্ষম কৰিব পৰা যায় কেনে হব বাৰু? আকৌ হাড় কপোৱা শীতৰ নিশা ঘৰলৈ ঘূৰি আহোতে আপোনাৰ ইচ্ছানুসাৰে চিনাকি গছজোপাৰ নিৰ্দেশত যদি মুকলি হৈ যায় কেনে লাগিবনো?

উদ্ভিদৰ সংবেদনশীলতাৰ বিষয়ে গবেষণা কৰা আন এগৰাকী গৱেষক কেলিফৰ্ণিয়াৰ ভ'গেলে মানুহ আৰু উদ্ভিদৰ মাজত থকা ওপৰত বৰ্ণোৱা যোগসূত্ৰৰ আঁৰত এক প্ৰকাৰ 'psychic energy' ৰ উপস্থিতিৰ কথা উল্লেখ কৰে। এবাৰ ভ'গেলে তেখেতৰ এগৰাকী মনোবিজ্ঞানিক বান্ধৱীৰ সৈতে এই 'psychic energy' ৰ সম্পৰ্কত আলোচনা কৰে। এই শক্তিৰ উপস্থিতি ধৰা পেলাবলৈ এই গৰাকী মনোবিজ্ঞানীয়ে এটা পৰীক্ষা কৰে। এজোপা গছৰ পৰা তেখেতে দুটা পাত চিঙি আনি নিজৰ বিচনাৰ কাষত বেলেগে বেলেগে থলে। প্ৰতিদিনে পুৱা তেখেতে মনোযোগেৰে চকু ফুৰায় আৰু আনটোৰ প্ৰতি অকণো মন নিদিয়ে। এনেদৰে এমাহ পাৰ হোৱাৰ পিছত এদিন বিজ্ঞানী গৰাকীয়ে ভ'গেলক মাতি পঠালে। ভ'গেলে দেখি আচৰিত হ'ল যে যিটো গছপাতৰ প্ৰতি তেখেতৰ বান্ধৱীয়ে অকণো মনোনিবেশ কৰা নাছিল সেইটো শুকাই মুগা বৰণীয়া হৈ পৰিছে আৰু আনটো খুবেই সতেজ আৰু সেউজীয়া হৈ আছে। একেটা পৰীক্ষা ভ'গেলে

কৰিও একেই ফলাফল পালে। 'psychic energy' ৰ ক্ষমতা নিজ চকুৰে দেখিবলৈ পালে। তেখেতে দাবী কৰিলে যে মানুহে নিজৰ চিন্তা-ধাৰাৰে উদ্ভিদক অনুভূত কৰাব পাৰে।

"It is fact ; man can and does communicate with plant life. Plants are living objects, sensitive, rooted in space. They may be blind, deaf and dumb in the human sense, but there is no doubt in may mind that they are extremely sensitive instruments for measuring man's emotions." —বুলি ভ'গেলে মত ব্যক্ত কৰে।

এইবিধ শক্তিক আনকি বিমান বন্দৰত সাম্ভাব্য বিমান অপহৰণকাৰীক কৰায়ত্ত কৰিবলৈকো ব্যৱহাৰ কৰিব পৰা যাব পাৰে। যদিও এজন বিমান দস্যু নিৰাপত্তা সম্পৰ্কীয় খানতালাচি কেনেবাকৈ নিৰাপদে পাৰহৈ যাব পাৰে তথাপিতো তেওঁৰ মানসিক উচ পিচনি 'চোৰাংচোৱা গছজোপাৰ লগত সংযোজিত গেলভেন'মিটাৰ তথা অন্যান্য সুবেদী যন্ত্ৰত ধৰা পৰি যাব। বৰ্ত্তমানে উদ্ভিদ আৰু প্ৰাণীৰ মাজত যোগা-যোগ স্থাপনৰ হেতু psychic energy ক মানুহৰ মনৰ অৱস্থাক ধৰা পেলাবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্থল আৰু নৌ বাহিনীত ব্যৱহাৰ কৰাৰ কথা ভবা হৈছে।

উদ্ভিদৰ সংবেদনশীলতাৰ সম্পৰ্কত চলোৱা গৱেষণা যে কেৱল আমেৰিকা যুক্তৰাষ্ট্ৰতহে আৰদ্ধ আছে এনে নহয়। একে সময়তে ছোভিয়েত যুক্তৰাষ্ট্ৰত বিভিন্ন গৱেষণা প্ৰতিষ্ঠানত এই সম্পৰ্কে গৱেষণা চলিব লাগিছে আৰু অনেক ন ন তথ্য পোহৰলৈ আহিছে।


1. The Secret Life of Plants.
—Peter Thompkin & Christopher Bird.
2. Science Today—Nov. 1979.


আনহাতে আকৌ ব্লেকষ্টাৰ, ভ'গেল আদিৰ সিদ্ধান্ত সমূহ বিভিন্ন মহলত সমালোচনাৰ সন্মুখীন হৈছে। কৰ্ণেল বিশ্ববিদ্যালয়ৰ E. L Gasteiger আৰু কেইগৰাকীমান সহযোগীয়ে ব্লেকষ্টাৰে আগ বঢ়োৱা তেখেতৰ পৰীক্ষাৰ চৰ্ত্তাৱলী আখৰে আখৰে অনুকৰণ কৰাৰ উপৰিও অত্যন্ত সুবেদী যান্ত্ৰিক কৌশলৰ সহায় লৈও উদ্ভিদৰ প্ৰাথমিক অনুভূতিৰ উপস্থিতিৰ কোনো ইতিবাচক প্ৰমাণ নাপালে। এওঁলোকৰ মতে ব্লেকষ্টাৰৰ সিদ্ধান্তটোৱেই এটা কুচক্ৰী কল্পনা যিটো কেৱল তেখেতৰ সীমিত সংখ্যক তথ্যইহে সমৰ্থন কৰে। অৱশ্যে ব্লেকষ্টাৰে তেখেতৰ পৰীক্ষাসমূহৰ পুনৰাবৃত্তিৰ ক্ষেত্ৰত মূল গৱেষণাৰ সকলোবোৰ চৰ্ত্তৰ সফল অনুকৰণ তথা একে পৰি-বেশ সৃষ্টিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। আকৌ এনে সমালোচনাৰ উত্তৰত ভ'গেলে কয়—

"Hundreds of laboratory workers around the world are going to be frustrated and disappointed until they realise that empathy between plant and human is a key, and learn how to establish it. No amount of checking in laboratories is going to prove a thing, until the experiment are done by properly trained observers. Many scientist do not realise that the expe-rimenters must become part of their experiments."

সেয়ে বৰ্ত্তমান ESP এক বিতৰ্কমূলক বিষয় হৈ পৰিছে, আৰু ইয়াৰ যুক্তিযুক্ততা অতিশয় জটিল যান্ত্ৰিক কৌশল ব্যৱহাৰৰ দ্বাৰা চলোৱা ভৱিষ্যৎ গৱেষণাইহে প্ৰতিপন্ন কৰিব পাৰিব। ● ● ●

# পিৰামিডৰ ক্ষমতা

**॥ দীপঙ্কৰ মেধি ॥**
২য় বাৰ্ষিক, স্নাতক ( বিজ্ঞান শাখা )

পিৰামিডৰ ক্ষমতা ? কথাটো শুনিলে আগৰ দিনৰ ৰজাৰ হাতত থকা ক্ষমতাৰ দৰেই ভাব হয়। কিন্তু কথাটো ঠিকেই পিৰামিড ক্ষমতাই বুলিব পাৰি। যদি ই মাংস সংৰক্ষণ কৰিব পাৰে, ডাড়ি খুৰোৱা ব্লেডৰ ধাৰ বঢ়াব পাৰে, মদৰ গুণ বঢ়াব পাৰে, প্ৰজনন ক্ষমতা বঢ়োৱাত সহায় কৰে, গাখীৰ নষ্ট হোৱাৰ পৰা ৰক্ষা কৰে, গাৰ বিষ উপশম কৰিব পাৰে, তেন্তে তাক পিৰামিডৰ ক্ষমতাৰ বাহিৰে আন কি বুলিনো কব পাৰি ?

এই ক্ষমতাৰ বিষয়ে আলোচনা কৰাৰ আগতে পিৰামিড সম্বন্ধে কিছু কথা কোৱা ভাল হ'ব। পিৰামিড বুলিলেই আমাৰ মিচৰৰ গিৰ্জাৰ বিখ্যাত পিৰামিডটোৰ কথা মনলৈ আহে। এই পিৰামিডটো বিশ্বৰ সাতোটা প্ৰধান আশ্চৰ্য্যৰ অন্যতম। এই পিৰামিডটো হ'ল মিচৰৰ ৰজা অৰ্থাৎ ফাৰাও চিওপৰ সমাধিস্থলি। এই জনা ফাৰাও আজিৰ পৰা পাঁচ হাজাৰ বছৰ পূৰ্বে মিচৰত ৰাজত্ব কৰা বুলি অনুমান কৰা হয়। আচৰিত কথা এই যে পিৰামিডৰ ভিতৰত থকা ফাৰাওৰ মৃতদেহ প্ৰথম আৱিস্কাৰ কৰোতে গেলি-পচি নোযোৱাকৈ সম্পূৰ্ণ ভাল অৱস্থাত পোৱা গৈছিল। এইবোৰকেই 'মামী' আখ্যা দিয়া হয়। আজিৰ পৰা প্ৰায় পাঁচ হাজাৰ বছৰ আগতেই পিৰামিডৰ দৰে এক বিশাল স্তূপ নিৰ্মাণ কৰাৰ কথাটো বেচ আচৰিত হবলগীয়া Encyclopedia Britanica অ গিৰ্জাৰ পিৰামিডটো 'সম্ভৱত ঃ পৃথিৱীৰ একমাত্ৰ সবাটোকৈ ডাঙৰ মানুহে মিৰ্মাণ কৰা স্তূপ' বুলি কৈছে। এই পিৰামিডটো ২,৩০০,০০০ টুকুৰা সমান সমান আকৃতিৰ ২½ টনৰ পৰা ১৫ টন ওজনৰ শিলৰ দ্বাৰা নিৰ্মিত। সেই সময়ত কপিকলৰ আৱিস্কাৰ হোৱা নাছিল, সেয়েহে এই পিৰামিডটো কেনেদৰে নিৰ্মাণ কৰিলে সেই বিষয়ে নানান মতামত শুনা যায়। বেছি ভাগেই মতপোষণ কৰে যে প্ৰথমে এখন প্ৰকাণ্ড হেলনীয়া তল নিৰ্মাণ কৰি তাৰ সহায়ত শিলাখণ্ডবোৰ নি উপযুক্ত ঠাইত বহুৱাই পিৰামিডটো নিৰ্মাণ কৰা হৈছিল। এই বিশাল স্তূপ নিৰ্মাণৰ বাবে প্ৰায় এক লাখ খেতিয়ক জাতীয় শ্ৰমিকক নিয়োগ কৰা হৈছিল। বছৰটোৰ বান হৈ যোৱাৰ পিছত পুনৰ শস্য ৰুবলৈ লোৱাৰ মাজৰ সময়চোৱাত এই শ্ৰমিক

সকলক তিনিমাহ নির্মাণৰ কামত খটুৱাই প্ৰায় বিশৰ পৰা ত্ৰিশ বছৰৰ ভিতৰত পিৰামিডটোৰ নির্মাণ কার্য্য সম্পূর্ণ কৰা হয় বুলি সাধাৰণতে কোৱা হয়। (অৱশ্যে এৰিক ভন ডেনিকেনৰ মতে এই পিৰামিডটো নির্মাণ কৰিবলৈ কমেও ছয়শ বছৰ লাগিছিল!) মৰুভূমিৰ মাজত অৱস্থিত গির্জাৰ এই পিৰামিডটো মুঠতে প্ৰায় ৪৮০ ফুট ওখ (ক্ষয়ীকৰণৰ ফলত বর্তমান ইয়াৰ উচ্চতা প্ৰায় ৪৫৮ ফুট)। ইয়াৰ প্ৰত্যেক ফালটোৱেই হৈছে চাৰিটা প্ৰায় সমান আকৃতিৰ সমদ্বিবাহু ত্ৰিভুজ। এই ত্ৰিভুজৰ ভূমিৰ দৈর্ঘ্য প্ৰায় ৭৬১ ফুট। প্ৰত্যেকটো সমদ্বিবাহু ত্ৰিভুজ আকৃতিৰ ফালে ভূমিৰ লগত ৫১ ডিগ্ৰী কোণ কৰি হেলনীয়া হৈ আছে। এই পিৰামিডৰ বর্গাকাৰ ভূমি খণ্ড পূব-পশ্চিম আৰু উত্তৰ-দক্ষিণ অক্ষত নির্মিত। গির্জা পিৰামিডটোৰ উপৰিও কেইবাটাও সৰু-বৰ পিৰামিড মিচৰ অঞ্চলত দেখিবলৈ পোৱা যায়। মুঠতে এটা কথাই কব পাৰি যে এই পিৰামিড বিলাক জ্যামিতিৰ এক অপূর্ব প্রতিফলন।

ইতিহাসৰ নানান সময়ত এই পিৰামিডৰ ভিতৰত আচৰিত আচৰিত ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা যায়। আনকি নেপোলিয়নে এৰাতি পিৰামিডৰ ভিতৰত বাস কৰাৰ পিচত এই অভি-জ্ঞতাৰ বিষয়ে প্ৰকাশ কৰিব খোজা নাছিল একমাত্ৰ মানুহে বিশ্বাস নকৰিব বুলি ভাৱিয়েই। কিন্তু এই পিৰামিডৰ ভিতৰত থকা আচৰিত শক্তিৰ কথা প্ৰথম সকলোৰে চকুত পৰে ১৯৭০ চনত 'চাইকিক ডিচ্‌কোভাৰিজ্‌ বিহাইণ্ড্‌ দি আইৰণ কাৰটেইন' নামৰ কিতাপখনি প্ৰকাশ হোৱাৰ পিছত। এই কিতাপখনিৰ লিখকদ্বয় হ'ল ছিলা ওচ্‌ট্ৰেন্‌ডাৰ আৰু লিন স্কোৰেডাৰ। এই লিখকদ্বয়ে পুথিখনিত উল্লেখ কৰে যে এজন সাধাৰণ ফঁৰাচী লোকৰ অনুসন্ধিৎসু মন আৰু আৱিস্কাৰৰ ফলতেই আজি পিৰামিডৰ ক্ষমতা ইউৰোপৰ জেকচ্‌লোভাকিয়াত বাণিজ্যিক ব্যৱহাৰ হৈ পৰিছে। এই বোভিচ (Bovis) নামৰ ফঁৰাচী লোকজনে আজিৰ পৰা প্ৰায় ৪০/৫০ বছৰ আগতে বিখ্যাত পিৰামিডটো চাবলৈ গৈছিল। এই পিৰামিডটোৰ এক-তৃতীয়াংশ উচ্চতাত ৰজাৰ কোঠা (King's Chambr) টো অৱস্থিত। এই কোঠাটোত এটা পাত্ৰত তেওঁ কিছুমান সৰু জন্তুৰ মৃতদেহ দেখা পালে। তেওঁ এই বিষয়ে অনুসন্ধান কৰাত তেওঁক কোৱা হ'ল যে কিছুমান সৰু জন্তুৱে কেতিয়াবা পিৰামিডৰ ভিতৰত সোমোৱাৰ পিচত বাট হেৰুৱায় আৰু খাবলৈ নোপোৱাৰ ফলত মৃত্যুমুখত পৰে। তেতিয়া এই মৰা জন্তুবোৰ বিচাৰি পালে পাত্ৰটোত থৈ দিয়া হয়। পাত্ৰটো ভৰি পৰিলে তাৰ কিছুমান বাহিৰত আনি পুতি থোৱা হয় আৰু এইটো প্ৰক্ৰিয়াই চলি থাকে। কিন্তু বোভিচে এটা কথা লক্ষ্য কৰিলে যে পাত্ৰটোত থকা মৃত জন্তুবোৰ অলপো নষ্ট হৈ যোৱা নাই। এই কোঠাটোৰ আৰ্দ্ৰতা অতিমাত্ৰ হোৱা স্বত্বেও, এই জন্তুবোৰ নির্জলীকৃত (dehydrate) হৈছে আৰু লগে লগেই মামীকৃত (mummify) হৈছে। বোভিচে ঘৰলৈ আহি পিৰামিডৰ এটা সৰু আৰ্হি তৈয়াৰ কৰিলে আৰু ইয়াৰ ভিতৰত তৃতীয়াংশ উচ্চতাৰ এখন সৰু প্লেটফ'র্ম সাজি দিলে। তেওঁ এই এক-তৃতীয়াংশ উচ্চতাৰ প্লেটফ'র্মত এটা মৰা মেকুৰী থৈ দিলে. আৰু কিছুদিনৰ পিচত দেখিবলৈ পালে যে ই

মামীত পৰিণত হৈছে। তেওঁ এইদৰে আন আন জৈৱ থৈও সুফল পালে।

বোভিচে এইবোৰ কথা প্ৰকাশ কৰিলে। বহুদিন এইবোৰ কাৰো দৃষ্টিগোচৰ হোৱা নাছিল। বোভিচৰ প্ৰকাশিত তথ্য কিন্তু চকুত পৰিল আৰু ধাৰ নাইকিয়া হোৱা ব্লেড থৈ দিলে ধাৰ হৈ উঠে। সেয়ে ড্ৰুবলে ১৯৫৯ চনত সেই দেশৰ চৰকাৰৰ পৰা এই পিৰামিডৰ বাবে পেটেণ্ট (Patent) বিচাৰিলে। পেটেণ্ট অফিচে এনে ঘটনা সম্ভৱ হ'ব পাৰে বুলি বিশ্বাসেই নকৰিলে




শিল্পীৰ কল্পনাত পিৰামিড নগৰ। যদি পিৰামিডৰ ভিতৰত এক আচৰিত শক্তি সঁচাকৈয়ে নিহিত হৈ তাছে, তেন্তে গেচ, তেল, বিদ্যুত আদিৰ কোনো আৰশ্যক নোহোৱাকৈ এই পিৰামিড নগৰ সাঁজি নাচাওঁ কিয় ?

[ শিল্পী ঃ ডেভিদ মিলমেন। উৎস—Science Digest. (New York) Vol. 79 No. 2 সংখ্যা। ]

জেকচ্‌লোভাকিয়াৰ এজন ৰেডিঅ' অভিযন্তা কৰেল ড্ৰুবল ( Karel Drubal )ৰ। তেওঁ জৈৱ লৈ কিছুমান পৰীক্ষা কৰি সুফল পোৱাৰ পিচত ব্লেড আদি থৈ চালে কিবা সুফল পোৱাৰ আশাত। তেওঁ মন কৰিলে যে এনেদৰে থোৱা ব্লেডবোৰৰ ধাৰ সাধাৰণ ব্লেডতকৈ বহু বেছি দিন থাকে আৰু তেওঁলোকৰ নিজা বিজ্ঞানীৰ হতুৱাই পৰীক্ষা কৰি চালে। যেতিয়া পৰীক্ষাৰ পৰা সুফল পালে তেতিয়াহে এই বস্তুটো পেটেণ্ট নং ৯১৩০৪ হিচাবে পঞ্জীয়ন ভুক্ত কৰিলে। ড্ৰুবলে ইয়াৰ নাম ৰাখিলে 'Pyramid Razor Blade Sharpener'।

বোভিচ আৰু ড্ৰুবলৰ এই আৱিষ্কৃত তথ্য পাতি

ওপৰত উল্লেখিত কিতাপ খনত প্ৰকাশ পোৱাৰ লগে লগেই ই বহুলোকৰ দৃষ্টিগোচৰ হয়। লগে লগে পিৰামিডৰ আৰ্হিকলৈ নানান বস্তু ইয়াৰ ভিতৰত থৈ পৰীক্ষা চলিবলৈ ধৰিলে আৰু পোৱা গ'ল পিৰামিডৰ ভিতৰত এক-তৃতীয়ায়াংশ উচ্চতাত শুলে বিষ হোৱা দাঁতৰ বিষ এৰাতিৰ ভিতৰতে উপসম হোৱাটো, এৰাতি পিৰামিডৰ ভিতৰত শুলে বা পিৰামিডত এৰাতি থোৱা পানী পান কৰিলে প্ৰজনন ক্ষমতা বৃদ্ধি পোৱাটো ইত্যাদি ফল বিলাক।

কানাডাৰ এৰিক মেকৃলুহান নামৰ ইলেকৃট্ৰনিক বিশেষজ্ঞ এজনে পিৰামিডৰ আৰ্হি লৈ পৰীক্ষা-নিৰীক্ষা চলোৱা আন এজন লোক। তেওঁ ব্লেড আৰু মাংস পৰীক্ষাৰ বস্তু হিচাবে লয়। তেওঁ ব্লেডৰ ক্ষেত্ৰত ড্ৰুবলৰ দৰেই আশানুৰূপ ফল পায়। মাংসখিনি ২০ দিন থৈ দিয়াৰ পিচতো বেয়া গোন্ধ নোলোৱা বা নষ্ট নোহোৱা ঘটনাটো পৰিলক্ষিত হয়। তেওঁ এনেদৰে এশটামান কণীও মামীকৃত কৰে।

ইমানখিনি পঢ়াৰ পিচত কিছুমান অনুসন্ধিৎসু পাঠকৰ নিশ্চয় নিজৰেই এটা সৰু পিৰামিড তৈয়াৰ কৰিবৰ ইচ্ছা হৈছে। সেয়ে এই খিনিতেই কিদৰে এটা সৰু পিৰামিড তৈয়াৰ কৰিব পাৰি তাৰ নমুনা উল্লেখ কৰা হ'ল। প্ৰথমে কিছুমান ভাল কাৰ্ডবৰ্ড সংগ্ৰহ কৰিব লাগে। ইয়াৰে এখনত এটা সমদ্বিবাহু ত্ৰিভুজ, যিটোৰ ভূমিৰ দৈৰ্ঘ্য ৯$\frac{৩}{৪}$ ইঞ্চি আৰু সমান বাহু দুটাৰ দৈৰ্ঘ্য ৮$\frac{৭}{৮}$ ইঞ্চি, আঁকি লব লাগে। এই সমদ্বিবাহু ত্ৰিভুজটো কাটি উলিয়াই ইয়াৰ ঠিক সমানকৈ আৰু তিনিটা ত্ৰিভুজ কাটি লওঁক। এতিয়া এটা ত্ৰিভুজৰ লগত আনটো এঠালেটিয়া টেপৰ সহায়ত এনেদৰে জোৰা দিয়ক যাতে ই পিৰামিড এটাৰ ৰূপ লয়। এতিয়া এই পিৰামিডটোৰ আন এখন কাৰ্ডবৰ্ডত থৈ ইয়াৰ ভূমিফাল সমানকৈ কাটি লওঁক। এইটো এটা বৰ্গক্ষেত্ৰ হব আৰু ইয়েই হ'ল পিৰামিডৰ ভূমি। এই ভূমিৰ কেন্দ্ৰৰ মাজেদি দুডাল সৰলৰেখা এনেদৰে টানিব লাগে যাতে চাৰিটা সৰু সমান বৰ্গ পোৱা যায়। এতিয়া প্ৰায় দুই ইঞ্চি ওখ এটা সৰু বাকচ তৈয়াৰ কৰা হ'ল। বাকচটোৱে পিৰামিডৰ ভিতৰত বস্তু থোৱা প্লেটফৰ্মৰ কাম কৰিব; কাৰণ ইয়াৰ উচ্চতা (দুই ইঞ্চি) পিৰামিডৰ উচ্চতাৰ এক-তৃতীয়াংশ।

পিৰামিডৰ ভিতৰত কোনো এটা পৰীক্ষা আৰম্ভ কৰাৰ আগতে পিৰামিডৰ অন্ততঃ ছয়/সাঁত ফুটৰ ভিতৰত যাতে ৰেডিঅ', বৈদ্যুতিক যন্ত্ৰ-পাতি, ৰেডিয়েটৰ খিৰিকি আদি নাথাকে বা সঘনাই তাপমাত্ৰাৰ কম-বেছি হব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। পৰীক্ষা আৰম্ভ কৰাৰ আগতে এডাল কম্পাচৰ সহায়ত পৃথিৱীৰ চুম্বকক্ষেত্ৰৰ উত্তৰ-দক্ষিণ অক্ষ নিৰক্ষণ কৰি পিৰামিডৰ ভূমিৰ মাজেদি টনা ৰেখা দুডালৰ যি কোনো এডাল এই অক্ষৰ দিশত ৰাখিব লাগে। এতিয়া প্লেটফৰ্মখন ভূমিৰ ঠিক কেন্দ্ৰতে স্থাপন কৰা হ'ল। যদি এইখন আয়তাকৃতিৰ হয়, তেন্তে ইয়াক দীঘলীয়াকৈ উত্তৰ-দক্ষিণ দিশত কেন্দ্ৰত থব লাগে। এতিয়া পাঠকসকলে তেওঁ লোকৰ পৰীক্ষা আৰম্ভ কৰিব পাৰে।

মৃত জন্তুৰ আদিৰ পৰা আৰম্ভ কৰি গছৰ পৰা চিঙি অনা ফুল, ভালে থকা মাংস, সতেজ

ফল-মূল, শাক-পাচলিলৈ সকলোবোৰ বস্তুকেই পিৰামিডৰ ভিতৰত ৰাখি ইয়াৰ গুণা-গুণ পৰীক্ষা কৰিব পাৰি। যদি পৰীক্ষাৰ বাবে লোৱা বস্তু এটা দীঘলীয়া হয় তেন্তে তাক পিৰামিডৰ প্লেটফ'র্মত উত্তৰ-দক্ষিণ দিশত থব লাগে। সকলো ব্যৱস্থা ঠিক থাকিলে, নষ্ট বা গোন্ধ নোলোৱাকৈ এই বস্তুবোৰ নির্জলীকৃত হব আৰু লগে লগেই মামীকৃত হব। এটা বস্তু পিৰামিডত থওঁতে অনুৰূপ বস্তু এটা বেলেগকৈ বাহিৰত থৈ (পিৰামিডৰ পৰা কিছু দূৰত) দিলে পৰীক্ষাৰ পিচত বস্তু দুবিধৰ তুলনা কৰিবলৈ যথেষ্ট সুবিধা হোৱাৰ লগতে পিৰামিডত থোৱা বস্তুৰ পিৰামিডৰ পৰা পোৱা বিশেষ গুণবোৰ লক্ষ্য কৰাত সুবিধা হয়। আচৰিত লাগে পিৰামিডৰ ভিতৰত ৰখা কল আদি ফল থাবলৈ বেচ সোৱাদ হোৱা দেখি। ব্লেড লৈ পৰীক্ষা কৰোতে, ব্লেডখন আগতে তিনি-চাৰি বাৰ মান ব্যৱহাৰ কৰি লৈ ইয়াৰ ধাৰ কমা যেন লাগিলে পিৰামিডত থব লাগে (মনত ৰখা উচিত যে ব্লেডখনৰ মুৰ দুটা যাতে উত্তৰ-দক্ষিণ দিশত ৰখা হয়)। সাতদিনমান থৈ দিয়াৰ পিচত ইয়াক ব্যৱহাৰ কৰি গুণা-গুণ পৰীক্ষা কৰি চাব পাৰি। দুবাৰ ব্যৱহাৰ কৰাৰ মাজৰ সময়খিনিত ব্লেডখন পিৰামিডতে থৈ দিয়াটো ভাল। পৰীক্ষা কৰি পোৱা গৈছে যে এইদৰে একোখন ব্লেড অনায়াসে ৪০/৫০ বাৰ ব্যৱহাৰ কৰিব পাৰি।

পিৰামিডৰ ক্ষমতা সম্বন্ধে এনেবোৰ কথা জনাৰ পিচত আমাৰ মনত সঘনে কিছুমান প্ৰশ্নৰ উদয় হোৱাৰ লগতে কিছুমান প্ৰশ্নৰ সমাধানো পাইছো। পিৰামিডৰ ভিতৰত কিয় মৃতদেহ নষ্ট নোহোৱাকৈ ভাল অৱস্থাত 'মামী' ৰূপে আজিও পোৱা গৈছে তাৰ আংশিক ভাৱে হ'লেও সমাধান পোৱা গৈছে। আজি বেচ কিছুদিন আগলৈকে (অৱশ্যে কিছুমানে আজিও) মৃতদেহবোৰত কিছুমান ৰাসায়নিক পদাৰ্থ প্ৰয়োগ কৰি এইবোৰ নষ্ট নোহোৱাকৈ মামী হিচাবে ৰখা হৈছে বুলি ভবা হৈছিল। কিন্তু পিৰামিড সম্বন্ধে বৰ্ত্তমানে আমি যি জানিব পাৰিলো তাৰ পৰা এই সিদ্ধান্তত আহিব পাৰো যে পিৰামিডৰ ভিতৰত নির্দিষ্ট উচ্চতাত মৃতদেহ এটা এক বিশেষ ভাৱে থৈ দিলেও পিৰামিডৰ এই আচৰিত গুণৰ সহায়ত মৃতদেহ মামী অৱস্থাপ্ৰাপ্ত হয়। (প্ৰশ্ন হয়, এই বিশেষ ঘটনাটো সেই সময়ৰ মিচৰীয় সকলে জানিয়েই মৃতদেহবোৰ এইদৰে থৈছিল নেকি?) ইয়াৰ সমৰ্থনত আমি আৰু এটা প্ৰশ্ন অৱশ্যে কৰিব পাৰে যে যিদৰে পিৰামিডৰ সৰু আৰ্হি এটাৰ ক্ষেত্ৰত পৰীক্ষা কৰোতে যাতে ৰেডিঅ' আদিৰ দ্বাৰা বাধাগ্ৰস্ত হব নোৱাৰে সেই বিষয়ে সতৰ্ক হওঁ, ঠিক সেইদৰে সেই সময়ৰ মিচৰীয় সকলেও আন কোনো বাধাৰ দ্বাৰা যাতে ফাৰাওৰ মৃতদেহ মামীকৃত হোৱাত বাধা স্বৰূপ হব নোৱাৰে অথবা মৃতদেহ নষ্ট হব নোৱাৰে তাৰ বাবেই মৰুভূমিকেই শ্ৰেষ্ঠ স্থান হিচাবে নিৰ্বাচন কৰি তাত পিৰামিড নিৰ্মাণ কৰিছিল নেকি? অৱশ্যে এই স্থান কিয় নিৰ্বাচন কৰা হৈছিল আদি সম্পৰ্কীয় প্ৰশ্নবিলাক এজন বিজ্ঞানী, এজন নৃতত্ববিদ, এজন বুৰঞ্জীবিদ, এজন অভিযন্তাৰ বাবে যৌথ গৱেষণাৰ বিষয় হিচাবে ৰখাই ভাল হব। (এই ধৰণৰ নানান বিতৰ্কমূলক তথ্য এৰিক ভন ডেনিকেন ৰচিত Chariots of Gods?

In the search of Ancient Gods আদি কিতাপত উল্লেখ আছে। পাঠক সকলে পঢ়ি চাব পাৰে।) সেয়ে পিৰামিডৰ বিষয়টোৰ আমি কেৱল অন্য এটা দিশৰ ফালেহে মনযোগ দিব খোজো ঃ সেইটো হ'ল পিৰামিডৰ এনে ক্ষমতাৰ কোনো বৈজ্ঞানিক ভিত্তি আছেনে নাই।

উল্লেখযোগ্য যে এই আচৰিত ক্ষমতাৰ বৈজ্ঞানিক ভিত্তি উদ্ঘাটন কৰিবলৈ ইতিমধ্যেই বিজ্ঞানী সমাজ তৎপৰ হৈছে। এনে এজন বিজ্ঞানী হ'ল আমেৰিকাৰ জি, পেট্ৰিক ফ্লেনাগান। ফ্লেনাগানে এঘাৰ বছৰ বয়সতেই মাচচুছেট্‌চ্ ইনচ্‌টিটিউট অৱ টেক্‌নোলেজীত প্ৰৱেশ কৰে। মাত্ৰ চৈধ্য বছৰ বয়সতে নিৰোফোন (Neurophone) নামে এবিধ যন্ত্ৰ আৱিষ্কাৰ কৰে। (নিৰোফোনৰ সহায়ত কাণৰ স্নায়ু নষ্ট হোৱা লোক এজনে কথা-বতৰা শুনিবলৈ সক্ষম হয়।) পদাৰ্থ-বিজ্ঞানী পেট্ৰিক ফ্লেনাগান হ'ল পিৰামিডৰ ক্ষমতাত বিশ্বাসী। পিৰামিডৰ এই গুণা-গুণ সম্পৰ্কে গৱেষণা কৰাৰ পিচত ইতিমধ্যে তেওঁ 'পিৰামিড পাৱাৰ' বুলি এখন গ্ৰন্থ ৰচনা কৰিছে। ডঃ ফ্লেনাগানৰ মতে পিৰামিডৰ ক্ষমতাৰ মূলতে হ'ল মাইক্ৰ'ৱেভ। মাইক্ৰ'ৱেভ হ'ল এবিধ বিদ্যুৎ-চুম্বকীয় বিকিৰণ। এই মাইক্ৰ'ৱেভৰ ঢৌৰ দৈৰ্ঘ্য (wave length) ৩০ ছেঃ মিঃ ৰ পৰা এক মিঃ মিঃ ৰ ভিতৰত। বিদ্যুৎ-চুম্বকীয় বিকিৰণে একেলগে চুম্বকীয় আৰু বৈদ্যুতিক শক্তিৰ ঢৌকেই বুজায়। এই ঢৌবোৰ বৈদ্যুতিক আধানৰ ত্বৰণৰ ফলতেই সৃষ্টি হয়।

ডঃ ফ্লেনাগানৰ মতে পিৰামিড আকৃতিটোৱেই হ'ল মাইক্ৰ'ৱেভ সংকেতৰ এক সবল অনুনাদক (Resonator)। শংকু এটাও আন এবিধ মাইক্ৰ'ৱেভ সংকেতৰ সবল অনুবাদক। বৰ্ত্তমানে এই পিৰামিড বা শংকু আকৃতিৰ বস্তুৰ সহায়ত যাদৃচ্ছ ভাৱে সমবৰ্তিত (Randomly Polarized) মাইক্ৰ'ৱেভ সংকেতবোৰ বৈদ্যুতিক শক্তিলৈ ৰূপান্তৰিত কৰিবৰ চেষ্টা কৰা হৈছে। গৱেষণাৰ পৰা পোৱা গৈছে যে পিৰামিডৰ সহায়ত আল্‌ফা অনুক্ৰমৰ (alpha rhythm) বিস্তাৰ দ্বিগুণ, তিনিগুণ কৰিব পাৰি। সেয়ে মাইক্ৰ'ৱেভ অনুনাদেই পিৰামিডৰ ভিতৰত ঘটা ঘটনাৰ কাৰণ হব পাৰে বুলি অনুমান কৰি তেওঁ এইবাৰ পিৰামিডৰ ভিতৰত কৰা পৰীক্ষাবোৰ সামতলিক মাইক্ৰ'ৱেভ অনুনাদক ব্যৱহাৰ কৰি চালে। তেওঁৰ অনুমান ঠিকেই হ'ল; তেওঁ পৰীক্ষাৰ সহায়ত পিৰামিডত ঘটা কাৰ্য সামতলিক অনুনাদকতো ঘটিবলৈ ধৰা লক্ষ্য কৰিলে। সেয়ে তেওঁ নিশ্চিত হ'ল (লগতে আমিও নিশ্চিত হৈছো) যে পিৰামিডৰ ক্ষমতাত মাইক্ৰ'ৱেভ পৰিঘটনাৰ (আংশিক ভাৱে হলেও) সম্পৰ্ক আছে। শংকু এটাৰ ক্ষেত্ৰতো পৰীক্ষাসমূহ কৰি সফল হোৱাৰ কাৰণ হিচাবে তেওঁ ইয়াকেই উল্লেখ কৰিছে যে এটা মিহি শংকুক এটা অগনন বাহু সমৃদ্ধ পিৰামিড বুলি গণ্য কৰিব পাৰি।

গতিকে আমি দেখিবলৈ পালো যে পিৰামিডৰ ক্ষমতাৰ এক বৈজ্ঞানিক ভিত্তি আছে। এই ক্ষমতা, শক্তিৰেই আন ৰূপৰ বাহিৰে আন একো নহয়। সেইবাবে এই পিৰামিডৰ সহায়ত আমি এবিধ শক্তিৰ উৎস পাবলৈ সক্ষম হ'লো। ইতিমধ্যে জেকচ্‌লোভাকিয়াকে আদি কৰি ইউ-ৰোপৰ কেতবোৰ দেশ আৰু আমেৰিকাত ইয়াৰ বাণিজ্যিক ব্যৱহাৰৰ সহায়ত ব্যৱহাৰিক প্ৰয়োগ হৈ উঠিছে। ইউৰোপত গাখীৰ যোগান ধৰা

কোম্পানী বিলাকে ইতিমধ্যে পিৰামিডৰ আকৃতিৰ পেকেটত গাখীৰ যোগান ধৰিছে এইকাৰণেই যে এনে পেকেটত থলে গাখীৰ বহু সময়লৈকে ভালে থাকে। এতিয়া কথা হ'ল এই শক্তি আন আন কামত যেনে গাড়ী চলোৱা, ঘৰত বিদ্যুৎ যোগান ধৰা আদিলৈ ৰূপান্তৰিত কৰিব পৰা নাযাবনে? এইয়া আজি আমাৰ সন্মুখত এক জলন্ত প্ৰশ্ন। ইতিমধ্যে কোনো কোনোৱে একোখন পিৰামিড নগৰৰ কল্পনা কৰিছেই য'ত ঘৰ, গাড়ী, মটৰ সকলোবোৰ পিৰামিড আকৃতিৰ হব আৰু যিবোৰত শক্তি এই পিৰামিডৰ ক্ষমতাই যোগাব। হয়তো পৃথিৱীত দেখা দিয়া শক্তিৰ অনাটন আতৰাবলৈ ইও এক বিকল্প হৈ উঠিব পাৰে। বিজ্ঞানী সমাজৰ পৰা এই বিষয়ে বাৰু আজি আমি কিমান আশা কৰিব পাৰো?


এই প্ৰবন্ধটি প্ৰস্তুত কৰোতে সহায় লোৱা কিতাপ, আলোচনী বোৰ হ'লঃ

১। Pyramid Power by M Grossarith, from Science Digest (New York), Vol 79. No 2. (1976)

২। The Reader's Digest Book of Strange stories and Amazing facts.

৩। In search of Ancient Gods by Erich Von Daniken.

৪। Chariots of Gods? by E. V. Daniken.

৫। 'Things', Waverley Book Company Ltd.


---

# অভিলাষ


শ্ৰীপঙ্কজ কুমাৰ শইকীয়া
প্ৰাকবিশ্ববিদ্যালয়, ১ম বাৰ্ষিক, বিজ্ঞান শাখা


*মোক লাগে এপাট অস্ত্ৰ*
*মই বিচাৰিছোঁ মাৰণৰ মন্ত্ৰ*
*বধিবলৈ সমাজৰ দুষ্ট।*

*মোক লাগে বাৰণৰে বথ*
*ৰুদ্ধ কৰিছে যিয়ে প্ৰগতিৰ পথ*
*প্ৰশংসা নকৰোঁ মই শকতি কৰ্ণৰ*
*যি শক্তিয়ে পাহৰায় সময়ৰ শৰ।*

*মই কুৰুক্ষেত্ৰ যুদ্ধৰে ফাল্গুণী*
*মোৰ সখা নিজে আজি কৃষ্ণ*
*মই বিচাৰিছোঁ পোহৰৰ পথ*
*চলে য'ত প্ৰগতিৰ ৰথ*
*মোক লাগে এপাট অস্ত্ৰ*
*বধিবলৈ সমাজৰ দুষ্ট।* ●●●

পৃথিবীত বৰ্ত্তমান যিমানবিলাক ৰাসায়নিক পদাৰ্থ বা উৎপাদনৰ কল-কাৰখানা আছে ইয়াৰ বেছি ভাগতে কেঁচামাল হিচাবে পেট্ৰোলিয়াম বা খাৰুৱা তেল ব্যৱহাৰ কৰা হয়। আজিৰ পৰা কিছু বছৰৰ আগলৈকে পেট্ৰোলিয়ামৰ দাম আপেক্ষিক ভাৱে কম হোৱাৰ বাবে পেট্ৰোলিয়ামৰ ওপৰত নিৰ্ভৰ কৰি বহুতো কল-কাৰখানা গঢ়ি উঠিছিল। কিন্তু ১৯৭৩ চনৰ পৰা পেট্ৰোলিয়ামৰ দাম যি গতিত বৃদ্ধি পাবলৈ লৈছে তালৈ লক্ষ্য ৰাখি আমাৰ হাতত মাত্ৰ এবিধ উপাদানেই থাকিব আৰু উন্নত পদ্ধতি ব্যৱহাৰ কৰিলে ইয়াৰ দ্বাৰাই বৰ্ত্তমানৰ আমাৰ প্ৰায়ভাগ শক্তি আৰু ৰাসায়নিক দ্ৰব্যৰ উৎস পেট্ৰোলিয়ামৰ স্থান পূৰণ কৰিব পাৰিব। তদুপৰি ইয়াৰ বাবে প্ৰয়োজনীয় বৈজ্ঞানিক জ্ঞানো আমাৰ আয়ত্বৰ ভিতৰলৈ আহিছে।

এই খিনিতে এটা সাধাৰণ উদাহৰণ লোৱা যাওক। আমাৰ ভাৰতবৰ্ষই যি উদ্যমেৰে অফ-চোৰ [off shore] ড্ৰিলিং কৰা আৰম্ভ কৰিছে;

# এলকহল : পেট্ৰ'লিয়ামৰ সলনি ইয়াৰ ভাৰতবৰ্ষত ব্যৱহাৰৰ সম্ভাৱনা

কুমুদ চন্দ্ৰ গোস্বামী
২য় বাৰ্ষিক স্নাতক ( বিজ্ঞান )

পৃথিবীৰ প্ৰায়বোৰ দেশে পেট্ৰোলিয়ামৰ সলনি নতুন বস্তু এটা বিছাৰিবলৈ ধৰিছে। তদুপৰি বৰ্ত্তমানৰ হাৰত ব্যৱহাৰ কৰিলে এই শতিকাৰ ভিতৰতে পেট্ৰোলিয়ামৰ ভাণ্ডাৰ শেষ হৈ যাব বুলি বহুতো বিজ্ঞানীয়ে ভৱিষ্যৎবানীও কৰিছে।

পেট্ৰোলিয়ামৰ সলনি ব্যৱহাৰ কৰিব পৰা মাত্ৰ দুবিধ উপাদান আছে বুলি বিজ্ঞানী সকলে ভাবে আৰু সেই দুবিধ হ'ল কয়লা আৰু এলকহল। কয়লাও পেট্ৰোলিয়ামৰ দৰে এদিন শেষ হৈ যাবলৈ বাধ্য। তেতিয়া তাত যদি আমি সাৰ্থক হওঁ; তেনেহলেও বোধকৰো ১৯৮৪ চনৰ শেষৰ ফালে আমাৰ প্ৰয়োজনৰ ৩০% বা ১৬ মিলিয়ন টন তেল আমদানি কৰিব লাগিব। আৰু ইয়াৰ বেছি-ভাগে নেফটা ক্ৰেকাৰৰ সহায়ত ( naptha-cracker ) সহায়ত ইথিলিনলৈ পৰিবৰ্ত্তন কৰা হ'ব। কিন্তু এলহলক ডিহাইড্ৰেচন কৰি ইথি-লিনলৈ পৰিবৰ্ত্তন কৰি লব পাৰিলে আমাৰ বহুতো বৈদেশিক মুদ্ৰা নষ্ট হোৱাৰ পৰা ৰক্ষা পৰিব। ১৯৮৩ চনত বৰ্ত্তমানৰ হাৰত চলি

থাকিলে দুই মিলিয়ন টন ইথিলিনৰ পৰা পলিমাৰ তৈয়াৰ কৰা হ'ব। ইয়াৰ বাবে ৬৪৫ মিলিয়ন লিটাৰ এলকহলৰহে প্ৰয়োজন হব। বৰ্ত্তমানৰ গতিত উৎপন্ন হলে সেই সময়ত ৭২০ মিলিয়ন লিটাৰ এলকহল প্ৰস্তুত হ'ব ঘি পেট্ৰোলিয়ামৰ স্থান পূৰাবলৈ নিচেই সামান্য হ'ব।

এইখিনিতে এলকহল মানে নো কি তাৰ বিষয়ে কিছু কোৱাৰ প্ৰয়োজন। ৰসায়নত হাইড্ৰক্সিলমূলক যুক্ত প্ৰত্যেক জৈৱিক যৌগকে এলকহল বুলি ধৰা হয়। আমি ইয়াত এলকহল বুলিলে কিন্তু মাত্ৰ ইথানল আৰু মিথানল বা ইথাইল এলকহল আৰু মিথাইল এলকহলকহে প্ৰধানতঃ বুজাম।

এই এলকহলক আমি পেট্ৰোলিয়ামৰ লগত ইন্ধন হিচাবে ব্যৱহাৰ কৰিব পাৰো। পেট্ৰোলৰ লগত ১৫% এলকহল মিহলাই ললে ই বেছি উৎকৃষ্ট ইন্ধন হিচাবে কাম কৰে। বৰ্ত্তমান আমাৰ দেশত ১'৫ মিলিয়ন টন পেট্ৰোল বছৰি ব্যৱহাৰ কৰা হয়। ইয়াৰ ২২৫ মিলিয়ন লিটাৰ তেল এবছৰত বাচিলেও আমাৰ ৫০ কোটি টকা ৰাহি হ'ব। এলকহলক আমি কেৰাচিন তেলৰ সলনিও ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ তাপ-মূল্য সমপৰিমাণৰ কেৰাচিনতকৈ কিছু কম যদিও ইয়াৰ পৰা কোনোধৰণৰ বিষাক্ত গেছ বা ধোঁৱা নোলায়। তদুপৰি এলকহল ডিহাইড্ৰেচন কৰি প্ৰস্তুত কৰা ইথিলিনক আমাৰ ৰন্ধন গেছৰ সলনি ব্যৱহাৰ কৰিব পাৰি। বৰ্ত্তমানৰ বিজ্ঞানী সকলে ইয়াতে ক্ষান্ত নাথাকি অকল মাত্ৰ এলকহলেৰে গাড়ী চলাবলৈ চেষ্টা কৰিছে। ডেনমাৰ্কত পৰীক্ষামূলক ভাৱে এলকহলেৰে গাড়ী চলোৱাত সাৰ্থকও হৈছে। আমাৰ ভাৰতবৰ্ষৰ কাণপুৰৰ ইন্দিয়ান ইনষ্টিটিউটত অৱ টেকনোলজিৰ মেকানিকেল ইঞ্জিনিয়াৰিং বিভাগে অকল এলকহলেৰে গাড়ী চলোৱাত পৰীক্ষামূলক ভাৱে সাৰ্থকতা লাভ কৰিছে বুলি দাবী কৰিছে।

পেট্ৰোলিয়ামৰ উপজাত দ্ৰব্যৰ (*bi-products* **of Petroleum**) পৰা যিবোৰ ৰাসায়ণিক দ্ৰব্য প্ৰস্তুত কৰা হয় সেইবোৰকে পেট্ৰোকেমিকেল বোলা হয়। সকলোবোৰ পেট্ৰোকেমিকেল দ্ৰব্য প্ৰস্তুত কৰাৰ আগতে পেট্ৰোলিয়ামৰ উপজাত দ্ৰব্যক ইথিলিন বা বেনজিন বা ইহঁতৰ পলিমাৰলৈ ৰূপান্তৰ কৰি লোৱা হয়। এলকহলক ডিহাইড্ৰেচন কৰি ইথিলিন প্ৰস্তুত কৰিব পাৰি। ইথিলিনৰ লগত বেনজিন যোগ কৰিলে ইথাইল বেনজিন হয়। ইথাইল বেনজিনৰ পৰা কৃত্ৰিম ৰবৰ, পলিমাৰ, ষ্টেৰিন, ফিনাইল এচিটিক এচিদ আদি প্ৰস্তুত কৰা হয়। ফিনাইল এচিটিক এচিদ ঔষধ উদ্যোগত ব্যৱহাৰ কৰা হয়। ইথিলিনক পলিমাইৰাইজেচন কৰি ডেট্ৰোজেণ্ট, পলিমাৰ, আৰু কিছুমান ঔষধ প্ৰস্তুত কৰা হয়। ইথিলিনক জাৰণ কৰিলে ইথিলিন অক্সাইড হয়। ইয়াৰ পৰা কিছুমান উৎকৃষ্ট দ্ৰাৱক, পলিষ্টাৰ, আৰু আৰু গুৰি চাবোন জাতীয় কিছুমান পদাৰ্থ প্ৰস্তুত কৰা হয়। তদুপৰি ইথানল গ্লাইকল, ইথানল এমাইন আদি ঔষধত ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰিও এলকহলৰ লগত ক্লৰিণ যোগ কৰি ডি, ডি, টি প্ৰস্তুত কৰিব পাৰি। অৱশ্যে আমাৰ এতিয়াও এই পদ্ধতিৰেই ডি,ডি,টি প্ৰস্তুত কৰা হয়। এলকহলক ডিহাইড্ৰোজেনেচন

কৰি এচিটএলদিহাইড প্ৰস্তুত কৰা হয় আৰু এই এচিটএলদিহাইডৰ পৰা চেলুলজ, গ্লিচাৰল, ৰবৰ আদি প্ৰস্তুত কৰা হয়। ইয়াৰ উপৰিও মিথানল বা মিথাইল এলকহলৰ পৰা কাৰ্বন টেট্ৰাক্লৰাইড, ক্লৰ-ফৰ্ম, ফৰমেলদি-হাইড, আদি প্ৰস্তুত কৰিব পাৰি। কাৰ্বন-টেট্ৰা-ক্লৰাইড কাপোৰধোৱা উদ্যোগত ব্যৱহাৰ কৰা হয়; ক্লৰফৰ্ম আৰু ফৰমেল-দি-হাইড, প্ৰাণী বিজ্ঞানত ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰিও মিথানলৰ পৰা ইউৰীয়া, এমোনিয়াম নাইট্ৰেট আদি প্ৰস্তুত কৰিব পাৰি। ইয়াৰ উপৰিও ৰং, পলিমাৰ, এধেচিভ আৰু কাপোৰৰ উদ্যোগত বহুলভাৱে ব্যৱহাৰ হোৱা ডিনাইল এচিটেট বৰ্ত্তমান পেট্ৰোলিয়ামৰ পৰা প্ৰস্তুত কৰা হয় যদিও ইয়াক ইথিলিন আৰু এচিটিক এচিদ গেছীয় অৱস্থাত পেলেডি-য়ামৰ ওপৰেদি পঠিয়াই, এলুমিনা অনুঘটকৰ উপস্থিতিত, তৈয়াৰ কৰিব পাৰি। ইথিলিন আৰু এচিটিক এচিদ দুয়োকে এলকহলৰ পৰা ব্যৱসায়িক ভিত্তিত আহৰণ কৰিব পাৰি।

ওপৰৰ আলোচনাৰ পৰা আমি দেখিলো যে বহুতো পেট্ৰোকেমিকেলৰ প্ৰস্তুতিৰ বাবে আমি পেট্ৰোলিয়ামৰ উপজাত পদাৰ্থৰ সলনি এলকহল ব্যৱহাৰ কৰিব পাৰো। ইয়াৰ ওপৰিও এলকহল প্ৰস্তুত কৰোতে ব্যৱহাৰ কৰা কুঁহিয়াৰৰ অৱশিষ্টৰ পৰাও বহুতো পেট্ৰোকেমিকেল প্ৰস্তুত কৰিব পাৰি। পশ্চিমীয়া দেশবোৰত ইয়াৰ পৰা কাগজ তৈয়াৰ কৰা হয়। ইয়াৰ উপৰিও এলকহল প্ৰস্তুত কৰোতে অৱশিষ্ট হিচাবে বৈ যোৱা তুঁহ, কুঁহিয়াৰ বাকলি আৰু শিঠা, নাৰিকলৰ বাকলি, আদিৰ পৰা ফুৰফুৰেল নামে এবিধ বস্তু তৈয়াৰ কৰিব পাৰি। ফুৰফুৰেলক ডিকাৰ্বনিলাইচন কৰি ফুৰেন নামে এবিধ উৎকৃষ্ট দ্ৰাৱক প্ৰস্তুত কৰিব পাৰি। হাইড্ৰোজেনেচন কৰিলে ফুৰেনৰ পৰা টেট্ৰাহাইড্ৰোফুৰেন নামে আন এবিধ উৎকৃষ্ট দ্ৰাৱক প্ৰস্তুত হয়। টেট্ৰাহাইড্ৰোফুৰেনৰ পৰা বুটেন ১,৪ ডাইন আৰু ইয়াৰ পৰা নাইলন প্ৰস্তুত কৰিব পাৰি। নাইলনৰ পৰা সুতা তৈয়াৰ কৰা হয়। ফাৰ-ফুৰেলক হাইড্ৰোজেনেচন কৰি ফাৰফুৰেল এলকহল কৰিব পাৰি। ফাৰফুৰেল এলকহলে ফৰমেল-ডিহাইডৰ লগত বিক্ৰিয়া কৰি ৰেজিন প্ৰস্তুত কৰে। এই গুণ-ধৰ্ম্ম পেট্ৰোলিয়ামৰ পৰা প্ৰস্তুত কৰা ৰেজিনৰ গুণ-ধৰ্ম্মতকৈ উৎকৃষ্ট।

ওপৰৰ আলোচনাৰ পৰা আমি দেখিলো যে এলকহলে পেট্ৰোলিয়ামৰ স্থান অতি সহজে লব পাৰে। তেনেহলে আমি বাৰু কিহৰ বাবে এলকহলক ব্যৱহাৰ কৰিব পৰা নাই! আমাৰ দেশত এলকহলৰ উৎপাদন বহুত কম। আমি আগতে পাই আহিছো যে ১৯৮৪ চনত বৰ্ত্তমান গতিত চলি থাকিলে ১৬ মিলিয়ন টন তেল আমি আমদানি কৰিব লাগিব। ভাৰতবৰ্ষলৈ ১৯৭৭ চনত ১,৩২০ কোটি টকাৰে ১৪·৭ মিলিয়ন টন তেল আমদানি কৰিছিল। তেলৰ দাম যিটো গতিত বাঢ়িব ধৰিছে তালৈ চালে আমাৰ ১৯৮৪ চনত তেলৰ আমদানিৰ বাবে আমাৰ ৩,৫০০ কোটি টকা খৰচ হ'ব।

ইয়াৰ লগত তুলনা কৰিলে আমি পাও যে ভাৰতবৰ্ষত প্ৰায় ১,০০০ কোটি টকা অহা তিনিবছৰত খৰছ কৰিলে, পিছৰ বছৰৰ পৰা ১২ মিলিয়ন টন এলকহল বছৰি উৎপাদন কৰিব পৰা যাব। ইয়াৰ মূল্য প্ৰায় ৬৭০ কোটি

টকা হ'ব আৰু ই প্ৰায় ৬'৬ মিলিয়ন টন পেট্ৰোলিয়ামৰ সমকক্ষ হ'ব। অহা পাচ বছৰত আমাৰ তেল আমদানিৰ বাবে প্ৰায় ১০,০০০ কোটি টকা খৰচ হ'ব। এই এলকহলৰ বাবে যিখিনি আমাৰ বৈদেশিক মুদ্ৰা বাহি হ'ব তাক পুনৰ এলকহল প্ৰস্তুত কৰাৰ বাবে ব্যৱহাৰ কৰিলে অহা দহবছৰৰ ভিতৰতে আমি এলক-হলৰ ক্ষেত্ৰত স্বয়ং সম্পূৰ্ণ হোৱাৰ আশা আছে। তদুপৰি এই এলকহলৰ উদ্যোগত উপৰুৱাভাৱে অন্য প্ৰায় ১০০,০০০ জনে নিজৰ কৰ্ম-সংস্থান পোৱাৰ আশা আছে।

ওপৰৰ সুবিধা বিলাকৰ কথা ভাবি চাই ১৯৭৭ চনৰ ফেব্ৰুৱাৰী মাহত কেন্দ্ৰীয় মোলাচ বোৰ্ডে (Central Molasses Board) এখন অনুসন্ধান কমিটি পাতি দিছিল আৰু কমিটি খনে ভাৰতবৰ্ষত এলকহল উদ্যোগ বৃদ্ধিৰ ওপৰত এখন প্ৰতিবেদন দাখিল কৰিছিল। উক্ত কমিটি খনে ভাৰতবৰ্ষত এলকহলৰ উৎপাদন বৃদ্ধি কৰিবলৈ তলত দিয়া পদ্ধতিকেইটা আগবঢ়াইছিল—

(১) আমাৰ দেশত এলকহলৰ ব্যৱহাৰ কৰা পদ্ধতিৰ উন্নতি সাধন কৰিবলৈ কোনো ধৰণৰ গৱেষণা হোৱা নাই। এলকহল ব্যৱহাৰ কৰা পদ্ধতিৰ উন্নতি সাধন কৰিবলৈ যথেষ্ট পৰিমাণৰ গৱেষণা হোৱা উচিত।

(২) এতিয়া কেঁচামালৰ পৰা এলকহলৰ উৎপাদনৰ হাৰ খুউব কম। ভাৰতবৰ্ষত থকা ৮৮ টা এলকহল উৎপাদন কেন্দ্ৰই ১৯৭৭ চনত মুঠ ৪৪০ মিলিয়ন লিটাৰ এলকহল উৎপাদন কৰিছিল। উৎপাদনৰ হাৰ আছিল ২০০ৰ পৰা ২৪০ লিটাৰ প্ৰতি টন। গৱেষণা আৰু উন্নত পদ্ধতি ব্যৱহাৰ কৰি এই হাৰ ৩০০ৰ পৰা ৩৫০ লিটাৰলৈ বৃদ্ধি কৰিবলৈ চেষ্টা কৰিব লাগে।

(৩) এতিয়া আমাৰ দেশত এলকহল মাত্ৰ মোলাচৰ পৰাহে আহৰণ কৰা হয়। কিন্তু মোলাচৰ বাহিৰেও অন্য কিছুমান সুলভ বস্তু; যেনে—তুঁহ, কুঁহিয়াৰৰ শিখা, আদিৰ আদিৰ পৰাওঁ এলকহল প্ৰস্তুত কৰিব পাৰি। এইবোৰৰ পৰা এলকহল প্ৰস্তুত কৰিবলৈ নতুন নতুন পদ্ধতি ব্যৱহাৰ কৰিব লাগে। আমাৰ দেশত এবছৰত ২২ মিলিয়ন টন পৰিমাণৰ খাদ্য শস্য নষ্ট হয়। ইয়াৰ আধা খিনিও যদি এলকহল প্ৰস্তুত কৰিবলৈ ব্যৱহাৰ কৰা হয় তেনেহলেও ইয়াৰ পৰা ২'৪২ মিলিয়ন টন এলকহল পোৱা যায়। এইখিনিতে উল্লেখযোগ্য যে পচা আলু, পচা গম, পচা চাউল আদিৰ পৰা ফাৰ-মেনটেচন কৰি এলকহল প্ৰস্তুত কৰিব পাৰি। ইয়াৰ উপৰিও মানুহৰ খাদ্যৰ অনুপযুক্ত কিছুমান চেলুলজ জাতীয় খাদ্যৰ পৰাও এলকহল আহৰণ কৰিব পাৰি। এইবোৰৰ পৰা এলকহল আহৰণ কৰা পদ্ধতিৰ প্ৰৱৰ্ত্তন আৰু উন্নতি সাধন কৰিব লাগে।

(৪) এলকহলক ইন্ধন হিচাবে ব্যৱহাৰ কৰাৰ বাবে উন্নত গৱেষণা চলাব লাগে।

(৫) এলকহল প্ৰস্তুত কৰা উদ্যোগ বিলাকৰ ১০% বছৰি উৎপাদন বৃদ্ধিৰ বাবে সাহায্য আগবঢ়াব লাগে।

ওপৰৰ আলোচনাৰ পৰা আমি দেখিলো যে উপযুক্ত গৱেষণা, ধন প্ৰয়োগ আদি কৰিলে

এলকহলৰ উৎপাদন যথেষ্ট হোৱাৰ সম্ভাৱনা এই বিষয়ে গৱেষণা চলিলেহে আমি শক্তিৰ আছে। এলকহল যথেষ্ট পৰিমাণে হলে ই ক্ষেত্ৰত স্বয়ং সম্পূৰ্ণ হব পাৰিম। নিশ্চয় পেট্ৰোলিয়ামৰ স্থান লব পাৰিব। গতিকে

N. B. তথ্যবিলাক তলৰ আলোচনী খনৰ পৰা লোৱা হৈছে।
The Chemical Times, January 2, 1978.

●●●

# সমুখলৈ

শ্ৰীহিৰণ্যজ্যোতি ৰায়ন
প্ৰথম বাৰ্ষিক স্নাতক (কলা)

*সংঘাতে আনে হেনো জীৱনৰ নতুন তৰঙ্গ…!*
*মোৰ পঙ্গু দেহটো*
*সংঘাতৰ জ্বলন্ত স্বাক্ষৰ;*
*কিন্তু নতুন তৰঙ্গ ?*

*থৰক বৰকৈ জীৱনৰ ৰণ দিব ওলালেও*
*অজস্ৰ অট্টহাঁহিয়ে,*
*মোক দেখোন কঁপাই দিয়ে……*

*কিন্তু !*
*সূৰুযটোৱে দেখোন*
*মিচিকিয়াই হাঁহিছে*
*ৰাতিটোতো ভীষণ অন্ধকাৰ আছিল।*

***

# সিহঁত

শ্ৰীব্ৰজেন সোনোৱাল
প্ৰথম বাৰ্ষিক স্নাতক মহলা

*গৈ আছো ৰঙা সোণালীৰ জ্যোতিময়ী আভাৰে*
*থমকি ৰ'লো আদৰ কায়দাৰ জালিবোৰ চাই*
*বিস্মিত হৈ ৰ'লো সিহঁত কোন ?*
*দেখিলো সিহঁত ৰক্তপিপাসুৰ পিপাসী।*
*অবিস্মৰণীয় সিহঁতৰ কাণ্ডবোৰ*

*মষিমুৰ কৰিবৰ প্ৰবল উত্তাপত আগুৱাই আহিলো*
*দখিলো সিহঁত যেন উমি উমি জ্বলি থক*
*এটুকুৰ ৰঙা আঙঠা।*

***

# স্বয়ংক্ৰীয় দুৱাৰৰ নক্সা

তপন কুমাৰ ডেকা
দ্বিতীয় বাৰ্ষিক, প্ৰাক বিশ্ববিদ্যালয়




স্বয়ংক্ৰীয় দুৱাৰৰ কাৰ্য্য প্ৰণালী এনে ধৰণৰঃ নক্সাত দেখুৱা ধৰণে A লাইটৰ পৰা পোহৰ ৰশ্মি ওলাই কাচঁ আৰু ধাতুৰে তৈয়াৰী B বিন্দুত খুন্দা মাৰে। ফলত পূৰ্ব নিৰ্দ্দিষ্ট অনুসৰি এটা স্থিৰ বিদ্যুৎ প্ৰবাহৰ সৃষ্টি হৈ থাকে। এতিয়া কোনো এজন মানুহ ৰশ্মিটোৰ মাজেৰে পাৰ হৈ গ'লে A ৰ পোহৰ B ত পৰিব নোৱাৰে আৰু বিদ্যুৎ প্ৰবাহ বন্ধ হৈ যায়। যেতিয়া বিদ্যুৎ সোঁত বন্ধ হয়, তেতিয়া অন্য এটা বিদ্যুৎ প্ৰবাহৰ উৎসৰ লগত সংযুক্ত (C) ঘূৰি যায়। ইয়াৰ ঘূৰ্ণনে অইন এটা সৰঞ্জাম পৰিচালনা কৰে আৰু দুৱাৰখন খুলি যায়।

* * * * * * *

# কটন কলেজ আৰু প্ৰাসংগিক উচ্চশিক্ষা

**ডঃ কুলেন্দু পাঠক**
অধ্যাপক, পদাৰ্থ বিজ্ঞান

১৯০১ চনত কটন কলেজ স্থাপিত হয় যদিও এই কলেজত বিজ্ঞান বিষয়ক শিক্ষাদান কাৰ্য্য বহুত পাচতহে আৰম্ভ হয়। বৰ্ত্তমান এই কলেজ খনত বিজ্ঞানৰ ছাত্ৰ সংখ্যাধিক। অসমৰ বিভিন্ন স্কুল কলেজৰ পৰা বিজ্ঞান শিক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰী আহি এই কলেজত ভৰ্ত্তি হয়। পৰীক্ষাগাৰ, শিক্ষক আদিৰ সুবিধা, কলেজখনৰ সুখ্যাতি, হোষ্টেলৰ সুবিধা আদি বিভিন্ন আকৰ্ষণে কলেজ খনলৈ যথেষ্ট ভাল আৰু মেধাবী ছাত্ৰ-ছাত্ৰী টানি আনে। সকলোবোৰ বিষয়ত অৰ্নাচ থকাৰ উপৰিও এই কলেজত বিজ্ঞানৰ পাঁচটা বিষয়ত স্নাতকোত্তৰ মহলালৈ শিক্ষাদান কৰা হয়। (এতিয়া ইংৰাজী আৰু অসমীয়া বিষয়তো স্নাতকোত্তৰ মহলা খোলা হৈছে)। গতিকে কলেজ খনত প্ৰাক্‌স্নাতক মহলাৰ পৰা স্নাতকোত্তৰ মহলালৈ শিক্ষাদানৰ সুবিধা আছে বুলি কব পাৰি। এনে সুবিধা থকা অনুষ্ঠানে উপযুক্ত পৰিবেশ সুবিধাজনক বুলি কব নোৱাৰি। হয়তো কটন কলেজৰ ঐতিহ্যৰ বাবেই বহুতো ভাল লৰা-ছোৱালী নিজেই আহে বা অভিভাবকে পঠিয়ায়। এই লৰা-ছোৱালীৰ নাম ভৰ্ত্তি কৰণ পদ্ধতি, ভৱিষ্যত Career, সমস্যা আদিৰ বিষয়ে কিন্তু কলেজ কৰ্ত্তৃপক্ষ, শিক্ষকসকল, অভিভাবক আৰু ছাত্ৰ-ছাত্ৰী সকল উদাসীন। কটন কলেজৰ 'ঐতিহ্য' অনুসৰি সেইবোৰ চলি থাকিলেই হৈ যাব বুলি আমি প্ৰায় আটায়ে ভাবো। কিন্তু ছাত্ৰসকলৰ, আমাৰ এমুঠি অসমীয়াৰ আৰু আনকি কলেজখনৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত এনে আওকণীয়া মনোভাৱ অতি সোনকালে পৰিহাৰ কৰা উচিত।

আৰু পৰিচালনাত শিক্ষাজগতলৈ অনবদ্য অৰদান আগবঢ়াব পাৰে। এনে দিশত কটন কলেজ কিমানদূৰ সফলকাম হৈছে তাৰ পিনে অলপ দৃষ্টিপাত কৰা উচিত হব।

ঐতিহ্য আৰু ঐতিহ্যাভিমান বস্তু দুটা সদায়

### কটন কলেজ বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰণ ঃ

এইখিনিতে সৰু উদাহৰণ এটা দিওঁ। নম্বৰৰ ভিত্তিত কটন কলেজত নাম ভৰ্ত্তি কৰা হয় আৰু এই নিয়ম নিষ্ঠাৰে পালন কৰা হয়। আনকি আমোলা বা সৰ্ব্বশক্তিমান (!) ৰাজনীতিবিদৰ হস্তক্ষেপেও ইয়াৰ প্ৰভাৱ বিস্তাৰ নকৰে'—এনেদৰে আমি গৌৰৱ কৰোঁ। কিন্তু এনে ভিত্তিতকৈ অধিক বিজ্ঞান ভিত্তিক নিয়ম উলিয়াব নোৱাৰিনে? ইংৰাজী, অসমীয়া, সমাজ অধ্যয়ন, বুৰঞ্জীত কম নম্বৰ পাই, অঙ্ক, সাধাৰণ বিজ্ঞানত বহুত নম্বৰ পোৱা ল'ৰাই প্ৰাক্‌বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাত 'চিট' নোপোৱাৰ নজীৰ নোহোৱা নহয়। বিজ্ঞান আৰু গণিতৰ নম্বৰৰ ওপৰত বেছি Weightage দি কিছু পৰিমাণে হলেও এনে বৈষম্য দূৰ কৰিব পাৰি। ইয়াতকৈ ভাল পদ্ধতি আছে যদিও এই সহজ কামটোকে আমি এতিয়ালৈ কৰিব পৰা নাই। কাৰণ পৰম্পৰা আৰু ঐতিহ্যৰ মিথ্যাভিমান। আজি হাতে হাতে ইলেক্‌ট্ৰনিক কেলকুলেটৰ থকা দিনত এনে কাম কৰোঁতে কষ্ট হয় বুলি কোৱাও হাস্যকৰ। এনেবোৰ সমস্যাৰ বিষয়ে কৰ্তৃপক্ষ আৰু ছাত্ৰ সকলেও ভাবিবৰ সময় হ'ল।

### অভিভাৱক আৰু কটন কলেজ ঃ

কটন কলেজৰ নাম ভৰ্ত্তিৰ সময়খিনিত আৰু বিশেষকৈ নাম ভৰ্ত্তিৰ দিনাখন কটন কলেজত অভিভাৱকৰ ভীৰ হয় সঁচা কিন্তু তাৰ পাছত আৰু তেখেতসকলৰ দায়িত্ব নাইকীয়া হৈ যায় বুলি ভাবে। এওঁলোকৰ মাজত দায়িত্বশীল বিষয়া আৰু আনকি শিক্ষা বিভাগৰ বিষয়া, সমাজকৰ্ম্মী, ৰাজনীতিবিদ, শিক্ষাবিদ, ব্যৱসায়ী আৰু আন বহুতো সমাজৰ নেতৃস্থানীয় লোক থাকে। কিন্তু সকলোৰে চিন্তা এটা বিন্দুত আৱদ্ধ—কেনেবাকৈ মোৰ ল'ৰা-ছোৱালীয়ে চিটটো পালেই হ'ল। চিট নাপালে দুই-চাৰিয়ে উষ্মাপ্ৰকাশ (কিয় আপোনালোকে পাঁচশ ল'ৰাক চিট দিব নোৱাৰে? বা হোষ্টেলত চিট নবঢ়ায় কিয় ইত্যাদি) কৰে; কিন্তু সেয়াও সাময়িক। চিট পোৱা ছাত্ৰৰ অভিভাৱক সকলৰ বেছি ভাগেই কলেজখনত নিজৰ ল'ৰা-ছোৱালীয়ে কি শিক্ষা পাইছে সেই বিষয়ে চিন্তা কৰাৰ প্ৰয়েজন নাই বুলিয়েই ভাবে। অৱশ্যে যদি অভিভাৱকো কটনিয়ান আছিল তেতিয়া হয়তো ল'ৰা ছোৱালীক ক'ব,—'এঃ আমি কটনত পঢ়াদিনৰ কথাই বেলেগ আছিল; আৰু আমি পঢ়িছিলোঁ 'জায়েণ্ট' সকলৰ তলত। তেওঁ-লোকৰ তুলনাত তহঁতৰ প্ৰফেচৰবোৰতো 'পিগ্‌মি।' এনেদৰে তাচ্ছিল্যভৰা মন্তব্যই কৈশোৰ মানসত কিমান কু-প্ৰভাৱ বিস্তাৰ কৰে সেই বিষয়ে ভাবিবৰ তেওঁৰ সময় নাই আৰু এনেকুৱা মন্তব্য দিয়া মানুহজন শিক্ষাবিভাগৰ উচ্চ পদস্থ প্ৰশাসনিক বিষয়া হলেও আচৰিত হ'বলগীয়া একো নাই। তেখেতেই হয়তো সিদিনা "কটন কলেজক পিগ্‌মি কৰণ" ফাইলৰ এচুকত কেনোবা ৰাজনীতিবিদে লিখা—"সমাজবাদী দেশত উচ্চ শিক্ষাৰ অশেষ সুবিধা থকা অনুষ্ঠানৰ প্ৰয়োজন নাই" বুলি লিখা নোটৰ কাষতে "গতিকে কটনৰ শিক্ষকসকলক পৰ্য্যায়ৰ…শিক্ষকৰ লগত সমান কৰি দিয়াটো সমাজবাদী গণতান্ত্ৰিক কাৰ্য্য হিচাবে সমাজতান্ত্ৰিক ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব"—

বুলি লিখি থৈ আহি পিছদিনা মন্ত্ৰীয়ে তেওঁক কিদৰে প্ৰশংসা কৰিব সেই বিষয়ে ভাবি উৎফুল্ল হৈ আছিল। এইটো এটা সম্পূৰ্ণ কাল্পনিক উদাহৰণ যদিও বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ভাইচ-চেঞ্চেলৰ, প্ৰাক্তন শিক্ষাধিকাৰ, বিশিষ্ট সামজসেৱী, বিদ্যালয়ৰ মুধাফুটা অধ্যাপক, প্ৰবীণ শিক্ষাবিদ, I.A.S. বিষয়া আৰু ৰাজনীতিবিদ মন্ত্ৰী আদিয়ে যোৱা দশকত কৰা কাৰ্য্যৰ খতিয়ান ল'লে এনে মনোভাৱৰ উদাহৰণ বহুতো ওলাব। এওঁলোকৰ শতকৰা নিৰানব্বৈ ভাগেই প্ৰাক্তন কৃতী ছাত্ৰ, প্ৰাক্তন শিক্ষক বা অভিভাৱক হিচাবে এই কলেজৰ লগত জড়িত আৰু ব্যক্তিগত ভাবে কটন কলেজৰ উন্নতি সম্পৰ্কে যথেষ্ট আগ্ৰহ থকা যেন লাগে।

**কটন কলেজ আৰু উচ্চ শিক্ষাৰ পলিচি ঃ**

তথাপিতো কটন কলেজত উচ্চ শিক্ষাৰ প্ৰসাৰণ ঘটিছে। কিন্তু এই প্ৰসাৰণ এটা পলিচিৰ অংশ হিচাবে ঘটিছেনে? কটনত বিজ্ঞানৰ পাচটা বিষয়ৰ স্নাতকোত্তৰ মহলা খোলা হ'ল কিন্তু কিয় আৰু কিদৰে খোলা হ'ল তাৰ ইতিহাস অধ্যয়ন কৰিলে উচ্চ শিক্ষাৰ প্ৰসাৰ সম্পৰ্কে বিশেষ শিক্ষানীতি থকা যেন নালাগে। ব্যক্তিগত ভাৱে বন্ধুস্থানীয় দুই এক বিষয়াই এই কথা স্বীকাৰো কৰে। গুণগত, উচ্চ পৰ্য্যায়ৰ উচ্চ শিক্ষা আৰু সাৰ্ব্বজনীন স্কুলীয়া শিক্ষাৰ মাজত সম্পৰ্ক আছে সঁচা সেইবুলি দুয়োবিধ শিক্ষাৰ ক্ষেত্ৰতে কিছুমান স্বকীয় আৰু স্পষ্ট নিয়মৰ দ্বাৰা শিক্ষাবিভাগ পৰিচালিত হ'ব লাগে। উচ্চ পৰ্য্যায়ত বিজ্ঞান শিক্ষা স্বাভাৱিকতে ব্যয় বহুল হয়। এনে ক্ষেত্ৰত P. G. খোলাৰ সময়ত যদি চৰকাৰী বিভাগে প্ৰথম প্ৰশ্নই সোধে 'প্ৰথম দুবছৰ কোনো অনুদান নেপোৱাকৈ স্নাতকোত্তৰ শ্ৰেণী চলাব পাৰিবনে?'—তেনেহলে বুজিব লাগিব যে স্কুলত দশম মান শ্ৰেণীৰ অতিৰিক্ত শাখা এটা খোলা আৰু বিজ্ঞানৰ স্নাতকোত্তৰ শ্ৰেণী খোলাৰ মাজত বিশেষ পাৰ্থক্য নাই। আমাৰ বোধেৰে শিক্ষা বিভাগে কলেজখন সম্পৰ্কে এটা নীতি নিৰ্দ্ধাৰক সিদ্ধান্ত তৎক্ষণাৎ লোৱা উচিত। যদি উচ্চ শিক্ষা আৰু দেশখনৰ আঞ্চলিক স্বাৰ্থৰ খাটিৰত ইয়াৰ স্নাতকোত্তৰ মহলা খোলাৰ প্ৰয়োজন (আমি ভাৱো তেনে প্ৰয়োজন আছে) তেন্তে সেইমতে নীতি নিৰ্ণয় কৰি দীৰ্ঘ ম্যাদী কাৰ্য্য পন্থা হাতত লব লাগে আৰু নহ'লে আগৰ দৰেই অনাৰ্চ মহলাৰ প্ৰথম শ্ৰেণীৰ কলেজ হিচাবেই কলেজখন থাকক। কিন্তু অনাৰ্চ মহলাৰ কলেজ এখনৰ ওপৰত স্নাতকোত্তৰ মহলাৰ বোজা ভালুকৰ সাঙীৰ দৰে জাপি নিদিয়াই মংগলজনক। হয়তো পূৰণি, শক্তিশালী বুনিয়াদৰ ওপৰত প্ৰতিস্থিত বাবে কিছুদিনলৈ এনে দুৰ্বহ বোজা কলেজৰ বিভাগবোৰে টানিব পাৰিব বা পাৰিছে—কিন্তু তাৰ পিছত! এনে প্ৰশ্নই কলেজখনৰ প্ৰতি দায়বদ্ধ বহুতো শিক্ষককে কিছুপৰিমাণে চিন্তান্বিত কৰি তুলিছে।

কটন কলেজৰ বিখ্যাত বিভাগ এটাকে উদাহৰণ হিচাবে লৈ কোনোবা ছাত্ৰই অধ্যয়ন কৰিলে কি দেখিব? এনে বিভাগ এটাত নিম্ন স্নাতক, স্নাতক, স্নাতকোত্তৰ মহলাৰ শিক্ষা আৰু গৱেষণা চলি আছে। কিন্তু এই বিভাগটোলৈ আগবঢ়োৱা লেবৰেটৰী অনুদান, লাইব্ৰেৰী অনুদান, গৱেষণা অনুদান আদিৰ পৰিমাণ যদি বিশ্ববিদ্যালত অকল স্নাতকোত্তৰ মহলা চলোৱা আৰু গৱেষণাৰ বিভাগে পোৱা অনুদানৰ পৰিমাণৰ লগত তুলনা

কৰা হয় তেন্তে যিকোনো বুদ্ধিবান মানুহে আশ্চৰ্য্যবোধ কৰিব। বাহিৰৰ বিখ্যাত অনুষ্ঠান বোৰৰ লগত তুলনা নিষ্প্ৰয়োজন। আমি ছাত্ৰ-সকলক এনে অধ্যয়ণ চলাবলৈ আহ্বান জনালো।

### কটন কলেজ আৰু শিক্ষক সকলৰ ভৱিষ্যত ঃ

বিভিন্ন উচ্চ প্ৰশাসনিক চাকৰি, অধ্যক্ষৰ চাকৰি, আনকি বিশ্ববিদ্যালয় বা তেনেকুৱা উচ্চ শিক্ষানুষ্ঠানৰ মুৰব্বী অধ্যাপকৰ পদ নেওচি কটন কলেজতে চাকৰি কৰি থকা শিক্ষকৰ সংখ্যা তেনেই তাকৰ নহয়। স্বাভাবিকতে ভাল ছাত্ৰ আৰু ভাল শিক্ষাদান পৰিৱেশ এটাৰ আকৰ্ষনেই এওঁলোকক কলেজ খনত বান্ধি ৰাখে। কিন্তু এনে ত্যাগ স্বীকাৰৰ প্ৰতিদান হিচাবে এওঁলোকে পাইছে কি ? এটা সৰ্ব্বজন বোধ্য উদাহৰণ এই ক্ষেত্ৰত ভাল হব। বৃটিছ শাসন কালত কটনৰ অধ্যক্ষ আৰু অসমৰ শিক্ষাধিকাৰ চৰকাৰী চকুত সমপৰ্য্যায়ৰ বিষয়া আছিল। স্বাধীনোত্তৰ কালত অধ্যক্ষক শিক্ষাধিকাৰৰ ঠিক অলপ তলত, তাৰ পিছত অতিৰিক্ত শিক্ষাধিকাৰৰ পৰ্য্যায়ত এইদৰে নমাই আনি অৱশেষত অন্যান্য কলেজৰ অধ্যক্ষৰ সমানত ৰখা হ'ল আৰু পৰিহাসৰ কথা এয়েই যে এই কাৰ্য্য যেতিয়া কৰা হ'ল সেই সময়ত কটন কলেজৰ অধ্যক্ষৰ দায়িত্ব লৈ থকা মানুহ জন অসমৰ বিজ্ঞানশিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত এজন সৰ্ব্বজন মান্য, কৃতবিদ্য আৰু অন্যস্বুৰী পুৰুষ। বিশ্ববিদ্যালয়ে উপযাচি দিয়া মুৰব্বী অধ্যাপক নেওচি কটন কলেজৰ জৰিয়তে চৰকাৰক সেৱা কৰাৰ কেনে সুন্দৰ প্ৰতিদান ! পৰিহাস তাতেই শেষ হলে ভাল আছিল। তেখেতে অধ্যক্ষৰ দায়িত্ব লগে লগে অধ্যাপকৰ পদবী এটা খালি হ'ল। যি বিভাগৰ পৰা তেওঁ গ'ল—শিক্ষাজগতৰ স্বাভাবিক নিয়ম অনুসৰি সেই বিভাগতে এজন অধ্যাপক নিযুক্ত হব লাগিছিল বা যোগ্য ব্যক্তি থাকিলে সেই বিভাগৰ কোনোবাই পদটো পাব লাগিছিল। কিন্তু চৰকাৰী শিক্ষাবিভাগৰ নতুন নিয়ম ( ১৯৭৮ চনত প্ৰৱৰ্তিত ) অনুসৰি কোনোবা টেকনিকেল স্কুলৰ শিক্ষক এজনে পদটো পুৰণ কৰিলে। এইক্ষেত্ৰত গুণগত যোগ্যতা বা শিক্ষামূলক অৰ্হতাৰ প্ৰশ্ন নুঠিল। চৰকাৰী শিক্ষাবিভাগৰ আমোলাতান্ত্ৰিক নিয়মেই হ'ল উচ্চশিক্ষাৰ উচ্চ-মানদণ্ড ৰক্ষাৰ একমাত্ৰ উপায় আৰু যেতিয়া ভবা যায় যে এনে নিয়ম প্ৰৱৰ্ত্তনৰ বাবে স্নুপাৰিশ কৰা মুখ্য ব্যক্তি জনে বিভিন্ন সময়ত এই কলেজৰ শিক্ষক, শিক্ষাধিকাৰ, উপাচাৰ্য্য আদি দায়িত্ব বহন কৰিছিল তেতিয়া আলেকজেণ্ডাৰৰ দৰে চিঞৰি কবৰ মন যায় 'চেলুকচ, আশ্চৰ্য্য এই দেশে !'

মুঠতে কটন কলেজৰ শিক্ষক সকলে আজি এক অস্থিৰ আৰু ক্ৰমাগত ভাবে নিম্নমুখী চাকৰি অৱস্থাৰ সন্মুখীন হৈছে। এনে অৱস্থাত উচ্চমানদণ্ডৰ শিক্ষাৰ ধ্বজাবাহক হোৱাৰ অভিলাষ তেওঁলোকে ক্ৰমান্নয়ে হেৰুৱাই পেলাব ধৰিছে। চাকৰি অৱস্থাৰ বিষয়ে বিবেচনা কৰি বহুত ডেকা শিক্ষকেই এই কলেজ এৰিব পৰিলেই ভাল বুলি মত পোষণ কৰে। ইয়াৰ ফলত কলেজে ক্ৰমান্নয়ে প্ৰতিভাবান আৰু যোগ্যতাৰ শিক্ষক সকলক হেৰুৱাব। অথচ সকলো দেশতে (সমাজতান্ত্ৰিক দেশকে ধৰি) উচ্চমানবিশিষ্ট, উচ্চশিক্ষাৰ অনুষ্ঠানত প্ৰয়োজনবোধ কৰিলে নতুন সুবিধাদি হলেও

যোগ্যতাৰ ব্যক্তি আকৰ্ষণ কৰি আনি ধৰি ৰখাৰ প্ৰচেষ্টা সদায় কৰা হয়।

**অসমত উচ্চমান বিশিষ্ট উচ্চ শিক্ষানুষ্ঠানৰ প্ৰয়োজন ঃ**

এনে প্ৰয়োজন নাই বুলি কব পাৰে বিদেৰে প্ৰথম কটন কলেজ খুলিব খোজাত বঙালী কাকতত কিছুমান মানুহেই এনে অনুষ্ঠানৰ প্ৰয়োজন নাই বুলি লিখিছিল। কিন্তু অসমৰ ভৌগলিক অৱস্থান, উচ্চশিক্ষাৰ ক্ষেত্ৰত তুলনামূলক অনগ্ৰসৰতা আৰু উচ্চ বৃত্তিধাৰী তথা চৰকাৰী চাকৰিত অসমীয়া মানুহৰ তাকৰীয়া সংখ্যালৈ চাই এনে অনুষ্ঠানৰ নিতান্ত প্ৰয়োজন আছে। যিকোনো সৰ্ব্বভাৰতীয়, বিখ্যত শিক্ষানুষ্ঠান পাবলৈ গুৱাহাটীৰ পৰা কমেও ২৫ ঘণ্টা ৰেল ভ্ৰমণ কৰিব লাগে। কটনলৈ আহি পঢ়াৰ সীমিত উচ্চ আকাংখা বহুতো দুখীয়া মেধাবী ছাত্ৰই পূৰাব নোৱাৰে। তেনেবোৰ ছাত্ৰক বাহিৰলৈ গৈ সৰ্ব্বভাৰতীয় অনুষ্ঠানত পঢ়িব উপদেশ দিয়াতো একপ্ৰকাৰ বলিয়ালি। অসমত পূৰ্ণাংগ পৰ্য্যায়ৰ (স্নাতক আৰু স্নাতকোত্তৰ) সাধাৰণ উচ্চ শিক্ষানুষ্ঠান এখনো নাই। অকল এই কেইটা কাৰণতে অসমত এখন আবাসিক পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠানৰ প্ৰয়োজন। এনে অনুষ্ঠান প্ৰতিষ্ঠিত হলে উচ্চশিক্ষাৰ ক্ষেত্ৰত বহুতো নতুন আৰু প্ৰয়োজনীয় সংস্কাৰৰ কাম হাতত লব পাৰি। স্বাভাবিকতে এনে অনুষ্ঠান নিয়ন্ত্ৰিত আৰু শাক্তিশালী শিক্ষানীতিৰ ভিত্তিত প্ৰতিষ্ঠিত হব লাগিব।

**কটন কলেজক এনে অনুষ্ঠানলৈ পৰিণত কৰিব পাৰিনে ? ঃ**

উচ্চ শিক্ষাৰ প্ৰয়োজন অনুসৰি এটা সুস্থ নীতিৰ ভিত্তিত কটন কলেজক এনেঅনুষ্ঠানত পৰিণত কৰাৰ সম্ভাৱনা যথেষ্ঠ। এনে অনুষ্ঠানৰ ছাত্ৰ হোৱাৰ গুণগত যোগ্যতা কটনৰ ছাত্ৰৰ অধিকাংশৰে আছে। ছাত্ৰ সম্পদেই শিক্ষানুষ্ঠানৰ আটাইতকৈ ডাঙৰ সম্পদ। বাকী প্ৰয়োজনীয় আহিলা আৰু প্ৰয়োজনীয় শিক্ষক কলেজখনে গোটাই লব পাৰিব। কিন্তু প্ৰথমতে এই বিষয়ে শিক্ষাবিভাগৰ আৰু বিশ্ববিদ্যালয়ৰ স্বকীয়, দৃঢ় নীতিৰ প্ৰয়োজন আৰু ছাত্ৰ-শিক্ষকৰ মনত এটা অদমনীয় প্ৰতিজ্ঞাৰ প্ৰয়োজন। বহুতো ছাত্ৰই ভাবিব পাৰে যে আমিতো এই অনুষ্ঠানত পঢ়াৰ সুবিধা নাপাম গতিকে এই বিষয়ে আলোচনা কৰি কি লাভ! তেওঁলোকক আমি কব পাৰো যে যি বৃহত্তৰ স্বাৰ্থৰ খাতিৰত তেওঁলোকে জীৱনৰ সোণালী আৰু সম্ভাৱনাপূৰ্ণ বছৰ এটা খৰচ কৰিব ওলাইছে, সেই স্বাৰ্থৰক্ষাতেই এই কলেজখন সম্পৰ্কে এটা সুস্থ নীতি গ্ৰহণৰ প্ৰয়োজন আছে। সৰ্ব্বভাৰতীয় খ্যাতিসম্পন্ন আধুনিক শিক্ষানুষ্ঠানবোৰৰ সমকক্ষ অনুষ্ঠান অসমত এখনো নাই। অসমৰ ৰাইজৰ ধনেৰে প্ৰতিষ্ঠা কৰা কিশ্ববিদ্যালয় দুখন প্ৰধানকৈ ডিগ্ৰীদানকাৰী অনুষ্ঠান আৰু বহুতো সময়ত অকল স্নাতকোত্তৰ মহলাত শিক্ষাদান কৰি থকা শিক্ষক সকলৰ ব্যক্তিগত প্ৰতিষ্ঠাৰ ক্ষেত্ৰস্বৰূপ। স্নাতক মহলাৰ গুৰুত্বপূৰ্ণ আৰু সম্ভাৱনাপূৰ্ণ দুটা বছৰত কোনো ছাত্ৰই বিশ্ববিদ্যালয়ৰ শিক্ষকৰ মনীষা আৰু বুদ্ধি মত্তাৰ সান্নিধ্য পোৱাৰ উপায় নাই। অথচ ভাৰত বা বাহিৰৰ সকলোবোৰ নতুন

আৰু খ্যাতিসম্পন্ন উচ্চ শিক্ষানুষ্ঠানত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষা আৰু গৱেষণাৰ এক **integrated** ব্যৱস্থা অতি প্ৰয়োজনীয় বুলি বিবেচিত হৈছে।

কটন কলেজত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষাৰ সুবিধা আছে যদিও আমি উল্লেখ কৰি আহিছোৱেই যে তাগিদা, দাবী আৰু প্ৰয়োজন অনুসৰি স্নাতক মহলাৰ ওপৰত স্নাতকোত্তৰ মহলাৰ গধুৰ বোজা জাপি দিয়া হৈছে। তাৎক্ষানিক প্ৰয়োজনত এনেকুৱা কৰা হৈছে যদিও অবিলম্বে এটা সুস্থ শিক্ষানীতিৰ অংগ হিচাবে গুণগত প্ৰসাৰণৰ ওপৰত জোৰ দি কাৰ্য্য ব্যৱস্থা হাতত ল'ব লাগে। বিশ্ববিদ্যালয়ৰ ডিগ্ৰী সৰ্বস্ব শিক্ষাৰ ওপৰত বিশেষ জোৰ নিদিয়াকৈও উচ্চ মানৰ শিক্ষাগ্ৰহণ কৰাৰ ক্ষমতা এই কলেজৰ বহুতো ছাত্ৰৰ আছে—ইচ্ছাও আছে। কিন্তু তেনে শিক্ষাদান কৰিব খুজিলে কলেজখনৰ গাঠনিক আৰু চাৰিত্ৰিক পৰিবৰ্ত্তনৰ প্ৰয়োজন হ'ব। এনে পৰিবৰ্ত্তনৰ সময়ত আমি দুই-চাৰিজনে স্বাভাবিকতে অসুবিধা অনুভৱ কৰিব পাৰো। বহুতে ঐতিহ্য দেখাই দি পৰিবৰ্ত্তনত বাধাও দিব পাৰে। কিন্তু এনে লোক সকলে মনত ৰখা উচিত যে প্ৰাচীন ঐতিহ্যৰ দাবীয়ে কোনো অনুষ্ঠানক মহৎ নকৰে। মহৎ অনুষ্ঠানে সমসাময়িক সমাজ আৰু জাতীয় প্ৰয়োজনৰ দাবী যোগ্যতাৰে পালন কৰি নতুন ঐতিহ্যৰ সৃষ্টি কৰে।

### আবাসিক শিক্ষানুষ্ঠান, স্বশাসিত কলেজ আৰু উন্নয়ন কমিটি ঃ

কোনোবাই প্ৰশ্ন সুধিব পাৰে যে এনেবোৰ পৰিবৰ্ত্তনৰ বাবে নীতি নিৰ্দ্ধাৰক ব্যৱস্থা কোনোবাই কৰি থৈছে নে নাই। বা কটন কলেজৰ শিক্ষকসকলে এনেবোৰ কথা চিন্তা কৰিছেনে ? কটন কলেজৰ নিচিনা কলেজক স্বশাসিত শিক্ষানুষ্ঠান কৰিব পৰাৰ ব্যৱস্থা ১৯৬৮ চনত প্ৰকাশিত শিক্ষা আয়োগৰ প্ৰতিবেদনতে সুপাৰিশ কৰি থোৱা আছে। স্বৰ্গীয়অধ্যক্ষ জেলিল চাৰৰ অনুৰোধ ক্ৰমে কলেজ শিক্ষক সন্থাৰ তৰফৰ পৰা আমি কেইজনমান শিক্ষকে এই বিষয়টো অধ্যয়ন কৰিছিলো। ১৯৭৫-৭৭ চনৰ ভিতৰত শিক্ষক সন্থাৰ ফালৰ পৰা, আবেদন, প্ৰতিবেদন আদি চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ ওচৰত পেশ কৰা হয়। ইতিমধ্যে (আমি আগতে উল্লেখ কৰি আহিছোৱেই) অসম চৰকাৰৰ দ্বাৰা নিয়োজিত দৰমহা আয়োগে (যাৰ অন্যতম সদস্য আছিল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য এজন) কটন কলেজৰ শিক্ষক সকলৰ লগত টেকনিকেল স্কুলৰ শিক্ষক সকলৰ চামিলকৰণ সুপাৰিশ কৰে। স্বাভাৱিকতে এনে শিক্ষানীতি পৰিপন্থী কাৰ্য্যই কটন আৰু অন্যান্য চৰকাৰী কলেজৰ শিক্ষকসলক যথেষ্ঠ আঘাত দিয়ে আৰু শিক্ষক সন্থাই এই অন্যায়ৰ প্ৰতি-বাদত সময় খৰচ কৰিব লগীয়া হয়। তথাপি উল্লেখিত কালচোৱাৰ বিষয়-ববীয়া সকলৰ প্ৰচেষ্টাৰ ফলস্বৰূপে শিক্ষা সচিবে এখন কটন কলেজ উন্নয়ন কমিটি গঠন কৰি দিছিল। পিছে আমি জনাত সেই কমিটিৰ বৈঠক মাত্ৰ এবাৰেই অনুষ্ঠিত হৈছে আৰু সেইবাৰতো কোনো নীতি নিৰ্দ্ধাৰক প্ৰস্তাৱ গৃহীত হোৱা নাই। আমি আশাকৰো যে অদূৰ ভৱিষ্যতত অধ্যয়ন আৰু আলোচনাৰ জৰীয়তে কলেজ কৰ্ত্তৃপক্ষই কটন

কলেজ সম্পৰ্কে এক সুদূৰপ্ৰসাৰী আৰু সুস্থ নীতি গ্ৰহণ কৰিব।

**শিক্ষা বিভাগলৈ আবেদন ঃ** অসমৰ উচ্চ শিক্ষা চৰকাৰী অনুদান আৰু ছাত্ৰৰ ফিজেৰে চলাই ৰখা হয়। উচ্চ শিক্ষাৰ সংখ্যাগত প্ৰসাৰণ কিছু পৰিমাণে হ'লেও অসমত হৈছে। কিন্তু উচ্চ শিক্ষাৰ গুণগত প্ৰসাৰণৰ বিশেষ প্ৰয়োজন আছে। ভাৰতৰ বিভিন্ন অংশত কেন্দ্ৰীয় চৰকাৰ, (I. I. T. Central Universities) ৰাজ্য চৰকাৰ আৰু শিল্পপতি সকলৰ উদ্যোগত উচ্চ শিক্ষাৰ উচ্চমান বিশিষ্ট অনুষ্ঠান প্ৰতিষ্ঠিত হৈছে। অসমত কিন্তু এতিয়ালৈকে তেনে অনুষ্ঠান এটাও নাই। অথচ তেনে অনুষ্ঠানৰ প্ৰয়োজন নাই বুলিও কোনেও ক'ব নোৱাৰে। অসমীয়াৰ জাতীয় সংকটৰ পৰা ৰক্ষা পোৱাৰ দীঘলীয়া প্ৰচেষ্টাত তেনে অনুষ্ঠানে সামূহিক ভাৱে বৌদ্ধিক, প্ৰাযুক্তিক আৰু সাংস্কৃতিক নেতৃত্ব আগবঢ়াব পাৰে। আৰু আমাৰ ৰাজনৈতিক, বৌদ্ধিক আৰু উচ্চ আমোলা-তান্ত্ৰিক ক্ষেত্ৰত দেখা দিয়া শূন্যতা বা অভাৱ পূৰণতো এনে অনুষ্ঠানৰ পৰা ওলাই অহা শিক্ষিত ডেকা-গাভৰুসকলে যথেষ্ঠ অৱদান দিব বুলি আমাৰ বিশ্বাস।

আমাৰ শিক্ষাবিভাগৰ পৰিচালনাত ব্যস্ত লোকসকলৰ বেছিভাগেই কৃতী ছাত্ৰ, কৃতী শিক্ষক আৰু তেওঁলোকৰ বহুতেই বিভিন্ন আঁচনিৰ জৰিয়তে আধুনিক উচ্চশিক্ষাৰ পাশ্চাত্য প্ৰাচ্য আৰু স্বদেশীয় বিখ্যাত অনুষ্ঠানবোৰ দেখিছে। ঐতিহাসিক কাৰণত তেওঁলোকৰ বেছিভাগেই কটন কলেজৰ লগত বিশেষভাৱে জড়িত বাবেই নেকি এই কলেজখনৰ সম্ভাৱনা আৰু এই কলেজলৈ ছাত্ৰসকলে কঢ়িয়াই অনা মহৎ আকাঙ্খা আৰু সম্ভাৱনাৰ প্ৰতি উদাসীন। প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণীৰ প্ৰথম বাৰ্ষিক বিজ্ঞান শাখাৰ ছাত্ৰসকলৰ আগ্ৰহী চকু আৰু গ্ৰহণক্ষম মনৰ সম্ভাৱনাময় উজ্বলতা কোনো হৃদয়বান আৰু সমৰ্থ শিক্ষকে উমান নোপোৱাকৈ নাথাকে। দুৰ্ভাগ্যক্ৰমে সেই সম্ভাৱনাক বাস্তৱত পৰিণত কৰাৰ পথত দিনে দিনে নতুন বাধাৰ সৃষ্টি হৈছে। অথচ এনে হোৱাৰ যুক্তিসঙ্গত কাৰণ নাই। আমি ভাবো প্ৰাক্-স্বাধীন কালৰ দৰে কটন কলেজ উত্তৰ-পূৰ ভাৰতৰ উঠি অহা বুদ্ধিদীপ্ত আৰু প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীৰ মিলন ক্ষেত্ৰত পৰিণত হোৱাৰ ঐতিহাসিক প্ৰয়োজন আছে। বিভিন্ন উপজাতিৰ, বিভিন্ন ভাষা-ভাষী থলুৱা ছাত্ৰ-ছাত্ৰীসকল আহি ভাৱৰ আদান-প্ৰদান কৰাৰ সুবিধা দিয়াৰ দায়িত্ব উত্তৰ-পূৰ ভাৰতৰ দুৱাৰমুখ স্বৰূপ মহানগৰীৰ। সকলোৱে ভাবে যে কটন কলেজৰ ঐতিহ্য এনে বহুতো প্ৰতিভাবান ডেকা-গাভৰুৱে ৰচনা কৰিছে যি সকলৰ কোনোবা আহিছিল নগা পাহাৰৰ পৰা, কোনোবা মেঘালয়ৰ পৰা কোনোবা মিজোৰামৰ পৰা বা কোনোবা আহিছিল অৰুণাচলৰ পৰা। বিভেদকামী শক্তিৰ কু-চক্ৰক বাধা দিয়াৰ এটা সুন্দৰ উপায় হ'ল এই অঞ্চলৰ সাংস্কৃতিক, বৌদ্ধিক আৰু মানসিক জগতৰ ভৱিষ্যত নায়ক সকলৰ মাজত ভাৱৰ বিনিময় হোৱাৰ সুযোগ দিয়াটো। কটন কলেজক উচ্চশিক্ষাৰ আৰু বিশেষকৈ এই অঞ্চলৰ বৌদ্ধিক সাংস্কৃতিক আৰু বিকাশমূলক প্ৰগতিৰ বাবে প্ৰয়োজনীয় উচ্চ

শিক্ষাৰ বাহক কৰি শিক্ষাবিভাগ, শিক্ষক আৰু ছাত্ৰসকলে এক অতি প্ৰয়োজনীয় অনুষ্ঠান হিচাবে গঢ়ি তুলিবনে ? এই অঞ্চলৰ সামূহিক বিপদৰ পৰা ৰক্ষা কৰাৰ আৰু বিস্তীৰ্ণ সম্পদ ৰাজিৰ যোগ্য ব্যৱহাৰৰ দ্বাৰা সামগ্ৰিক বিকাশৰ পথ উলিওৱাত এনে অনুষ্ঠানে দিশ নিৰ্ণায়ক ভূমিকা ল'ব বুলি আমি নিঃসন্দেহ। অসমৰ জনসাধাৰণৰ অংশ হিচাবে আমাৰ আলোচনা, বিষয়া সকলোৱে জাগৃত হৈ উঠিছে। কিন্তু এইজাগৰণ অকল শ্লোগান আৰু কৰ্মবন্ধতে শেষ হৈ গ'লে যি আন্ধাৰে আমাক ক্ৰমান্বয়ে গ্ৰাস কৰিব ওলাইছিল তাতকৈ সতগুণে বিভি-ষিকাময় অন্ধকাৰে তীব্ৰ বেগেৰে আমাক গ্ৰাস কৰিবহি। প্ৰত্যেকজন উচ্চ শিক্ষিত বা শিক্ষাৰ লগত জড়িত মানুহে নিজৰ যোগ্যতা, শক্তি আৰু দূৰ দৃষ্টি অনুসৰি গঠনমূলক ভাৱনা আৰু কাৰ্য্যৰ দ্বাৰা আমাৰ সুন্দৰ সুষমাময় অঞ্চলৰ বৈশিষ্ট্য ৰক্ষাত আৰু বহল ভাৰতীয় সংস্কৃতিৰ উজ্বল অংশ হিচাবে আমাৰ সাংস্কৃতিক প্ৰতিষ্ঠা কৰাত অবিহনা যোগাৰ পাৰে। ঐতিহ্যময় কটন কলেজক এই অঞ্চলৰ আঞ্চলিক উচ্চ শিক্ষা আৰু বৌদ্ধিক প্ৰতিভাৰ মিলন ক্ষেত্ৰ হিচাবে গঢ়ি তুলি আমাৰ শিক্ষাবিভাগে সমূহীয়াকৈ মহান দায়িত্ব পালন কৰিব পাৰে। এই বিষয়ে সুদূৰ প্ৰসাৰী আলোচনা আৰু কাৰ্য্য ক্ৰমণিকা হাতত লোৱাৰ বোধকৰো এই খিনি সময়ে সৰ্বোতম ক্ষণ।



# সম্প্ৰীতিৰ ৰামধেনু

"অসম তথা ভাৰতৰ উত্তৰ-পূৰ্ব্বাঞ্চলত আজি যি জন জাগৰণে দেখা দিছে সেয়া যদি আজি বিশ বছৰৰ আগেয়ে হ'লহেতেন তেতিয়াহলে অসমখন চিৰাল ফটাদি ফাটিব লগা নহ'লহেতেন। 'হেতেন', 'হ'ব লাগিছিল' আদিৰ বিষয়ে আলোচনা নকৰি আমাৰ বৰ্ত্তমান অসমৰ বিভিন্ন প্ৰান্তৰত থকা বিভিন্ন উপজাতি সমূহ যাতে এক হৈ এক মহান অসমীয়া জাতি গঢ়ি তুলিব পৰা যায় তাকহে আলোচনা কৰা আৱশ্যক। অসমৰ পাহাৰ ভৈয়ামে যি সংস্কৃতি লুকাই আছে তাক বিশ্ব দৰবাৰলৈ উলিয়াই নিবলৈ প্ৰতিজন 'অসমীয়াই' সচেষ্ট হোৱা উচিত। বৰ্ত্তমান অসমৰ গণ জাগৰণৰ প্ৰতি আকুণ্ঠ সহাঁৰি জনাই আমাৰ মাজৰ একতা অটুট ৰখাৰ প্ৰয়াসেৰে এই নতুন শিতানটিৰ অৱতাৰণা কৰা হ'ল।

এই শিতানটি যুগুতাওতে মোক মিচিং গীতসমূহ যোগান ধৰি সহায় কৰিলে শ্ৰদ্ধেয় শ্ৰীযুত টাবুৰাম টাইড চাৰে। অন্যান্য গীতবোৰ সংগ্ৰহ কৰাত সহায় কৰিলে বন্ধুবৰ শ্ৰীমৃদুল বৰগোহাঁঞিয়ে আৰু বিভিন্ন আলোচনীসমূহে। এই শিতানটি বিস্তৃত ভাবে আলোচনা নোহোৱা বাবে কিছু ভুল-ত্ৰুটি থকাটো স্বাভাৱিক। সেই ভুল-ত্ৰুটিবোৰ সংশোধিত হৈ পৰৱৰ্ত্তী সংখ্যা 'কটনিয়ান'ত এই শিতানটো পূৰ্ণাঙ্গ হোৱাটো কামনা কৰিলো।"

সম্পাদক "কটনিয়ান"

**মিচিং ঐ-নিঃতম্**

[অসমীয়া বন-ঘোষাৰ দৰে মিচিং ঐ-নিঃতম্ মূলতঃ প্ৰেমবিষয়ক, উপমাব্যঞ্জক একোটাহঁত স্বয়ং সম্পূৰ্ণ স্তবক (Stanza)। মিচিং ডেকা-গাভৰুৰ প্ৰিয় এইবিধ গীতৰ বিশেষ ব্যৱহাৰ হয় নৃত্য-গীতৰ অনুষ্ঠানত ; অৱশ্যে বন-বননি, ধাননি পথাৰ আদিও এই গীতেৰে মুখৰিত হোৱা শুনা যায়। ]

১। অবনৰি কীৰীঃদ আচি তীঃ নীঃল্ পুমৃচাঃ ত,
লাক্কে পংকেব্ পংকেব্‌ল ঐনক্ য়াল্লম কাঃপাঃত।
[তৃষ্ণাতুৰ হৈ সোৱনশিৰিৰ পাৰত বহি এচলু পানী হাতত তুলি ললোঁ; (হায়!) আঙুলীয়ে আঙুলীয়ে তোমাৰ ছবিকে দেখিলোঁ]

২। পীকী তমাঃনী পীত্তাঙই তমাঃনী,
আলাব্ ঐয়া কাতমা লাব্‌লীক চুপীচিন্,
ঐনম্ কাঃনীঃদ কাঃবেগ তমাঃনী।
[কপৌ বা তেনে কোনো চৰাই নহলো— পাখি মেলি উৰা মাৰিবলৈ; (হায়!) ব্যাকুল দৃষ্টি যে মোৰ বিৰহকাতৰ!]

৩। আচি জিলি জিলিক মিক্‌চি জিলি জিলক,
আচি জিলি পীন্‌য়েপী, মিক্‌চি জিলি পীন্‌পীমাং।
[পানীৰ নিজৰাও নিজৰা আৰু চকুলোৰ নিজৰাও নিজৰা; (কিন্তু পাৰ্থক্য এয়ে যে পানীৰ নিজৰা শুকাব পাৰে; মোৰ চকুলোৰ নিজৰা যে চিৰ প্ৰবাহমান।]

৪। আলী পঃল লীচাঃতুং ৰীলী দঃঞ্জি অৰাতুং,
চয়ং পাক্কম্ কান্দুবং আচিনাঙী অতুবং।
[পশ্চিমত সেয়া বেলি মাৰ গৈছে আৰু পূবত সেয়া জোন উঠিছে; কুলি কেতেকীয়ে এতিয়া বিনাব ধৰিছে আৰু তোমাৰ কাৰণে মোৰ হিয়াও বিনাব ধৰিছে।]

৫। নক্কী আগ্‌গ কেকন্দ ঙক্কী আগ্‌গ কেকন্‌চ,
আগদক্কী তুবৰি পাৰপুমৰী চুয়ে পী।
[তোমাৰ কবৰ সিপাৰে আৰু মোৰ কবৰ এইপাৰে; কিন্তু আমাৰ কবৰৰ তুবৰি আহি একেলগ হ'ব।]

৬। চাপৰি ঐ চাপৰিল্ চপানুচুলা ৰমৃদাগ্‌গম,
ঐয়া ঙনৃঞ্জিক্ মিক্কিদী য়িঃপুমাৰী চুয়েপী।
[আমাৰ ছুয়োকো ছফালে টানি নি ছখন চাপৰিত তুকুৰা চিতাজুইত জ্বলাব পাৰে, কিন্তু ছুকুৰা চিতাৰ ধোঁৱা ওপৰত এক হৈ যাব।]

★ মিচিং ভাষাত হ্ৰস্ব আৰু দীৰ্ঘ দুবিধ স্বৰধ্বনি আছে। দীৰ্ঘ স্বৰধ্বনি বুজাবলৈ 'কলন' (ঃ) চিহ্ন ব্যৱহাৰ কৰা হৈছে। তাৰ উপৰিও দুটা বিশিষ্ট স্বৰধ্বনি চিহ্নিত কৰিবলৈ অী (ব্যঞ্জনবৰ্ণৰ লগত ী) আৰু ঈ (ব্যঞ্জনবৰ্ণৰ লগত ী) ব্যৱহাৰ কৰা হৈছে। এই দুটা বিশিষ্ট ধ্বনিৰ উচ্চাৰণ মিচিংভাষী লোকৰ পৰা জানিব পাৰিব। ★

## নঁ অসমীয়া চাহ বনুৱাৰ দেহ বিচাৰৰ গীত

হৰি গেল মধুপুৰে
নাই আসিলেন ফিৰে
লতায়ে লতায়ে কান্দে ৰাধা বংশীধাৰী
আছে দেখা দেওহে নোৱাৰী
ভাৱিলে কি হৰি পাবে ?
মৰিয়ে যাবে
নাকান্দা শ্যাম ৰাধাৰ বংশীধাৰী
মৰি মৰিল আছে দেখা দেওহে নোৱাৰী।

( ভাৱাৰ্থ— কান্দিলে মৃতক ঘূৰি নাহে। আচলতে আত্মা মৃতকৰ কাষতে থাকে কিন্তু দেখাহে নিদিয়ে। গতিকে কান্দি লাভ নাই। )

## চাহ মজদুৰৰ টুসু গীত

আমাৰ টুসু মুৰি ভাজে
গোলাপী শাখা জ্বল মল কৰে
ওদেৰ টুসু ভাড়াৰ মাৰি
গোলাপী আঁচল পাতি মাগে।

( ইয়াত টুসু শব্দটোৱে এগৰাকী সাধাৰণ মহিলাক বুজাইছে, কিন্তু প্ৰকৃতাৰ্থত টুসু এগৰাকী আৰাধ্য দেৱীহে। এই গীতৰ পোনপটীয়া অৰ্থ এনে ধৰণৰ— "আমাৰ টুসুৱে মুড়ি ভাজিব জানে; কিন্তু তোমালোকৰ টুসু কাম-বন কৰিব নজনা আৰু স্বামীৰ লগত কাঁজিয়া কৰা অসৎ চৰিত্ৰৰ তিৰোতা।" পুৱণি অসমীয়াৰ জোৰানামৰ দৰেই এই টুসু গীত সমূহ ব্যৱহাৰ কৰা হয়। )

## কাৰবি লোকগীত

"মাহিন ফ' ৰাজাং
ছিমলাৰ থুং লাবাং
নাংজু কাতেৰাম
নে জু পাতাৰ নাংফান
ছামি বং তাফান
তংছু' ৰুণ একিৱান
মাত্তি থুং লাংবাং ?"

( কপৌজনীয়ে অপঁইতা বাহঁৰ আগত বহি বৰ কৰুণ ভাবে বিনাইছে— হেৰা কপৌ জনী তুমি মোৰ প্ৰেয়সীৰ কিবা ত্বঃসংবাদ পাইছা নেকি ? )

## টাই গীত

লুঙ হাঙ্‌লী ৰাক্‌চি ঐচালি
খাউ খেঞ মি য়াং নাম।
থেন চাম টি থেন হুক্ দাম কিং চাম
বান খাম বান খাম এম টান ॥
টি মুং টাং উংচেউ কচি ছাং মুংফি
চাওফা মুং ফি চাও দাই।
চেহুং টি বিং খাউচিছে খামচি
হেংচি লঙলী এম (খাম)।
হাউনা খাউনা কিংচি থে'ন না
টি ভেট জিন জান কা ॥

অসমীয়া সাৰাংশ

অতিকৈ শুৱনি চেনেহী অসমী
ৰূপৰে তুলনা নাই
বনে উপবনে কুলি কেতেকীয়ে
মিঠা মিঠা গীত গায়।

মৰতৰ বুকুতে স্বৰগ ৰচিলে
স্বৰ্গদেউ ঈশ্বৰে পাই।
গড়গাওঁ নগৰী ৰূপৰে লহৰী
বীৰৰে গৰিমা গায়
শুৱনি ধাননী সেউজী বননি
ৰ'দত তিৰেবিৰায় যায়।

মূল ৰচনা আৰু অনুবাদঃ জোনাৰাম ফুকন
সংগ্ৰাহকঃ মৃদুল বৰগোহাঞি

***

# মোহ

শ্ৰীব্ৰজেনজিৎ সিং
প্ৰাক্ বিশ্ববিদ্যালয়, বিজ্ঞান (১ম বাৰ্ষিক 'গ' শাখা)

*হাই বৰণীয়া ধোৱাঁৰ মাজত*
*এখন নিঃসহায় মুখ,*
*ৰক্তহীন তেওঁৰ চকুহুটা ক্ৰমে*
*জাপ খাই আহিছে,*
*হাড়ত বনগজা ককাদেউতাৰ*
*বেৰত আঁৰি থোৱা ফটোখনে*
*তেওঁক হাতবাউল দি মাতিছে;*

*তেওঁৰ তাত চকু নাই;*
*মৃত্যুৰ ঘন ক'লাই আৱৰি ধৰা*
*তেওঁৰ চকুত বাৰে বাৰে ভাঁহি উঠিছে*
*নৱজাত এখন শিশুৰ মুখ।*

*

# পুনৰুৎপত্তি

নেকিবুৰ ৰহমান শইকীয়া
২য় বাৰ্ষিক স্নাতক (বিজ্ঞান)

*চাৰিওফালে চীৎকাৰ,*
*কেৱল টেটুফলা চীৎকাৰ!*
*কঙ্কালসাৰ দেহৰ ওপৰেদি*
*ঠিক যেন—*
*এদল অশ্বাৰোহী পাৰ হৈ গ'ল*
*(আৰু) আমাৰ হৃৎপিণ্ডত*
*সিহঁতৰ ঘোঁৰাৰ পদশব্দৰ*
*অহৰহ পুনৰুৎপত্তি॥*
*চকুত টেণ্টেলাছৰ অসহায় চাৱনি,*
*......তেজবোৰৰ উত্তাপ যে ইমান বেছি হৈ গৈছে*
*অথচ—*
*আমি মৃত্যুৰ দ্বাৰা দলিত,*
*কি যে বৈষম্য!!*
*তথাপি সিহঁতে আমাৰ ওপৰেদি*
*অহৰহ আহে আৰু যায়।*
*কি ক'লা? জীয়াই থকাৰ মোহ নাই?*
*ভুল বুজিছা বন্ধু!*
*আমাৰ স্নায়ুবোৰ এতিয়াও সাৰে আছে*
*আমাৰ পুনৰুত্থান হ'বই।*
*আমি জীয়াই থাকিবই লাগিব*
*আমাৰ হাড়েৰে— আমিয়েই হাতুৰী বনাম*
*কফিন সাজিবলৈ—*
*সিহঁতক ঘোঁৰাৰে সৈতে কবৰ দিবলৈ!!!*

*

# ঃ মৃত্যুৱে যাক কৰিব নোৱাৰে ম্লানঃ

"মৃত্যু হেনো অপৰাজেয়। সঁচা কথা। কিন্তু কাৰোবাৰ ব্যক্তিত্ব, কাৰোবাৰ জীৱন দৰ্শন, কাৰোবাৰ সৃজনী শক্তি, কাৰোবাৰ অনুপ্ৰেৰণাক মৃত্যুৱে ম্লান কৰিব নোৱাৰে। কটন কলেজৰ বুৰঞ্জীতো উল্লেখ থকা এই কেইজন মহান ব্যক্তি, স্বৰ্গীয় ডঃ কমলা ৰয় আৰু স্বৰ্গীয় ৰোহিণী কুমাৰ ভূঞা দেৱৰ ব্যক্তিত্বও কটন কলেজৰ বুৰঞ্জীত ম্লান পৰিব নোৱাৰে।"

সম্পাদক, কটনিয়ান

## কমলা বাইদেউ

শ্ৰীঅনন্ত দাস
২য় বাৰ্ষিক, স্নাতক (কলা)

কটন কলেজৰ ইতিহাসত যি সকল স্বনামধন্য ব্যক্তিৰ নাম সোণালী আখৰেৰে জিলিকি আছে, সেই সকলৰ নাম মনত পেলালে নিশ্চয় কটন কলেজৰ প্ৰাক্তন অধ্যক্ষা, এসময়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ডঃ কমলা ৰয় বাইদেউৰ নামটোও মানসপটত ভুমুকি মাৰিব। বিশেষ ব্যক্তিত্বৰ অধিকাৰী কমলা বাইদেউ হৃদ-ৰোগত আক্ৰান্ত হৈ ডুলীয়াজানৰ 'অইল ইণ্ডিয়া হস্পিতেলত' চিকিৎসাধীন হৈ থাকি ১৯৮০ চনৰ ১৬ জানুৱাৰী তাৰিখে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুচি গ'ল।

কমলা বাইদেউৰ জীৱনৰ সংস্পৰ্শত আহিবলৈ সৌভাগ্য হোৱা নাছিল। মাত্ৰ কেইবছৰমান আগতে লগ পাইছিলো উজান বজাৰৰ বন্ধু এজনৰ ঘৰত। চিনাকি হৈ দুই-একাষাৰ কথা পাতিছিলো আৰু তবধ মানিছিলো তেখেতৰ ব্যক্তিত্বত। বাইদেউৰ জীৱনৰ সকলো দিশতে হাতফুৰাবলৈ অক্ষম যদিও বাইদেউৰ অতুলনীয় ব্যক্তিত্বৰ অনুপ্ৰেৰণাত তেখেতৰ জীৱনৰ অকণমান কথা নিবেদন কৰিব খুজিছো আমাৰ "কটনিয়ানৰ" মাজেৰে। ক্ষন্তেকীয়া চিনাকিও যে ইমান গভীৰ আৰু অবিস্মৰণীয় হ'ব পাৰে তাক আজিহে উপলব্ধি কৰিব পাৰিছোঁ।

ডঃ কমলা ৰয় বাইদেউৰ জন্ম হৈছিল

মৃত্যুৱে যাক কৰিব নোৱাৰে ম্লান • • •



ডঃ কমলা ৰয়

জন্ম : চেপ্তেম্বৰ, ১৯১৪ চন

মৃত্যু : ১৬ জানুৱাৰী, ১৯৮০ চন

গোৱালপাৰা জিলাত ১৯১৪ চনৰ চেপ্তেম্বৰ মাহত। তেখেতৰ পিতৃ আছিল ৺ঘনকান্ত গোস্বামী। বাইদেউ সৰুকালৰে পৰা তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰী আছিল। তেখেত কলিকতাৰ বেথুন স্কুলৰ পৰা স্কুলীয়া শিক্ষান্ত পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হয়। ইয়াৰ পিছত তেখেতে বেথুন কলেজত বিজ্ঞান শাখাৰ ছাত্ৰী হিচাবে ভৰ্ত্তি হয়। এই কলেজৰ পৰা আই, এছচি পৰীক্ষা উত্তীৰ্ণ হৈ বাইদেউ মেনিলা বিশ্ববিদ্যালয়লৈ যায় আৰু তাৰ পৰা সুখ্যতিৰে বি, এছ চি পৰীক্ষাত কৃতকাৰ্য্য হয়। বি এছ চি ডিগ্ৰী লৈ বাইদেউ উচ্চ শিক্ষাৰ্থে ফ্ৰান্সলৈ যায় আৰু পেৰিচ বিশ্ববিদ্যালয়ত গৱেষণাৰ কাম আৰম্ভ কৰে। "সাগৰীয় শেলাই" (Marine Algae) বিষয়ত গৱেষণা কৰি বাইদেউয়ে পেৰিচ বিশ্ব বিদ্যালয়ৰ পৰা ডি এছ চি ডিগ্ৰী লাভ কৰে।

১৯৪০ চনৰ আগষ্ট মাহত কমলা বাইদেউয়ে কটন কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগত সহকাৰী প্ৰবক্তা হিচাবে যোগ দি অধ্যাপনা জীৱনৰ পাতনি মেলে। অৱশ্যে ইয়াৰ আগতে কলিকতাৰ উইমেন'চ কলেজতো তেখেতে কিছুদিন অধ্যাপনা কৰিছিল। কিছুদিন কটন কলেজত থাকি ১৯৪৮ চনত ব্ৰহ্মদেশৰ মান্দালয় চৰকাৰী কলেজত (Mandalay Government College) উদ্ভিদ বিজ্ঞান বিভাগত অধ্যাপিকা হিচাবে যোগ দিয়ে। এই কলেজত তেখেত দুবছৰ থাকি ১৯৫০ চনত পুনৰ কটন কলেজলৈ উভতি আহে। কটন কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সৰ্ব্বপ্ৰথম মুৰব্বী অধ্যাপক শ্ৰদ্ধেয় শ্ৰীঅতুল চন্দ্ৰ দত্ত চাৰৰ অৱসৰ প্ৰাপ্তিৰ পিছত ১৯৫৪ চনৰ জুন মাহত কমলা বাইদেউয়ে উক্ত বিভাগৰ মুৰব্বী অধ্যাপকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰে। ১৯৬০ চনত তেখেতে কলেজৰ উপাধ্যক্ষৰ আসন শুৱনি কৰে। বাইদেউ ভালেকেইবছৰ তেতিয়াৰ কটন ছোৱালী ছাত্ৰী-নিবাসৰ অধীক্ষক আছিল। সুদীৰ্ঘ নবছৰ তেখেত আমাৰ কলেজৰ উপাধ্যক্ষা হৈ থাকি ১৯৬৯ চনত অধ্যক্ষৰ পদ পায়। কিন্তু এই পদত থকাৰ কিছুদিন পিছতে একেবছৰৰ চেপ্তেম্বৰ মাহত অৱসৰ গ্ৰহণ কৰে।

বাইদেউৰ স্বামী আছিল ডঃ ধীৰেন্দ্ৰ নাথ ৰয়। তেখেত মেনিলা বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপক আছিল। বাইদেউৰ ল'ৰাছোৱালী এহাল। তেখেতৰ ছোৱালী শ্ৰীমতী ৰীতাক ত্ৰিপুৰাৰ ৰাজকুমাৰলৈ বিয়া দিয়ে।

কমলা ৰয় বাইদেউ কিছুমান বিশেষ গুণৰ অধিকাৰী আছিল। বাইদেউ আছিল অতি সাহসী আৰু ধৈৰ্য্যশীলা। তেখেতৰ লগত কথা পাতিলে কিছুমান নতুন নতুন কথা শিকা যেন লাগিছিল। বাইদেউ আমাৰ মাজত নাই। তেখেতৰ মৃত্যুত ছাত্ৰ-শিক্ষক-কৰ্ম্মচাৰী সকলোৰে কৰুণাসিক্ত অন্তৰেৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো। তেখেতৰ চিৰ শাশ্বত আত্মা আমাৰ অনুপ্ৰেৰণাৰ উৎস হ'ব। বাইদেউৰ আত্মাই শান্তি লাভ কৰক।

* * *

# এটুপি চকুলো পৰে সুঁৰৰি

সদায় মিচিকীয়া হাঁহি এটা মুখত লাগি থকা পাতল মিঠা বৰণীয়া ল'ৰা এজনক কটন কলেজৰ কলা বিভাগৰ ছাত্ৰ হিচাবে পাইছিলো। শিক্ষক হিচাবে বহুতো ছাত্ৰ-ছাত্ৰীৰ সান্নিধ্য লাভ কৰাৰ সুযোগ পোৱা যায়। তাৰে দুই এজনৰ স্মৃতি মনৰ মাজত মছিব নোৱাৰাকৈয়ে ৰৈ যায়। এই ল'ৰাজনো তেনেকুৱা দুই এজনৰ ভিতৰত পৰিছিল। ৬০ চনৰ সময়ছোৱাত ছাত্ৰ হিচাবে পোৱা এই ল'ৰাজনৰ নাম আছিল ৰোহিনী ভূঞা।

ৰোহিনীৰ মিঠা হাঁহিটোৰ মাজত যেন লুকাই আছিল অপৰাজেয়ক জয় কৰাৰ এটা দুৰ্দ্দান্ত বাসনা। এওঁৰ গাত কেইটামান বিশেষত্ব মই দেখা পাইছিলো। এটা হ'ল ব্যৱহাৰত ৰোহিনী সদায় সহজ সৰল সৰু ল'ৰা এটাৰ নিচিনা আছিল। আচাৰ-ব্যৱহাৰ আৰু পোচাক-পৰিচ্ছদে তেওঁৰ এটা মাৰ্জিত ৰুচিবোধ থকা মনৰ পৰিচয় দিছিল।

কটন কলেজৰ বাৰ্ষিক সপ্তাহ উদ্‌যাপনৰ সময়ত ৰোহিনীয়ে খেলবিভাগত সদায় এটা সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। দৌৰাৰ বিষয়ত তেওঁ যথেষ্ট কৃতিত্বও দেখুৱাব পাৰিছিল। খেল পথাৰৰ মাজতেই ৰোহিনীৰ শিশুসুলভ মন এটাৰ পৰিচয় পাইছিলো।

কলেজীয়া জীৱনৰ সামৰণি মাৰি তেওঁ ডাক-তাঁৰ বিভাগত চাকৰি গ্ৰহণ কৰে। এই সময়তেই তেওঁ পৰ্বতাৰোহণৰ বিষয়ে প্ৰশিক্ষণ লৈ আহে আৰু তাৰ পাছৰে পৰা এই বিষয়টোৰ লগতেই মৃত্যুৰ সময়লৈকে লাগি থাকে।

১৯৬৪ চনৰ কোনোবা এটা দিনত ৰাতিপুৱা ৰোহিনী গৈ মোৰ ঘৰ ওলালগৈ-- চিৰ পৰিচিত হাঁহিটোৰ সৈতে। কোনো ভূমিকা নোহোৱাকৈয়ে আৰম্ভ কৰিলে— "ছাৰ, শুনি সুখ পাব যে মই Mountaineering ৰ Training লৈ আহিলো। তাত আপোনাৰ নামটো দেখি ভাল লাগিল। গতিকে আপোনাৰ ওচৰলৈ আহিলো এটা কামত সহায় বিছাৰি। আমি অসমত এটা পৰ্বতাৰোহণ সন্থা খুলিম বুলি ভাবিছো, কেনে দেখে ?"

তাৰপাছত আমাৰ দুয়োৰে এই বিষয়ে আলোচনা হ'ল। কটন কলেজত ক্ৰীড়াবিভাগত থকা উপ-সভাপতি অধ্যাপক দেবীচৰণ মহন্তক সভাপতি হিচাবে লৈ সন্থা গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়ালো। লগতে সন্থাৰ দীৰ্ঘজীৱন যাতে হয় তাৰ কাৰণে তেওঁ যাতে সক্ৰিয় কেইজনমান ছাত্ৰৰে সন্থা গঠন কৰে তাৰ কাৰণে লক্ষ্য ৰাখিবলৈ পৰামৰ্শ আগবঢ়ালো।

অৱশেষত ৰোহিনীৰ আশাশুধীয়া চেষ্টাত কটন কলেজৰ সাৰ্ব্বজনীন ছাত্ৰাবাসৰ জিৰণি কোঠাত জন্ম লাভ কৰে "অসম পৰ্বতাৰোহণ সন্থা"ই। এই সন্থাৰ মাথোন জন্মতেই নহয় ইয়াৰ দীৰ্ঘ জীৱন লাভ কৰাত আৰু এটা গৌৰৱোজ্জ্বল অতীত সৃষ্টি কৰাত ৰোহিনীয়ে সহায় কৰি গ'ল।

১৯৭৯ চনত আকৌ এটা অভিযানত গ'ল। পাহাৰে ৰিঙিয়াই মাতিলে ৰোহিনীয়ে সঁহাৰি নিদিয়াকৈ থাকিব নোৱাৰে। বিজয়ৰ গৌৰৱ লৈ ঘূৰি অহাৰ পথত চিৰদিনৰ বাবে বন্ধ হৈ গ'ল ৰোহিনীৰ মিঠা হাঁহিটো। ৰোহিনীৰ কথা যেতিয়াই মনত পৰে তেতিয়াই আৰ্নেষ্ট হেমিংওৱেৰ এষাৰ কথা মনত পৰে— **"Man may be destroyed but not defeated."**

**অধ্যাপক, তীৰ্থনাথ বৰকটকী**

* * *

# এহাত ডাবা

**শ্ৰীদিলীপ শৰ্ম্মা**
২য় বাৰ্ষিক স্নাতক, (বিজ্ঞান)

*আকৌ আহিব বোৱতী সৃঁতিত ঢল;*
*ৰ'দে পোৰা মাটিডৰাত পৰিব পলসৰ তৰপ।*
*পুনৰ খোৰ মেলিব জীৱনৰ ভ্ৰূণ।*
*এইবাৰ এহালিচা মাটিত খেতি কৰিম*
*বুলি ভাবিছোঁ। তাত সিঁচিম মৃতকৰ*
*হাড়ৰ কঠিয়া। জীপ দিম জীৱিত দেহৰ*
*তেজৰ সোঁতেৰে।*
*এনেদৰেই সৃষ্টি কৰিম এডৰা নতুন ধান।*
*সিহঁতৰ আতুৰ পৰাণে গ্ৰাস কৰি থব*
*শাওণৰ কপিলীৰ কৰাল ৰূপ।*
*তেতিয়াহে আমি চাম সঁচাই লুণীয়া নেকি*
*প্ৰিয়াৰ চকুযুৰী।* ●

# ৰমণীয় বৰণীয় ভাস্বতী

**গৌতম তালুকদাৰ**
প্ৰাক্-বিশ্ববিদ্যালয়, ১ম বাৰ্ষিক বিজ্ঞান ('গ' শাখা)

*যুগ-বাৰ্ত্তাৰে বিভুষিতা হে চিৰবন্দিতা!*
*ক'ত তোমাৰ সেই*
*অনাবিল হাঁহি*
*মাধুৰ্য্য ভৰা,*
*যন্ত্ৰ কৰ্কশ হিয়াৰ বিমল প্ৰক্ষালন?*
*প্লাবিত শত প্ৰশান্তিৰ ঢল?*

*আছে মাথোঁ পিৰামিডৰ*
*এক নিবিড় তন্ময়তা*
*আৰু সুষুপ্ত জ্বালামুখীৰ*
*স্থিতিশীল জড়তা!*
*ক্লান্তি ভৰা শত যুগৰ*
*ধোৱাঁ হৈ উৰি যোৱা দুটোপাল অশ্ৰুজলৰ*
*'অমৰ বিষাদ'!... ...*

*নিৰ্জন প্ৰান্তৰৰ নিবিড়তাতো—*
*মৰিশালীৰ নিস্তব্ধতাতো—*
*আদিম আৰণ্যিক জীৱনৰ*
*চিৰন্তন উদ্বিগ্নতা*
*জন কলৰৱৰ! ......*

*ধূসৰাবৃত 'চাহাৰা'ৰ*
*মৰুময় প্ৰান্তৰৰ*
*'ব্লিজাৰ্ড'-স্খলিত নিস্পন্দ হৃদয়তো*
*মুদিত চকুৰ ফলকত দেখা*
*ঘন ঘোৰ এন্ধাৰতো*
*আছে তেন্তে—*
*একাবেঁকা ৰেখাৰ ৰঙীন পোহৰ*
*ৰক্তাভ শিলালিপিৰ নিফ্ট-বিমূৰ্ত আৰ্ত্তনাদ!*

॥ ৰূপক কাহিনী ॥

# প্ৰতিবিম্ব

শ্ৰীনীলমনি মেধি
প্ৰাক-বিশ্ববিদ্যালয়, ২য় বাৰ্ষিক (বিজ্ঞান)

ফাগুণা টোপনিত লালকাল, টোপনি একেবাৰে ঘোৰ টোপনি। টোপনি যাবৰ সময়ত সি সেই দিনা ৰাতিপুৱা কৰা কামটিৰ বাবে নিজকে যেন পাপী পাপী বোধ কৰিছে, যেন সঙ্গীহীন তিৰোতা মানুহৰ বৈধব্য যন্ত্ৰনাই যেনেকৈ হিয়া চুৰমাৰ কৰে, ঠিক তেনেদৰে সঙ্গীহীনতাই যেন তাক খুলি খুলি খাবলৈ ধৰিছে। এইবোৰ ভাবি থাকোতেই তাৰ টোপনি আহিল। টোপনিত থাকোতেই সামাজিকত সি থিয় দি ক'লে,—'আইদেউ, আপুনি মোক কলৈ লৈ যায়; মই নেযাওঁ, মোক নিনিব আইদেউ, মোক নিনিব। চাওঁক আইদেউ পৰি এয়া তেজ ওলাল। এয়া তেজ, তেজ আইদেউ।

কুঁৱৰীয়ে কলে, "মই, মই সপোন কুঁৱৰীৰ এজনী দাসী ভৃত্য। মই তোমাক ভালৰ বাবেহে আনিছো বোপা, তুমি চিন্তা নকৰিবা, তোমাৰ কোনো ভয় নাই। তুমি তাত গৈ সপোন কুৱৰীৰ স্বৰ্ণ কাৰেঙত থাকিবা, সোণৰ চাউলৰ ভাত খাবা, সোণৰ পালেঙত থাকিব পাৰিবা আৰু যে কত কি! যি লাগে তুমি তাকে পাবা, যি খাব খোজা তাকে পাবা; কিন্তু·········। কিন্তু·········।"

ফাগুণা,—"অ' কিন্তু আৰু কি বস্তু!"

"নহয়, কিন্তু একো নহয়। মাথো লাগতিয়াল বস্তু যিমান পাবা সিমানেই। ব'লা এতিয়া ব'লা আৰু অলপো সময় নাই, মোৰ আন ঠাইত কাম আছে। তোমাৰদৰে আৰু বহুতো মানুহ আছে, সিবোৰকো আনিব লাগে। চোৱা, চোৱা সেইয়া পাষণ্ড অসুৰহঁতে চাই আছে, মই গলেই সিহঁতে তোমাক সিহঁতৰ লগত লব। তেতিয়া যে কিখন নহব তোমাৰ। সিহঁতৰ লগত কাম কৰাৰ লগে লগে তুমি সেই কামৰ ফল নোপোৱা, বহু পিছত পাবা। যাৰ পৰিনতি অতি ভয়ঙ্কৰ। বহুতো সাপে যেন তোমাক আগুৰি থাকি খুটিবলৈ খেদি আহিব আৰু তুমি যেতিয়া চিঞৰি দিবা তেতিয়া সিহঁত আতৰি যাব। সিহঁতে

খুটিও নামাবে আৰু যেতিয়া ভয়ত বিহ্বল হব তেতিয়া আকৌ বেছি ফেট মেলি আহে। কি পৰিণাম জানা?"

"বলা, বলা সেইটো সোণৰ জখলা আছে। কাষতে এটা ৰূপৰ জখলা আছে, তাত তুমি যাবা আৰু মই সোণৰটোত যাম।"

'অ' সোণৰটোত আপুনি?'

'কিয়! অকলে যাব ভয় কৰিছা নেকি? নাই, কোনো ভয় নাই। বলা, এতিয়া বলা। সৌ যে ডাৱৰখিনি আছে তাত এটা সোণৰ খাল আছে আৰু ডাৱৰখিনিৰ পিছত অলপ কলা বগা ডাৱৰ আছে। সেইখিনি পাৰ হলেই জখলা তুড়াল পাম।"

এইবুলি দুয়ো খোজ ললে। অগীয়া বগীয়া বহুতো বাটকুৰি বাই দুয়ো আহিল। সৰু সৰু খালবোৰ কুঁৱৰীয়ে ডেও দি পাৰ হয়; কিন্তু ফাগুনাই ভয়তে পাৰেই হব নোৱাৰে। একোটা জাপ মাৰে, কিন্তু অৱশেষত খালৰ মাজতেই পৰে।

যথাস্থান পালত দুয়ো জখলাৰ ওচৰ চাপিল। কুঁৱৰীয়ে সোণৰ জখলাত উঠিল; ফাগুনায়ো সোণৰ জখলাৰেই উঠিবলৈ গ'ল।

'মাৰিলা মাৰিলা বোপা। তুমি মোক মাৰিলা। তোমাৰ এই ডালেৰে উঠিবলৈ বহুদিন আছে। ৰবা, অলপ ৰবা। মই গৈ আছো। তুমি এইটোতেই উঠিবা, মই তাত উঠিম।' কুঁৱৰী নামি আহিলত ফাগুনা উঠিল সোণৰটোত, কুঁৱৰী উঠিল ৰূপৰটোত।

গৈ আছে, গৈ আছে। এনেতে ডাৱৰীয়া বতৰৰ পাছত মেঘে ৰেং দিয়াৰদৰে এচটা ৰেং আহি দুয়োৰে গাত পৰিল। তেতিয়া কুঁৱৰীক এগৰাকী গাভৰু যেন দেখা গৈছিল। যেন বিধাতাই বিশ্বৰ সকলো সৌন্দৰ্য্যৰে বুঢ়ীকেই বিভূষিত কৰিছে। আনহাতে ফাগুনা, ফাগুনা হৈয়েই থাকিল। তাৰ মনটো ফাগুনৰ বতাহৰ দৰে উৰি ফুৰিছিল।

দুয়ো গৈ গৈ ৰাজপ্ৰাসাদ পালে।

দুয়ো গৈ গৈ পদূলিত থিয় হ'ল। বুঢ়ীয়ে দুৱাৰত টুকুৰিয়াই দিয়াত দুৱাৰ খোল খালে।

'লোৱা ইয়াৰে যিকোনো এযোৰ কাপোৰ তোমাৰ মনৰ পছন্দমতে।'

ফাগুনাই আগবাঢ়ি গৈ এযোৰ ধুনীয়া কাপোৰ বিচাৰি লৈ পিন্ধিব সাজু হওঁতেই বুঢ়ীয়ে মাত লগালে। 'এইযোৰ তোমাৰ নহয়, সেই আগৰ লুভীয়া স্বভাব যোৱাই নাই। সৌৱা যে নিখুঁত বগা কাপোৰ দেখিছা তাৰহে এযোৰ লোৱা। মই তোমাৰ মনটোহে জুখি চালো।'

ফাগুনাৰ মনটি কোঁচখাই গ'ল। ইচ্ কেনেকুৱা কাপোৰ!

"অ তাৰেই এযোৰ লোৱা। সেয়েহে তোমাৰ প্ৰতীক। আহা, আহাছোন এইফালে আহা।" আন এখন দুৱাৰ খুলি দি বুঢ়ীয়ে কলে "চোৱাছোন এইবোৰ কি—?" সকলো বগা কাপোৰ পিন্ধা মানুহ। আন এখন দুৱাৰ খুলি দি ক'লে, "এইফালে চোৱা কি কি দেখিলা। এইবোৰ দেখোন বগাপোছাক পিন্ধা মানুহ। কিন্তু! কিন্তু ইহঁত আগৰবোৰৰদৰে শুদ্ধ বগা নহয়। মুখখন অলপ কলচীয়া, ওঠ দুটি কোঁচ খাই আছে। তুমি ইহঁতৰ লগত থাকিব পাৰিবা কিছুদিন পাছত, এতিয়া নহয়।"

"কিয় আইতা মই এতিয়া ইহঁতৰ লগত থাকিব নোৱাৰো!" ফাগুনাই সুধিলে।

"তোমাৰ আৰু কিছুকাম আছে। আহা, এইফালে আহাছোন।" আন এটা কোঠাৰ সন্মুখলৈ লৈ গ'ল। দুয়ো যোৱাৰ লগে লগে কোঠাৰ দুৱাৰ খোল খালে। দেখে তলফালে প্ৰকাণ্ড গহ্বৰ। তাত বহুতো মানুহ আছে বগা কাপোৰ পিন্ধা। "দেখিছা, দেখিছা এইবোৰ কি?"

"কাৰ কেনেকুৱা কামৰ বাবে কি শাস্তি? সৌ মানুহ জনক দেখিছা, সি তোমাৰদৰেই দোষী বাবেই তাৰ তেনেকুৱা শাস্তি।"

"শাস্তি শাস্তি" বুলি ফাগুনাই বুঢ়ীক সাৰটি ধৰিব যাওঁতেই বুঢ়ীয়ে তাক খুন্দামাৰি দিলে। লগে লগে সিও পৰি গ'ল গহ্বৰৰ ভিতৰত। আনক দিয়া শাস্তি দেখি নিজেই উস্ আঁস্ কৰিব ধৰিলে। তাৰ পিছত নিজৰ পাল পৰিল। দুদিনমান পিছত বুঢ়ীয়ে তাক লৈ আহিল আৰু এযোৰা বগা পোছাক পিন্ধাই দি আন এটা কোঠালীলৈ লৈ গ'ল। ফাগুনা নেযায়, বুঢ়ীয়ে কলে, "কোনো ভয় নাই এতিয়া, এতিয়া তুমি মুক্ত। আহা আহা, ভয় নকৰিবা।"

আনটো কোঠাৰ দুৱাৰমুখত দেখিলে আন এজনী কুঁৱৰী ধুনীয়া, নিখুঁত বগা আৰু সাজ-পোছাকতো কোনো খুঁত নাই। দুৱাৰমেলি সোমাই গ'ল। "দেখিছা কি এইবোৰ নিখুঁত শুদ্ধ বগা পোছাক পিন্ধা মানুহ। চোৱা, চোৱা বোপা। ইহঁতৰ পোছাকৰ ওপৰেৰে চোৱা কিদেখিলা?"

"অ' কলিজাত এখন প্ৰকাণ্ড যুদ্ধ। বাঃ কি ভয়ানক। কিমান হাতী, কিমান ৰথ। বাঃ কিমান মানুহ—যেন জনসমুদ্ৰ। ই পক্ষৰটো কম নহয়। ইহঁতৰ ৰথ বেছি। অ' নহয়, যুদ্ধ হোৱাই নাই। সিপক্ষৰ হাতী কেইটা দেখিলেই ভয় লাগে। যুদ্ধ অৱশ্যে নহওঁতেই এনেকুৱা আৰু হলে দেখোন থাকিব নোৱাৰিম।" "থাকিব পাৰিবা" বুলি বুঢ়ীয়ে কলে।

"আৰু কি দেখিলা?" "অ' আৰু দেখোন সেইটো ভগৱান কৃষ্ণ। অ' কৃষ্ণ, ভগৱান কৃষ্ণ, সম্ভৱ কুৰুক্ষেত্ৰৰ ৰণ। তাত তেনেহলে অৰ্জ্জুনো আছে। অ' হয় অৰ্জ্জুনো আছে আৰু কি হৈছে। অৰ্জ্জুনে কৃষ্ণক কিবা কৈছে। কি কথা কৈছে। অৰ্জ্জুনে কৃষ্ণক কৈছে "সখী, নিজৰ সুখৰ হেতু মই নিজ হাতে ইমান মানুহ আৰু ভাতৃদ্বয়ক হত্যা কৰিম! নাই নাই। নেলাগে মোক এইবোৰ বিবেক লুণ্ঠনকাৰী সম্পত্তি; যাৰ বাবে আজি ভাতৃহত্যা।" ইয়াকেই দোখান বাৰে বাৰে কৈ আছে।"

"দেখিছা ইহঁতৰ হৃদয়বোৰ কেনেকুৱা আয়নাৰ দৰে সৰল, য'ত প্ৰতিবিম্ব দেখি।"

লগে লগে ফাগুনা সাৰ পাই উঠে; কিন্তু দেখে ক'তো একো নাই। আনকি নিজৰ প্ৰতিবিম্ব চাবলৈ আয়নাও নাই।





[কথা কবিতা]

# অপেক্ষা

প্ৰাণজিৎ প্ৰাণ বৰুৱা

প্ৰাক্‌বিশ্বৱিদ্যালয়, ২য় বাৰ্ষিক (বিজ্ঞান)

পৰ্বতৰ দিগ্‌বলয়ত সৌটো সুপ্ত সূৰ্য্য। সূৰ্য্যটো উদয় হব। পৰ্বতৰ সিপাৰে সূৰ্য্যৰ ৰশ্মিৰ ক্ষীণ ৰক্তিম আভা। সূৰ্য্যটো নিশ্চয় এতিয়া বেচ ৰঙা হৈ আছে আৰু সম্ভৱ বৰ ডাঙৰ। পোহৰৰ আভাবোৰ ক্ৰমে বেচিস্পষ্ট হৈ আহিছে। গিৰিশৃঙ্গৰ উত্তাল তৰঙ্গে তৰঙ্গে তাৰ আভা মিলি পৰিছে। গিৰিশৃঙ্গৰ বৰফবোৰ গলিবলৈ ধৰা নাই। বৰফৰ ওপৰত ৰশ্মিবোৰ প্ৰতিফলিত হৈ চকু চমক লগায়।......উৎকণ্ঠিত জনসমাগম। সকলো ৰৈ আছে পূৰ্ণতাৰে সূৰ্য্যটো উদয় হোৱাৰ বাবে। কিন্তু গিৰিশৃঙ্গবোৰে যেন সূৰ্য্যটো উদয় হোৱাত বাধাৰ সৃষ্টি কৰিছে। সি উদয় হব পৰা নাই। বৰফবোৰ কিন্তু অলপ অলপ গলিছে। জনগণৰ উৎকণ্ঠা ক্ৰমে বৃদ্ধি হৈ গৈছে—কেৱল সূৰ্য্য উদয়ৰ বাবেই। দিগ্‌বলয়ত চকুৰাখি সকলোৰে চকু বিষায় গৈছে; কিন্তু তেতিয়া লৈকে সূৰ্য্যটো উদয় হোৱাই নাই। জনগণই কিন্তু আশা হেৰুৱা নাই। নিশ্চয় উদয় হব দিনমণি।

......হঠাতে সকলোকে আচৰিত কৰি বৰফবোৰ তীব্ৰ ক্ষিপ্ৰতাৰে গলিবলৈ ধৰিলে। গিৰিশৃঙ্গ ক্ৰমে চাপৰ হৈ আহিল। গলা বৰফৰ লগে লগে দিনমণি উদয় হোৱা সকলো হেঁপাৰ যেন উটি আঁতৰি গ'ল। এতিয়া সূৰ্য্য উদয় হব। সকলোৰে আশাৰ উৎকণ্ঠা।.........

.........এইয়া সূৰ্য্য উদয় হ'ল। তেজগোৰা ৰঙৰে পূৰ্ণ বিশালতাৰে। উদয় হৈ দিনমণি ক্ৰমে ওপৰলৈ যাবলৈ ধৰিছে। জনগণৰ আশাৰ ফুল ফুলিল। প্ৰত্যেকৰ মুখত তেজগোৰা ৰঙৰ স্পষ্ট আভা। সকলোৰে মন উৎফুল্লিত। সূৰ্য্য উদয় হ'ল.........।

উদয়মণি সূৰ্য্যটো ক্ৰমে ওপৰলৈ উঠি গৈছে ৰঙৰ পূৰ্ণতাৰে। নীলিম আকাশত শুকুলা মেঘৰ আঁৰে আঁৰে সূৰ্য্যটো গৈ আছে। তথাপিও

জনসাধাৰণে বিচৰা মতে পোহৰ দিব পৰা নাই। অৱশ্যে তেতিয়াও তাৰ সম্পূৰ্ণ তেজগোৰা ৰং আঁতৰ হোৱা নাই। সকলোৱে ভাবিছে, যেতিয়া তেজগোৰা ৰঙৰ ঠাইত গভীৰ বগা-হালধীয়া পোহৰ আহিব, তেতিয়াই আশাৰ পূৰ্ণতাৰে পোহৰ বিলাব। চতুৰ্দ্দিশ কুঁৱলীৰে ভৰা। কুঁৱলী ভেদ কৰি পোহৰ বিলোৱা পিচে সহজ নহয়। সময় অতিবাহিত হৈছে। কুঁৱলীবোৰো আঁতৰিব, তেতিয়াই নিশ্চয় প্ৰয়োজন মতে পোহৰ বিলাব। (স্বগতঃ) কোনে পাৰিব এই ধৰাত এটা চকুৰে আনন্দৰ চকুলো আৰু আনটো চকুৰে শোকৰ চকুলো পোলাব? ইটো কেতিয়াও সম্ভৱ নহয়! সেইদৰেই একে সময়তে কুঁৱলী আঁতৰাই সূৰ্য্যৰ প্ৰকৃত কিৰণ ধৰাত পেলাব পৰা নাযাব………।

এইয়া কুঁৱলীবোৰ ক্ৰমে আঁতৰি যাবলৈ ধৰিছে দূৰ দিগন্তলৈ। তাৰ ঠাইত অলপ পিচতে আহিব সূৰ্য্যৰ ধুনীয়া বগা-হালধীয়া কিৰণ। সকলোৰে যে কিমান আশা। সূৰ্য্যটোক আবৰি থকা ঘন কুঁৱলীৰ আৱৰণখন এতিয়া আতৰি যাব। চতুৰ্দ্দিশে বিয়পি পৰিব পোহৰ আৰু পোহৰৰ মিঠা আৱৰণ। কুঁৱলীৰ ফাকেদি এতিয়া প্ৰস্ফুটিত দিনমণিৰ স্বৰূপ ধৰিব পৰা যায়। তথাপিও পোহৰ বিলাব পৰা নাই। সূৰ্য্যটো এতিয়া আহি মূৰৰ ওপৰ পাওঁ পাওঁ হৈছেহি। কুঁৱলীবোৰ আঁতৰি গৈছে। নিৰ্মল আকাশ। চতুৰ্দ্দিশ সূৰ্য্যৰ মিঠা পোহৰেৰে প্ৰতিভাত হৈ পৰিছে। এতিয়া নিশ্চয় জনগণৰ আশা ভঙ্গ নকৰি পোহৰেৰে জিলিকাই তুলিব।

সূৰ্য্য এতিয়া মূৰৰ ওপৰত। অতি সুন্দৰ ভাবে পোহৰ বিলাইছে। সকলোৰে আশা এইবাৰ বাস্তৱত পৰিণত হবই হব। আপোন ইচ্ছাৰে এইবাৰ এই ধৰাৰ সকলো গিৰিশৃঙ্গতে পোহৰ পেলাব। গছবোৰেও সেই ৰশ্মিৰ দ্বাৰা খাদ্য তৈয়াৰ কৰিব পাৰিব। জীৱন আদৰ্শৰ পুনৰ উদ্ধাৰ কৰিব। জলাহ, পিতনি তীব্ৰ তাপৰ দ্বাৰা বীজাণুমুক্ত কৰি পোলাব। বানপানীৰে প্লাবিত অঞ্চলৰ পানী শুকুৱাই উৰ্বৰ ভূমিত শস্যৰ প্লাবন আনিব………।

ই কি? সূৰ্য্য মূৰৰ ওপৰ পোৱাৰ ঠিক পিচতেই বহুদূৰৰ পৰা উটি ভাঁহি অহা এচমকা ক'লা ডাৱৰে সমগ্ৰ ধৰা কলুষিত কৰাৰ দৰে সূৰ্য্যটো দেখোন ঢাকি ধৰিলে। জনসাধাৰণৰ আশাত চেঁচাপানী ঢালিলে। সকলোৰে আশা আকাঙ্খা ধূলিসাৎ কৰি সূৰ্য্যটো ৰাহুৱে গ্ৰাস কৰাৰ দৰে ক'লা ডাৱৰে ঢাকি ধৰিলে। জলাহ, পিতনিক বিজাণুমুক্ত, বানপানীৰ প্লাৱন অঞ্চলত উৰ্বৰ ভূমি আৰু গিৰিশৃঙ্গবোৰ প্ৰস্ফুতিত হোৱাৰ আগতেই সূৰ্য্য হেৰাই গ'ল। অৱশ্যে সম্পূৰ্ণ হেৰাই যোৱা নাই আছে, কিন্তু সি থাকিও নথকা। সূৰ্য্যটোৱে ক'লা ডাৱৰৰ মাজৰ পৰা ভূমুকি মাৰি চাবলৈকো আহৰি পোৱা নাই। সূৰ্য্যৰ কিৰণ হেৰাই যোৱাৰ পিচত চাৰিও দিশ অন্ধকাৰেৰে ভৰি পৰিল। কোনেও কেনিও বাট নেদেখা হ'ল। কালৰ কুটিল চক্ৰই সূৰ্য্যকো গ্ৰাস কৰিলে।

ক'লা মেঘচপৰা মাজে মাজে ডাঠ, মাজে মাজে পাতল হবলৈ ধৰিলে। কিন্তু সম্পূৰ্ণ পাতল হোৱাও নাই। এটা সময়ত গোটেই আকাশখন ক'লা ডাৱৰে ঢাকি ধৰিলে। ক্ৰমান্বয়ে ডাৱৰবোৰ কলা আৰু ঘনক'লা হবলৈ ধৰিলে। কোনো

অংশই পাতল হৈ থকা নাই। গোটেইখন ঘন ক'লা ডাৱৰেৰে আবৃত। আৰু, আৰু এইয়া বৰষুণ। তীব্ৰ বৰষুণ, ধাৰাসাৰ বৰষুণ। চাৰিও ফালে জলময় হৈ পৰিছে। সকলো জলমগ্ন। উদ্ধাৰৰ কোনো উপায় নাই। আশাত আপ্লুত জনগণৰ ওপৰত যেন আকাশী স্বৰগ ভাগি পৰিল। সকলোৰে ওপৰত জীৱন আলেখ্যৰ এক কৰুণ প্ৰভাৱ পৰিল। মূৰ্ত্তমান আৰ্ত্তনাদ দশোদিশ বিয়পি পৰিল।

সূৰ্য্যৰ প্ৰভাৱ আকৌ কমি গ'ল। সকলোতে বিয়পি পৰিল কেৱল বৰষুণ আৰু অন্ধকাৰ ক'লা ঢাকনি। জলমগ্ন জনগণে কিন্তু আশা হেৰুৱা নাই। নিশ্চয় এটা সময় আহিব যেতিয়াৰ পৰা বৰষুণ নাইকিয়া হব আৰু লগে লগেই আন্ধাৰৰ ঠাইত পোহৰ সিচঁৰিত হব। তৰ দিনতেই ৰাতিৰ নমুনা দেখুৱা কাৰ্য্য নাইকীয়া হব। সূৰ্য্য পশ্চিম অঞ্চলত মাৰ যোৱাৰ আগে আগে নিশ্চয় বৰষুণ আৰু অন্ধকাৰ নাইকীয়া হব। পুনৰ নতুন প্ৰভাতৰ দৰে দশোদিশ প্ৰতিভাত হব। আকৌ জীৱনৰ মধুৰ মূৰ্চ্চনা গঢ়ি উঠিব। নাহৰ পাতৰ মাজেদি শুকুলা মেঘে নাচি নাচি মনত জাগ্ৰত হোৱা ধুনীয়া ফুলবোৰ বেচি ধুনীয়া কৰি তুলিব। জনগণৰ জীৱনলৈ আকৌ নতুন প্ৰভাতৰ আগমন হব।

·········এইয়া সূৰ্য্য পশ্চিমাঞ্চলত ডুব যাওঁ যাওঁ। কিন্তু অন্ধকাৰ কমিছে যদিও বৰষুণ কমা নাই। বৰষুণৰ মাজেৰেই সূৰ্য্যই পোহৰৰ আভা বিলোৱাৰ ক্ষীণ চেষ্টা কৰিছে। বৰষুণে বৰ আমনি দিছে আৰু শেষ হোৱাৰো আশা নাই। তথাপিও জনগণে আশা হেৰুৱা নাই। অস্তমিত সূৰ্য্যৰ কিৰণ আৰু নিৰাশাৰ মাজতো আশাৰ ৰেঙণি পেলাই জনগণে তথাপিও উদাত্ত কণ্ঠৰে কৈছে—"হে জলদ, বৰষুণ স্তব্ধ কৰা, হে দিনমণি, তুমি পোহৰ বিলোৱা। আমাক পোহৰ লাগে। আন পোহৰ নহয়, দিনমণিৰ মিঠা পোহৰ। আমি সেই পোহৰেৰেহে কৃতাৰ্থ হম।"

হয়তো হব বৰষুণৰ শেষ। কিন্তু ক্ষন্তেক পিচতেই নামি আহিব নিশাৰ অন্ধকাৰ। মুঠতে জনগণৰ নিস্তাৰ হব জানো? (স্বগতঃ) কোনে কাৰ বাঞ্চনীয় সকলো লাভ কৰিব পাৰে? আশাই মানুহৰ জীৱন। কিন্তু আশা জানো পূৰ্ণ হয়? হয়তো নহয়।

······কিন্তু, কিন্তু দিগ্‌বলয়ত সোৱা অপেক্ষাৰত স্বাধীন আশাৰে জুই। সেই জুয়ে উপেক্ষা কৰিব কুঁৱলী, উপেক্ষা কৰিব সূৰ্য্যৰ ৰশ্মি হীনতা····· ·।






২য় বাৰ্ষিক ( বিজ্ঞান )

'আজ ৰাতকো বাৰহ বজে স্মাগলিং কা এক বহুত বড়া অপ্‌ৰেচন হোগা'—সংলাপখিনি শেষ হোৱাৰ লগে লগে কি হ'ব আমি জানো। দেখা যাব গোটেই পৰ্দ্দা আগুৰি থকা প্ৰকাণ্ড ঘড়ীটোত বাৰ বাজিবলৈ কেইচেকেণ্ডমান বাকী আৰু চেকেণ্ডৰ কাঁটাডাল টিক্ টিক্‌কৈ লগ লাগিবলৈ ধৰা ঘণ্টা আৰু মিনিটৰ কাঁটা ছুডালৰ ফালে অগ্ৰসৰ হৈছে। আৰম্ভ হৈছে ভয়াবহ সঙ্গীত······।

আমি জানো; চিনেমা চাই চাই সাধাৰণ চিনেমাত কি হ'ব জনাৰ দৰে দেখি-শুনি বুজি আমি আন বহুতো কথাই জানো। কিন্তু আমি কাকো এইবিলাক নকওঁ; মনে মনে চাই থাকো—হিন্দী চিনেমা জানি-শুনিও চাই থকাৰ দৰে।

আমি তিনিওজনেই হোষ্টেলত থকা সাধাৰণ ল'ৰা। কোনো ধৰণৰ বিশেষ গুণেই আমাৰ গাত নাই বুলি আমাক সকলোৱে জানে। অৱশ্যে বেছিভাগৰে আমাৰ ওপৰত বিশ্বাস আছে যে আমি মাৰ-পিট কৰি ঘূৰি ফুৰা ল'ৰা নহয়। বহুতেই জানে— কোনো ধৰণৰ লেখা-লেখি, অত্যন্ত চিৰিয়াচ হৈ আলোচনা কৰাৰ পক্ষপাতিও আমি নহয় বুলি। অৱশ্যে তেনেধৰণৰ বন্ধুও আমাৰ যথেষ্ট। কিন্তু অলপ হাই-হাল্লা, ৰং হাঁহি আদিৰ মাজতেই যে আমি তাক বহুতে নেজানিলেও আমি উপলব্ধি কৰো। আমি তিনিওটাই— বিপিন, ভুবন আৰু মই তিনিটা ভীন্নস্বুৰী ল'ৰা; তাৰ মাজতেই বহুতো মিল। বিপিন ৰসায়নৰ, ভুবন পদাৰ্থ বিজ্ঞানৰ আৰু মই

অৰ্থনীতিৰ। তিনিওটাৰে বেলেগ বেলেগ লক্ষ্য; কিন্তু বৰ্ত্তমান একেই কাৰ্য্য।

সুৰেনে গল্প লিখে; বন্ধু সুৰেন। যথেষ্ট মিলা-প্ৰীতি যেতিয়া আমি তাক বন্ধু বুলিয়েই স্বীকাৰ কৰো। সুৰেনৰ গল্পৰ কিজানি আমিয়েই শ্ৰেষ্ঠ সমালোচক। আমি গল্প নিলিখো। সৰুতে অকনিৰ কিবা এটাত গল্প এটা লিখিছিলো মই। ট্ৰেন্সপোৰ্টৰ ধুনীয়া আৰোহীজনে ভিখাৰী এটাক ডাবি মাৰি খেদি দিয়াৰ গল্প। তাৰপিছত লিখা নাই। বিপিন আৰু ভুবনেও বোধহয় লিখা নাছিল আৰু নিলিখে। তথাপি সুৰেনৰ গল্পৰ সাৰমৰ্ম্ম আমি তিনিওৰে বুজো। প্ৰেমিকৰ করুণ আঘাতত প্ৰেমিকাৰ চকুপানী শেষ নৌহওঁতেই প্ৰায়েই গল্প শেষ হয়; স্বামীৰ লগত ফিয়েটত ঘূৰা প্ৰেয়সীক দেখিয়েই প্ৰেমিক এন্ধাৰত মিলি যায় আদি গল্পবোৰৰ সমালোচনাই ভাত খোৱাৰ পিছৰ কিছুসময় হোষ্টেল মুখৰ কৰি তোলে। উপস্থিত দুই এক আবাসীয়েও হাঁহিমুখৰ পৰি-বেশৰ সৃষ্টি কৰে। জমে। আমি ভাল পাও। এইখিনিয়েই যে জমাৰ সময় আমাৰ বাবে। সেয়ে আমি হাঁহো। সুৰেনে সেমেনা-সেমেনি কৰি শেষত হাঁহিত যোগ দিলেও সি খোলা হাঁহি মাৰিব নোৱাৰে। সি আমাৰ 'চৰাই পোহা নাই বুলি গছতো যে দেখা নাই' মন্তব্যক উলাই কৰিব নোৱাৰি হাঁহিত যোগ দিবলৈ বাধ্য হয়। সেইকাৰণেই সুৰেনে হয়তো তাৰ অলপতে প্ৰকাশিত কিতাপখনৰ 'শলাগৰ শৰাইত' আমাৰ নাম প্ৰথমেই দিছে। অৱশ্যে আমাৰ সমালোচনা বোৰে তাক অন্যান্য দিশত লিখিবলৈ প্ৰতিশ্ৰুতি লোৱাৰ কথা সি নুই কৰিবও নোৱাৰে।

আৰু এইজন আমাৰেই আবাসী বন্ধু সুবোধ। নামে কামে একে মানুহ। বৰ চিৰিয়াচ। প্ৰেম ভালপোৱা নাই। চিন্তা এটাই। কেৱল পঢ়িব লাগে— ভাল ৰিজাল্ট কৰিব লাগে। অসন্তৰ পঢ়ে; আমাৰ তথাকথিত ভাষাত বিৰাট কৰিৰাজ। অন্যান্য আলোচনী আদিও পঢ়ে। বিজ্ঞানভিত্তিক প্ৰবন্ধও লিখে। ভাল ল'ৰা— ভাল ব্যৱহাৰ। তাৰ লগত পৰিলে আমিও চিৰিয়াচ হওঁ। মাজে মাজে কিন্তু সিও আমাৰ মজলিচত বহে। আমিও সাধাৰণতে তাৰপৰাই অঙ্কৰ প্ৰশ্নভাণ্ডাৰৰ উত্তৰৰ বহীবিলাক আনো। আমাৰ মিল থাকিলেও সকলোবোৰ কথাই চিৰিয়াচলি লয় সি। আমি পৰা নাই।

আনবহুতো ল'ৰাই আছে কলেজখনত। বিশেষ সম্বন্ধ থকাবোৰত বাহিৰে সাধাৰণতে আমি মৌন ভাৱে চাই থাকো। কিছুমানে খেলত প্ৰয়োজনতকৈ বেছি গুৰুত্ব দিয়ে। ক্ৰিকেটৰ চলন্ত বিৱৰণী প্ৰয়োজনতকৈ বেছিকৈ মূৰটো হলাই শুনে। গোটেই মাহটো অনুশীলন কৰি শেষত খেলত গৈ জিৰ'ত আউট হয়। লাহে লাহে মই উপলব্ধি কৰিলো যে ক্ৰিকেটত আমি অধিক গুৰুত্ব দিয়া উচিত। বিপিনেও বুজিলে যে ক্ৰিকেট বৰ্ত্তমান ল'ৰা-ছোৱালীৰ মাজত এটা বিশেষ বস্তু। ভুবনৰ লগত আলচ কৰি তিনিওৰে ক্ৰিকেটৰ সামান্যতম গুণখিনি গণেশৰ পৰা শিকি ললো। লগতে কিছুমান ৰেকৰ্ড। আৱশ্যক— বৰ আৱশ্যক। নহলে কেতিয়াবা লাজ পাই যাম। কলেজৰ ষ্টুডেণ্ট হিচাবে সাধাৰণজ্ঞান অলপতো থাকিব লাগে। সেয়েহে আজি-কালি মই কাণত ট্ৰেঞ্জিষ্টৰ লোৱা

দেখিলেই সোধো, 'কিমান হ'ল', বিপিনে সোধে 'ফ'ৰ'! আৰু ভূৱনে ধন্যবাদ বুলি কৈ আমাৰ পিনে চাই প্ৰয়োজনতকৈ গহীন হয়।

বক্তৃতা দিবলৈ আমি সদায়েই অপাৰগ। মঞ্চত থিয় হোৱাৰ পিছদিনাৰ পৰাই 'বিপিনদা' ভাল। ...ভূৱনদা কেনি যায়?... আদিৰে জাকত-জিলিকা হোৱাৰ ইচ্ছা আমাৰ নাই। সেইবুলি যে আন বক্তাক যে আমি ভাল নেপাও তেনে নহয়। আমাৰ হাতৰ চাপৰিয়ে বক্তাক আৰু দীঘল বক্তৃতা দিবলৈ উৎসাহিত কৰে। অৱশ্যে মনোমত বক্তৃতা নহলে প্ৰেক্ষাগৃহৰ সকলোতকৈ পিছত বহি গণতান্ত্ৰিক পদ্ধতিৰ সভাত অগণতান্ত্ৰিক পদ্ধতিৰে হাই-উৰুমি কৰাত আমিয়েই পাৰ্গত। এই ক্ষেত্ৰত আমাক কোনোবাই বেয়া মন্তব্য দিলেও উপায় নাই। আমাৰ মঞ্চত গৈ বক্তৃতা দিবলৈ ভাল নেলাগে। ভয়ো লাগে। গতিকে পিছৰ পৰা প্ৰতিবাদৰ চিঞৰ দিয়াত বাহিৰে আমাৰ উপায় কি? আনে জানে নেজানে কব নোৱাৰো, আমি কিন্তু খুব ভালদৰে উপলব্ধি কৰো।

প্ৰেম! কলেজীয়া জীৱনৰ উচপ খাই উঠা এটি শব্দ। বহুতেই প্ৰেম কৰে। কলেজীয়া জীৱনৰ ভালেখিনি সময়েই ইয়াত পাৰ হৈ যায়। সাৰ্থক-অসাৰ্থক আদি বহুতকে প্ৰেম কৰা দেখিলো। বহুতক সফল— আন কিছুমানক সুৰেনৰ গল্পৰ নায়কৰ দৰেই বিফল হোৱা দেখিলো। নিজে যদিও প্ৰেমৰ কাৰবাৰত নমা নাই। এনেয়ে প্ৰেম সম্বন্ধে বিশেষ মন্তব্য নিদিলেও আমাৰ বিশেষ ব্যক্তি এজনে এই বিভাগত নাম লগালে আমি কিছুমান কথা কওঁ। ঠিক উপদেশ নহয়। উপদেশ দিবলৈ আমাৰ ভয় লাগে, জানোচা কোনোবাই আমাক কাণ-চকু-মুখত হাত দি থকা বান্দৰ তিনিটালৈ আঙুলিয়াই দিয়ে। প্ৰকাশে প্ৰেমত পৰোতে আমি কিছুমান মন্তব্য দিছিলো। বিপিনে তাৰ ৰসায়ন শাস্ত্ৰৰ সূত্ৰৰ সহায় লৈছিল। ভূৱনে চিনেমাৰ সহায় লৈছিল। "......বহুদিনৰ পৰাই দেখা দেখি নাই। প্ৰভা বিয়াৰ পিছত অলপ শকত হ'ল আৰু সুৰেনৰ গল্পৰ সেই বিশেষ গুৰুত্ব দিয়া দিনটোত প্ৰভাই গিৰিয়েকৰ লগত ফিয়েটত যোৱা প্ৰকাশে দেখিলে। তাৰপিছত সুৰেনে ভাৱ প্ৰকাশক পেৰাগ্ৰাফ কেইটামান লিখিছে। প্ৰকাশে তাৰপিছৰে পৰা পানবজাৰৰ চ'কত মুচীটোৰ ওচৰত থিয় হৈ তিনিদিনৰ নুখুৰোৱা ডাড়িৰে বৈ থাকোতে বাস্তৱক প্ৰায় কল্পনাৰ ওচৰলৈকে লৈ আহিছে। অৱশ্যে মই মোৰ চাহিদা, যোগান আৰু সমতাৰে ইয়াক ব্যাখ্যা কৰিব নোৱাৰো বুলি স্বীকাৰ কৰিছিলো। কিন্তু বিপিনে তাৰ ৰসায়নৰ বিৰাট ব্যাখ্যা এটা দাঙি ধৰিলে— যাক আমি কোনেও নুই কৰিব নোৱাৰিলো। বিপিনে কৈছিল কলেজীয়া প্ৰেম সাধাৰণতে অস্থায়ী বুলি— ঠিক 'পাই বণ্ডৰ' দৰেই আনষ্টেবৃল। কোনোবাই যদি 'চিগ্‌মা বণ্ড' বুলি ধৰিও লয় 'ৰিপ্লেচ্‌মেণ্ট ৰিএক্সন' হ'ব পাৰে। সুৰেনৰ গল্পত প্ৰভাৰ গিৰিয়েকে প্ৰেমিক প্ৰকাশৰ ঠাই লৈ নতুন ঘৰ বনালে— যেনেকৈ মিথেনৰ চাৰিওটা হাইড্ৰ'জেন আঁতৰাই ক্লোৰিণ চাৰিটাই কাৰ্বন-টেট্ৰাক্ল'ৰাইদৰ সৃষ্টি কৰে। মই অৱশ্যে এইবোৰ একো বুজি নেপাও। কিন্তু ভূৱনৰ ব্যাখ্যাটো হলে ভালদৰে বুজি পালো। হিন্দী চিনেমাৰ নায়কৰ দৰে ইমানবিলাক গুণ কাৰ আছে? গান গোৱা,

নচা আৰু 'আজ ৰাত্‌কো বাৰহ্‌বজে……'ৰ দৰে 'প্লেন' কৰা গুণ্ডা পাৰ্টিক অকলে ধৰাশায়ী কৰি শেহত প্ৰেমিকাক লৈ গান গাই ফুৰা ইমান সহজ জানো ?

আৰু এইবোৰ কোনে কৰে আমি ভালদৰে গম নেপাওঁ। এইযে নতুনকৈ ৰং দিয়া দেৱাল খনত পিছ দিনাই জিলিকি উঠে 'পৃথিবীৰ সৰ্ব্বহাৰা এক হওক', 'কৃষক শ্ৰমিক ঐক্য জিন্দাবাদ…' আৰু 'হেংদাঙেহে অসমীয়াৰ সমস্যা সমাধান কৰিব' ইত্যাদি। এইবোৰ বিভিন্ন চিন্তাধাৰাৰ। পৃথিবীৰ মানুহৰ মঙ্গল সকলোৱে কামনা কৰে। কিন্তু নিজৰ আৰু ঘৰখনৰ কথা কিজানি প্ৰথমে সকলোৱেই ভাবে। আৰু কিছুমান আছে— দিনটো ফিয়েটত ঘূৰি ঘূৰি মানুহৰ মঙ্গলৰ কথা চিন্তা কৰে। বহুত আছে— এলচিচিয়ানক মৰম কৰি কৰি আহি ফিয়েটৰ পৰা নামি সংগ্ৰামৰ গান গায়। ঘৰৰ কাম কৰা অকণমানি আঠ বছৰীয়া ছোৱালীজনীক কাপোৰৰ দমটো ধুবলৈ কৈ শিশুৰ উন্নতিৰ প্ৰবন্ধ লিখে। এইবোৰ কিন্তু আমি চাইহে থাকো। কাৰণ এইবোৰৰ বিষয়ে আমি বহুত কম জানো। কিছুমান দাঁত ভগা শব্দৰ লগত চিনাকি নথকাৰ বাবেই আমি একো নেমাতো। সেই কাৰণেই নেকি কিছুমানে আমাক নিৰাশাবাদী বুলি কব খোজে। আমি অৱশ্যে একো নেমাতো। গতানুগতিকভাৱেই চলি যাওঁ। পৰিবৰ্ত্তন হোৱা নাই যেতিয়া বক্তৃতা দি লাভেই বা কি? পৰিবৰ্ত্তনশীল পৃথিবীত নিশ্চয় স্থবিৰ হৈ নেথাকো। কিন্তু বিশেষ পৰিবৰ্ত্তন নোহোৱাৰ বাবেই আমি মনে মনে চাই আছো। তাৰ বাবে সঁচাই আমি নিৰাশাবাদী নেকি ?

এইবিলাকৰ মাজতেই আমি। কিছুমানে পঢ়ে, কিছুমানে লিখে আৰু আমি তিনিটাইও কিবাকিবি কৰো। গতানুগতিকভাৱেই চলি যাওঁ। সাধাৰণভাৱে। সাধাৰণ অসাধৰণ সকলোৰে মাজত মিলি যাওঁ। বহুতে আমাক কিবাকিবি কয়। আমি শুনিও একো মন্তব্য নিদিওঁ। আন বহুতেই একো নকয়। কিছুৱে আমাৰ অস্তিত্বই অনুভৱ নকৰে। আন কিছুমানে কিন্তু আমাক জানে। আমাৰ অস্তিত্ব উপলব্ধি কৰে। কিন্তু মনে মনে লক্ষ্য কৰে। আমি সম্বন্ধে তেওঁলোকৰ ধাৰণা বাস্তৱৰ লগত বিজাই গৈ থাকে— ঠিক যেনেদৰে আমি 'আজ ৰাতকো বাৰহ……'ৰ পিছৰ ঘটনা জানি আমাৰ কল্পনাৰ সত্যতাৰ প্ৰমাণৰ বাবে মনে মনে নিজৰ চকীত বহি থাকো। কাৰণ সময়েই সকলো কৈ দিয়ে।




২য় বাৰ্ষিক (স্নাতক)

স্কুলখন পাইলৈহে নৰেশ্বৰ মাষ্টৰৰ গাত অলপ তৎ আহিল। যিহে টিকাকটা ৰ'দ, তপা মানুহৰ তালুত কণী ভাজি খাব পৰা অৱস্থা। এইখন ৰ'দত তিনি মাইল ৰাস্তা বাটকুৰি বাই আহি স্কুল কৰাতো মাষ্টৰৰ বাবে এতিয়া তেনেই সহজ কথা নহয়। বয়সতো আৰু বৈ নাথাকে। বয়সৰ লগে লগে বল শকতিও কমি আহিছে। আগৰ সেই ৰামো নাই, অযোধ্যাও নাই। তিনি-কুৰিৰ দেওনা পাৰ হওঁ হওঁ বয়স মাষ্টৰৰ। তথাপিও মাষ্টৰ আহে। আজি একুৰি বছৰে মাষ্টৰে বাটৰ তুবৰি মাৰি এই প্ৰাথমিক বিদ্যালয়লৈ আহিয়ে আছে। স্কুলখনলৈ যেন মাষ্টৰৰ এক অবুজ মৰম সোমাই গৈছে। ওপৰলৈ চালে আকাশ দেখা চালখনেৰে এই স্কুলখনতেই যেন মাষ্টৰে বহুত কিবা কিবি পাইছে। বদলিও হৈছিল মাষ্টৰৰ তুবাৰ নেকি? কিন্তু তেওঁ নগল। গাওঁৰ মানুহৰ হতুৱাই ওপৰৱালাক খাটি মেলি মাষ্টৰ বৈ গ'ল ৰৰষুণ আহিলে ছুটি দিব লগা হোৱা এইখন স্কুলতেই। কিন্তু মাষ্টৰে অনুভৱ কৰিলে তেওঁ যেন আৰু নোৱাৰে। ইমান খোজ কাঢ়ি অহাটো আৰু দেহাই নসহে। ৰুমালখনেৰে মুখখন মচি মচি নৰেশ্বৰ মাষ্টৰে বহুকথাই ভাবিলে—

ভাবিলে স্কুলঘৰটো কেতিয়া ভাল হব, হয়তো তেওঁৰ দিনত নহব। ৰবপুত্র পোনাৰ চাকৰিতো কেতিয়া হব ইত্যাদি ইত্যাদি।

মুখখন মচি উঠি মাষ্টৰে হাজিৰা বহীখন উলিয়াই ললে। অইন দিনা হোৱা হলে তেওঁ আৰু অলপ জিৰাই ললেহেঁতেন। কোনো এজনৰ হতুৰাই ওচৰৰ গাওঁ পঞ্চায়তে দিয়া দমকলটোৰ পৰা পানী এগিলাচ অনাই খাই উঠিহে কামত হাত দিলেহেঁতেন। আজি পিছে মাষ্টৰৰ বেছি সময় জিৰাবলৈ মন নগ'ল। পাৰিলে সোনকালে স্কুল ছুটি দিব লাগিব। মাষ্টৰৰ জৰুৰী কাম এটা আছে। সেইবাবেই অনিচ্ছাস্বত্বেও মাষ্টৰে যেন নামবোৰ মাতি গ'ল—"সমীন্দ্ৰ,অজিত,পঙ্কজ……।"

হাজিৰা কৰি মাষ্টৰে বহীখন জপাই টেবুলখনতেই থকা বাকচটোত সুমুৱাই বহুপুৰণি 'টাইগাৰ' তলাটো মাৰি থলে। প্ৰতিটো শ্ৰেণীকে দৈনিক ৰুটিনমতে কাম ভগাই দিলে। ক-মান শ্ৰেণীৰ ল'ৰা-ছোৱালীখিনিক বাহিৰলৈ গৈ ওচৰতে থকা আমগছ জোপাৰ তলত নেওতাৰ ভাগ মুখস্থ কৰিবলৈ দিলে। খ-মানৰখিনিক দিলে সৰল অঙ্ক কৰিবলৈ। বিধে বিধে প্ৰতিটো শ্ৰেণীতে কাম ভগাই দিলে মাষ্টৰে। চতুৰ্থ মানৰ ল'ৰা-ছোৱালীখিনিক কুকুৰৰ বিষয়ে ৰচনা এখন লিখিবলৈ দিলে।

সকলো কাম ভগাই দিহে মাষ্টৰে যেন স্বস্তিৰ নিশ্বাস পেলালে। এইখিনি সময়তে মাষ্টৰে অলপ জিৰাই লব। অকণমান টোপনিয়াই লব পাৰিলে কথাটো আৰু ভাল হয়। পিছে আজি কেইদিনমানৰ পৰা স্কুলত টোপনি যাবলৈ মাষ্টৰৰ অলপ ভয় হৈছে। তেওঁ খবৰ পাইছে যে এই মাহৰ ভিতৰতেই স্কুল পৰিদৰ্শক স্কুল চাবলৈ অহাৰ কথা। কবতো নোৱাৰি কেতিয়া আহি যায়। সেইবাবেই ল'ৰা-ছোৱালীখিনিক এইকেইদিন নখ কাটিবলৈ, মূৰ ভালকৈ ফণিয়াই পৰিষ্কাৰ-পৰিছন্ন হৈ আহিবলৈ নিৰ্দ্দেশ দিয়েই আছে। তেওঁও পৰাপক্ষত সময়তেই স্কুললৈ আহিছে আৰু স্কুলত টোপনিওৱা অভ্যাসতো বাদ দিবলৈ বৰ চেষ্টা কৰিছে। স্কুলপৰিদৰ্শকে আহি স্কুলত টোপনিয়াই থকা দেখিলে কথাটো বৰ বেয়া হব। সেইবাবে মাষ্টৰে আজিও টোপনি বৰ্জন কৰাকেই সিদ্ধান্ত ললে। পিছে নাই এইবোৰ ভাবি থাকোতেই মাষ্টৰ এখন ভৰি নোহোৱা চকীখন আওজাই থোৱা খুটাটোতেই মূৰ থৈ টোপনি গ'ল।

চিল্‌মিল্‌কৈ টোপনি আহিছেহে মাথোন, বাহিৰৰ পৰা গদাধৰ গাওঁবুঢ়াই মাত দিলে—

"মাষ্টৰ টোপনি গলা নেকি হে?"

গাওঁবুঢ়াই জানে স্কুলত টোপনি যোৱাতো মাষ্টৰৰ এটা অভ্যাস।

মাষ্টৰে খক্‌মক্‌কৈ সাৰ পাই "হয় চাৰ! আহক চাৰ!" বুলি কৈ উঠিল। তেওঁৰ বুকুখন ধান বনাদি বানিবলৈ ধৰিলে আৰু লগে লগে মৰ টোপনিটোক মনতে গালি পাৰিলে। টোপনিৰ জালতে বাহিৰৰ পৰা তেওঁক স্কুল পৰিদৰ্শকে মতা বুলি ভাবি মাষ্টৰ জ্বৰত ঘমাদি ঘামিল।

গদাধৰ গাওঁবুঢ়াক দেখিহে মাষ্টৰৰ গাত তৎ আহিল, মনতে ভগৱানলৈ সেৱা এটি আগবঢ়ালে।

গদাধৰ গাওঁবুঢ়া মাষ্টৰ স্কুললৈ অহাৰ পিছতে সদায় স্কুললৈ আহে আৰু মাষ্টৰৰ লগ লাগি দুয়ো দুটা 'মাদাৰ ইণ্ডিয়া' বিড়ি হুপি হুপি বহুতো মেল কৰে। স্কুললৈ অহাতো যেন গাওঁবুঢ়াৰ

এটা কৰ্তব্যই। এইখিনি কৰ্তব্য পালনত তেওঁ হেমাহি কৰা নাই। অৱশ্যে নকৰেও। ঘৰত যেতিয়া তেওঁৰ কাম-বনো বেচি নাই ; সময়বোৰ কেনেকৈনো পাৰ কৰে ? পিতাকৰ দিনৰ মাটিখিনি অলপ অলপকৈ বেচি বৰ আৰামেৰেই খাই আছে। সেইখিনি শেষ হলেহে তেওঁৰ চিন্তা হব। আজিও গাওঁবুঢ়াই স্কুললৈ আহিয়ে চাৰিওটা খুৰা সত্তৰ বছৰীয়া মানুহৰ দাঁত লৰাদি ল'ৰি থকা চকীখনত বিশেষ এটা কায়দাত বহি লৈ মাষ্টৰৰ লগত গল্প কৰাত লাগি গ'ল।

গল্প কৰি থাকিয়ে মাষ্টৰে কেইবাখনো বহী চাই দিলে। এইবাৰ মাষ্টৰৰ হাতত পৰিল ঘনকান্তৰ বহীখন। ইতিমধ্যে গাওঁবুঢ়াও দুপৰীয়াৰ সিজোৱা চাউল মুঠি ধৰাৰ আশাত ঘৰলৈ বুলি উভতিল। মাষ্টৰে এডাল ঠাৰি নোহোৱা বিত চকুযোৰ ভালকৈ আছেনে নাই চাইলৈ ঘনৰ বহীখন চাই গ'ল।

"কুকুৰ এবিধ চাৰিঠেঙীয়া জন্তু। ই ঘৰচীয়াও আছে, বনৰীয়াও আছে। কুকুৰৰ দাঁতবোৰ বৰ চোকা। নেজডাল কেঁকোৰা ; ইয়াৰ নেজডাল সাতমোন ঘিউ তপত কৰি সেকিলেও হেনো পোন নহয়। কুকুৰ বৰ প্ৰভুভক্ত। কুকুৰে প্ৰভুৰ বাবে প্ৰাণো বলি দিব পাৰে। ইয়াৰ বৰ সন্তুষ্টি গুণ আছে। আমাৰ দেশত কুকুৰক চুৰা-ভাত, কৰ্কৰা পিঠা আদি খাবলৈ দিয়া হয়। তাতেই ই সন্তুষ্ট হয়। প্ৰবাদ আছে যে কোনোবা চোৰে কুকুৰ থকা মানুহৰ ঘৰলৈ চুৰ কৰিবলৈ গলে মোনাত কৰ্কৰা পিঠা লৈ যায়। চোৰক দেখি কুকুৰে ভুকিবলৈ আৰম্ভ কৰিলেই মিঠাকৈ ঔচ্ ঔচ্ বুলি কৈ সেই পিঠা দলিয়াই দিলে কুকুৰে কৰ্তব্যৰ কথা পাহৰি খোৱাত লাগে। সেই সময়তেই চোৰে নিজৰ কাৰ্য্য সিদ্ধি কৰি লয়। কুকুৰে অলপ খাব পোৱা বাবেই গিৰিহঁতৰ আগত নেজ পেলাই দৌৰে। ভুকিবলৈও পাহৰি যায়। আমাৰ ঘৰতো দুটা কুকুৰ আছে। তাৰে এটা শকত, আনটো ক্ষীণ। দুয়োকো বেলেগে বেলেগে ভাত বা অইন খোৱা বস্তু দিওঁ। কিন্তু শকতটোৱে তাৰ নিজৰখিনি খাই ক্ষীণটোক খেদি দি তাৰখিনিও খাই পেলায়। কুকুৰৰ শ্ৰৱন শক্তি বৰ চোকা। শুই থাকোতে কোনোবাই ওচৰত কিবা শব্দ কৰিলেই চকুমেলি চায়। যদিহে শব্দকৰা বস্তুটো গিৰিহঁত হয় ; তেনেহলে আকৌ চকুমুদি টোপনি যায় আৰু যদি গিৰিহঁত নহয় আৰু বেচিকৈ শব্দ কৰা যেন পায়, অলপ বেচিকৈ কেং কেঙাই উঠিয়ে আকৌ টোপনি যায়।"

ৰচনাখন পঢ়ি মাষ্টৰৰ বৰ খং উঠি গ'ল। ৰচনাখনৰ মাজতে আজে বাজে কথা থকা বাবে। এনেয়েও মাষ্টৰে ঘন বোলাটোক বৰ ভাল নেপায়। মাষ্টৰে যদি কয় এক, ঘনই কব নহয় দুই, মাষ্টৰে যদি কয় আজি সোমবাৰ, ঘনই কব মঙ্গলবাৰ। মাষ্টৰে ঘনক মাতি আনি ভালকৈ এশিকনি দিলে। খংমুৰা হৈ মাষ্টৰৰ হাতৰ পৰা ঘনই বহীখন লৈ আঁতৰি গ'ল।

ঘনৰ বহীখন চোৱাৰ পিছত মাষ্টৰৰ আৰু বহী চাবলৈ মন নগ'ল। তাতে আজি স্কুলো সোনকালে ছুটি দিয়াৰ মতলব। আজি ওচৰৰে গাওঁ ধোপৰগুৰিলৈ মন্ত্ৰী অহাৰ কথা। মন্ত্ৰীগৰাকী নিৰ্বাচনত এই সমষ্টিৰ পৰা জিকা, এইগৰাকী মন্ত্ৰীৰহৈ মাষ্টৰে নিৰ্বাচনৰ সময়ত কম খাটিছিলনে ? মন্ত্ৰীমহোদয়ে পোনাৰ কিবা এটি সুবিধা কৰি দিব

বুলি কথা দিছিল! সেইফালে কেতিয়াবা আহিলে লগ ধৰাৰ কথা কৈছিল। মাষ্টৰে খবৰ পোৱামতে ওচৰৰে খণ্ড উন্নয়ণ কাৰ্য্যালয়ত গ্ৰামসেৱকৰ পদ এটি খালী হৈছে হেনো। মন্ত্ৰীক কথাটো কলে চাকৰিতো নিশ্চয় পোনাৰেই হব। অৱশ্যে সি সন্মানসহ বি. এ. পাচ কৰা ল'ৰা। তাৰ জোখাৰে চাকৰিটো নহয়। হওঁক তেওঁ ভাত মুঠি মিলিব। তাতকৈনো আৰু কি লাগিছে। চাকৰিটো যদি পোনাই পায় মাষ্টৰে অহা নিৰ্বাচনত মন্ত্ৰীডাঙৰীয়াৰ হৈ দ্বিগুণ উৎসাহেৰে খাটি দিব বুলি মনতে সঙ্কল্প ললে। ভাবি ভাবি মাষ্টৰৰ হাঁহি উঠি গ'ল। সেই হাঁহি তৃপ্তিৰ হাঁহি।

কিন্তু হঠাতে মাষ্টৰে ঘনৰ ৰচনাখনৰ লগত নিজৰ জীৱনটো ৰিজাই চালে। মাষ্টৰৰ অজানিতে বৰ অসহায় লাগি গ'ল। গিৰিহঁতৰ কবলৰ পৰা লোৰ জিঞ্জিৰি চিঙি মুকলি হব পৰা শক্তি কুকুৰবোৰৰ নাই নেকি? ● ● ●

## অস্তিত্ব ৰক্ষাৰ প্ৰয়াস

**শ্ৰীসীমান্ত শইকীয়া**
প্ৰাঃ বিঃ ১ম বাৰ্ষিক (বিজ্ঞান)

*ৰাতিৰ অন্ধকাৰ ভেদ কৰি আহিল*
*এজাক ক্ষুধাৰ্ত্ত শিয়ালৰ বীভৎস আৰ্ত্তনাদ!*
*হঠাৎ তাৰ মাজেৰে ভাঁহি আহিল*
*এক কৰুণ আৰ্ত্তনাদ*
*স্তব্ধ হৈ গলো মই!*
*আকৌ ভাঁহি আহিল সেই একেই আৰ্ত্তনাদ,*
*এইবাৰ মই স্পষ্টকৈ শুনিলো,*
*হয়, সেয়া মোৰ আয়ে হয়*
*আয়ে কান্দিছে, চিঞৰি চিঞৰি কান্দিছে*
*"বাচাইঁত, তইঁতে মোক ৰক্ষা কৰহি*
*নহলে—*
*ৰৰষৰৰ মজিয়াত মোৰ মৃতদেহেৰে*
*মচ খাই যাব তইঁতৰ*
*বিগত দিনৰ সমস্ত ইতিহাস"।*
*হঠাৎ মোৰ দেহে লাভ কৰিলে*
*এক বিপুল শক্তি।*
*মুৰ্ঠিবদ্ধ হাত দুখন দাং খাই উঠিল*
*ওপৰলৈ মাথো ওপৰলৈ*
*উৰুমা পঁজাৰ তলৰ ভয়ঙ্কৰ চিঞৰে*
*ভঙ্গ কৰিলে, ৰাতিৰ স্তব্ধ নীৰৱতাক।*
*জুহালৰ কাষত উম লৈ থকা কুকুৰজাক,*
*এইবাৰ লৰৰি আহিল।*
*আগে আগে মই, পিছে পিছে এজাক কুকুৰ,*
*এজাক বিশ্বাসী কুকুৰ।*
*জৰ্ঠৰ হৈ থকা আমাৰ ভৰিকেইখনে পালে*
*হেৰুৱা দিনৰ সমস্ত শক্তি*
*গতি আমাৰ তীব্ৰৰ পৰা তীব্ৰতৰ হ'ল*
*এজাক ক্ষুধাৰ্ত্ত শিয়ালৰ মাজত আমাৰ আই!*
*আমাৰ শক্তি যেন আৰু বৃদ্ধি হ'ল।*
*গতি আমাৰ আৰু দুৰ্বাৰ হ'ল।*
*আমি আমাৰ আইক ৰক্ষা কৰিবই লাগিব।*
*এয়াটো অকল আইক ৰক্ষা কৰাই নহয়!*
*ই হ'ব আমাৰ অস্তিত্ব ৰক্ষাৰ প্ৰয়াস।*

# তাই যেন এবিধ ক্ৰয়বিক্ৰয় পণ্য



**বিজয় কলিতা**

প্ৰথম বাৰ্ষিক স্নাতক (কলা)

শ্ৰেণীত আলোচনা কৰিবলগীয়া বিষয় **'Unemployment Problem of India'** বুলি বৰ্ডত লিখি দি অধ্যাপক প্ৰশান্ত বৰুৱা যেন হঠাৎ থমকি ৰ'ল। মনত আগৰ উৎসাহ আজি নাই। সকলো আজি তেওঁৰ **absurd** যেন লাগিছে। চকুৰ আগত বাৰে বাৰে তেওঁৰ ভাঁহি উঠিছে তেওঁৰ এডুকেচনত এম. এ. পাছ কৰা জীয়েক মিতালীৰ বিষাদেৰে ভৰা ম্লান চকুজুৰি আৰু এম. এ. পাছ কৰি পাঁচ বছৰ চাকৰী নোপোৱা ডাঙৰ পুতেক সুশান্তৰ দাড়ি গোঁফে ভৰা খঙাল মুখখনি। অধ্যাপক বৰুৱাৰ অনুভৱ হ'ল তেওঁ যেন নিবনুৱা সৃষ্টি কৰা যন্ত্ৰটোৰ এটি প্ৰধান অঙ্গ আৰু আগত বহি থকা ছাত্ৰ-ছাত্ৰীবোৰ যেন তেওঁৰ নিৱনুৱা পুতেক-জীয়েক সুশান্ত, মিতালীৰ দৰে হ'বলৈ আগবাঢ়ি অহা কেঁচা পণ্য। অথচ তেওঁ নিজহাতেৰে বৰ্ডত লিখি লিখি ৪-৫ টা পঞ্চবাৰ্ষিক পৰিকল্পনাৰ খচৰা শ্ৰেণীত ডাঙি ধৰিছে। পৰিকল্পনাবোৰৰ জয়গান গাইছে। এই পৰিকল্পনাবোৰৰ লগত কৰ্মসংস্থান, জীৱন নিৰ্ব্বাহৰ মানদণ্ড আৰু দেশৰ সমাজবাদী চৰিত্ৰৰ লগত সম্বন্ধৰ কথা খৰচি মাৰি আলোচনা কৰিছে। কিন্তু দৰাচলতে যে একো হোৱা নাই, তাক তেওঁ অত বছৰে বাৰুকৈয়ে উপলব্ধি কৰি আহিছে। দিনে দিনে **Economic** হৈ যোৱা **Economics** ৰ অধ্যাপক বৰুৱাৰ চহৰৰ এচুকত এটি টিনপাত লগোৱা ঘৰৰ বাহিৰে একো নাই। আছে মাথো ডাঙৰ ল'ৰা সুশান্ত আৰু চাৰিজনী জীয়েকৰে ছয়জনীয়া পৰিয়ালটো। ডাঙৰ পুতেক সুশান্তৰ ওপৰত আস্থা কেতিয়াবাই হেৰাই গৈছে। ৰাতি বাৰ বজাত ঘৰ সোমোৱা আৰু ৰাতিপুৱা ছয় বজাতেই ঘৰৰ পৰা ওলাই যোৱা **"Progressive Youth Organization"** ৰ সম্পাদক ঘৰৰ মূলধন সুশান্তৰ চিন্তাই অধ্যাপক বৰুৱাক খুলি খুলি খালেও তেওঁৰ অবিবাহিতা, ডাঙৰ জীয়েক মিতালী হৈ পৰিছে তেওঁৰ বাবে এটি জলন্ত সমস্যা। **Education** ত **M. A.** পাছ কৰা মিতালীৰ যোৱা ছবছৰত নাটকীয়ভাৱে মূৰৰ ওপৰেৰে ছুটি ধুমুহা পাৰ হৈ গৈছে। সেয়েহে মিতালীৰ চিন্তাই বৰুৱাৰ

বয়স যেন দহ বছৰ আগবঢ়াই দি বয়সতকৈ বেছি বুঢ়া, নিশকতীয়া কৰিছে। কলেজৰ প্ৰথম বাৰ্ষিকৰ পৰা প্ৰেমত পৰা A.C.S. পঙ্কজ বৰুৱাই যেতিয়া নিজৰ ঘৰৰ মাক দেউতাকৰ Sentiment ৰক্ষা কৰিবলৈ গৈ আন এজনী ছোৱালীক বিয়া কৰাইছিল, তেতিয়া Education ৰ M. A. পাছ মিতালীয়ে এটি ডাঙৰ শিক্ষা পাইছিল। কেন্সাৰ ৰোগত মৃত্যু হোৱা মাকৰ বাবে মিতালী নিশ্চয় দায়ী নাছিল। আৰু সেয়ে এসময়ত তাইৰ কাৰণে প্ৰাণ দিব পৰা পঙ্কজে তাইক লৈ খেলা কৰাটো তাই মুঠেই সহ্য কৰিব পৰা নাছিল। পঙ্কজৰ পৰা চিঠি পোৱাৰ দিনৰে পৰা তাই সাতদিন বিছনাত পৰি এজনী অসহায় নাৰীৰ দৰে ভাত পানী এৰি কান্দি আছিল। অধ্যাপক বৰুৱাই তাইক কোনোমতে শান্তনা দিব পৰা নাছিল। তেতিয়াৰে পৰা প্ৰায় এবছৰ তাইৰ মুখত কোনেও হাঁহি দেখা নাছিল। প্ৰায়ে তাই ৰুমৰ ভিতৰত সোমাই কিবাকিবি লিখিছিল, পঢ়িছিল কিন্তু মানুহৰ লগত কথা পতা একেবাৰে বন্ধ কৰি দিছিল। তাইৰ ৰুমৰ ভিতৰৰ পৰা ভায়লিনৰ করুণ সুৰ মাজে মাজে ভাঁহি আহিছিল। "প্ৰতিযোগিতাৰে ভৰা এই ধনতান্ত্ৰিক যুগত কাৰো প্ৰকৃত প্ৰেম হ'ব নোৱাৰে" বুলি ককায়েক সুশান্তই তাইক মাজে মাজে প্ৰবোধ দিছিল। এইদৰে তাই এবছৰ অতিবাহিত কৰিছিল বিষাদভাৱে অতীত ৰোমন্থন কৰি। মাথো মাজে মাজে কোনো কোনো কলেজত চাকৰীৰ বাবে আবেদন কৰিছিল।

এই ঘটনাৰ প্ৰায় এবছৰ পিচত তাইৰ জীৱনলৈ যৌৱনৰ সুৰভি বিচাৰি আহিছিল ডাঃ সদানন্দ চলিহা। মিতালীহঁতৰ ঘৰলৈ সঘনে অহা অধ্যাপক বৰুৱাৰ বন্ধুৰ ল'ৰা সদানন্দ চলিহাক মিতালীৰ অভাৱনীয়ভাৱে ভাল লাগি গৈছিল। যিটো কথাত অধ্যাপক বৰুৱাইও অন্তৰেৰে সমৰ্থন দিছিল। ডেকা ডাঃ সদানন্দ চলিহাই অধ্যাপক বৰুৱাক বৰ সন্মান কৰিছিল। সেয়েহে বৰুৱাৰ পৰিয়ালৰ কাৰোবাৰ কিবা এটা হলেই দৌৰি আহি চিকিৎসা আদি কৰিছিল। ধুনীয়া স্বাস্থ্যৰ ডাঃ সদানন্দই মিতালীৰ উদাসীনতা যেন মুঠেই সহ্য কৰিব পৰা নাছিল। কিন্তু মিতালীক হলে সদানন্দৰ অভাৱনীয়ভাৱে ভাল লাগি গৈছিল। সেয়েহে ইচ্ছাকৃতভাৱে সদানন্দই মিতালীৰ সংস্পৰ্শত আহিছিল, কথা পাতিছিল আৰু এদিন মিতালীৰ অন্তৰৰ সকলো কথা সদানন্দই বুজি উঠিছিল। আৰু শেষত সদানন্দই মিতালীক জয় কৰিছিল। মিতালীয়েও অতীতৰ সকলো কথা পাহৰিবলৈ চেষ্টা কৰি সদানন্দৰ প্ৰতিচ্ছবি অন্তৰত স্থাপন কৰিছিল। মিতালীৰ জীৱনলৈ যেন আকৌ নবপয়োভৰেৰে এক নতুন বসন্ত আহিছিল। বুজাপৰাৰ ভিতৰতে দুয়োটি পৰিয়ালৰ মাজত বিয়াৰ প্ৰস্তাৱ আহিছিল। আনন্দ মুখৰিত ভাৱে বিয়াৰ যো-জা চলিছিল, কিন্তু মিতালীৰ বিয়া হোৱা নাছিল। বিয়াৰ পৰিবৰ্ত্তে তাইৰ জীৱনলৈ নতুন বসন্ত অহাৰ দৰে এক কাল ধুমুহা আহিছিল। বিয়ালৈ তিনিদিন থাকোতে স্কুটাৰ দুৰ্ঘটনাত সদানন্দৰ মৃত্যু হৈছিল। আৰু বিয়া নোহোৱাকৈয়ে যেন মিতালী বিধবা হৈ গৈছিল। এটি এটিকৈ দুটি ধুমুহাত ক্ষতিগ্ৰস্ত মিতালীয়ে মৃত মাকৰ ফটোখন বুকুত সাৱটি

লৈ কান্দি কান্দি শেষত মৌন হৈ গৈছিল। নিজৰ ওপৰতে তাইৰ ভীষণ খং উঠিছিল। 'বিয়া'নামৰ এই সামাজিক প্ৰথাটোৰ ওপৰত মিতালীৰ ঘৃণা উপজিছিল। নানাজনে নানা মন্তব্য কৰিছিল। তেতিয়াৰে পৰা তাই প্ৰায়ে বগা মেখেলা-চাদৰ পিন্ধি ভাল পাইছিল। Education ৰ M. A. মিতালীক তাইৰ শিক্ষাই কোনো শান্তনা দিব পৰা নাছিল।

অধ্যাপক বৰুৱাই বিয়াৰ উদ্দেশ্য আগত লৈ মিতালীক যে এম. এ. পাছ কৰাইছিল এনে নহয়, কিন্তু দিনে দিনে নিজৰ অৰ্থনৈতিক অৱস্থা বেয়া হৈ যোৱা অৰ্থনীতিৰ অধ্যাপক বৰুৱাৰ বাবে শিক্ষিতা অথচ নিবনুৱা যুৱতী মিতালীক 'বিয়া' নামৰ বজাৰখনলৈ ঠেলি দিয়াৰ বাহিৰে উপায় নাছিল। দ্বিতীয় ঘটনাৰ পিচত বৰুৱাই মিতালীৰ চাকৰীৰ বাবে নিজেও উঠিপৰি লাগিছিল। কিন্তু বিফল হৈছিল। সেয়েহে বৰুৱাই বহুত বুজনি দি, বহুত উপদেশ দি মিতালীক তৃতীয়বাৰৰ বাবে নিজে Established হ'বলৈ, ৪০ ৰ দেওনা পাৰ হোৱা, দেখিবলৈ ধুনীয়া নহলেও ভাল স্বাস্থ্যৰ ইঞ্জিনিয়াৰ দেবেন বৰুৱাৰ লগত বিয়া হ'বলৈ মানসিক প্ৰস্তুতি চলাবলৈ অনুৰোধ কৰিছিল। এই ক্ষেত্ৰত অধ্যাপক বৰুৱাই ইতিমধ্যে দেবেনৰ পৰিয়ালৰ লগত কথা বতৰা প্ৰায় শেষেই কৰিছিল। আজি গধূলি দৰা নিজে আহি মিতালীক চাই যোৱাৰ কথা। সেয়েহে অধ্যাপক বৰুৱাই আজি ক্লাচত মন বহুৱাব পৰা নাই। তেখেতৰ সকলো কিবা absurd যেন লাগিছে। চকুৰ আগত বাৰে বাৰে বেদনাক্লিষ্ট মিতালীৰ চকুজুৰি ভাঁহি উঠিছে। পিৰিয়দটো শেষ হ'বলৈ ১০ মিনিট থাকোতে বৰুৱা শ্ৰেণীৰ পৰা ওলাই আহিল আৰু প্ৰায় তিনি বজাৰ আগতে ঘৰলৈ উভতি আহিল। হবলগীয়া জোঁৱায়েক চাৰি বজাত আহিব বুলি মিতালীক প্ৰস্তুত হ'বলৈ কৈ নিজে হাত-মুখ ধুই চিগাৰেট এটি হাতত লৈ চিন্তাক্লিষ্টভাৱে বাৰান্দাৰ চকীখনত বহি ৰৈ থাকিল। অলপ পিচতে গাড়ীৰ হৰ্ণ শুনি বৰুৱাৰ সম্বিত যেন ঘূৰি আহিল। অতিথিসকলক ড্ৰইংৰুমত বহুৱাই লাইটটো জ্বলাই দিলে। তাৰ কিছু সময় পিছতে কোনো উৎকণ্ঠাবিহীন ভাৱে হাতত চাহ লৈ মিতালী ড্ৰইংৰুমলৈ সোমাই আহিল। অধ্যাপক বৰুৱাই অতিথিসকলক চাহ খাবলৈ দি বাহিৰলৈ ওলাই আহিল। লগে লগে তেওঁৰ কাণত দূৰৰ সমদলৰ শ্লʼগানৰ ধ্বনি বাজি উঠিল— 'শিক্ষাৰ অন্তত চাকৰী দিয়ক, নহলে বেকাৰ ভাট্টা দিয়ক'। বৰুৱাৰ আজি এই শ্লʼগানটি যুক্তিপূৰ্ণ যেন অনুভৱ হ'ল। প্ৰছেচনটি লাহে লাহে আগবাঢ়ি আহিছিল আৰু প্ৰছেচনৰ শ্লʼগানৰ ধ্বনি আহি মিতালীৰ কাণত পৰিছিল। সেই সময়ত হয়তো মিতালীৰ ককায়েক সুশান্তই প্ৰছেচনত শ্লʼগান দি সমাজতান্ত্ৰিক বিপ্লৱৰ কথা চিন্তা কৰিছিল। আৰু হ'বলগীয়া স্বামী দেবেন বৰুৱালৈ চাহৰ ট্ৰেখন আগবঢ়াই দি মিতালীয়ে অনুভৱ কৰিছিল তাই যেন দিনে দিনে ক্ষয়প্ৰাপ্ত, বিক্ৰিৰ বাবে বজাৰত উলিয়াই দিয়া, 'বিয়া'নামৰ বজাৰখনিৰ ছোৱালীৰূপী এবিধ ক্ষয়িষ্ণু পণ্য।

---




দ্বিতীয় বাৰ্ষিক, স্নাতক (কলা)

জেঠমাহৰ দুপৰীয়া। সূৰ্য্যটোৱে খাওঁ খাওঁ মূৰ্ত্তি ধৰি মূৰৰ ওপৰলৈ উঠি আহিছে। নীলা আকাশখন সোণবৰণীয়া হৈ পৰিছে। গছ-লতাৰ সেউজবুলীয়া ৰং যেন ৰ'দে পুৰি ক'লা কৰিব খুজিছে। কৃষ্ণচূড়াজোপাৰ কুমলীয়া পাতবোৰ পূৰঠ হৈ পৰা যেন লাগিছে। বুঢ়া গা-গছৰ দৰেই ইয়াৰ পাত-বোৰ ধীৰ স্থিৰ। অলপো কঁপি থকা নাই।

মই আহি আছোঁ; মূৰত ৰ'দে পুৰি, বৰষুণে ধুই আগৰ ক'লা ৰঙৰ ওপৰত হালধীয়া ৰঙ সানি ধূসৰ বৰণীয়া কৰা ছাটিটো লৈ। ছাটিটোত কেইটামান ফুটা হৈছে। বৰষুণ দিলে সেই ফুটা কেইটাৰে জলপ্ৰপাত বাগৰে। মই চেষ্টা কৰো জল-প্ৰপাতৰ খৰস্ৰোতত উটি নোযোৱাকৈ থাকিবলৈ। ফুটা কেইটা যাতে মূৰৰ ওপৰত নাথাকে তাৰ বাবে ছাটিৰ মাৰিডাল পোনকৈ নাৰাখি কান্ধেৰে পাৰ কৰি দিওঁ। কিন্তু মূৰটো এটি দুটি কণাই সেমেকাই তুলিয়ে ক্ষান্ত হলেও আপাদবক্ষ নিজৰাৰ সোঁতে ধুৱাই নিয়ে। লিপিত খাই পৰা ধুতি পাঞ্জাবীৰ মাজেৰে মোৰ সুঠাম অঙ্গাবয়ব জিলিকি উঠে। এতিয়াও মই ছাটিটোৰ ফুটাবোৰেৰে আকাশলৈ চাই পঠিয়াইছো। ছাটিৰ বাটিটো মূৰৰ ওপৰত নাৰাখি মূৰ আৰু কঁকাল ঢাকিবলৈ যত্ন কৰিছো। কপালৰ আগেৰে ঘাম বৈছে। বুকু-পিঠিৰ মাজেৰে লাহে লাহে বগাই গৈছে একোডাল কুমজেলেকুৱা। ভৰি দুখন যেন গৰম পানীৰ উহে ধুৱাই নিছে।

হাতৰ তলুৱাৰে কপালৰ ঘামখিনি মচি মই নাকৰ পোনে পোনে চাই পঠিয়ালো। পিছ দিয়া ৰাস্তাটো অজগৰ সাপৰ দৰে শুই পৰিছে। গৰু কেইটামান জাৰণিবনৰ কাষত ঘাঁহ পাগুলি বহি আছে। মোৰ দৃষ্টি অগ্ৰসৰ হোৱাত বাধা দিলে এজোপা গছে, ভাবিলো—গছজোপাৰ তলতে অলপ জিৰাব লাগিব। নহলে, বোধহয় ঘৰ নৌপাওঁতেই বাটতে গাধোৱা কাম শেষ হ'ব।

যিমান পাৰো সিমান বেগাইছো। কামিজৰ সোঁকাষৰ জেপখন চুই চাইছো। ঠিকে আছে! বস্তুখিনি ৰুমালেৰে ভালদৰে বান্ধি থৈছো যদিও সূৰ্য্যৰ প্ৰখৰ তাপে যেন তাকো শান্তিত থাকিব দিব বিচৰা নাই। মই অনুভৱ কৰিছো মোৰ হাতৰ তলুৱাখন যিমান গৰম জেপটো যেন তাতকৈ বেছি গৰম। অৱশ্যে এই উত্তাপখিনি মোৰ ভালেই লাগিছে। মাথোন, উত্তপ্ত হৈ জ্বলি নুঠিলেই হয়।

গছজোপাৰ তল পাই ছাটিটো জপাই থলো। শিপাবোৰ বছৰি শকত হৈ মাটিৰ ওপৰখন ছানি পেলাইছে। শিপাখিনি ৰাস্তাটোৰে এটা অংশ যেন লগা হৈছে। ই অৱশ্যে ৰাস্তাটোৰ দৰে তপত নহয়। ভৰি দুখনৰ পৰা দেহৰ ভৰ কমাবলৈ তাতেই বহি পৰিলো। জেপটো চুই চালো। উত্তাপ অলপো কমা নাই।

ছাটিটো মেলি আকৌ ৰাস্তাত ভৰি দিলো। ইফালে সিফালে চাই দেখো ক'ৰবাৰ পৰা কুকুৰ এটা আহি মোৰ পিছ লৈছে। ক'লা কুকুৰটো দেখি মোৰ কিছু খং উঠিল। কিন্তু লগ এটা পাই যেন অলপ ভালো লাগিল। সি মনে মনে আহি আছে। তাৰ দৰে ময়ো মৌন। মই অৱশ্যে বহুত কথা ভাবি আহিছো। ······ঘৰ পালেই কৃষ্ণাক সুধিব লাগিব কেনেকুৱা ডিজাইনৰ চেইন্ লাগে, স্বপ্না আৰু বাদলকো বজাৰলৈ উলিয়াই নিব লাগিব। অ' ওলাই আহোতে কৃষ্ণাই চাউল-পাত একো নাই বুলি কৈছিল। এস্ এতিয়াহে মনত পৰিব পায়নে কথাষাৰ! কি কৰা যায়! এতিয়াতো দোকান-পোহাৰো বন্ধ! কোনোবা দোকানীক মাতিলে বাৰু দোকান নুখুলিবনে? নাই নালাগে, মতাৰ লগে লগে বাকীৰ টকাহে সাধিব! বাকী মাৰিবলৈ গলে দেখোন কৃষ্ণাৰ চেইন, স্বপ্না-বাদলৰ কিতাপ-বহী, স্কুলৰ ড্ৰেছ কিনাই নহ'ব! মই ইমান বুৰ্ব্বক হ'ব নোৱাৰো। চাউল পিছে পৰে নিলেও হ'ব। কালি ৰাতিতো খাইছোৱেই। আজি দিনত নাখালোৱেই জানিবা, কিনো হ'ব! আগে-পিছেওতো কেতিয়াবা এনেদৰে উপবাস পালন কৰো! কৃষ্ণা আৰু মই পাৰিম। ইহঁত দুটাৰহে কষ্ট হয় নেকি! নাই নাই, একো কষ্ট নহয়। এসাজ ভাতো খতি নহলে পিছৰ জীৱনত দেৱলীয়া হ'ব লাগিব। পিছৰ জীৱনত····· ···।

"দেউতা আহিল, দেউতা আহিল! খাবলৈ কি আনিছা দেউতা? বৰ ভোক লাগিছে।" স্বপ্না আৰু বাদল জপনামুখৰ পৰা দৌৰি আহিল। ভাবত তন্ময় হৈ আহি থাকোতে ঘৰৰ ওচৰ পোৱাৰ কথা মনলৈ অহা নাছিল। স্বপ্না-বাদলৰ মাতত সম্বিত ফিৰাই পাই ঘৰটোলৈ চাই দেখো দুৱাৰমুখত কৃষ্ণা ৰৈ আছে। তেওঁ আগবাঢ়ি আহি ছাটিটো ললে আৰু মোৰ হাতলৈ চালে। মোৰ সোঁহাতখনেযে কামিজৰ সোঁফালৰ জেপটো খামুচি আছে সেইটো দুয়ো একেলগে মন কৰিলো।

মই কৈ উঠিলো— "কৃষ্ণা দোকানবোৰ বন্ধ। চাউল, দাইল অনা নহ'ল। কিন্তু শুনা, ভাস্কৰ ভূৰৰাই মোৰ "আঁউসীৰ বিদায়" নামৰ কিতাপখন প্ৰকাশ কৰাৰ দায়িত্ব ললে আৰু এই এশ টকা আগে আগে দিলে। পিছত……।"

"দেউতা ভোক লাগিছে।" বাদলে চিঞৰি উঠিল।

"ৰচোন, মনে মনে থাক!" কৃষ্ণাই ডবিয়াই উঠিল। কিন্তু কৃষ্ণাৰ ডাবিত ভয় খাই বাদলে বেছি-কৈহে চিঞৰিব ধৰিলে। স্বপ্নাই চিঞৰা নাই। কিন্তু তাইলৈ চাই ভাব হ'ল তাইৰ চকু দুটাই যেন মোক ক'ব খুজিছে—"সেই টকাৰে তুমি আমালৈ একো খোৱা বস্তু আনিব নোৱাৰিলা!"

মই অনুভৱ কৰিলো ঘামে ধুৱাই দিয়া গাটো যেন পাৰ ভাঙি বৈ আহিব খোজা চকুপানীয়ে কৰবালৈ উটাই নিব। এইখিনি সময়ত এক কিলো চাউলৰহে প্ৰয়োজন। চেইন, কিতাপ-বহী নহলেও কোনো কথা নাই। লাগে মাথো চাৰি মুঠি ভাত।

"মই তৎক্ষণাত মতিৰ দোকানৰ পৰা আহোঁগৈ" বুলি কৈ খোলা জপনাখনেৰে আকৌ বাহিৰ ওলালো। দেখিলো বাদলে চিঞৰিবলৈ এৰি দিছে। কৃষ্ণা আৰু স্বপ্নাই মূৰ দুপিয়াইছে। কুকুৰটোৱে জিভা মেলি বৈ আছে। এটোপ দুটোপকৈ ঘামৰ টোপাল পৰি শুকান ৰঙামাটিখিনি সেমেকি উঠিছে। দূৰৈত ব'দৰ ছিৰিলা-ছিৰিল হোৱা গা-গছেৰে কৃষ্ণচূড়াজোপাৰ সৰু সৰু ডাল-পাতবোৰ অলপ অলপ যেন কঁপিবলৈ ধৰিছে। পশ্চিমৰ আকাশত ডাৱৰ গোট খাইছে। সূৰ্য্যটোৰ তেজ কমি আহিছে। সন্ধিয়া ৰোধহয় বৰষুণ দিব।

"টকাখিনি ঠিকে আছেনে? জেপটো খামুচি ধৰি অনুভৱ কৰিলো—পেটৰ জুই নুমাবলৈ এই জেপ শীতল কৰিবই লাগিব।

# অনুভৱ

**শ্ৰীডিম্বনাথ মিলি**
প্ৰাক্ বিশ্ববিদ্যালয়, প্ৰথম বাৰ্ষিক

*এটা তেজাল অৰুণৰ আহ্বানত*
*প্ৰস্তুতিৰ বোকাময় পথাৰত*
*আমি সোমাই পৰিলো—।*
*ইয়াত দেখিলো,*
*ক্ষণে ক্ষণে যুঁজৰ প্ৰহৰ।*

*কেঁচা কলিজাৰ তেজেৰে ভিজা*
*বহুতো চেতনাৰ নঙঠা শৰীৰ।*
*অকাৰণে নীলাভ আকাশখনিলৈ*
*চাই দেখিছো,*
*ব্যৰ্থতাৰ মাজত*
*এজাক পংগু শিশু আৰু*
*এজাক পিঞ্জৰাবদ্ধ সপোন।*

* * *

# মোহমুক্তি

গৌতম চিকুৰ্বীয়া

প্ৰাক্-বিশ্ববিদ্যালয় ১ম বাৰ্ষিক (বিজ্ঞান)

চাৰিওফালে ওখ ওখ শাল গছ। গছবোৰ টিলাৰ ওপৰত। তাৰ সোঁমাজতে ঘৰটো। চাংবঙলা। দূৰৈৰ খাচী পাহাৰৰ শৃঙ্গবোৰ ৰিণিকি ৰিণিকি দেখা যায়। টিলাটোৰ তলৰ সমান ঠাইডোখৰত ডি এফ্ অ'ৰ অফিচ টিলাৰ চাং বঙলা তেওঁৰ বাসস্থান। ঠাইখন সৰু। সৰু দেওবৰীয়া বজাৰ বহে। পুলিচ আউটপোষ্ট, শাখা ডাকঘৰ আৰু ডিস্পেন্চাৰী এখন আছে। সৰহভাগ অধিবাসীয়েই জনজাতীয়।

আজি ডি এফ্ অ' ৰবীন খাউণ্ডৰ ঘৰলৈ আদহীয়া আলহী এজন আহিছে। ঠিক ৰাতিপুৱা চাৰে ন মান বজাত মানুহজনে আহি খাউণ্ডৰ ঘৰৰ কলিং বেল টিপিছিল। খাউণ্ড ওলাই আহি দেখিলে এজন অচিনাকী মানুহ, পিন্ধনত বগা ধুতি পাঞ্জাবী, হাতত এটা চুটকেচ্ আৰু চকুত বিতচকুযোৰ। মানুহজনৰ চুলি পৰিপাটি কিন্তু আধা পকা।

'আপুনিয়েই ৰবীন খাউণ্ড, মানে ইয়াৰ ডি এফ্ অ' নেকি? মই এটা বিশেষ অসুবিধাত পৰি ইয়ালৈ আহিলো।'

'— অ, হয় ময়েই। আহক। বহক। আচ্ছা, আপুনি ক'ৰ পৰা আহিলে?'

মানুহজনে খাউণ্ডৰ নিমন্ত্ৰণ পাই ভিতৰত বহিলগৈ। তাৰপিছত ৰুমাল উলিয়াই মুখৰ ঘাম মচি মচি ক'লে—

—মই মানে গোৱালপাৰাৰ পৰা আহিলো। ইয়াত মোৰ জীপখন বেয়া হ'ল। ডিফেক্ট ডাঙৰেই। গতিকে আজি ভাল হোৱাৰ আশা নাই। সেইবাবেহে সুধি পুছি গম পালো যে আপুনি ইয়াতে আছে। গতিকে মোক আপুনি চিনি নেপাব। আমি কাজে-কামে ঘূৰি ফুৰা মানুহটো……। পিছে মই ডিব্ৰুগড়ৰ। আপুনি

তিতাবৰৰ নাৰায়ণ বেজবৰুৱাৰ ঘৰৰ ল'ৰা নহয় জানো? নাৰয়ণ মোৰ বাল্যবন্ধু।'

—'এ, তেতিয়াহলে আপুনি দেখোন ঘৰৰ মানুহ! ইচ্ৰাম, মই আকৌ অকলশৰীয়া মানুহ বুজিছেনে? কষ্ট-মষ্ট কৰি আজিৰ দুসাজ ভাত ইয়াতেই খাওঁক! বাৰু, আপুনি এনেই কি কাম কৰে?'

—'মোৰ এনেই কাঠৰ মহল আছে। তদুপৰি অইন বিজিনেচো কৰো। মোৰ নাম অপূৰ্ব হাজৰিকা। বাৰু, আপুনি ক'লে যেতিয়া‥ ‥ মই আজি ইয়াতেই ভাত খাম।'

খাউণ্ডে কাম কৰা ল'ৰাটোক মাতিলে আৰু বজাৰৰ পৰা দুটা কুকুৰা কিনি আনিবলৈ ক'লে। আজি তেওঁ আলহীক মাংসৰে আপ্যায়িত কৰিব। অকলশৰীয়া, নিজান এই ঠাইত কোনোবা মনে মিলা বন্ধু বা সঙ্গী বিচাৰি তেওঁ সদায় হতাশ হয়। আবেলি সদায় লগত ভূটীয়া কুকুৰটো লৈ তেওঁ ফুৰিবলৈ যায় পাহাৰে পাহাৰে। সেয়েহে আজি তেওঁ মনৰ হেপাহেৰে গল্প কৰিব হাজৰিকাৰ লগত।

দহ বজাত হাজৰিকা বাহিৰলৈ ওলাই গ'ল। খাউণ্ডো তেওঁৰ অফিচলৈ ওলাই গ'ল। হাজৰিকা প্ৰৌঢ় লোক। গতিকে ফুৰ্ত্তি-ফাৰ্ত্তা তেওঁ সিমান ভাল নেপায়। তেওঁ হাতত আৰ্ট পেপাৰ, বোৰ্ড আৰু পেন্সিল লৈ গৈছিল। এডাল দেবদাৰু গছৰ তলত তেওঁ বোৰ্ডৰ ওপৰত আৰ্ট পেপাৰ খন থৈ পেন্সিলেৰে লাহে লাহে এডাল দুডাল আঁচ মাৰিবলৈ ধৰিলে— উদ্দেশ্য, নিজৰাৰ কুলু কুলু সুৰৰ ঢৌৰ মাজত আলফুলে গা ধুই থকা এজনী জনজাতীয় গাভৰুক কাগজত প্ৰস্ফুত্তিত কৰা। হাজৰিকাৰ অভিজ্ঞ হাতৰ পৰশত যেন জীৱন্ত ছোৱালী এজনীয়েহে পানীত ধেমালি কৰিছে। তেওঁ আজীৱন কুমাৰ। মাজে মাজে তেওঁ বৰ অনুতাপ কৰে— কিয় তেওঁ বিয়া নকৰালে, আজি যদি তেওঁ বিবাহিত হ'লহেঁতেন তেন্তে তেওঁৰ পৰিবাৰে তেওঁৰ কিমান যত্ন ল'লেহেঁতেন! আনে ল'ৰা ছোৱালীৰ পৰা সুখ পোৱা দেখিলে তেওঁ মনে মনে কান্দে। কিন্তু? কিন্তু তেওঁ দৃঢ়প্ৰতিজ্ঞ যে কেতিয়াও বিয়া নকৰায়। জীৱনৰ পচ্পন্নতা বছৰ এনেদৰে অকলশৰীয়া হৈ কটালে, বাকীকেইটা বছৰ কটাব নোৱাৰিবনে? তেওঁৰ মনৰ মাজত যে এটাই অভিলাষ, সেই অভিলাষ অতি সংগোপনে তেওঁ মনত পুহি ৰাখিছে।

দুপৰীয়া ভাতৰ মেজত খাউণ্ড আৰু হাজৰিকা একেলগে বহিল। আজিকালি এনে সৰু ঠাই-বোৰতো মাছ পাবলৈ নাইকীয়া হ'ল। আগেয়ে ইয়াৰ খাল-ডোঙত বৰশী মাৰিলেই মাছ উঠি আহিছিল।

খাউণ্ড ভাত খাই উঠি জিৰাই-শতাই পুনৰ অফিচলৈ গ'লগৈ। হাজৰিকাই তেওঁৰ বাবে সজাই থোৱা বিচনাখনত এবাগৰ দিলে। চকু দুটা মুদি তেওঁ ভাবিবলৈ ধৰিলে খাউণ্ডৰ ঘৰ-খনৰ কথা। কি মৰমিয়াল সিহঁতৰ সকলোবোৰ মানুহ! নাৰায়ণ বেজবৰুৱা হাজৰিকাৰ বন্ধু হোৱা বাবে তেওঁৰ ঘৰৰ লগত হাজৰিকাৰ অবাধ অহা যোৱা। সেয়া এক বেলেগ অধ্যায়। আজি কি ভাগ্যৰ চক্ৰত আহি সিহঁতৰ ঘৰৰ ল'ৰা এটা লগ পাই গ'ল!

খাউণ্ডে অফিচৰ পৰা আহি চাহ খাই আৰু অতিথিকো খুৱাই নিজৰ গাড়ীত উঠাই

লৈ গ'ল ফুৰাবলৈ। 'আমাৰ মানুহে কেৱল কলিকতা, বোম্বাই দেখিলেই জীৱন কৃতার্থ হোৱা বুলি ভাবে। দৰাচলতে এনে সৰু ঠাইটো চাবলগীয়া, জানিবলগীয়া বহু কথাই লুকাই থাকে। মাথো সেইবোৰ বিচাৰি উলিয়াব জানিব লাগিব।' এই হ'ল খাউণ্ডৰ বক্তব্য। 'চাওঁকচোন, এই জনজাতীয় খৰিকটীয়াজনে খাবলৈ নেপাই চৰকাৰী নিয়ম উলঙ্ঘা কৰি গছ কাটি তাৰ পৰা খৰি কৰি বেচি পেট প্রবর্ত্তাইছে। তাক এই কামৰ বাবে কিমানবাৰ শাস্তি দিয়া হ'ল। তথাপি সি কি কৰিব, ধন নাই! How strange this struggle for existense is!'

নিশা ভাত খোৱাৰ পিচত খাউণ্ড আৰু হাজৰিকা একেলগে বাৰান্দাত বহিল। হাজৰিকাই হঠাৎ খাউণ্ডক সুধি পেলালে—

—'আপোনাৰ দেউতাকৰ নামটো·········কি আছিলে? এ, পাহৰিলো নহয়·········'

একমুহূর্ত্তৰ বাবে খাউণ্ডে হাজৰিকাৰ মুখত দৃষ্টি স্থাপন কৰি তধা লাগি চাই ৰ'ল। তাৰ পিচত একো নকৈ চকীৰ পৰা উঠি গৈ চিগাৰেটত টান মাৰিলে। বহুসময় ধোৱাখিনি মুখৰ ভিতৰত ৰাখি চকু দুটা মুদি থাকিল। হাজৰিকাই খাউণ্ডৰ তেনে এটা অভিব্যক্তি দেখি ক'লে—

—'ক্ষমা কৰিব, মই আপোনাক বোধহয় আঘাত দিলো।'

—'নাই, নাই। আচল কথা, দেউতাৰ কথা ভাবিলে মোৰ বহু কথা মনলৈ আহে। কান্দি দিবৰ মন যায়। ইমান ডাঙৰ হলো— এদিনো দেউতাক লগ নেপালো। মোমায়ে মোৰ মা-দেউতাৰ কথা মোক কৈছিল। আপুনি মোক 'তুমি' বুলি মাতিব, মই আপোনাৰ পুত্রতুল্য।

—'দেট মিন্‌চ্‌, তোমাৰ দেউতা জীৱিত নাই?'

—'নহয়, দেউতা মৃত নে জীৱিত, ক'ত আছে, কি কৰিছে মই একো খবৰ নাপাওঁ। মই ডাঙৰ হোৱাত নিজে খবৰ-খাতি কৰিও বিচাৰি নেপালো।'

কিছুসময় দুয়ো মৌন থাকিল। মৌন মুহূর্ত্তবোৰ ইমান গধুৰ! খাউণ্ডে আধাপোৰা চিগাৰেটটো পেলাই দি এটা নতুন চিগাৰেট জ্বলাই ল'লে। হাজৰিকাই চিগাৰেট নেখায়। হঠাৎ হাজৰিকাৰ ফালে ঘূৰি খাউণ্ডে নাটকীয়ভাৱে কৈ পেলালে, জোনৰ পোহৰত তেওঁৰ চকুৰ কোণৰ চকুলো দুটোপাল মুকুতাৰ দৰে জিলমিলাইছিল।

—'জানে, মোৰ মাৰ বিয়া হোৱা নাছিল? মোৰ মাই মোক জন্ম দিয়েই চিৰনিদ্রাত পৰিছিল। মোমায়ে সকলো জানিছিল, আৰু সেয়েহে সেই কেচুৱা কালতে মোক ৰাখিলে দার্জিলিঙত। সকলো খৰচ মোমাইৰ। তাতে মোৰ বাল্যকাল অতিবাহিত হ'ল— চেণ্ট জন্‌চ্‌ কন্‌ভেণ্টৰ চাৰি বেৰৰ ভিতৰত। উঃ, বহুদিন মই প্রতিজ্ঞা কৰিছিলো মোৰ ইতিবৃত্ত কাকো নজনাওঁ বুলি। কিন্তু প্রাণে নসহে। বাৰে বাৰে সকলোবোৰ কথা কৈ দিবৰ বাবে শ্রোতা বিচাৰো। কিন্তু কাৰো সময় নাই।·········'

—'অ, তাৰমানে ৰবীন, তোমাৰ জীৱনত চৰম ট্রেজেডী আছে। আচ্ছা, তাৰপিছত?'

—'তাৰপিচত মই গুচি আহিলো গুৱাহাটীলৈ। ইয়াত মোক মোমাইদেউৰ বাহিৰে কোনেও নিচিনে। কাৰণ মই সৰুৰে পৰা বাহিৰত। ইয়াত কলেজত পঢ়িলো, চাকৰি পালো। কিন্তু

ইমান দিনে কত বিচাৰিলোঁ, ক'তো মোৰ দেউতাক চোন নেপালো। পালে মই কৈ দিলোহেঁতেন, 'দেউতা, তুমি মোক মিছাকৈ কিয় ইমানখন কষ্ট দিলা? তুমি মোক কিয় চিনাকি নিদিলা?'

খাউণ্ড বৰ আবেগপ্ৰৱণ হৈ পৰিছিল। হাজৰিকাই চকীত আউজি খাউণ্ডৰ কথা একান্ত মনে সাধুকথা শুনাদি শুনিছিল।

—'আচ্ছা বোপা, বেয়া নোপোৱা যদি তোমাক এটা কথা সুধিম। তোমাৰ দেউতাৰ নাম কি আছিল? তেওঁ কি কাম কৰিছিল? তেওঁৰ ফটো নাই নেকি?'

—'তেওঁৰ নাম আছিল উপেন খাউণ্ড। সেইবাবেই মোমায়ে মোৰ উপাধিও খাউণ্ড থলে। মোমায়ে কৈছে তেওঁ হেনো বৰ নিৰ্ভীক আছিল। বেপৰোৱা ধৰণৰ। তেওঁ ইংৰাজী সাহিত্যত প্ৰথম শ্ৰেণী পাইও অধ্যাপনা নকৰিলে, কাৰণ তেওঁ আছিল বিপ্লৱী। মোৰ মোমাই তেওঁৰ সহপাঠী। তদুপৰি তেওঁৰো মোৰ দেউতাৰ আদৰ্শত বিশ্বাস আছিল। গতিকে দেউতাই মোমাইৰ ঘৰলৈ অহাযোৱা কৰিছিল।'

'এনেদৰেই মোৰ মাৰ লগত দেউতাৰ পৰিচয় হয়। তেতিয়া মা এই ধৰক কলেজত প্ৰথম এড্‌মিশ্যন লৈছে।'

'দেউতাৰ বিপ্লৱী আদৰ্শক মাই খুব শ্ৰদ্ধা কৰিছিল। আপুনি হয়তো নাজানে, মোৰ দেউতাই কেইবা জনো সুদখোৰ, ৰক্তপিপাসু মহাজনক হত্যা কৰিছিল আৰু সিহঁতৰ সম্পত্তি দীন হীনৰ মাজত বিলাই দিছিল। এইবোৰ কাম কৰোতে মাই দেউতাক সহায় কৰা বাবে পুলিচে দুয়োকো বিচাৰি ফুৰিছিল। মোমায়ে দুয়োকো যথেষ্ট ৰক্ষা কৰিছিল। গাৱঁৰ বহুতো দুখীয়া মানুহৰ অৱস্থা ভাল হৈছিল। তেওঁলোকৰ মনত মোৰ দেউতা আছিল ভগবান। দলৰ সংগঠনৰ কামত মা-দেউতা অসমৰ গাওঁ-ভূই ঘূৰি ফুৰিছিল। তেনে সময়তে বোধকৰো মোৰ জন্ম হৈছিল। হায়, মোমায়ে কৈছিল যে তেওঁ মোৰ জন্মত অকণো খং কৰা নাছিল। মাথো তেওঁৰ এটা দুখ ৰৈ গ'ল যে মাৰ বিয়া হ'বলৈ নাপালে আৰু মোৰ জন্মৰ লগে লগে মাৰ মৃত্যুও হ'ল। দেউতাই মোক আনি মোমাইদেউৰ হাতত জমা দিছিল। কাৰণ, দেউতাৰ থকা-খোৱাৰ একো ঠিকনা নাই। তদুপৰি মাৰ মৃত্যু হ'ল ডাক্তৰী চিকিৎসাৰ অভাৱৰ বাবে। উঃ ভগবান কি নিষ্ঠুৰ, যিজন মানুহে অইন নিঃস্বৰ ভালৰ বাবে গোটেই জীৱন দান দিলে তেওঁৰ প্ৰেয়সীৰ মৃত্যু হ'ল তেওঁৰ চকুৰ আগতে।······'

—'তুমি অকণ জিৰোৱা ৰবীন, তুমি যথেষ্ট উত্তেজিত হৈ পৰিছা।'

—'আজি মই আপোনাক সকলো ক'ব লাগিব। চাব, আহক মোৰ লগত।'

খাউণ্ডে হাজৰিকাক হাতত প্ৰায় টানি লৈ গ'ল। এটা ৰুমৰ তলা খুলিলে আৰু চুইচ্ টিপি লাইট জ্বলাই দিলে। তেতিয়া নিশা প্ৰায় চাৰে বাৰ। হাজৰিকাই দেখিলে, তাত আলনা এখন আছে, পুৰণি অথচ পৰিষ্কাৰ মেখেলা চাদৰ, ধুতি-পাঞ্জাৰী কিছুমান জাপি থোৱা আছে। আঁতৰত কিছুমান পুৰণি কিতাপ পত্ৰ হাতেৰে লিখা বহী আৰু এটা ঘৰত বনোৱা বন্দুক। সকলোবিলাক এটি এটিকৈ চুই গ'ল খাউণ্ডে······

—'এইযে দেখিছে এই হাতৰ আখৰ মাৰ,

এয়া দেউতাৰ। কোনোবা আলোচনীলৈ পঠিয়াবলৈ তুয়ো ঠিক কৰা আৰ্টিকল্। পঠোৱা নহ'ল। এয়া দেউতাই অঁকা ছবি। এই যে দেখিছে বন্দুকটো......'

খাউণ্ডে বন্দুকটো বুকুত সাৰটি ল'লে।

—'ই দেউতাই কৰা মাৰ্ডাৰবোৰৰ একমাত্ৰ সাক্ষী। আঃ, ইয়াত মই দেউতাৰ হাতৰ স্পৰ্শ অনুভৱ কৰো। চাওঁক হাজৰিকা, আপুনিয়ে প্ৰথম যিয়ে মোৰ এই আপুৰুগীয়া সম্পদ বোৰ দেখিলে। আজি মোৰ অন্তৰখন ইমান পাতল পাতল লাগিছে! কওঁকচোন, মোৰ দেউতাৰ ফটোখন দেখুৱালে বাৰু আপুনি দেউতাক বিচৰাত সহায় কৰিব পাৰিবনে?'

খাউণ্ডে ড্ৰয়াৰটো টানি এটা পুৰণা এল্‌বাম উলিয়াই আনিলে। হাজৰিকাই দেখিলে, তাত এজন ডেকাৰ ফটো আছে। হাঁহি আছে। গোঁফ ধুনীয়াকৈ ৰখা ডাঠ চেলাউৰিৰ ডেকাজন সঁচাকৈ বৰ ধুনীয়া। সেইজনেই উপেন খাউণ্ড, কাৰণ ফটোত চহী কৰা আছে। পিছফালে আকৌ এজনী গাভৰুৰ ফটো! খাউণ্ডৰ মাক। তেওঁ বৰ ধুনীয়া নহয়। কিন্তু মৰম লগা। তেওঁৰ দীঘলীয়া মুখ, জোঙা নাক আৰু ধুনীয়া চকুযোৰে শিলকো কোমলাব পাৰিব। সেই চকুত আছে নিষ্পাপ গোলাপৰ পাহিৰ প্ৰতিচ্ছবি। হাজৰিকাই বহুপৰ ডেকা আৰু গাভৰুৰ ফটো দুখনলৈ একান্ত মনে চালে। চাওঁতে চাওঁতে আনকি তন্ময় হৈ গ'ল। চকুৰে স্বয়ংক্ৰিয়ভাৱে দুটি নিজৰা বৈ আহিল। খাউণ্ডে তেওঁৰ হাতৰ পৰা এল্‌বামখন লৈ ড্ৰয়াৰত সুমুৱাই থলে।

—'হাজৰিকা, মই জানিছিলো, মোৰ মা-দেউতাৰ ছবিয়ে আপোনাৰ মনত গভীৰ চাপ পেলাব। কাৰণ, মোৰ মনত তেওঁলোক মানুহ নহয়, ঈশ্বৰ......'

তুয়ো নিঃশব্দে ৰুমৰ বাহিৰ ওলাই আহিল। খাউণ্ডে দুৱাৰত তলা লগালে। তুয়ো আহি পুনৰ বাৰান্দা পালে। বাহিৰত সুপ্ত পৃথিৱী, মাজে মাজে দূৰৈৰ পৰা অহা শিয়ালৰ হোৱাৰ বাহিৰে আন একো শব্দ নাই। এনে সময়বোৰতেই একোজন মানুহৰ অতীত জীৱনে মনক বৰকৈ আমনি কৰে, বাৰে বাৰে ভুমুকি মাৰে।

বিচনাত পৰি চকুদুটা মুদি হাজৰিকাই কল্পনা কৰিলে এহাল ডেকা-গাভৰু, সিহঁত সংস্কৃত সুৰুচিসম্পন্ন, একে আদৰ্শত বিশ্বাসী আৰু সংস্কৃতিৰ নামত সমাজত চলি থকা দুষ্কৃতিক ধ্বংস কৰিবলৈ উদ্যোগী। ডেকাৰ নাম উপেন— উপেন খাউণ্ড। গাভৰুৰ নাম মিনতি বেজবৰুৱা। তুয়ো দেশৰ বহু কাম কৰিলে যদিও তেওঁলোকৰ পথটো কিছুমান ক্ষেত্ৰত হিংসাত্মক হৈছিল। মিনতি আৰু উপেনৰ মাজত প্ৰেম হ'ল। তুয়ো দুগুণ উৎসাহেৰে সমাজসেৱাত ব্ৰতী হ'ল। এই কামত তেওঁলোকে কিমান কষ্ট স্বীকাৰ কৰিলে।

এদিন নিশা। চিপ্ চিপ্‌কৈ বৰষুণ পৰি পৰি আছিল। সিহঁত তুয়ো মৰিয়নীৰ ওচৰৰ এখন অখ্যাত গাওঁৰ ভদীয়াৰ ঘৰত নিশাটোৰ বাবে আশ্ৰয় ল'লে। ভদীয়াৰ ভঙা পঁজাৰ এফালে তুয়োৰো বাবে বেলেগ বেলেগ দুখন কঠ পাৰি দিয়া হ'ল। তুয়ো তাত বাগৰ দিলে। কিন্তু বাগৰহে দিলে, তুয়োৰে চকুত টোপনি নাই।

—'এই, আপোনাৰ টোপনি আহিল নেকি?'

—'নাইহে, ব'লা বাহিৰত বহোগৈ।'

দুয়ো বাহিৰৰ জোনাকত বহিলগৈ। মিনতিৰ চকুত উপেনৰ চকু, উপেনৰ হাতত মিনতিৰ হাত। বহুসময় সিহঁত তেনেদৰে নিৰ্বিকাৰ হৈ থাকিল। হঠাৎ—

—'উপেনদা, মোৰ জীৱনৰ এটা ডাঙৰ প্ৰাৰ্থনা আপুনি পূৰণ কৰিব?'

—'কি প্ৰাৰ্থনা, কোৱাচোন, যদি পাৰো কৰিম বাৰু।'

—'নহয়, আগেয়ে কথা দিব লাগিব। তাৰপিচতহে……'

—'আচ্ছা, কৰিম মিনু!'

—'আপুনি মোক এটা ল'ৰা সন্তান দিব?' মিনতিয়ে চেঁপা মাতেৰে কোনোমতে কথাকিটা উচ্চাৰণ কৰিলে আৰু উত্তৰৰ আশাত তেওঁৰ চকুলৈ চাই ৰ'ল।

—'কিয়? তুমিতো অইনৰ লগত বিয়া হ'ব পাৰা। মইতো বাধা নকৰো।'

—'বিয়া-তিয়া নাজানো। কওঁক, মোক আপুনি আপোনাৰ দৰে এজন বীৰৰ মাতৃত্বৰ গৌৰৱ দিব পাৰিবনে?'

'কিন্তু সমাজ, তাৰোপৰি তোমাৰ ঘৰখনৰ কথা এবাৰ চিন্তা কৰি চাব নালাগিব জানো?'

—'শুনক, মই ভালকৈ জানো, আপোনাৰ মোৰ বিয়া সমাজে নেমানে। আমি ইতিমধ্যে তথাকথিত ভদ্ৰ সমাজৰ পৰা বহু আঁতৰত। গতিকে সমাজৰ কথা বাদ দিয়ক। এইটো আপোনাৰ মোৰ মাজৰ কথা, সমাজ ইয়াত কোন?'

—'বাৰু, তোমাৰ প্ৰাৰ্থনা মই মঞ্জুৰ কৰিম। কিন্তু চাবা, ইয়াৰ ইয়াৰ ফলাফলবোৰ ভোগ কৰিবলৈ সাজু থাকিবা।'

তাৰপিচত আৰু বহুদিন। বিৰামহীনভাৱে কেৰেল দেশৰ কাম কৰি গৈছে সিহঁতে। অৱশ্যে চৰকাৰে সিহঁতৰ নাম দিছে 'বিদ্ৰোহী'। বিচাৰি উলিয়াবলৈ চাৰিওফালে পুলিচ। তেনেতে মিনতিয়ে এখন গাৱঁত এদিন জন্ম দিলে ৰবীনক। মিনতিৰ প্ৰাৰ্থনা পূৰণ হ'ল। মিনতিৰ ইচ্ছা সিও দেউতাকৰ দৰে বীৰ হওঁক, দেশৰ দৰিদ্ৰৰ উপকাৰী হওঁক।

বহুদিন গ'ল। সেই উপেন খাউণ্ড প্ৰায় বুঢ়া গ'ল। আৰু……আৰু, সেই ৰবীন বোলা ল'ৰাটো চোন এতিয়া হাজৰিকাৰ কাষৰ কমত শুই আছে……। হাজৰিকা চকমককৈ সাৰ পাই উঠিল। উঠিয়েই মনত পৰিল সেই ডেকা-গাভৰুহাললৈ। তেতিয়া ৰাতিপুৱা চাৰি বাজিছে। দূৰৈত কুকুৰাই দিছে। হাজৰিকা তৎক্ষণাৎ বিচনাৰ পৰা উঠি সাজ-পাৰ কৰিলে, চুটকেচত নিজৰ বস্তুবোৰ ভৰালে। মুখ-হাত ধুলে। তাৰপিছত মেজৰ ওপৰত থকা এখন বহীৰ পৰা এখিলা পাত চিঙি লৈ কলমেৰে খচ্ খচ্ কৈ কেইশাৰীমান কথা লিখিলে। তলত নিজৰ নামটো চহী কৰিলে। তাৰপিছত নিঃশব্দে দুৱাৰ খন খুলি চুটকেচ্‌টো লৈ বাৰান্দালৈ ওলাল। তাৰপিছত খাউণ্ডৰ কমৰ মেলা খিৰিকীখনেৰে ভিতৰলৈ ভুমুকি মাৰিলে। ভিতৰত ডিমলাইটৰ পোহৰত খাউণ্ডৰ মুখখন এটি শিশুৰ দৰে নিষ্পাপ লাগিছিল। হাজৰিকাই কিছুপৰ চাই হাতখন আগবঢ়াই দি চুমা এটা খালে। পিছমুহুৰ্ত্তে তেওঁ ঘূৰি বাট পালেগৈ। ৰুমালেৰে চকুৰ কোণ দুটা মচিলে। তাৰপিছত কিছুদূৰ খোজকাঢ়ি গৈ এটা পঁজাৰ আগত ৰ'ল আৰু দুৱাৰত মৃদু

টোকৰ মাৰিলে। কিছুসময় পিছত এজন জন-জাতীয় লোক চকু মোহাৰি মোহাৰি ওলাই আহিল। হাজৰিকাই কিছু সময় তেওঁৰ লগত সৰু সৰুকৈ কথা পাতিলে আৰু তাৰপিছত কিছু টকা আগবঢ়ালে। মানুহজনে সেইখিনি আলফুলে ল'লে।

হাজৰিকাই বেছি পলম নকৰি ওলাই আহিল আৰু বৈ থকা জীপখন ষ্টাৰ্ট কৰিলে। জনজাতীয় মানুহটোৱে হাজৰিকাৰ মুৰত চুমা খালে আৰু বিদায় দিলে।

হাজৰিকা গৈ থাকিল। ইতিমধ্যে পূৱে ধলফাট দিছে। হাজৰিকাই আনন্দৰ চকুপানী মচিলে। ইমান দিনৰ মূৰত তেন্তে তেওঁ পুতেকক দেখিলে আৰু একেলগে দুসাজ খালে। যাহওঁক পুতেক ভালে আছে আৰু তাৰ আদৰ্শ আৰু দেউতাকৰ আদৰ্শ একে। হাজৰিকাই মনে মনে এবাৰ মিচিকিয়াই হাঁহিলে। 'আজি যদি হাজৰিকাই নিজৰ প্ৰকৃত পৰিচয় পুতেকৰ আগত দিলেহেঁতেন, তেন্তে কেনে এটা পৰিস্থিতিৰ সৃষ্টি হ'লহেতেন বাৰু?' —হাজৰিকাই মনতে চিন্তা কৰিলে। কিন্তু তেওঁ নিজক গোপনে ৰাখিবই লাগিব, তেওঁ যে পলাতক। নিজ দেশ-মাতৃৰ সৰ্ব্বাঙ্গীন মুক্তিৰ বাবে তেওঁ যে যথাসৰ্ব্বস্ব ত্যাগ কৰিছে, আনকি মিনতি আৰু ৰবীনকো···

হাজিৰকাৰ গাড়ী কুঁৱলীৰ মাজত হেৰাই গ'ল।

★ ★ ★

## ফল্গু

আনফৰ আলি হক
প্ৰাক্-বিশ্ববিদ্যালয় ১ম বাৰ্ষিক (বিজ্ঞান)

*নদীৰ গতিক বাধা দিও মই*
*বাধাৰূপী বান্ধ হৈ;*
*শৰতক বাধা দিও মই*
*বৰ্ষাৰ কাল বঢ়াই;*
*অগতিক বাধা দিও মই*
*প্ৰগতিৰ ৰূপ ধৰি;*
*ধৰ্মক বাধা দিও মই*
*সংস্কাৰৰ ৰূপ ধৰি।*
*কিন্তু*
*বাধা নিদিও মই*
*শ্ৰমিক-কৃষকৰ ঘামৰ সোতক*
*য'ত থাকে নৱসৃষ্টিৰ অদম্য বাসনা।*
*বাধা নিদিও মই—*
*পৰিবৰ্ত্তনকামী জনতাৰ বিপ্লৱক*
*বিপ্লৱী ৰক্তৰ ফল্গুক—*
*য'ত থাকে,*
*হেজাৰ জনতাৰ কলিজাৰ তেজ*
*অগণন শিশুৰ কুমলীয়া তেজ*
*বৈ যায় দেশে-বিদেশে—*
*ৰূঢ়িয়াই বিপ্লৱৰ কণিকা*
*য'ত থাকে;*
*হেজাৰ জনতাৰ—*
*কিবা এটা পোৱাৰ*
*কিবা এটা বিনাশ কৰাৰ*
*কিবা এটা সৃষ্টিৰ*
*আপ্ৰাণ প্ৰচেষ্টা, আপ্ৰাণ কামনা।* ●

# নিৰ্বাচিত কেইটিমান কবিতা

## কটন কলেজৰ বিভিন্ন প্ৰাচীৰ পত্ৰিকাৰ সৌজন্যত

কটনিয়ান সকলৰ সাহিত্যচৰ্চাৰ ক্ষেত্ৰ হিচাবে বছেৰেকীয়া মুখপত্ৰ "কটনিয়ানে"ই যথেষ্ট নহয়। সেইবাবেই কেইজনমান উদ্যোগী কটনিয়ানৰ সৌজন্যত 'কটনিয়ানৰ কবিতা' নামৰ প্ৰথমখন কবিতাৰ প্ৰাচীৰ পত্ৰিকাই কটন কলেজৰ প্ৰশাসনীয় কাৰ্য্যালয়ৰ নিকটৱৰ্ত্তী "East" কক্ষৰ প্ৰাচীৰত ১৯৭৪ চনত আত্ম প্ৰকাশ কৰে। তেতিয়াৰ পৰাই ই আজিলৈকে কটনিয়ানৰ মানসিক বিকাশত অৰিহণা যোগাই আহিছে। ১৯৭৮ চনত বহা কাৰ্য্যনিৰ্বাহকৰ অনুমোদন সাপেক্ষে ইয়াৰ নাম সলনি কৰি 'কটনিয়ানৰ প্ৰাচীৰ পত্ৰিকা' কৰা হয় আৰু লগতে ইয়াত প্ৰবন্ধপাতিও প্ৰকাশ কৰাৰ সিদ্ধান্ত লোৱা হয়। প্ৰায় সমসাময়িকভাৱে ৰাজনীতি প্ৰণোদিত 'কটন কলেজ প্ৰগতিশীল অধ্যয়ন চক্ৰৰ বুলেটিন' নামৰ আন এখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ হয়। সময়ৰ সোঁতত দেখা গ'ল যে 'কটনিয়ান', 'কটনিয়ানৰ কবিতা' আদিয়েই কটনিয়ানৰ চাহিদা পূৰণৰ বাবে যথেষ্ট নহয়। সেয়ে ক্ৰমান্বয়ে ১৯৭৬ চনত ডুমহলীয়া ছাত্ৰাবাসত 'প্ৰাচীৰৰ ৰেঙণী', ১৯৭৬ চনৰ শেষৰ ফালে প্ৰথম ছাত্ৰাবাসত 'দেৱালৰ স্বৰ', ১৯৭৭ চনত তৃতীয় ছাত্ৰাবাসত 'প্ৰতিধ্বনি', ১৯৭৭ চনৰ শেষৰ পিনে নৱ ছাত্ৰাবাসত 'ক্ৰন্দসী', ১৯৭৮ চনতে ১ নং ছাত্ৰীনিবাসত 'আখৰা' আৰু ২ নং ছাত্ৰীনিবাসত 'উত্তৰণ', ১৯৭৯ চনৰ মুছলিম ছাত্ৰাবাসত 'সৌৰভ', দ্বিতীয় ছাত্ৰাবাসত 'নতুন দিগন্ত' সাৰ্ব্বজনীন ছাত্ৰাৱাসত "সাৰ্ব্বজনীন" আৰু শেহতীয়াকৈ কটন ডুমহলীয়া ছাত্ৰাবাসত 'Twilight' ৰ জন্ম হয়।

এই প্ৰাচীৰ পত্ৰিকা সমূহে কটনিয়ানৰ সাহিত্য চৰ্চাৰ ক্ষেত্ৰত অৰিহণা যোগাই আহিছে। আটাই কেইখন প্ৰাচীৰ পত্ৰিকাই মাহেকীয়া হোৱা বাবে সময়ৰ অভাৱৰ হেতু এই প্ৰাচীৰ পত্ৰিকাসমূহত কবিতাৰ প্ৰাচুৰ্য্যই বেছি। তথাপি প্ৰবন্ধ পাতিও একেবাৰে নথকা নহয়।

'প্ৰাচীৰ পত্ৰিকা' সমূহৰ এই নতুন শিতানটো অৱতাৰণা কৰিবলৈ লওঁতে যথেষ্টখিনি অসুবিধাৰ সৃষ্টি হৈছে। বিশেষ কৈ 'কটনিয়ান'ৰ সম্পাদনাৰ সময়ত এই পত্ৰিকাসমূহৰ বিষয় ববীয়া সমূহৰ প্ৰায়বিলাকেই অনুপস্থিত থকাত কোনো কোনো ক্ষেত্ৰত তেখেতসকলৰ অনুমতিবিহনেও নিজেই কবিতা বা প্ৰবন্ধপাতি নিৰ্বাচন কৰিব লগা হৈছে। গতিকে এই শিতানত কিছু আসোঁৱাহ থকাতো নিত্যান্তই স্বাভাৱিক। সেই ভুল-ত্ৰুটিবোৰৰ বাবে আমি দুঃখিত আৰু পাঠকবৃন্দৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।

সম্পাদক, 'কটনিয়ান'

# মোৰ এই ঢোলৰ শব্দত

শ্ৰীহাংথিজ হাওঞ্চ
প্ৰাঃ বিঃ প্ৰথম বাৰ্ষিক (বিজ্ঞান)

*মোৰ এই ঢোলৰ শব্দত*
*মই স্তম্ভিত,*
*মই সন্ত্ৰস্ত,*
*মই উল্লাহিত,*
*মই আনন্দিত।*
*মোৰ এই ঢোলৰ শব্দত*
*নাই উতলুৱা যৌৱনৰ ইঙ্গিত,*
*নাই কৌটিকলীয়া বিহুগীত,*
*নাই ৰমনীৰ দেহত ঢৌ তোলা ঢেও,*
*নাই ওজাৰ বিদেশত বজোৱা ঢেও।*
*সেয়ে মই স্তম্ভিত,*
*মই সন্ত্ৰস্ত।*
*মোৰ এই ঢোলৰ শব্দত*
*আছে সৃষ্টিৰ নৱগান*
*আছে তেজ উতলুৱা জ্ঞান,*
*আছে নতুন সুৰৰ বিহুগীত*
*আছে নতুন সমাজৰ ইঙ্গিত।*
*সেয়ে মই উল্লাহিত,*
*মই আনন্দিত।*

* * *

[ কটন তৃতীয় ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰতিধ্বনি'ৰ পৰা ]

# এমুঠি 'শ্বায়েৰী'

১। *"ডৰা থা মৌত্ সে পহলে বহুত মেইনে*
*লেকিন হাচিন বনাদিয়া মৌত্ কো তেৰে এহচ্চাচ্ নে"।*
ভাৱাৰ্থ—প্ৰথমতে মৃত্যুলৈ মই বৰ ভয় কৰিছিলোঁ,
কিন্তু তোমাৰ সঙ্গই মৃত্যুক সুন্দৰ কৰি তুলিলে।

২। *"চবকো বনায়া হ্যায় খোদানে চবকে লিয়ে,*
*চুকুৰ খোদাকো*
*কে তুমকো বনায়া হ্যায় চিফ মেৰে লিয়ে"।*
ভাৱাৰ্থ—সকলোকে সৃষ্টি কৰিলে খোদাই সকলোৰে বাবে, খোদাক
ধন্যবাদ যে, তোমাক একমাত্ৰ মোৰ বাবেই সৃষ্টি কৰিলে।

৩। *"কৌন কামবখ্ত কেহতে হ্যায়—*
*কে শৰাব মেঁ নশা হ্যায়—*
*আগৰ শৰাবকে নশা হ্যায়—*
*তো বটল কেইসে খড়া হ্যায়—*
ভাৱাৰ্থ—কোন মূৰ্খই কয়যে, সুৰাত নিচা আছে; যদি সুৰাত
নিচাই আছে, তেন্তে বটল কেনেকৈ থিয় হৈ আছে!

৪। *‘ইৰাদা থী উনসে হালে দিল মিলকে*
*সবকুচ কহ দেংগে—*
*মগৰ মিলনে পে হমসে আজ হোতা ন কাল কহনা’।*

ভাৱাৰ্থ—ভাবিছিলো তাইক পালে মনৰ সকলো কথা খুলি কৈ দিম······ কিন্তু তাইক লগ পাই অন্তৰৰ কথা আজিও কোৱা নহ'ল, বোধহয় কাইলৈও নহব।

[ কটন মুছলিম ছাত্ৰাৱাসৰ প্ৰাচীৰ পত্ৰিকা ‘সৌৰভ’ৰ পৰা ]

* * * * * * * *

## ঃ শৃঙ্খলিত সময় ঃ

—তৰুণ বৰা
২য় বাৰ্ষিক স্নাতক, কলা

*শুনিছানে মেকবেথ*
*মেকদাফৰ পদধ্বনি ?*
*দেখিছানে মূৰৰ ওপৰত*
*তৰোৱালৰ চিকমিকনি ?*
*দাইনীৰ চোকা দাঁত ভাগি গ'ল,*
*প্ৰাসাদৰ প্ৰাচীৰ চূৰ্ণাকৃত হ'ল।*
*সাৱধান বিংশ শতিকাৰ মেকবেথ্।*
*সময় আজি শৃঙ্খলিত*
*মেকদাফৰ হাতত।* ● ● ●

[কটন নৱছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা ‘ক্ৰন্দসী’ৰ পৰা]

## মই ৰুদ্ৰ

মিতালী দেউৰী

*মই ৰুদ্ৰ,*
*নাচিম মই তাণ্ডৱ নৃত্য ;*
*য'ত নাই চন্দৰ শৃঙ্খল,*
*নাই নাচোনৰ মুদ্ৰাৰ পৰশ।*

*মোৰ নাচোনত পৃথিৱী কঁপিব,*
*মোৰ দৃষ্টিত ছাই হ'ব কলুষিত জগত ;*
*মোৰ গচকত ধ্বংস হ'ব অসুন্দৰৰ বীৰ্য্য,*
*মোৰ হাতে আজুৰি আনিব লক্ষ লক্ষ মুখা।*

*ভাঙি চিঙি আকৌ গঢ়িম*
*এক অনন্য সুন্দৰ জগত ;*
*কাল ৰাত্ৰিৰ বৃন্তৰ পৰা*
*চিঙি আনিম চিৰ উজ্বল প্ৰভাত।*

★★★

[কটন ২নং ছাত্ৰীনিবাসৰ প্ৰাচীৰ পত্ৰিকা ‘উত্তৰণ’ৰ পৰা]

# এমুঠি মিনি কবিতা

**ঈশ্বৰ প্ৰসন্ন বুঢ়াগোহাঁই**
প্ৰাঃ বিঃ বিঃ ১ম বাৰ্ষিক

(১)

*দেউতাইঁতৰ বুকুৰ ৰপৰতে*
*সিহঁতে অট্টালিকা সাজিছে*
*দেউতাইঁতৰ হাড়েৰে।*
*সেয়ে নেকি,*
*মই সিহঁতৰ অট্টালিকাবোৰৰ*
*ওচৰলৈ গ'লেই গোন্ধ পাওঁ*
*দেউতাইঁতৰ কলিজাৰ কেঁচা তেজৰ।*

(২)

*তুষাৰ শুভ্ৰ এজাক বগলী*
*উৰিযোৱা দেখিলেই মই*
*অনিমেষনেত্ৰে চাওঁ, সিহঁতৰ*
*শুভ্ৰ পাখিলৈ।*
*—কিজানিবা সিহঁতৰ*
*পাখীৰ মাজতে পাওঁৰেই*
*মোৰ হেৰুৱা স্বপ্নৰ আঁত।*

(৩)

*আকাশৰ নীলাবোৰ কলীয়া*
*ডাৱৰে ঢাকি পেলালে মোৰ বৰ*
*বেয়া লাগে।*
*এনেহে লাগে যেন কোনোবাই*
*কাঢ়ি নিছে মোৰ প্ৰেয়সীৰ*
*চকুৰ নীলাখিনি।* ●

[কটন ডুমহলীয়া ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা
'প্ৰাচীৰৰ ৰেঙণী'ৰ পৰা]

## মই স্বপ্নাদ্ৰস্টা

**অনুপ কুমাৰ দাস**
প্ৰাঃ বিঃ ২য় বাৰ্ষিক (বিজ্ঞান)

*মোৰ শুভ্ৰ শেৱালিজোপাৰ তলেদি*
*'গৈ আছে—*
*কঙ্কালসাৰ দেহৰ এক বৰ্দ্ধিষ্ণু সমদল;*
*সিহঁতৰ বুভুক্ষ কণ্ঠত পৰাভূত সৈনিকৰ অতৃপ্ত বিননি।*
*কৃষ্ণচূড়াৰ লিহিৰি পাতৰ চঞ্চলতা আজি আৰু নাই!*
*ছন্দপতনেৰে ভৰা—মোৰ এই নব-প্ৰভাতৰ কল্লোচ্ছাস!!*

*নঠঙা শিমলুজোপাৰ বিশৃঙ্খলিত পংক্তিমালাত*
*অলেখ শগুণৰ বিকট চিঞঁৰ (আৱাৰ);*
*দৃষ্টিত দিক্‌ভ্ৰান্ত নাবিকৰ সীমাহীন উৎকণ্ঠা লৈ*
*মই চাই আছোঁ—*
*'সিহঁতৰ' স্বাপদ গতিঃ সভ্যতাৰ নামত চলা*
*'সিহঁতৰ' নিলৰ্জ্জ-নিঃশব্দ আহ-যাঃ!!*

*কেতিয়া উঠিব জাগি—*
*স্বপ্নাতুৰ নাৰ্চিচাচ্?*
*কেতিয়া নাচিব কণ্ঠত—*
*প্ৰমিউথিচৰ দাৰুণ হুঙ্কাৰ??*
*বীণ-জন-মানসত বাজিব কেতিয়া লহৰ, সত্যৰ—*
*চিনাইৰ বুকুত*
*'ঈগলু' এক মৰীচিকা???*

[কটন সাৰ্বজনীন ছাত্ৰাৱাসৰ প্ৰাচীৰ পত্ৰিকা 'সাৰ্বজনীন'ৰ পৰা]

# আহ্বান

**দিপালী নাথ**
প্ৰাক্-বিশ্ববিদ্যালয়, দ্বিতীয় বাৰ্ষিক (বিজ্ঞান)

*অপৰূপ সন্ধিয়াৰ*
*হেঙুল বুলীয়া*
*সীমাহীন, উদাৰ*
*আকাশ তলত*
*ঐতিহ্যমণ্ডিত এইয়া*
*মোৰ অনিন্দ্যসুন্দৰা*
*শ্যামলী আই ॥*

*জাগিছে নতুন সেনা*
*ৰণৰ সাজেৰে*
*মাতৃৰ চকুলো মচাৰ*
*প্ৰতিজ্ঞা লৈ*
*সংগ্ৰামক স্বাগত জনাই*
*নতুনক কৰি আৱাহন।*

*এয়া,*
*শাৰদী সন্ধ্যাৰ*
*আইৰ চৰণত,*
*তুলসীৰ তলত*
*জ্বলাইছোঁ মোৰ*
*প্ৰদীপ গচি।*

*সংগ্ৰামময় জীৱন*
*কি মাদকতাৰে ভৰা!*
*মোৰ চকুত এয়া*
*কিহৰ ধোঁৱা?*

*বীৰ প্ৰসবিনী*
*"অসমী"*
*আশীৰ্ব্বাদ দিয়া,*
*নিজৰ উচিত প্ৰাপ্যৰ বাবে*
*ৰণত অৱতীৰ্ণ আমি।*

*"সংগ্ৰাম"*
*চিৰঞ্জীৱি হোৱা।*
*নতুন তেজেৰে যুঁজি*
*সফলতাক আদৰি আনা॥*

*আৰু,*
*অনিৰুদ্ধ গতিৰে*
*অন্যায়, অত্যাচাৰ, শোষনৰ দুৱাৰ*
*চিৰদিনলৈ ৰুদ্ধ কৰি দিয়া॥*
*আগবাঢ়া, আগবাঢ়া, আগবাঢ়া।*

● ● ●

[কটন ১নং ছাত্ৰীনিবাসৰ প্ৰাচীৰ পত্ৰিকা 'আখৰা'ৰ পৰা]

## নাটক




১ ॥ চাইক্লৰামা
২-৭ ॥ উইঞ্চ
৮ ॥ পৰ্দা
৯-১০ ॥ চিৰি
১১-১২ ॥ প্ৰেক্ষাগৃহৰ দুৱাৰ (মঞ্চসংলগ্ন)
১৩ ॥ দীনেশৰ ঘৰ
১৪ ॥ আৰতিৰ ঘৰ
১৫ ॥ আড্ডাৰ ঠাই
১৬ ॥ চান্দাতোলাৰ গীতমাত
১৭ ॥ বন্যাত্ৰাণ শিবিৰ মুকলি
১৮ ॥ ক বা খ চাহৰ দোকান
১৯ ॥ মথাউৰিৰ কাষৰ অংশ।
নেপথ্যত কৃষ্ণচূড়া

চৰিত্ৰসমূহ—

দীনেশ, আৰতি, আৰতিৰ দেউতাক, মন্ত্ৰী, মন্ত্ৰীৰ চেক্ৰেটাৰী

আৰু

**অৰুণ, অৱনী, অমিয়।**

দৃশ্যসজ্জা কাল্পনিক, অভিনয় সময়—৫০ মিনিট

[ নীলাভ পোহৰত চাইক্লৰামাত প্ৰথমে এখন বন্ধ দুৱাৰৰ ফ্ৰেম স্পষ্ট হৈ উঠে। দৃশ্যসজ্জা নোহোৱাকৈ গোটেই মঞ্চক স্থান কালৰ সুবিধা অনুযায়ী কেইটামান কাল্পনিক ভাগত ভাগ কৰা হৈছে। যেনে, চাইক্লৰামাৰ কাষতে বাওঁপিনে দীনেশৰ শোৱনি কোঠা। ইয়াত শোৱনি কোঠাৰ পৰিবেশ সৃষ্টিৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ নূন্যতম হে ব্যৱহাৰ কৰিব। এখন সাধাৰণ বিছনা, এখন সাধাৰণ মেজ, এখন সাধাৰণ চকী আৰু মেজত প্ৰায় নুমুৱাই ৰখা অৱস্থাত এটা হাৰিকেন লেম্প। সোঁপিনে আৰতিৰ বাপেকৰ মৃতশয্যা— এখন খাট, সৰু মেজ এখনত কিছুমান দৰৱেৰে সৈতে এগৰাকী গোসানীৰ মূৰ্তি ইত্যাদি।

অৰুণ, অৱনী আৰু অমিয়ৰ আড্ডাৰ ঠাই দোকানৰ সন্মুখ বুজাবলৈ সাধাৰণভাৱে বহিবপৰাৰ কিবা ব্যৱস্থা, যেনে পৰা চিৰি, ভঙা টুল ইত্যাদি।

ৰিলিফ ৱৰ্কৰ মিছিল আৰু শোভাযাত্ৰাৰ বাবে আঁৰকাপোৰৰ উলম্ব কাল্পনিক ৰেখা ব্যৱহাৰ কৰিব। সোঁফালৰ পৰা বাওঁফাললৈ বা বাওঁফালৰ পৰা সোঁফাললৈ।

কেম্পৰ চাহদোকানৰ বাবে পৰ্দাৰ সন্মুখৰ সোঁ কোণটো ব্যৱহাৰ কৰিব। বেছি চকী-মেজৰ প্ৰয়োজন নাই। এখন বেঞ্চ আৰু এখন ডেস্ক হলেই কাম চলিব। পৰিবেশ সৃষ্টিৰ ওপৰত গুৰুত্ব দিব।

আঁৰ কাপোৰ উঠাৰ লগে লগে গোটেই মঞ্চত নীলাভ পোহৰ থাকিব। কেৱল শুই থকা দীনেশক অস্পষ্ট পোহৰত দেখা যাব। মাজে মাজে বাগৰ সলাব।

এক ভয়াবহ নিৰ্জনতাৰ মাজত মাজে মাজে বন্য পশু-পক্ষীৰ বিকৃত চিঞৰ—ফেচাঁ, শিয়াল, ফেউৰাৰ মাত। অশুভ চিন হিচাপে ৰাতি কাউৰীৰ কা কা……

এই পৰিবেশৰ মাজত দুৱাৰত ফ্ৰেম ক্ৰমে ডাঙৰ সৰু কৰাব পোহৰ-বিন্যাসৰদ্বাৰা। লাহে লাহে দুৱাৰ খোলা যাব। দুৱাৰত এজনী ছোৱালীৰ ছাঁয়ামূৰ্তি। ছাঁয়া লাহে লাহে ডাঙৰ হৈ আহি গোটেই চাইক্লৰামা সম্পূৰ্ণ কৰি ধৰিব।]

দীনেশ : [ বাগৰ সলাই ] কোন ?

[ ছাঁয়া আগৰ দৰেই ডাঙৰ-সৰু হব ]

দীনেশ : কোন, কোন সেয়া ?

[ উঠি বহি লেম্পৰ পোহৰ বঢ়াই দি ইফালে-সিফালে চাই, মেজত থকা পানী গিলাচ খাই আকৌ বাগৰ দিয়ে। অলপ পিছত আকৌ আগৰদৰে বন্যজন্তুৰ শব্দ আৰু ছাঁয়াৰ গতি আৰম্ভ হয়। ]

দীনেশ : [ ভয়ত জাপ মাৰি উঠি ] কোন ? কোন সেয়া ? [ লেম্পটো জ্বলাবৰ চেষ্টা কৰে। ]

ছাঁয়া : ওহোঁ, মোৰে শপত, লেম্পটো নজ্বলাবা।

দীনেশ : কিন্তু……

ছাঁয়া : কোনো কিন্তু নাই।

দীনেশ : কিন্তু এই ৰাতিখন, এই আন্ধাৰত……

ছাঁয়া : আন্ধাৰতেই তো ভাল……

দীনেশ : ভাল মানে……

ছাঁয়া : কিয়, চিনি পোৱাত টান হৈছে নেকি ?

দীনেশ : ধেৎ তোমাৰো যে আৰু কথা ! তোমাক আৰু মই পাহৰিব পাৰোনে ? × × আহা, আৰতি ভিতৰলৈ আহা……

ছাঁয়া : ভিতৰলৈ ? × × ঠিক আছে বাৰু ?

পিছে লেম্পটো ??

দীনেশ ঃ নুমাই দিছোঁ বাৰু! [নুমাই দিয়ে] [খন্তেকৰ আন্ধাৰত তুৱাৰৰ ছাঁও নাইকীয়া হয়; ছাঁয়া আহি মঞ্চ পায়হি।]

আৰতি ঃ ······আহিছোঁ দিয়া। চাবা কিন্তু কোনো প্ৰকাৰৰ দুষ্টামি নচলিব কিন্তু?···

দীনেশ ঃ দুষ্টামি ?? [অৰ্থপূৰ্ণ হাঁহি মাৰি] উইথ ডিউ পাৰ্মিচনো নচলিবনে ?

আৰতি ঃ ওহেঁ, নেভাৰ নেভাৰ।

দীনেশ ঃ ঠিক আছে বাৰু। আই প্ৰমিজ··· ···। বহানা, ঠিয় হৈ ৰলা যে······[হাতত ধৰি টানি আনি বিছনাত বহুৱাবৰ চেষ্টা কৰাৰ লগে লগে]

আৰতি ঃ এই, কি কৰা, কি কৰা ?

দীনেশ ঃ কিয়, ইয়াতে মোৰ কাষত বহুৱাওঁ।

আৰতি ঃ ওহোঁ, নালাগে। এনেই ভালে আছে। বিছনাত বহুৱাই লব পাৰিলে, তুমি আৰু শুদাই এৰিবানে ? [তুয়ো অৰ্থপূৰ্ণ হাঁহি মাৰে।] মোৰ এই চকীখনতেই হ'ব দিয়া। [টান মাৰি চকীখনত বহি পৰে, দীনেশৰ পৰা কিছু আঁতৰত।]

দীনেশ ঃ ঠিক আছে, তোমাৰ ইচ্ছা। × × বাৰু ইমানদিনে······ হাঁৰে, এই ঠাণ্ডাত তুমি এনেকৈ কপাহী কাগোৰযোৰেৰে কেনেকৈ আছাঁহে ? × × ৰ'বা, ৰ'বা, মোৰ এড়িয়া চাদৰখনকে দিছোঁ ৰবা।

আৰতি ঃ আস্‌সা, তুমি মিছাতেই ব্যতিব্যস্ত নহবা-ছোন, মই ঠিকেই আছোঁ।

দীনেশ ঃ কিন্তু এই ঠাণ্ডাত······ ?

আৰতি ঃ ঠাণ্ডা-গৰমে মোক আৰু এতিয়া একোৱেই কৰিব নোৱাৰে। তুমি মিছাতেই ব্যতিব্যস্ত নহবাছোন। মোৰ কাৰণে মিছাতেই তুমি পুহমহীয়া লেপৰ উম নষ্ট কৰিব নালাগেহোন······

দীনেশ ঃ তোমাৰো যে আৰু কথা! ঠিক আছে বাৰু, তুমি ইচ্ছা কৰা নাই যেতিয়া······। × × বাৰু, এতিয়া কোঁৱাছোন, হঠাতে তুমি ক'ত নোহোৱা হৈ গ'লা ? অন্ততঃ কিবা এটা খা-খবৰ······

আৰতি ঃ সেই কথা কম বুলিয়েইতো এই ৰাতি-খন মই তোমাক আমনি কৰিবলৈ আহিছোঁ।

[দূৰৈত ফেউৰাৰ চিঞৰ আৰু শিয়ালৰ কোলাহল। তাৰ পিছত খন্তেকৰ নিস্তব্ধতা।]

দীনেশ ঃ কিন্তু এই ৰাতিখন······!!

আৰতি ঃ ৰাতি আহি তোমাৰ টোপনি ক্ষতি কৰা বাবে বেয়া পাইছা নহয় ?

দীনেশ ঃ নাই, নাই, ঠিক সেইটো নহয়, মানে হেৰি মানে······

আৰতি ঃ কি কৰিবা দীনেশ, উপায় নাই। ৰাতি নাহিলে অন্য সময়ত অহাৰ সুৰুঙাই যে নাই।

দীনেশ ঃ ······কিন্তু আগেয়ে······

আৰতি ঃ আগৰ কথা বেলেগ আছিল, এতিয়াৰ কথা বেলেগ।

দীনেশ ঃ কিয়, বেলেগ কিয় ? × × আগেয়েতো তোমাৰ দেউতাৰায়েই বাধা দিছিল, এতিয়াতো আৰু তোমাৰ দেউতাৰাও নাই।

আৰতি : অকল দেউতাই নহয়, এতিয়াতো মোৰ কোনোই নাই। আত্মীয় স্বজন-বন্ধু-বান্ধৱহীন মই, মই এক নিঃসংগ বিহংগ।

দীনেশ : কিন্তু মই ? কোনো নাথাকিলেও মইতো আছোঁ আৰতি। × × মোক, মোক তুমি পাহৰিলা কেনেকৈ আৰতি ?······মই, মইতো তোমাক ভাল পাওঁ······।

আৰতি : সোহ্ ভালপোৱা! ভালেই যদি পাইছিলা তেনেহলে······

[আৰতিৰ কান্দোনত দীনেশৰ মুখৰ মাত কিছুপৰৰ বাবে বন্ধ হৈ যায়]

দীনেশ : বিশ্বাস কৰা আৰতি, আজি এবছৰে তোমাৰ কাৰণে······

আৰতি : [অবিশ্বাসৰ হাঁহি মাৰি] মোৰ কাৰণে··· হাঃ হাঃ হাঃ······ মোৰ কাৰণে······ কোৱাঁ, কোৱাঁ আৰু কোৱাঁ······। মোৰ কাৰণে এই এটা বছৰে কি কি কৰিলা কোৱাঁ, কৈ যোৱা, ৰ'লা কিয় ?

দীনেশ : বিশ্বাস কৰা আৰতি······

আৰতি : বিশ্বাস ? তোমাক বিশ্বাস নকৰিলে মই আৰু কাকেই বা বিশ্বাস কৰিম ? আৰু বিশ্বাস কৰোঁ বাবেইতো এই ৰাতিখন তোমাক এইদৰে আমনি দিব আহিছোঁ দীনেশ।

দীনেশ : নাই, নাই আমনিৰ কি আছে ? তুমি অহাই মই, মই যে কিমান ভাল পাইছোঁ······তুমি, তুমি হয়তো বিশ্বাসেই কৰিব নোৱাৰিবা। × × তুমি নোহোৱা হোৱাৰ দিন ধৰি মই যে······ মই যে ক'ত কেনেদৰে হাবাথূৰি খাই ফুৰিছোঁ··· তাক, তাক তোমাক মই বুজাই কব নোৱাৰিম আৰতি······। ······কিন্তু মোৰ শপত আৰতি, এইবাৰৰ পৰা আৰু তেনে নকৰোঁ বুলি শপত খোৱা আৰতি······

আৰতি : শপত! শপত খাব পাৰিলেতো ভালেই পালোহেঁতেন। পিছে ৰক্ষা কৰিব নোৱাৰা শপত খোৱাৰ পৰা কাৰোতো একো লাভ নাই······। বাৰু, বাদ দিয়া সেইবোৰ, তোমাৰ খবৰ কোৱাঁ।

দীনেশ : খবৰ ? খবৰ মানে খবৰ আৰু কি ? ······তোমাৰ অবিহনে এই এটা বছৰে······

আৰতি : বাচ্ বাচ্ বাচ্। তাৰ উমান মই নোপোৱা নহয় দীনেশ। পিছে মই তোমাৰ বৰ্তমানৰ খবৰহে সুধিছোঁ।

দীনেশ : [চিন্তা কৰি] বৰ্তমানৰ খবৰ ?? অ' তুমি নিশ্চয় মোৰ বিয়াৰ কথালৈ আঙু-লিয়াইছা······

আৰতি : ভয় নকৰিবা, মই তোমাৰ বিয়া ভাঙি-বলৈ অহা নাই। ······বৰং তোমাৰ বিয়াৰ বাবে অন্তৰ ভৰা শুভেচ্ছাহে জনাবলৈ আহিছোঁ। × × ছোৱালী চোৱা হ'ল ? ······অ' কাইলৈ চাব যোৱাৰহে কথা······। জানা এটা সময় আছিল যিটো সময়ত মই তোমাৰ বাহিৰে আন কাৰো কথাই ভাবিব পৰা নাছিলোঁ······আৰু তুমিও চাগে মোৰ বাহিৰে······। বাৰু যাওক সেইবোৰ

কথা··· ··। কি হ'ল তুমিছোন একেবাৰে নিমাত হৈ গ'লা। বেয়া পালা নিশ্চয়·····। ঠিক আছে নকও দিয়া! পুৰণি কথা কৈ মনত দুখ দিয়াৰ······

দীনেশ : বিশ্বাস কৰা আৰতি, তুমি নিসঙ্গ হোৱাৰ পৰা মোৰ যে, মোৰ যে কি অৱস্থা গৈছে······। কিহৰ পৰা যে কি হৈ গ'ল মই একো ধৰিবই নোৱাৰিলো। ······এনেদৰে হঠাৎ নোহোৱা হৈ যোৱাত ······কথাতো বাদেই দিয়া বৰং তোমাৰ দেউতাৰাৰো······

আৰতি : [ হুমুনিয়াহ কাঢ়ি ] দেউতা! দেউতাই চাগে······

দীনেশ : নাই নাই দেউতাৰাই তোমাক, তোমাক এই আহিব, এই আহিব বুলি ভাবি ভাবিয়েই······ [ চকুলো মচি বুজাই দিয়ে, আৰতিৰ দেউতাকৰ মৃত্যুৰ কথা] তুমিটো সেইবোৰৰ একোই নাজানা···

আৰতি : ওহোঁ, কেনেকৈ জানিম? দেউতাক শেষবাৰৰ বাবে এবাৰ দেখা পোৱাৰ···

দীনেশ : শেষলৈ কিন্তু দেউতাৰাৰ মত অদ্ভুত ধৰণে পৰিবৰ্ত্তিত হৈছিল ······তুমি দেখিলে কিজানি আনন্দতে চকুপানী ৰাখিবই নোৱাৰিলাহেঁতেন······

[লাহে লাহে এই অংশ আন্ধাৰ হৈ আহে। আৰতিৰ বাপেকৰ মৃত্যুশয্যাৰ অংশ স্পষ্ট হৈ উঠে। বুঢ়া বাপেকে কেঁকাই থাকে।]

বাপেক : [কেঁকাই গেঁথাই] উস্ আৰতি, আই ঔ আৰতি, বৰ পিয়াহ লাগিছে, পানী পানী এটোপাকে দে অ'······ [খন্তেক বাট চাই] নাই কোনো নাই······ নিজেই লৈ যাব লাগিব······ [উঠিবৰ চেষ্টা কৰি মূৰ ঘূৰাই পৰি যায়। কেঁকনি-গেঁথনি বেছি হয় ] ······উস্ ৰাম······ ডাক্তৰৰ ঘৰে ঘৰে দৌৰি ঢাপৰি আৰু লাভ নাই বাছা······ মোৰ······ মোৰ······ শেষ সময়······ [কাহে] ······কোন? অ' আই আৰতি আহিলি? ······ডাক্তৰ পালি নে?··· [ দীনেশক দেখি অতি কষ্টে চিনিবৰ চেষ্টা কৰি ] ······অ' আৰতি নহয়। তুমি·· ··· তুমি······?

দীনেশ : মই······ মই······ দীনেশ, খুৰাদেউ। × × আৰতি ক'ত, আৰতি? আপোনাক এনেদৰে পেলাই থৈ······

বাপেক : ······তাই······তাই······সৌ অথনিয়েই গ'ল, ডাক্তৰ আনিবলৈ······অথচ, অথচ এতিয়ালৈকে আহি নেপালেহি। ×× ক'ৰবাত কিবা······

দীনেশ : নাই খুৰাদেউ, আপুনি চিন্তা নকৰিব। তাই ঠিকেই আহি পাবহি······। চাওঁ, চাওঁ আপুনি শোৱকছোন······ শুবৰ চেষ্টা কৰক। আপুনি একেবাৰে অৱশ হৈ পৰিছে; অলপ বিশ্ৰাম লওকছোন।

বাপেক : বিশ্ৰাম? বিশ্ৰামেইতো লব ওলাইছোঁ বোপাদীনেশ। চিৰ বিশ্ৰাম, অনন্ত বিশ্ৰাম······; কিন্তু আৰতি, তাই, তাইৰ কি হ'ব? তাইক কোনে চাব?

সকুতেই মাউৰা বেচেৰী তাই যে মই গলে এই সংসাৰত……

দীনেশ ঃ আপুনি মিছাতেই এই আজে-বাজে চিন্তাবোৰ কৰি নিজকে কষ্ট দিছে খুৰাদেউ। ভগবানে সংসাৰলৈ পঠিয়াইছে যেতিয়া নিশ্চয় কিবা এটা উপায়ো তাইৰ কাৰণে ঠিক কৰি ৰাখিছে।

বাপেক ঃ এৰা বোপা দীনেশ! ভগবান, ভগবান কৰিয়েইতো গোটেই জীৱনটো ইমান কষ্ট পালো। এতিয়া আৰু তাইকো মই ওৰে জীৱন ভগৱানৰ চৰণত সঁপি দিব নোৱাৰো দীনেশ!

দীনেশ ঃ খুৰাদেউ!

বাপেক ঃ অঁ দীনেশ অঁ। ভগবানৰ ওচৰত সকলো আস্থা মই হেৰুৱাই পেলাইছো। ভগবানৰ হাতত আৰু তাইক সঁপি দিয়াৰ ইচ্ছা মোৰ নাই দীনেশ!

দীনেশ ঃ সেইবোৰ সব ঠিক হৈ যাব খুৰাদেউ। আপুনি অলপ নিশ্চিন্তে টোপনি যাওকচোন।

বাপেক ঃ যাম দীনেশ! একেবাৰে নিশ্চিন্ত হৈ টোপনি যাম। তোমালোক কাকো আৰু অকণো আমনি নিদিওঁ, কিন্তু এটা কথাৰ প্ৰতিশ্ৰুতি তুমি মোক দিয়া দীনেশ!

দীনেশ ঃ কওক খুৰাদেউ!

বাপেক ঃ ……মোৰ অবিহনে……মোৰ অবিহনে ……আৰতিৰ সকলো দায়িত্ব তোমাৰ দীনেশ! [ দীনেশ হতভম্ব হয়। ]

দীনেশ ঃ কিন্তু খুৰাদেউ…… মই নিজেই মোৰ সংস্থান কৰিব পৰা নাই তেনেস্থলত, ……মোৰ আছে কি খুৰাদেউ? আৰতিৰ সকলো দায়িত্ব লব পৰাকৈ মোৰ যোগ্যতাই বা ক'ত খুৰাদেউ?

বাপেক ঃ ইয়াত যোগ্যতাৰ প্ৰশ্ন উঠা নাই নহয় দীনেশ! উঠিছে আস্থা আৰু বিশ্বাসৰ কথা।…… মই ভাবিছিলো তোমালোক দুয়ো দুয়োকে ভালপোৱা যেতিয়া……।

দীনেশ ঃ এই অৱস্থাত আপোনাক মিছাকৈ লাভ নাই খুৰাদেউ! ভালপোৱা কথাটো খুবেই সঁচা; কিন্তু সেইবুলিয়েই……। তদুপৰি, ভাবি চাবলৈ গ'লে মই কোনোপধ্যেই আৰতিৰ যোগ্য নহয়; তেনেস্থলত আৰতিৰ সকলো দায়িত্ব লোৱাটো মোৰ পক্ষে কেনেকৈ সম্ভৱ হ'ব খুৰাদেউ?

বাপেক ঃ উস্ ৰাম……[ কেঁকাই-গেঁথাই ] আৰু যে সময় একেবাৰেই নাই দীনেশ…… ……আৰতি……আই আৰতি। তুমি তুমি মোক কথা দিয়া দীনেশ…… ·

দীনেশ ঃ খুৰাদেউ!

বাপেক ঃ আই আৰতি……তই……তই এতিয়াও আহি নাপালি। ……তোক তোক আৰু কিজানি মই কেতিয়াও…… দেখা……( মৃত্যু )

দীনেশ ঃ খুৰাদেউ! খুৰাদেউ !! খুৰাদেউ !!!
[ অলপপৰ চাই-চিন্তি মৃত বুলি নিশ্চিত হোৱাৰ পিছত কম্বলখনেৰে মৃতকক ঢাকি দিয়াৰ লগে লগে এই অংশৰ

পোহৰ লাহে লাহে কমি আহে। লগে লগে আত্মাৰ মুক্তি সম্পৰ্কীয় দেহবিচাৰ বা লোকগীতৰ সুৰ, কোনো বাদ্যযন্ত্ৰ নোহোৱাকৈ। সঙ্গীতৰ এই সময়চোৱাত দীনেশে আহি আকৌ আগৰ অৱস্থান লবহি। লাহে লাহে দীনেশৰ কোঠা আকৌ আলোকিত হ'ব। ]

দীনেশ : ······খুৰাদেৱে মোৰ কথা নুশুনাকৈয়ে মোৰ ওপৰত এক গুৰুভাৰ দি গ'ল। ······তোমাৰ বাবে বৈ বৈ পিছদিনা শৱ দাহ কৰা হ'ল। মুখাগ্নি কৰিলো মই।

আৰতি : তাৰপিছত?

দীনেশ : তাৰ পিছত তোমাক খুউব বিচাৰিলো। পুলিচতো খবৰ দিলো। কিন্তু কতো একো শুংসূত্ৰ উলিয়াব নোৱাৰিলো। ৰুগীয়া দেউতাৰাক এনেদৰে পেলাই থৈ হঠাৎ তুমি যে ক'লৈ গ'লাগৈ······। কি হ'ল কান্দিবৰ আকৌ কি হ'ল? × চাওঁ উঠা, অলপ বাহিৰলৈ যাওঁ ব'লা।

আৰতি : ওঁহো মোক নুচুবা।

দীনেশ ° ঠিক আছে নোচোওঁ বাৰু; কিন্তু তুমি কান্দোনতো বন্ধ কৰা। ······কি হ'ল, এইদৰে কান্দি কান্দিয়েই ৰাতিটো কটাই দিবা নেকি?

আৰতি : [জোৰ কৰি কান্দোন বন্ধ কৰিবৰ চেষ্টা কৰি] মই নোহোৱা হোৱাৰ পিছত মোক খুউব বিচাৰিছিলা?

দীনেশ : এৰা! দিন ৰাতিৰ পাৰ্থক্য নোহোৱাকৈ য'তে পাইছো ত'তেই বিচাৰি ফুৰিছো, কিন্তু কি হ'ব? তুমিতো ক'তো একো শুংসূত্ৰেই ৰাখি থৈ যোৱা নাই।

আৰতি : [খঙেৰে] কিয়, কিয় মোক এইদৰে পাগলৰ দৰে বিচাৰি ফুৰিছিলা?

দীনেশ : তাৰ উত্তৰ তুমি নজনা নহয় আৰতি! ······কাৰণ, কাৰণ মই তোমাক ভাল পাওঁ।

আৰতি : ভালপোৱা ভালেই যদি পোৱা,— মোক, মোক তুমি বিচাৰি উলিয়াব নোৱাৰিলা কিয় দীনেশ।

দীনেশ : সেয়া মোৰ অক্ষমতা আৰতি। × ×বাৰু এটা কথা কোৱাচোন আৰতি! ইমান দিনে তুমি ক'ত আছিলা?

আৰতি : ক'ত আছিলো এই কথা কোৱাৰ আগতে তোমাক মই এটা কথাই স্পষ্ট ভাৱে কৈ থব খোজো দীনেশ। —এই এবছৰে তোমাৰ পৰা আঁতৰি থাকি মই খুউব ভুল কৰিছো; কাৰণ তুমি নিজকে অক্ষম বুলি ভাবিলেও, এই পৃথিবীত মোক উদ্ধাৰ কৰিব পৰা মানুহ একমাত্ৰ তুমিয়েই দীনেশ।

দীনেশ : আৰতি !! × ×আচল কথাটো কোৱা আৰতি। তোমাৰ কাৰণে যি কোনো ত্যাগ কৰিবলৈ ৰাজী আছোঁ আৰতি। ইমান দিনৰ মূৰত তোমাক পাইছো যেতিয়া যি কোনো প্ৰকাৰেই তোমাক সহায় কৰিবলৈ মই ৰাজী আছো আৰতি!

আৰতি : ময়ো তোমাৰ পৰা এই আশাকেই

করিছিলো দীনেশ। পিছে মোক সহায় কৰাৰ আগতে তোমাক এটা কাহিনী কওঁ শুনা। এই কাহিনীত নায়ক নাই, খলনায়ক আছে; তাকো এজন দুজন নহয়, একেবাৰে তিনিজন।

দীনেশ : ······কি নাম সিহঁতৰ?

আৰতি : অৰুণ, অৱনী আৰু অমিয়।

দীনেশ : অৰুণ, অৱনী আৰু অমিয়!

[লগে লগে মঞ্চৰ একেবাৰে কাষতে থকা প্ৰেক্ষাগৃহৰ এখন দুৱাৰেদি এটা এটাকৈ গালা গালি কৰি তিনি 'মহা-পুৰুষ' অৰুণ, অৱনী, অমিয় সোমাই আহিছে। কৈ কৈ আহি আড্ডা মৰা ঠাই ডোখৰত বহি আলোচনা কৰিব। তিনিও এইমাত্ৰ কাৰোবাৰ সৈতে ভীষণ কাজিয়া কৰি আহিছে।]

অৰুণ : আবে, যা যা শালা, খেকাৰ খোৱাৰ জাত! পুলিচৰ ভয় দেখুৱাব আহিছ? বাপেৰে পুলিচক এইডালো ভয় নকৰে যা······। বাপেৰৰ নাম অৰুণ শইকীয়া হয় বুলি কবি, যা বে।

অৱনী : ৰ বে ৰ'— পুলিচত যেতিয়া নালিশ নালিশ কৰিবিয়েই, এইটো বাপেৰৰ নামো কবি যা। কবি বোলে; অৱনী দত্তই এক ঘোচা মাৰি মুখৰ আৰ্কি-টেক্‌চাৰ বদলাই দিছে।

অমিয় : আৰু শুন। এইটো বাপেৰৰ নাম কব নাপাহৰিবি আকৌ! কবি অমিয় দাসে চুৰী দেখুৱাই টেবুলত ঘোচা মাৰি চান্দা আদায় কৰি নিছে।

অৰুণ : শালা চান্দা দিবি আৰু নিদিবি। তহঁতেইতো সমাজৰ বৰমুৰীয়া, তহঁতৰ কাৰণেইতো আমি এইদৰে বেকাৰ হৈ থাকিবলগীয়া হৈছে।

অৱনী : দাদাগিৰি কৰি নিজৰ পকেট খৰচ উলিয়াব লগীয়া হৈছে।

অমিয় : [জেলৰ পৰা চিগাৰেটৰ পেকেট উলিয়াই] মাত্ৰ এটাহে আছে। আবে যাচোন যা শম্ভুপ্ৰসাদৰ তাৰ পৰা একপেকেট লৈ আহ।

অৰুণ : ৰ মই এইমাত্ৰ আনিছোঁ।

[অৰুণৰ প্ৰস্থান। অমিয়ই চিগাৰেট জ্বলাই মঞ্চৰ পিনে আগবাঢ়ে। লগত অৱনী। জ্বলোৱা হোৱাৰ পিছত নিজে দুই এক টান মাৰি অৱনীক দিয়ে।]

অমিয় : হঁ বে! টান যদি টান।

[অৱনীয়ে লৈ চিগাৰেট টানে। অলপ পৰ ইজনে টানি সিজনক, সিজনে টানি ইজনক, দিয়ে।]

অমিয় : মই এটা কথা চিন্তা কৰিছো বে।

অৱনী : কি কথা?

অমিয় : এনেকৈ আৰু কিমান কাজিয়া কৰি চান্দা তুলি ফুৰিবি বে? ××বাৰু আজিৰ কালেকচন্ কিমান হ'ল নো?

অৱনী : এই কিমান হব আৰু? হান্ড্ৰেড ক্ৰচ কৰিছে যেন পাওঁ।

অমিয় : চাওঁ, উলিয়াচোন উলিয়া······ মোৰ হিচাপততো ৱান ফিফ্‌টি ক্ৰচ কৰিব লাগে বে। [অৱনীয়ে ইটো সিটো কৰি প্ৰত্যেকটো পকেটৰ পৰা নোট উলিয়াই

এক গোট করে।] সুৰযমলৰ পৰা একারন, প্ৰাণকৃষ্ণ সাহাৰ পৰা একৈশ, এই হলগৈ ছেভেন্টি টু, ৰামকৃষ্ণ চাইকেল মৰ্টৰ পৰা পোন্ধৰ, ……এইটি চেভেন ……ধনঞ্জয় মহাপাত্ৰৰ পৰা একৈশ…… এই হলগৈ এশ আঠ……

অরনী ঃ আবে হিচাপ কৰি লাভ নাই, জাষ্ট রান ফৰ্টি এইট।

অমিয় ঃ তেনেহলে গাইপতি প্ৰায় পঞ্চাশ টকা।

অরনী ঃ আবে চাহ, চাধা, তামোল, চিগাৰেটৰ বাবে সাত টকা বাদ দিলে গাইপতি কিন্তু পুৰা সাতচল্লিশ টকাকৈ পৰে। একো বেয়া নহয় দে বে……।

[ইতিমধ্যে চিগাৰেট আৰু তামোলনৈ অৰুণৰ প্ৰৱেশ]

অৰুণ ঃ আবে ল'। দিনে সাতচল্লিশ টকাকৈ হ'লে মাহত প্ৰায় তেৰশ টকা…… আবে প্ৰফেচাৰৰ দৰ্মহাতকৈও বেছি বে।

অমিয় ঃ ……পিছে দিনে দিনে এনে দাত মাৰিব পাৰিলেহে!

অৰুণ + অরনী ঃ সেইটোতো হয়েই।

অমিয় ঃ আৰু এটা কথা। [তিনিও তিনিওডাল চিগাৰেট জ্বলাই, আৰামেৰে ধোঁৱা এৰি দি অলস চিন্তাত গা এৰি দিয়ে।] মই এটা কথা ভাবিছোঁ বে।

অৰুণ ঃ কি কথা?

অমিয় ঃ এই ধৰ, হেৰি নহয়, আমাৰ এই এৰিয়াত চান্দা দিব লগা মানুহ সেই একে কেইটাই আছে।

অরনী ঃ চ' হোৱাট?

অমিয় ঃ আস্‌সা মাজতে কেং কেং খন কৰিবি-ছোন। আগতে শুনি ল।

অরনী ঃ ঠিক আছে ক।

অমিয় ঃ দিফাৰেণ্ট অ'কেজন উলিয়াই উলিয়াই চান্দা তোলা আমাৰ এই টেকনিকটো একেবাৰে পুৰণা হৈ গৈছে বুজিছ।

অৰুণ + অরনী ঃ সেইটোতো আমিও জানোঁ। ……কিবা নতুন টেকনিকৰ কথা চিন্তা কৰিছ যদি ক।

অমিয় ঃ আবে তাকেইটো কব ওঁলাইছোঁ বে। শুন……। মই যিটো টেকনিকৰ কথা কব ওলাইছোঁ সেইটো হলগৈ চেলফ্‌লেচ চে-ল-ফ্‌ চা-ৰ্ভিচ-চ ····

অৰুণ + অরনী ঃ চেলফ্‌লেচ চেলফ্‌ চাৰ্ভিচ ??

অমিয় ঃ অঁতো! সেইটো হ'লগৈ আজিকালিৰ ম'ষ্ট মডাৰ্ণ চেলফ চাৰ্ভিছৰ টেকনিক।

অৰুণ ঃ হাৰে, ইমানদিনে কোৱা নাছিলি কিয় বে?

অরনী ঃ ই শালা বড়া ধতুৰা অ'। ইমান ডাঙৰ থিয়ৰি এটা খাৰ খোৱা মগজুত ভৰাই থৈ চাছোন চা, ই আমাক কিমান বিপদত পেলাইছে।

অমিয় ঃ ৰছোন ৰ। মোৰ প্ৰশংসা কৰি মোক পিছতো অসমৰত্ন উপাধি দিবি। আগে মোৰ প্লেন-প্ৰগেমটো শুনি লছোন।

অৰুণ + অরনী ঃ ক……।

অমিয় ঃ টেকনিকটো কিন্তু মোৰ নিজৰ নহয় দেই।

অৰুণ ঃ সেইটোৰো আগেয়ে বুজা গৈছে!

অরনী ঃ নকল কৰি ডিষ্টিংচন লোৱা গ্ৰেজুৱেটৰ মগজুৰ পৰা আৰু ক'ত অৰিজিনেল থিয়ৰি ওলাব।

অমিয় : থ থ লেকচাৰ থ। আচল কথাটো শুন। এই টেকনিকটো আজিকালি তথাকথিত দেশ সেৱক, দেশনেতা, ছাত্ৰনেতা আদি সকলোবোৰেই বিনাদ্বিধাই বৰং সগৌৰৱে সম্পন্ন কৰে।

অৰুণ : অ' একেবাৰে টপলেভেলৰ পৰা নকল।

অৰনী : আৰে, বুজিছ, এইবাৰ ই নকল কৰি ষ্টেণ্ড কৰাৰ মতলব পাঙিছে বে।

অমিয় : বেবেৰি বাংবোৰ বাদ দেছোন। আপত্তি আছে যদি ক……

অৰুণ + অৰনী : নাই নাই আপত্তি কিহৰ ?

অৰুণ : টপ লেভেলতেই চলে যেতিয়া আমাৰতো একেবাৰেই বেচ লেভেল। তেনেস্থলত আপত্তিৰ প্ৰশ্ন ক'ত ?

অমিয় : নিশ্চয় নাই। কেৱল এটা কথা মনত ৰাখিব লাগিব। এই টেকনিকৰ চাক্সেচ-ফুল অপাৰেচনৰ কাৰণে ইউনিটিৰ প্ৰয়োজন বুজিছ, ইউনিটিৰ প্ৰয়োজন। ইউনিটিয়েই হৈছে ফাষ্ট এণ্ড্ ফৰম'ষ্ট কথা বুজিছ ?

অৰনী : হৈছে, হৈছে, মন্ত্ৰীমহোদয়ৰ দৰে লেকচাৰ মাৰিব নালাগে। আচল কথা ক'। কেনেকৈ কি কৰিবি তাৰে ধান্দা কৰ।

অমিয় : চা উঠি অহা ডেকা হিচাপে দেশৰ ৰাইজৰ প্ৰতি আমাৰ এটা কৰ্তব্য আছে।

অৰুণ + অৰনী : নিশ্চয় আছে !!

অমিয় : আকৌ চা। আমাৰ দেশৰ অজস্ৰ সমস্যাৰ ভিতৰত আটাইতকৈ মাৰাত্মক আৰু ডেঞ্জাৰাচটো হৈছে ফ্লাড মানে বানপানী। এই বানপানীত প্ৰতি বছৰে কিমান লোক গৃহহীন হৈছে ; আমাৰ দেশৰ ভাই-ভনী সকলৰ বাবে ইচ্ছা কৰিলে আমি ক'ত কি কৰিব নোৱাৰোঁ, কছোন।

অৰুণ : পাৰোঁতো। পিছে তাত চেলফ্-চাৰ্ভিচৰ সুবিধা ক'ত ?

অৰনী : আছে তাতো আছে। তই বুজি পোৱা নাই।

অমিয় : চা। ফ্লাড ৰিলিভৰ নামত যদি আমি ডেকা লৰা কেইটামান ওলাওঁ কোনোবাই কিবা নিদিয়াকৈ থাকিব পাৰিবনে ? নিশ্চয় নোৱাৰে। ফ্লাড ৰিলিফৰ চান্দা মানে টকা-পইচাৰ উপৰিও খোৱা-বস্তু, পিন্ধা কাপোৰকে আদি কৰি দৰব জাতিকে ধৰি বেবীফুডলৈকে আমি সকলো বস্তুৱে বৰঙণি গ্ৰহণ কৰিম।

অৰনী : তাৰ পিছত হঠাতে এদিন ওচৰৰ গাওঁ এখনলৈ গৈ ৰিলিফৰ নামত তাৰে এটা অংশ ভগাই দি……

অৰুণ : ……বাকীখিনি গেলামালৰ দোকানত আৰু দৰবৰ দোকানত দি……

অৰনী : ……আমি সসন্মানে মানে উইথ অনাৰ চেলফ্-চাৰ্ভিছ কৰি থাকিব পাৰোঁ।

অৰুণ : ……আকৌ যিহেতু অসমত বছৰি বানপানীত মানুহক ৰিলিফৰ প্ৰয়োজন হয়, গতিকে ই দেখোন আমাৰ বাবে এনুৰেল ফিচাৰেই হৈ পৰিব।

অমিয় : বচ্ সেইটোৱেই কথা। গতিকে অহা সপ্তাহৰ পৰা লাগিয়েই যোৱা যাওক, নে কি কৰ ?

অৱনী ঃ শুভস্য শীঘ্ৰম্। তেনেহলে কালেকচন ড্ৰাইভৰ কাৰণে চান্দাৰ বহী আৰু পিলিঙা কেইটামান যোগাৰ কৰোঁ।

অৰুণ ঃ ইমিডিয়েট্!

[লগে লগে এই অংশ আন্ধাৰ হৈ আহে। বানপানী ৰিলিফৰ কাৰণে নেপথ্যত এটি গীত বাজি উঠে। গীতৰ মুলকথা, অসমৰ বানপানীত ৰাইজৰ দুৰৱস্থা তাৰ বাবে সহায় লাগে। গীত আগবঢ়াৰ লগে লগে, তিনিও তিনিখন প্লেকাৰ্ড আৰু বন্ধ টেমা জোকাৰি সাহাৰ্যৰ বাবে হাত আগবঢ়াব। গীতৰ শেষত তিনিওকে আকৌ আগৰ ঠাইত দেখা যাব। অৱস্থান সালসলনি কৰি বহিব।]

অৰুণ ঃ চাউলে-ডাইলে, কাপোৰে-কানিয়ে ইমান বোৰ বস্তু গোট খাব বুলি ভাবিবই পৰা নাছিলোঁ ভাই।

অৱনী ঃ ইয়াকেই কয় প্লেন, প্ৰগ্ৰেম আৰু দূৰদৰ্শিতা।

অমিয় ঃ চাছোন চা, আমাৰ মানুহে মিছাতেই নাই নাই কৰি থাকে। জান, আচল কথা হ'ল কায়দা-কিটিপ জানিব লাগে। ......আচ্ছা, এটা কথা নহয়। তহঁতে যেনেদৰে দল গোট খুৱাই দান সংগ্ৰহ কৰিছ ৰাইজৰ মাজত আমাৰ দলটোৰ বেছ এটা ইমেজ তৈয়াৰ হৈছে দেই।

অৱনী ঃ পিছে এই ইমেজ নষ্ট হোৱাৰ আগতেই আমি ৰাইজক দেখুৱাই অলপ ৰিলিফ ৱৰ্ক কৰা ভাল হ'ব বুইছ!

অমিয় ঃ মৱোতো তাকেই কব ওলাইছোঁ।

অৰুণ ঃ পিছে আমাৰ চেলফ্-চাৰ্ভিছৰ দক্ষিণাকণ?

অমিয় ঃ সেয়া, তাকো আৰু কোৱা কথা নে? শুন, শুন......। ধেৎ, এইবোৰ আৰু কিবা চিঞৰি চিঞৰি কোৱা কথানে? চাওঁ ওচৰলৈ আহ; শুন, শুন, তয়ো শুন। [তিনিও ফুচফুচাই মেল পাতিব ধৰোঁতেই স্থবিৰ হৈ পৰে। এই অংশত লাহে লাহে আন্ধাৰ নামি আহে। উদ্বোধনী অনুষ্ঠানৰ সমবেত সংগীত। পৰ্দাৰ পিনে ঠিক সোঁমাজতে মন্ত্ৰী মহোদয়ে বন্যাত্ৰাণ শিবিৰ মুকলি কৰোঁতে দিয়া উদ্বোধনী অনুষ্ঠানৰ অংশবিশেষ দেখা যায়। মন্ত্ৰী মহোদয়ক ঘেৰি আছে অৰুণ, অৱনী আৰু অমিয়ৰ লগতে আৰু দুই-চাৰিজনে; লগতে এজন মন্ত্ৰীৰ চেক্ৰেটেৰী। সকলোৱে গদ্ গদ্ ভক্তিৰে মন্ত্ৰী মহোদয়ৰ শ্ৰীমুখনিসৃত উদ্বোধনী বাণী শ্ৰৱণ কৰিছে। এজনৰ হাতত এখন প্লেকাৰ্ডত উদ্বোধনী অনুষ্ঠানৰ চমু পৰিচয়, —বন্যাত্ৰাণ শিবিৰ উদ্বোধনী অনুষ্ঠান, শিমলুপুৰ। উদ্বোধক, সংস্কৃতি দপ্তৰৰ ৰাজ্য মন্ত্ৰী শ্ৰীদীপঙ্কৰ চহৰীয়া।]

মন্ত্ৰী ঃ ......এই গাৱঁৰ ৰাইজৰ দুখ দুৰ্গতি দেখি আজি মোৰ অন্তৰ কান্দি উঠিছে। তথাপি ৰাইজৰ এই দুৰ্দশাৰ দিনত মই যে আহি আপোনালোকৰ এই বন্যাত্ৰাণ শিবিৰ মুকলি কৰিব পাৰিছোঁ তাৰ বাবে মই নথৈ আনন্দিত হৈছোঁ, নিজকে নিজে ধন্য বোধ কৰিছোঁ। [হাততালি]

……মহাবাহু ব্ৰহ্মপুত্ৰ অসমীয়া জাতিৰ জীৱন-যৌৱন আৰু কৃষ্টি-সংস্কৃতিৰ প্ৰাণ-স্বৰূপ, জীৱনীশক্তি স্বৰূপ। ই আমাৰ অতিকে আপোন, অতি মৰমৰ। মৰমৰ লোকে মৰমৰ মানুহৰ ওপৰত খং-ৰাগ আৰু অভিমান কৰাৰ নিচিনাকৈ আমাৰ অতিকে আপোন বুকুৰ কুটুম মহাবাহু ব্ৰহ্মপুত্ৰইও প্ৰতি বছৰে অসমৰ ৰাইজৰ ওপৰত ৰাগ-মান আৰু মান-অভিমানৰপাশা পাতে। এই পাশা এক বিৰাট ট্ৰেজেডীৰ পাশা। আপোনজনৰ, স্বজন জনৰ ৰাগ-অভিমান সহ্য কৰাৰ নিচিনাকৈ মহাবাহু ব্ৰহ্মপুত্ৰৰো ৰাগ-অভিমান আমি সহ্য কৰিব লাগিব, অন্যথাই কোনো গত্যন্তৰ নাই। [হাততালি] গতিকে হে মোৰ অতি মৰমৰ, অতি আপোন দেশবাসী ৰাইজ! আপোনালোক বিতত নহব, বিচলিত নহব। ধৈৰ্য ধৰক, দুঃখ-যন্ত্ৰণাৰ এই সংসাৰত ধৈৰ্যতকৈ ডাঙৰ মেডিচিন আৰু একো নাই। [হাততালি] আজি এই সামূহিক দুখৰ দিনতো মই এই ভাবিয়েই আনন্দ লাভ কৰিবলৈ সমৰ্থ হৈছোঁ যে ৰাইজৰ এই দুঃখ-দুৰ্দশাৰ দিনত চৰকাৰ লগতে আজিৰ ডেকা শক্তিও এনেবোৰ জনহিতকৰ কামৰ বাবে আগবাঢ়ি আহিছে……… [অৰুণ, অৱনী, অমিয়ই মূৰ দোঁৱাই ৰাইজক সেৱা কৰি ওলাই যায়। মন্ত্ৰী মহোদয়ে নতুন উদ্যমেৰে আৰম্ভ কৰে।] আজি আমি আমাৰ এই ডেকাশক্তিক বাদ দি কোনো কথাই কল্পনা কৰিব নোৱাৰোঁ, কোনো পৰিকল্পনাতেই সফলভাবে আগ বাঢ়িব নোৱাৰোঁ। × × আপোনালোকে ভবাৰ দৰে চৰকাৰ এটা জবৰজং বস্তু নহয় আৰু আমি চৰকাৰী মন্ত্ৰী সকলও কোনো জবৰদস্ত বস্তু নহয়। চৰকাৰ এটা ধাৰণা, এটা কনচেপ্‌ট্, এটা আদৰ্শ আৰু আমি মন্ত্ৰী সকল সেই ধ্যান-ধাৰণা আৰু আদৰ্শৰ একনিষ্ঠ সেৱক, আপোনালোকৰ দুখত দুখী আৰু কৰ্মঠ, সুখত সুখী আৰু অকৰ্মন্য, এক অদ্বিতীয় সেৱকবৃন্দ…… [প্ৰচণ্ড হাততালি প্ৰায় কোলাহলত পৰিণত হোৱাত, হাততালি শেষ হোৱাৰ পিছত] × × সেই কাৰণেই মই আপোনালোকক কৈছোঁ, আপোনালোকে মোৰ কথা শুনক মহাবাহু ব্ৰহ্মপুত্ৰৰ খং-ৰাগৰ বিৰুদ্ধে ফেঁপেৰি পাতি চৰকাৰক গালি দিয়াৰ পৰিৱৰ্তে, আপোনালোকে মহামিলনৰ মহাতীৰ্থ মহাবাহু ব্ৰহ্মপুত্ৰৰ সৈতে মিতিৰালি পাতক…… ধৰ্য আৰু সহ্যৰ দ্বাৰাই দুখ-দুৰ্দশাৰ সৈতে সহবাস কৰিবলৈ শক্তি গোটাওক। দেখিব এদিন নহয় এদিন আপোনালোকৰ জয় হবই হ'ব…। [লাহে লাহে এই অংশ আন্ধাৰ হৈ আহে। হাততালি লাহে লাহে মাৰ গৈ আহে। মঞ্চৰ আন এটা ভাগত সাধাৰণ দোকান এখনৰ পটভূমিত বহি থকা দেখা যায় অৰুণ আৰু অমিয়ক। সমুখত চাহ আৰু পানীৰ গিলাচ। অৱনীৰ

বাবে অপেক্ষা কৰি আছে।]

অৰুণ : [বিৰক্তিৰে] চাহৰ কাপ আগত থৈ আৰু কিমান বহিবি বে?

অমিয় : হয়তো অ'। বৰ ফিটাহি মাৰি চোন কোন কেতিয়াই গ'ল, এতিয়ালৈকে তাৰ পাট্টাই নাই।

অৰুণ : মোৰতো সন্দেহেই হৈছে। হয় সি যোগাৰেই কৰিব পৰা নাই; নহ'লে য'তে পাইছে তাতেই বহি গৈছে।

অমিয় : যা, যা! সি তেনেকুৱা নহয় যা। × × উস্ ৰাম [হামি হেঁকটিৰে ভাগৰ বুজাই] দিনৰ দিনতো কেম্পত কাম কৰি কৰি গাঁঠি-চাঠিবোৰ বৰ বিষাব ধৰিছে অ' [হামি] ইপিনে টোপনিয়েও ভাল জুমুৰি দি ধৰিছে।

[খন্তেকৰ মৌনতা। প্ৰতীক্ষাৰ চাৱনি উভয়ৰে চকুত।]

অৰুণ : মৰাটো এতিয়া সোনকালে আহি পালেই হয়। নহলে নতুন ঠাই, এদিনীয়া মানুহ। খাই লৈ হাল্লা কৰি ক'ৰবাত বিপদত নপৰিলেই ৰক্ষা।

অমিয় : তেনে কৰিলেতো তাৰ লগতে আমাৰো ভান্ডা ফুৰ্ বে। × × তথাপি চাওঁৰছোন আৰুঅলপপৰ চাওঁ……। অলপ চাইও যদি অহা যেন নেদেখোঁ তেনেহলে মই কিন্তু নিজেই বিচাৰি যাম দেই……

অৰুণ : ঠিক বে! যোৱাই ঠিক হ'ব। × × হাৰেঁ! সেইটো দেখিছনে নাই। কেনেকৈ দপ্ দপাই আহিব ধৰিছে দেখিছনে নাই?

অমিয় : ৰক্ষা!! এতিয়াহে মুখলৈ তেও পানী আহিছে। [বিজয় গৰ্বে অৰনীৰ প্ৰৱেশ]

অৰনী : বাপ্ ৰে বাপ্! বিৰাট কাড়া পহৰা অ'।

অমিয় : ডাল-পাতবোৰ থ। আচল কথা ক' —পালিনে নাই?

অৰনী : হেঃ হেঃ……। মই গৈছোঁ যেতিয়া শুদা হাতে আহিমনে?

অমিয় : চাব্বাচ্। তেনেহলে আৰু পলম কৰি কি লাভ? × × মাধৱ, এই মাধৱ!

নেপথ্যত মাধৱ : গৈছোঁ চাৰ। নাউমান ৰ'বক। হাত খালি নাই।

অৰনী : মাংস বহাইছে বোধকৰোঁ। আমাৰে অৰ্ডাৰ নহয় জানো। [বাকীদুজনে মুৰ দপিয়াই সমৰ্থন কৰে।] × × মযে লৈ আহোঁ ৰহ। [খালি জগটো লৈ ভিতৰলৈ যায়। অলপ পিছতে পানী ভৰাই লৈ আহে। লগত এখন প্লেটত মাংস।] × × হুঁ ল। অলপ মাংসও গৰমে গৰমে বাঢ়ি আনিলো। টেষ্ট কৰি চাওঁছোন।

অমিয় : আবে, আচল জিনিচটো ক'ত?

অৰনী : এই ল। [গেঞ্জিৰ তলেৰে হাত সুমাই ককাঁলৰ পৰা দুটা বটল উলিয়াই টেবুলত থয়। বাকী দুজনে আগ্ৰহেৰে চায়।] কি কৰিবি ভাই! কোনোমতে দুটা হাফ আনিছো আৰু!

অমিয় : ……আবে তিনিটা মানুহত দুটা হাফ…… [তাচ্ছিল্যৰ হাঁহি মাৰি] কি হ'ব বে? কি হ'ব?

অৰুণ : [বাকিবলৈ আৰম্ভ কৰি] হ'ব দেছোন হ'ব দে। আগে আৰম্ভ কৰছোন। বাকী পিছতো দেখা যাব।

[তিনিও আৰম্ভ কৰে। পানীয়ৰ গুণাগুণ আৰু গৰমে গৰমে টেষ্ট কৰা আধা সিজা মাংসৰ গুণানুকীৰ্তন কৰি স্বাভাৱিক সংলাপেৰে কিছুসময় পাৰ হৈ যায়। ইয়াৰ পিছত অৰুণে অলপ পৰ দূৰলৈ চাই পঠিয়ায়, —যিপিনে আৰতিৰ প্ৰৱেশ হ'ব ঠিক সেইপিনে।]

অৰুণ ঃ আবে কে'চ বে কে'চ······

অৰনী ঃ এই চুপ্। এই ৰাতিখন গাৰঁৰ মাজত ক'ত কে'চ পাবি। × × দুই পেগ পেটত পৰিল নে নাই, বাচ্, চকুৰে খোৰা-কোৰাঁ দেখিব ধৰিলি নহয়।

অৰুণ ঃ আবে নহয় বে, সৌৰা চা বে, এই পিনেই আহিব ধৰিছে। [তিনিও প্ৰথমে আশ্চৰ্য আৰু পিছলৈ ক্ষুধাৰ্ত দৃষ্টিৰে আৰতি অহাৰ পিনে চাবলৈ ধৰে।]

অমিয় ঃ আবে হয়তো বে। × × কিন্তু এই ৰাতিখন······ অকলে ইমান দৌৰা দৌৰিকে তাই ক'ত যায় বে? [অমিয়ই বাকী দুজনক ফুচ্‌ফুচাই ক'ব।] চাছোন চা। দুপৰীয়া কেম্পত অহা দীঘল চুলিৰ সেই কে'চটো নহয়নে?

অৰনী ঃ ৰাইট্! শ্চি—শ্চি—[মনে মনে থাকিব নিৰ্দেশ দিয়ে।] নিশ্চয় কিবা গোলমাল আছে নহলে······।

[অৰনীয়ে একে ঢোকে গিলাচৰ গোটেই খিনি শেষ কৰি, আনটো বটলৰ পৰা পোনে পোনে আৰু অলপ খাই, সেই বটলটো লৈ আৰতিক অনুসৰণ কৰে।] এই শুন! মই ফল' কৰিছোঁ। এইখিনি শেষ কৰি তহঁতো আহি থাক।

অৰুণ+অমিয় ঃ ৰহ, ৰহ একেলগে যাওঁ ৰহ।

অৰনী ঃ পাগল নেকি? একেলগে তিনিওটা আহিলে, মানুহে সন্দেহ কৰিব পাৰে বে! [প্ৰস্থান। অৰুণ আৰু অমিয়ই পানীয়ত মন দিয়ে।]

অৰুণ ঃ দে বে, দে, সোনকাল কৰ। ডাঙৰ ডাঙৰকৈ বনা আৰু······ [ভিতৰলৈ চাই] এই শালা হাৰামজাদা খুলটি খোৰাৰ পোৰাঁলি মাধৱ চন্দ্ৰ, তোৰ মাংস হ'লনে নাই অ'?

অমিয় ঃ খুলটি খোৰাঁৰ পোৱালিলৈ বাট চাই থাকিলে সি বেটা অৰনীয়ে সিপিনে অকলেই শেষ কৰিব। ৰহ, ময়েই লৈ আহোঁ ৰহ। [প্ৰস্থানোদ্যত] আবে শুন! নিশ্চয় গোলমাল আছে। দিনত কেম্পত আমাৰ পৰাইতো বস্তু নিলে আৰু এতিয়া এই ৰাতিখন······

অৰুণ ঃ এই আস্তে······। গোলমাল আছে যদিতো আমাৰেই কপাল ভাল। দে, দে সোনকাল কৰ। সিহঁত চাগে বহুদূৰ পালেগৈ······

অমিয় ঃ আবে যাওঁ ৰহ। খোৰাখিনিতো টাইট্‌চে খাই লওঁ। তই মিছাতেই ভয় কৰিছ। ৰাস্তাটো সেই একেটাই······ তাতে অৰনীতো পিছে পিছে গৈছেই······।

অৰুণ ঃ আচ্ছা হেৰি নহয়······ ছোৱালীজনীৰ নামটো কি আছিল······? [এই অংশ আন্ধাৰ হৈ আহে। দীনেশৰ কোঠাত পোহৰ পৰে।]

আৰতি ঃ ······ছোৱালী জনীৰ নামটো আছিল······ [চিন্তা কৰে]

দীনেশ ঃ কোঁৱা, নোকোঁৱা কিয় ?

আৰতি ঃ কওঁ ৰবা। ইমান অতীষ্ঠ হৈছা কিয় ? ××ওঁ, ওঁ, ধৰি লোৱা, তগৰ······ উহুঁ শেৱালী······ উহুঁ সোনপাহী।

দীনেশ ঃ সোনপাহী ?

আৰতি ঃ ওঁ সোনপাহী।

দীনেশ ঃ তাৰ মানে, সোনপাহী বেয়া ছোৱালী আছিল নেকি ?

আৰতি ঃ ওহোঁ নাছিল! ধৰি লোৱা মোৰ দৰেই এজনী ছোৱালী। ××মোক যদি তুমি ভাল বুলি ভাবা, তাইকো ভাল বুলি ভাবিব পৰা আৰু মোক যদি বেয়া বুলি ভাবা তাইকো বেয়া বুলি ধৰিব পাৰা।

দীনেশ ঃ বাৰু তাৰ পিছত ?

আৰতি ঃ তাৰ পিছত নহয় তাৰ আগৰ কথা সোধা, তাৰ আগৰ খিনিয়েই কোঁৱা হোৱা নাই। ······সোনপাহীয়ে বেমাৰী বাপেকৰ অৱস্থা দেখি ৰব নোৱাৰি সেই ৰাতি অকলেই ডাক্তৰৰ ওচৰলৈ বুলি লৰ মাৰিলে, কিন্তু ঈশ্বৰৰ ইচ্ছাত ডাক্তৰক লগ পোৱাৰ আগতেই অৰুণ, অৱনী আৰু অমিয়ই সোনপাহীক লগ ধৰিলে······ [এই অংশ ঈষৎ আন্ধাৰ হৈ পৰিব। সমুখৰ অংশত দেখা যায়, অলপ দূৰে দূৰে অৱনীয়ে আৰতিক অনুসৰণ কৰিছে। আৰতিয়ে অনুসৰণ কৰাৰ উমান পাইছে। সবেগে, ভয়াৰ্ত দৃষ্টিৰে পিছৰপিনে ফিৰি চাই চাই পলোৱাৰ চেষ্টা কৰিছে যদিও অৱনীয়ে তাইক চকুক চকুই ৰাখিছে। অৱনীৰ বহু পিছত থাকি অৰুণ আৰু অমিয়ইও আৰতিক অনুসৰণ কৰিব। আৰতিয়ে মঞ্চ পাই দৰ্শকৰ পিনে পিছ দি মুৰ ঘূৰোৱাৰ লগে লগে অৱনীয়ে দ্ৰুতগতিৰে আহি আৰতিৰ ঠিক পিছ পাবহি।]

অৱনী ঃ এই ৰাতিখন অকলে অকলে ক'লৈ যোৱা জানেমন। ভয় নাই, মোকো লগত লৈ যোৱা······ [আৰতিয়ে ভয়াৰ্ত দৃষ্টিৰে উভটি চাই মূৰে-গাই লোৱা কাপোৰখন এনেয়ে অলপ টানি ঠিক কৰি লৈ সবেগে দৌৰ মাৰে মঞ্চৰ ভিতৰপিনে। অৱনীৰ মুখত এটা ক্ৰুৰ হাঁহি ফুটি উঠে। বটলৰ পানীয়খিনি শেষ কৰি খালি বটলটোত শব্দ কৰি চুমা এটা খাই বটলটো সজোৰে দূৰলৈ মাৰিপঠিয়াব খুজিও মাৰি নপঠিয়াই, ওচৰতে মাটিত থৈ, ইপিনে-সিপিনে অইন মানুহৰ উপস্থিতি পৰীক্ষা কৰি নিশ্চিন্ত হৈ প্ৰায় দৌৰাৰ দৰে আৰতিৰ পিছে পিছে যায়।

অৱনী নোহোৱা হোৱাৰ পিছত একে পথেৰে অনুসৰণ কৰি অহা অৱস্থাত অৰুণ আৰু অমিয়ক দেখা যাব। লাহে লাহে সিহঁতো আহি মঞ্চ পাবহি। অৱনীয়ে থৈ যোৱা বটলটো অৰুণৰ ভৰিত লাগিব। বটলটো তুলি লৈ চিনি পাব।]

অৰুণ ঃ আবে, পাইছোঁ বে পাইছোঁ।

অমিয় : কি ?

অৰুণ : [বটলটো দেখুৱাই] তাৰ মানে বেছি দূৰত নাই ওচৰে-পাঁজৰেই ক'ৰবাত······ সি বেটাই আমাৰ কাৰণে কি মজাৰ চিন এৰি গৈছে, চা······ এই শালা সেইপিনে, পোনে পোনে ৰাস্তাত কি পাবি ? ইফালে সিফালে অলপ আও-হতীয়া ঠাইত চা······ [অমিয়ই আন এপিনে দূৰলৈ চাই পঠিয়ায়। লাহে লাহে এখোজ দুখোজ আগো বাঢ়ে। তাৰপিছত উভটি আহে।] কি হ'ল, এনেকৈ ফোপাঁইছ কিয় ?

অমিয় : সৌৱা, সৌপিনে মথাউৰিৰ বনত।

অৰুণ : ক'ত বে ? মদৰ জ্বালাত ক'ত কি দেখিছ ?

অমিয় : নহয় অ' ভালকৈ চাছোন্। সেয়া সেই খিনিতে কৃষ্ণচূড়াডালৰ তলত বল্ডাৰৰ দ'মটো দেখিছনে······

অৰুণ : ওঁ ওঁ······

অমিয় : তাৰে নামনিত বনত নাচাৱ কিয় সেই দুটা কি ?

অৰুণ : আবে হয় বে, তই ঠিকেই দেখিছ। আন্ধাৰত মই ভালকৈ মনিবই পৰা নাছিলোঁ বে। ××আজি ভাল দাও মাৰিছোঁ বে······[আগবাঢ়ি যাব খোজে। অমিয়ই হাতত ধৰি নিপত কৰে।]

অমিয় : অধৈৰ্য নহবিছোন। আগে তাক আহিবতো দে। ×× গোটেই ৰাতিটোই তো পৰি আছে।

অৰুণ : পৰিতো আছেই পিছে······ চাওঁ দে বটলটোকে দে।

অমিয় : বটল খালি।

অৰুণ : তেনেহলে চিগাৰেটকে এটা দে।

অমিয় : [বিচাৰি খোচাৰি চাই] ওঁহো নাই খালাচ !

অৰুণ : যাবে যা ! না বটল না ধোঁৱা, মিছাতেহে শুদামুখে ধৈৰ্য্য ধৰ, ধৈৰ্য্য ধৰ। নোৱাৰোঁ যা মই······ [প্ৰায় দৌৰি যোৱাৰদৰে আগুৱাই যায়।]

অমিয় : এই ৰছোন ৰ', তাক আহিবতো দে [পিছে পিছে অমিয়ৰো প্ৰস্থান। চাচপেন্স আৰু কৰুণতাৰ সংগীত। এই অংশ ঈষৎ আন্ধাৰ হৈ আহিব আৰু দীনেশৰ কোঠা আগৰ দৰে উদ্ভাষিত হৈ উঠিব]

দীনেশ : [ব্যতিব্যস্ত হৈ] তাৰ পিছত ??

আৰতি : তাৰ পিছত আৰু কি হ'ব ? ×এনেকুৱা পৰিস্থিতিত সাধাৰণতে যি হোৱাটো স্বাভাৱিক। মথাউৰিৰ পাৰত কৃষ্ণচূড়াৰ তলৰ নিৰ্জন পৰিবেশ,—এজনী গাভৰু, অকলশৰীয়া, তিনিটা পিশাচ, নিচা আৰু কামনাত উন্মত্ত, পাশবিক······। অৰুণ, অৱনী, অমিয় প্ৰত্যেকেই এবাৰ এবাৰকৈ কেবাবাৰো সোনপাহীৰ জীয়া যৌৱনৰ কেঁচা ৰঙেৰে ফাঁকু খেলিলে। আৰু সোনপাহী ?? নিষ্ঠুৰ দানব তিনিটাৰ পৈশাচিক উৎপীড়নে সোনপাহীৰ নিষ্পাপ জীয়া যৌৱন দলি-পিহি মুণ্ডামাৰ কৰি পেলালে। কৃষ্ণচূড়াৰ তলত, মথাউৰিৰ বননিত সোনপাহীৰ সজ্ঞাহীন অসাৰ দেহ প্ৰায় নিষ্প্ৰাণ হৈ পৰি থাকিল।

× × সহায় কৰিবলৈ আহি চিৰকালৰ বাবে অসহায় কৰি থৈ যোৱা অৰুণ, অৰনী আৰু অমিয়ৰ দলৰ পশুকেইটা তুষ্ট হোৱাৰ পিছত সোনপাহীৰ অসাৰ দেহটো দেখি ক্ষন্তেকৰ বাবে হ'লেও সিহঁত উচপ খাই উঠিল···· ·

[দীনেশৰ কোঠাত ঈষৎ আন্ধাৰ। অৰুণ, অৰনী আৰু অমিয়ৰ অংশত পোহৰ। অৰনী আৰু অমিয় ক্লান্তভাৱে পৰি বা আউজী থাকিব। কাপোৰ-কানি অবিন্যস্ত। কৃষ্ণচূড়াৰ তলৰ পৰা অৰুণৰ প্ৰৱেশ।]

অৰুণ : ······হেৰি! এটা কথা হ'ল নহয়।

অৰনী : কি?

অৰুণ : ছোৱালীজনীৰ দেখিছোঁ একেবাৰে সাৰ-সুৰ নাই।

অমিয় : [উচপ খাই উঠি] হেঁ। কিন্তু মই অহালৈকেতো······

অৰনী : ব'লছোন ব'ল, এবাৰ চাই লওঁ। [তিনিওৰে প্ৰস্থান। অলপ পিছত আকৌ আগৰ ঠাই পায়হি চিন্তাক্লিষ্ট-ভাৱে।]

অৰুণ : কি কৰিবি? বহুত দেৰি হৈ গ'ল যেন পাওঁ।

অৰনী : দেৰী মানে একেবাৰে গ'লেই যেন পাওঁ।

অমিয় : তেনেহলে এতিয়া কি কৰিবি? পানী-তুনি ছটিয়াই······।

অৰনী : পাগল নেকি? শুশ্ৰুষা কৰিব গৈ মৰি-লেহে হ'ব আৰু !!

অৰুণ : তেনেহলে কি কৰিবি এতিয়া? এইদৰে ইয়াত পেলাই থৈ গ'লেওতো পুৱালৈ···

অমিয় : কথাটো ৰাষ্ট্ৰ হওঁতে আৰু কেতপৰ লাগিছে।

অৰুণ : × × আৰু এবাৰ চাবি নেকি? ভালকৈ উল্টাই-পাল্টাই চালে কিজানি······

অৰনী : আস্ সা কৈছো নহয়! একেটা কথাকে কেইবাৰ ক'ব লাগে আৰু। জীয়াই থকাৰ কোনো চিন-মোকামেই নাই। মৰা মানুহজনীক মই আৰু কিমান উল্টাই-পাল্টাই চাই থাকিম অ'? মই নোৱাৰো যা, গৰজ পৰিছে যদি তয়েই চাই থাকগৈ যা······

অমিয় : আস্ সা! এনেকুৱা চিটুৱেচনত খং কৰাটো ঠিক নহয় বে! ৰচোন ৰ', ঠাণ্ডা মগজেৰে আটায়ে চিন্তা কৰি চাছোন, কি কৰিলে ভাল হ'ব। [তিনিও চিন্তা কৰে। খন্তেকৰ নীৰৱতা।] বাৰু এটা কাম কৰোঁ দে।

অৰুণ+অৰনী : কি?

অমিয় : ওচৰতে তো বহুত ব'ল্ডাৰ আছে। তাৰেপৰাই তিনিও তিনিটা ব'ল্ডাৰ লৈ······

অৰনী : কিয় ব'ল্ডাৰেৰে কি হব?

অমিয় : ঐ, এতিয়া প্ৰশ্ন কৰি কৰি মাথাটো নষ্ট নকৰিবিছোন। যি কৈছোঁ তাকেই কৰ।

অৰুণ : তাৰ মানে?

অমিয় : মানে অতি সহজ। বানপানীততো বহুত মানুহেই মৰিছে! সকলোৰে হিচাপ কি আৰু কোনোবাই ৰেজিষ্টাৰ কৰি ৰাখিছে? × × ধৰিল, এই, এইজনী

ছোৱালীও বানপানীতেই ডুবি মৰি থাকিল। আমি তাইক চিনিও নাপাওঁ, জানিও নাপাওঁ……। ব'ল, ব'ল দেৰী কৰি আৰু লাভ নাই…… [তিনিও কৃষ্ণচূড়াৰ পিনে গতি কৰে। এই অংশ লাহে লাহে আন্ধাৰ হৈ আহে। দীনেশৰ কোঠা উদ্ভাষিত হৈ উঠে।]

আৰতি ঃ ……ডিঙি, ককাঁল আৰু ভৰিৰ পিনে একোটাকৈ মুঠতে তিনিটা ডাঙৰ ব'ল্ডাৰ বান্ধি সোনপাহীৰ নাঙঠ শটো নদীত ডুবাই দিয়া হ'ল। তাই কিন্তু তেতিয়াও মৰা নাছিল। মাত্র সংজ্ঞা হেৰুৱাই অসাৰ হৈ পৰি আছিল। মৰাশ ভাঁহি উঠিলেও যাতে চিনাক্ত কৰিব নোৱাৰে তাৰ বাবে সোনপাহীৰ কাপোৰ-কানি খিনি জ্বলাই ছাই কৰি নৈৰ সোঁতত মিলাই দিয়া হ'ল। ক'ৰ সোনপাহী ক'লৈ গ'ল অৰুণ, অৰনী, অমিয় আৰু সোনপাহীৰ বাহিৰে আৰু কোনেও গম নাপালে।

দীনেশ ঃ [হুমুনিয়াহ কাঢ়ি] বেচেৰি সোনপাহী !! × × কিন্তু, সোনপাহীৰ কাহিনী তুমি মোক শুনাইছা কিয় আৰতি ?

আৰতি ঃ কাৰণ তাইৰ যে আৰু তোমাৰ বাহিৰে আন কোনোই নাই দীনেশ !

দীনেশ ঃ আ-ৰ-তি !!

আৰতি ঃ অঁ দীনেশ অঁ। তাইৰ আত্মাই যে এতিয়াও মুক্তি পোৱা নাই দীনেশ। × × গেলি-পচি যোৱা তাইৰ শটো উটি গৈ মইনামতী গাওঁৰ কালিকা মন্দিৰৰ পশ্চিমপিনে থকা বটগছৰ শিপাত এতিয়াও লাগি আছে। জকাঁটো আনি পৰাচিত কৰি সৎকাৰ নকৰালৈকে তাইৰ আত্মাই কেতিয়াও মুক্তি নাপাব আৰু এইদৰে……

দীনেশ ঃ কিন্তু এই দায়িত্ব তুমি মোক দিচাই বা কিয় ?

আৰতি ঃ তোমাৰ বাহিৰে বেচেৰীৰ যে আৰু কোনোৱেই নাই।

দীনেশ ঃ কিন্তু মইতো সেই সোনপাহীক চিনিকে নাপাওঁ।

আৰতি ঃ [বহাৰ পৰা উঠি লাহে লাহে দীনেশৰ পৰা আঁতৰি দুৱাৰৰ পিনে গৈ গৈ] আচৰিত নহ'বা দীনেশ, ভয়ো নাখাবা, —যি সোনপাহীৰ কাহিনী তোমাক অতপৰে শুনাই আছিলোঁ সেই হতভগীয়া সোনপাহী অইন কোনো নহয় দীনেশ, তোমাৰ আৰতি, তোমাৰ এসময়ৰ অতি মৰমৰ, অতি আদৰৰ আৰতি…… [কৈ কৈ অদৃশ্য হৈ যায়। দীনেশে উছপ খাই উঠি বহে।]

দীনেশ ঃ আৰতি ! আৰতি !! আ-ৰ-তি !!!
[ব্যতিব্যস্ত হৈ আধা জ্বলোৱাকৈ থোৱা হাৰিকেনটো সম্পূৰ্ণকৈ জ্বলাই দি আৰতিক ইফালে-সিফালে বিচাৰিব ধৰে। দীনেশৰ চিঞৰৰ মাজে মাজে ফেচাঁ আৰু শিয়ালৰ মাত, তাৰ মাজে মাজে আৰতিৰ উচুপনি আৰু অৰুণ, অৰনী আৰু অমিয়ৰ অট্টহাঁহি। হাঁহি আৰু জীৱ-জন্তুৰ বিকট মাত লাহে লাহে অস্পষ্ট হৈ আহে।

উচুপনি প্ৰকট আৰু তীব্ৰ হৈ আহে। বাঁহী আৰু ভায়লিনত কৰুণ সুৰ। দীনেশৰ দৃষ্টিত দৃঢ়তা প্ৰকাশ পায়। বালিশৰ তলৰ পৰা টৰ্চ লাইটটো উলিয়াই লোৱাৰ লগে লগে মঞ্চ আন্ধাৰ হৈ আহে। সেই আন্ধাৰত টৰ্চৰ এচমকা পোহৰে খন্তেকৰ বাবে চাইক্লৰামাত এটি সৰু ৰঙা আলোকবৃত্ত সৃষ্টি কৰে। পোহৰৰ এই ৰেঙনিৰ মাজতেই আঁৰকাপোৰ নামি আহে।]*

* [একাংকিকা নাটকত স্থান-কাল-ক্ৰিয়াৰ যি ঐক্য বা সমতা সচৰাচৰ ব্যৱহাৰ কৰা হয় তেনে সমতা ইয়াত ইচ্ছা কৰিয়েই স্থাপন কৰা হোৱা নাই। উপস্থাপনৰ ক্ষেত্ৰত এক নতুন পৰীক্ষা-নিৰীক্ষাৰ খাটিৰত এই নাটকত কেইটামান নতুন আংগিক প্ৰয়োগ কৰা হৈছে। যেনে, স্মৃতিৰোমন্থনৰ (ফ্লেশবেক) জৰিয়তে কাহিনীৰ আৰম্ভনি আৰু সামৰণি; দৃশ্যান্তৰৰ বাবে আঁৰকাপোৰৰ সলনি আলোকনিয়ন্ত্ৰণৰ ওপৰত নিৰ্ভৰশীলতাৰ লগে লগে সংলাপৰ জৰিয়তে দৃশ্যান্তৰৰ যোগসূত্ৰ স্থাপন আৰু নাটকীয় ক্ৰিয়াৰ বাবে মঞ্চৰ বিশ-বাইশৰ সীমিত পৰিসৰৰ উপৰিও প্ৰেক্ষাগৃহৰ প্ৰৱেশদ্বাৰৰ ব্যৱহাৰ। দৃশ্যসজ্জা কাল্পনিক, কোনো ধৰণৰ প্ৰতীকী দৃশ্যসজ্জাও ব্যৱহাৰ কৰা হোৱা নাই। (ইচ্ছা কৰিলে অৱশ্যে গোটেই নাটখন প্ৰতীকী দৃশ্যসজ্জাত উপস্থাপন কৰাৰ সুবিধা আছে।) নাটকীয় ক্ৰিয়াৰ পটভূমিৰ ইঙ্গীত দিবৰ বাবে আচবাব-পত্ৰ, অভিনেতা-অভিনেত্ৰীৰ অভিনয় আৰু পটভূমি—নিৰ্দেশক সংলাপ ব্যৱহাৰ কৰা হৈছে। প'ষ্টাৰৰ ব্যৱহাৰত ব্ৰেখ্‌টীয় নাটকৰ চিৰাচৰিত নীতি অনুসৰণ কৰা হোৱা নাই; নিতান্ত প্ৰয়োজনত পটভূমি-নিৰ্দেশক হিচাপেহে ইয়াক প্ৰয়োগ কৰা হৈছে। কাহিনীৰ অগ্ৰগতি দ্ৰুত কৰিবৰ বাবে গীতৰ ব্যৱহাৰ কৰা হৈছে, মনোৰঞ্জনৰ খাটীৰত নহয়।

মঞ্চ-পৰিকল্পনাৰ বাবে সংশ্লিষ্ট নক্সাত যি নিৰ্দেশ দিয়া গৈছে সিও চূড়ান্ত নহয়। এই নাটক মঞ্চস্থ কৰিবৰ বাবে মঞ্চ-পৰিকল্পনাৰ যি নূন্যতম আৰ্হিৰ প্ৰয়োজন সেই আৰ্হি হিচাপেহে ইয়াক সংযোগ কৰা হৈছে। প্ৰগতিশীল কল্পনাপ্ৰৱণ পৰিচালকৰ হাতত এই মঞ্চ-পৰিকল্পনা ৰদ-বদলৰ জৰিয়তে যে আমূল পৰিবৰ্তন হ'ব পাৰে সেই বিষয়ে সন্দেহৰ অৱকাশ নাই।

এই সকলোবোৰ থকা সত্বেও এই নাটকক পৰীক্ষামূলক বা এক্সপেৰিমেণ্টেল বুলি কব খোজা নাই এই কাৰণেই যে ইয়াত ব্যৱহাৰ কৰা কেবাটাও আংগিক ইতিমধ্যে বেলেগে বেলেগে এই লিখকৰে 'মঞ্চকন্যা', 'হে মঞ্চ বিদায়', 'অশ্লীলতাৰ স্বাক্ষৰ' আদি নাটকত প্ৰয়োগ কৰা হৈছে। এইবাৰ এই নাটকত সেই সকলোবোৰৰ উপৰিও দুই এটা নতুন আংগিক মাত্ৰ যোগ দিয়া হৈছে।

এই নাটকৰ একমাত্ৰ নায়িকা আৰতি; আৰতিৰ বাপেকৰ বাহিৰে বাকী আটাইবোৰেই নায়ক,—অন্ততঃ নায়ক হোৱাৰ প্ৰতিশ্ৰুতিবদ্ধ। আমাৰ সমাজব্যৱস্থাই অজস্ৰ অ-নায়কক নায়ক হোৱাৰ সুবিধা দি বহুনায়কত্বৰ যি বিৰাট বিপৰ্যয় সৃষ্টি কৰিছে তাত সাধাৰণ মানুহ নিঃসহায় আৰু নিৰাপত্তাহীন। নায়কৰ ভূমিকাত অ-নায়ক আৰু খলনায়ক অৱতীৰ্ণ হ'লে ইয়াতকৈ বেছি আৰু কি আশা কৰিব পাৰি? সেৱা যেতিয়া পেশাত পৰিণত হয়, সেৱা যেতিয়া জীৱিকাৰ অন্যতম উপায় হৈ পৰে, নায়কৰ ভূমিকাত অ-নায়ক আৰু বহুনায়কৰতো কথাই নাই, খলনায়কো অৱতীৰ্ণ হয়। নায়কৰ ভূমিকাত নায়ক অৱতীৰ্ণ নহৈ অ-নায়ক বা খলনায়ক অৱতীৰ্ণ হ'লে আৰতিৰদৰে সাধাৰণ নায়িকাবোৰৰ নিস্তাৰ ক'ত? মূলতঃ এনে বিসদৃশ ভূমিকাজিপিৰ বিৰুদ্ধে বিক্ষোপ প্ৰদৰ্শনৰ চিন্তাতেই এই নাটকৰ এনে বিজতৰীয়া নামকৰণ,—'নায়কৰ ভূমিকাৰে'।] ●

শ্যামাপ্ৰসাদ শৰ্মা

# দুটি সমসাময়িক হিন্দী কবিতা

(১)

## ॥ লেৰেলা ফুল ॥

*এইটো লেৰেলি যোৱা ফুলৰ*
*অন্তৰত দুঃখ নিদিবা,*
*নিজে নিজে পাহি তাৰ জ'ই পৰি যাব*
*তাক আৰু সিঁচৰিত নকৰিবা।*

*নিৰ্বাহ যদি ইয়াৰে কৰা*
*আঘাত নিদিবা ইয়াক,*
*জীৱনৰ অন্তিম মূহুৰ্ত্তবোৰত*
*চোৱা, নকন্দুৱাবা ইয়াক।*

*যদি শীতল কৰিব পাৰা,*
*বান্ধ'! পানীৰ টোপাল সিঁচি দিয়া,*
*সন্তপ্ত হৃদয় যাতে জ্বলি নাযায়*
*বান্ধ'! তেনে শীতলতাহে আনি দিয়া।*

●

মূল : সুভদ্ৰা চৌহান
অনুবাদ : হীৰেন্দ্ৰ কুমাৰ নাথ
দ্বিতীয় বাৰ্ষিক (কলা) প্ৰাঃ বিঃ

(২)

## ॥ ফুলৰ অভিলাষ ॥

*মই সুৰবালাৰ অলংকাৰৰ মাজত সিয় নি খাওঁ,*
*—এই অভিলাষ মোৰ নাই!*
*প্ৰেমীমালাত বন্দী হৈ প্ৰিয়জনক মোহিত কৰোঁ।*
*—তেনে অভিলাষো মোৰ নাই!!*
*হে, দয়াময়! সম্ৰাটৰ মৃত শ'ৰ ওপৰত পৰি ৰওঁ*
*—তেনে ইচ্ছাও মোৰ নাই!*
*দেৱতাৰ শিৰে উৎধাৰন হওঁ, ভাগ্যৰ ওপৰত গৰ্ব্ব কৰোঁ।*
*—তেনে বৰদানো মোক নালাগে!!*
*তুমি বনমালী! চিঙি আনা মোক সেই পথত*
*—দলিয় ই দিবলৈ!*
*যি পথে যায় অনেক বীৰ মাতৃভূমিৰ*
*—গৌৰৱ বঢ়াবলৈ!!*

●

মূল : পণ্ডিত মাখনলাল চতুৰ্বেদী
অনুবাদ : হীৰেন্দ্ৰ কুমাৰ নাথ
দ্বিতীয় বাৰ্ষিক (কলা) প্ৰাঃ বিঃ




শিল্পী ঃ পৱিত্ৰ হাজাৰী আৰু শান্তনু ভট্টাচাৰ্য্য।

## Cotton College Union Society

### EXECUTIVE BODY, 1979–80

From Left to Right—

**Sitting**—Prof. D. Baruah (i/c. Debating Section), Prof. T. Taid (Member, Editorial Board), Prof. Dr. P. Dutta (i/c. Gymnasium Section), Prof. Dr. H. K. Sharma (Vice-President, C. C. U. S, Cultural Section), Prof. T. N. Borkataki ( Vice-President, C. C. U. S., Athletic Section), Principal Dr. G. C. Deka (President, C. C. U. S.), Vice-Principal N. K. Baruah, Prof. B. K. Deka (Treasurer, Cultural Section), Prof. N. Sharma (i/c. Generel Sports).

**Standing 1st Row**—Mahim (Bearer), Mr. D. Gogoi (Secy. General Sports), Prof. R. Goswami (i/c. Cultural Affairs), Prof. I. Bhattacharya (i/c. Cricket Section), Prof. A. Borah (i/c. Boys' Common Room), Prof. S. Choudhury (i/c. Music Section), Mr. R. Kalita (Office Assistant), Prof. K. Choudhury. (i/c. Minor Games Section), Miss N. Bordoloi (Secy, Girls' Common Room).

**Standing 2nd Row**—Mr. S. Das (Secy, Hockey Section), Mr. B Narah (General Secy), Mr. B. Sonowal (Secy, Music Section), Mr. A. Sharma (Secy, Tennis Section), Mr. S. Sharma (Secy, Debating Section), Mr. S. Rahman (Secy. Cultural Section), Mr. H. Talukdar (Secy. Social Service), Mr. P. Pegu (Secy, Football Section), Mr. H. Borah (Editor, Cottonian), Ibrahim (Bearer).

**Not in the Photograph**—Prof. S. Deb (Treasurer, Athletic Section), Prof. S. P. Sharma (i/c. "Cottonian"), Prof. Mrs. L. Das. (i/c. Girls' Common Room), Prof. B. Ali (i/c. Social Service), Prof. D. Kakati (i/c. Tennis Section.) Prof. D. Bordoloi (i/c. Hockey Section). Prof. Hassan Ullah (i/c. Football Section), Mr. A. Ahmed (Secy, Boys' Common Room), Mr. A. Borthakur (Secy, Minor Games), Mr. D. Chetia (Secy, Cricket Section), Mr. M. Doley (Secy, Gymnasium Section).

**Cotton College Union Society**
Executive Body, 1979-80



## EDITORIAL BOARD



**From L to R :**

Mr. H. Borah ( Editor. "Cottonian" ) Prof. R. Thakuria. Vice-Principal N. K. Baruah ( Chairman), Prof. T. Taid and Prof. S. P. Sharma ( i/c. "Cottonian". Not in the photograph).

## COTTONIANS IN THE LIMELIGHT



Prakash Ch. Das,
who topped the list in P. U. (Sc.)
Exam. of G. U. in 1979.



Miss Bandana Dutta,
who stood 3rd in P. U. (Arts)
Exam. of G. U. in 1979.



Miss Utpalparna Hazarika,
who topped the list in P. U.
(Arts). Exam. G. U. in 1979.



Mr. Abhijit Kr. Bezbaruah,
who stood 2nd in P. U. (Sc.)
Exam. of G. U. in 1979.



Arunangshu Dey,
who stood 3rd in P. U. (Sc.)
Exam. of G. U. in 1979.



Pranab Saikia,
who topped the list of the first
Class degree holders in
Economics in 1979.



Mr. Surendra Kr. Kedia,
who stood 7th in P. U. (Sc.)
Exam. of G. U. in 1979.



Miss Minakshi Sharma,
who stood 8th in P. U. (Arts)
Exam of G. U. in 1979.



Mr. Anjanjyoti Das,
who stood 9th in P. U. (Sc.)
Exam. of G. U. in 1979.



Mr. Sailendra Mohan
Sarmah, who stood 10th
in P. U. (Sc.) Exam.
of G. U. in 1979.



Nilakanta Deka.
Best Graduate of G. U. from Chemistry for the year 1979.



Tapan Ch. Sarmah.
Topped the list of the first Class degree holder in Physics in 1979.



Miss Bandana Baruah,
who stood 7th in P. U. (Arts) Exam. of G. U. in 1979.



Parag Kr. Das,
who stood 4th in P. U. (Sc.) Exam. of G. U. in 1979.



Birinchi Kr. Das,
who stood 6th in P. U. (Sc.) Exam. of G. U. in 1979.



Mr. Arup Kr. Goswami, who was selected for the East Zone Cricket team against the visiting Pak-Cricket team.



Abbasuddin Ahmed. Our College T. T. champion for the session' 78-79, Mr Ahmed led Assam for the National T. T. championship held at Durgapur this year.



Our College Girls' T. T. champion Miss Monalisha Boruah, who won the girls' event in the National T. T. championship held at Durgapur this year.

# THE COTTONIAN

[Annual Publication]

**Editor:**
HIRANYA BORAH

55th issue ::  :: 1979-80

# This issue The Cottonian presents
## (English Section)


| | | |
|---|---|---|
| 1) Science & Science Education | Prof. H. D. Goswami | 1 |
| 2) Sources of Energy | Pranjit Pran Barua | 6 |
| 3) Jose Rizal | Late Dr. Kamala Roy | 9 |
| 4) Unrest Among the Students | P. R. Vishwanath | 13 |
| 5) A Glimpse towards the World Politics (1979 & Early 1980) | Nripen Dutta & Amar Saikia | 15 |
| 6) Racial discrimination, the U.S.A. and the 20th Century | Ajoy Deka | 23 |
| 7) Solar Energy | Md. Shahedul Haque Laskar | 27 |
| 8) Two Poems | Nilmoni Phukan (Translated by Prof. N. K. B.) | 32 |
| 9) Cotton College—A plea for its upgrading | Prof. Dr. A. K. Goswami | 33 |
| 10) The Awakening | Indrani Mazumdar | 38 |
| 11) Our Constitution | ... ... ... | 43 |

# SCIENCE & SCIENCE EDUCATION

Prof. H. D. GOSWAMI, M. Sc.
Department of Physics

STRANGE are the creations of nature. You can identify your brother from amongst thousands of other people. No two human beings are alike. It is simply impossible to find a rose plant identically the same as the one blooming in your garden. No two animals, no two rivers, no two mountains are exactly similar. Even the events occuring in nature, are distinctly different from one another. This year's winter is not identically the same as any one you have experienced during your life time. Once this winter is gone, it is gone for ever, never to return again. Not to speak of physical features, even the minds of two persons are not alike. How you like or dislike things, how you rejoice or get irritated, what makes you happy or sorry, your sense of discipline, your intelligence and follies, are all so specific of yourself that no other person in this world can have exactly the same. Every creation of nature is unigone in itself. This variety of nature, this uniquences of the creation, the disorder and chaos are responsible for bringing in two aspects of human thoughts and endeavour.

The human values such as love and respect, joys and sorrows, appreciation and glorification of the nature and all other finer sentiments of the human heart are the manifestation of this uniquences of creation. 'A thing of beauty is a joy for ever' because, once vanished, it will not reappear again. A beautiful face, a charming landscape, the wonderful act of heroism, the nobility and the scholarship of great men and women, the passing movments of joy and sorrow are all wonderful acts and experiences of the human race To understand and to realise the impact of these acts and experiences on human life, the art and philosophy grow The men of arts and philosophy study the nature and try to 'frame a coherent, logical, necessary system of general ideas' in order to interpret these experiences. They use clear understanding with meaningful imaginations and apply intuition and critical reasoning to arrive at their conclusions.

The other aspect of human endeavour, arising out of chaos and disorder in nature, is to trace out a consistent structure with order and meaning, involving a deeper analysis and synthesis of facts. This is what we call **science.** To quote Albert Einstein, 'The object of all sciences is to co-ordinate our experiences and to bring them into a logical system.' Niels Bohr said, 'The task of science is both to extend the range of our experience and to reduce

it to order.' Thus the task of science is to reduce this wide diversity of nature to some logical pattern, order, system and structure so as to enable men to know the nature more intimately in its true perspective. The motivation of understanding the nature through science is to predict and control it for the benifit of mankind whereas the poetic understanding of it is self realisation, a proclamation and ennoblement of man's own spirit.' The laws and form ations of science one basic and internationally acceptable and become the foundations for furtherance of science in an international field.

A huge body of informations, derived from innumerable experiences is not science. These informations are the raw materials from which science is built. Science is the creation of concepts from these raw materials of correctly observed facts. A person, engaged in scientific investigations should essentially be a follower of truthful activities with freedom of thought and expression and tolerance for other people's views. A student of science should be bold enough to express his ideas and thought gathered through truthful experiences and should not jump into hasty conclusions with insufficient data. He should not be rigid and must be ready to believe and accept the views of of others, based on sound reasoning and correct experimentation. Dogmatic attitude, falsehood, purposeless persuit and argument for arguments' sake have no place in science. A statement or an information is scientific when one can say 'yes, it is true. I believe in it'. It should be based on sound facts and unambiguous reasonings. In making generalizations, in creating concepts, scientists have to use their mental abiliy of powerful imagination, speculation and intuition. In this mental effort, they may overlook certain facts or commit errors for which they should remain prepared for correction.

A scientist makes observations like all other people with exception that he makes measurements, often use Mathematics as a language and tools of his measurements and acquires a precise understanding of the facts under observation. He calculates the errors and uncertainities of his measurements and arranges all these refined data in some organised system or order so as to evolve some concepts, relationships, laws and principles. Enunciation of a principle or law acts as a catalyst to many other workers for further verification of these principles by new observation and experimentation. In the process, new discoveries are made, principle becomes firmly established or get replaced by a better one. To cite an example, Sir Isacc Newton, from observations of the behaviour of light, postulated that light is a stream of particles ejected at an extremely high velocity from a source. To prove or disprove it, scientists at different places, started making observations and experiments to see whether all the characteristics of a projected particle are exhibited by a beam of light. One of the characteristics of a projected particle is that it carries momentum and applies pressure when strikes a surface. Naturally, if light is some particles, it should also exert pressure when falls on a surface. Ordinarily people did not experience any such pressure exerted by a light beam and it was beyond their comprehension to expect for it because no body from nowhere has reported to observe something pushed by a beam of light. But Newton's postulate demands the pressure of light however small it may be. Ultimately

Labedev in Russia and Nichols and Hull in the United States were successful in discovering and measuring the pressure of light. This discovery has explained clearly why a tail appears in a comet when it passes by the the side of the sun. Because of the intense sunlight, the gaseous material of a comet gets' deflected in a direction, opposite to the sun and produces the tail.

This example of the particle theory of light clearly reveals a broad outline of the method of science. The scientific investigation starts with the observation of behaviour of light from which a concept (particle theory) is developed. Next, further observations and experiments were performed to test the validity of the concept. In the process, new phenomenon (pressure of light) and new understanding (explanation of the tail of a comet) have been discovered. Due to failure of explaining some other behaviour of light, the particle theory could not gain ground and it was to be supplemented by other theories. The whole process of the investigation is not the work of a single man at a single place. To summarise, the method of science may be broadly stated as

> preliminary observation—>Evolution of concept—>Further experiments and observations—>New facts and discoveries—>Verification or otherwise of the concept.

The information of science and its persuit lies in its wide applications for human needs. The discovery of electricity brings with it, new methods of power generations for all purposes of the society and a vast socio-economic change have been brought about. Every revelation of truth and facts brings new discoveries and new application of science useful for the society. This application of science to the need of society has opened up a vast new field of applied sciences, engaging Engineers, Doctors, Geologists, Chemists, Biologists and a host of other technical persons. These technicians are to apply their knowledge and skill for the solution of day to day problems for the upliftment of the society. The more the science enters into our practical life, the more is the necessity of skillful scientists and technicians. The modern research in science and technology has become some complicated and far-reach in that it is no longer confined to the activities of a single man a single field of studies. Groups of men in different parts of the globe are to work together to Contribute to the modern scientific and technological advancements. The prosperity of a nation depends mostly on its potentialities of technical and scientific personnels along with men in other fields.

In the modern age of power generations, large scale use of radio and television, sophisticated means of communications, movements with supersonic speed, use of improved equipments in fjeld and factory, science has become an Integral part of our day to day activities. In this modern society, not to speak of scientists, engineers, doctors, every citizen need to know at least some basic facts of science, whether he be farmer in a field, workman in a factory or a businessman in a city. Thus a compulsory science education, at least, in the school course for all and its extension to the higher level have become of utmost necessity to our society.

With the growth of science, science education entered into the School Syllabus as a subject of studies in various developed countries of the world since the beginning

of the nineteenth century and by now it has become compulsory almost in all countries. Unfortunately in India, Science did not occupy a place in School Subjects till the beginning of this century although some ammount of Science was taught in the universities After words some sort of sciece was introduced in schools as an optional subject. Gradually the importance of science educations is being felt more and in 1953, the Report of the Secondary education commission recommended General Science as a compulsory subject in the High and Higher Secondary schools. In 1961, the National council of educational Research and Training (NCERT) was established as an autonomous organisation to look into the improvement of school education in the manner of preparing courses and curricula, text books laboratory equipments, teachers' training etc.

In earlier times, Science teaching was simply factual and descriptive with very little of laboratory works and critical understanding with the tremendous growth of science, the factual knowlege has become too unwieldy for comprehension and the science student undergoing this traditional system of education are pushed much behind the present day research and science activities Even there is practically no training to equip our students to face the real practical situations where his knowledge of science is required to be applied. The educationists felt that our students should develop a scientific attitude, learn to recognise facts themselves, understand the ideas and principles involved in them, gather courage and intelligence to apply their knowledge in practical situations and develop various need based skills. This has brought a great change in science education, not only in this country but throught out the world. New curricula, suited to modern needs, laboratory epuipments, teachers' guides, reading materials and other audio-visual aids have been developed. Various teachers' training programmes are initiated to train the teachers for orienting them to these modern trend of education.

In 1962, NCERT organished two workshops, one at Delhi and the other at Bangalore in order to prepare a general science Syllabus on an all India basis for classes I to VIII with 13 board areas of content. The Secondary Education Board of Assam adopted this syllabus, excluding three areas of content, prepared text books and in 1973 introduced general science as a compulsory subject in school courses of Assam for classes V to X. In fact, new approach to science education entered into Assam in 1964 when a summer Institute in Physics was held in the Cotton College to expose the teachers of High and Higher Secondary Schools to the new trends of teaching and learning science. Since then, many summer institutes and various other teachers' training programmes are being conducted by the NCERT and SEBA. It has also been found that teaching and learning in educational institutions are examination oriented and the improved syllabus and new technique of teaching will fail to produce the desired results if the testing is not based on teaching objectives. In October, 1967, the Secondary Education Board of Assam, in collaboration with the NCERT organised a workshop of paper-setters and experienced subject teach to go into details of examination reform. The workshop arrived at a number of recommandations along with the preparation of guide lines for setting question papers

for Boards examinations.

Alongwith the improvement of science education, a scientific atmosphere needs to be developed for which, various science activities such as science seminars, science clubs, science exhibitions and excursions become of utmost importance. The Assam Science Society, with its various programmes for popularising science has played a great role in this direction. The publication of a popular science magazine and a number of popular science books, holding of Science Talent Search Competition, arrangement of symposia, seminars, popular and extension lectures are some of the commendable activities of the Assam Science Society. The ambitious Childrin Science Museum Complex is expected to be an asset for the science loving students of Assam and outside We look forward for the success of the Assam Science Society and many other science clubs and Science Societies which have sprung up in the state at various levels for catering to the needs of thousands of young boys and girls in enhancing their interests in science.

"The men of Science are sure to think of some clever invention, and even if they donot, it will last my time. However clever the scientists may be, there are somethings that they cannot be expected to achieve. When they have used up all the easily available sources of energy that nature has scattered carelessly over the surface of our planet, they will have to resort to more laborious, and these will involve a gradual lowering of the standard of living."

BERTRAND RUSSEL

# SOURCES OF ENERGY

PRANJIT PRAN BARUA
2nd Year, P. U. (Sc.)

THE crisis of energy is a burning question of modern time. Mainly, industrial, agriculture, transport and domestic—in these four purposes a large amount of energy is necessary in the world. But used energy sources such as hydroelectricity, fossil, fuels, natural gases etc. will be unable to fill up the crisis of energy in future. Because, in a large rate the population of the world increases, many industries are being established and so on. Similarly, the sources of energy we have are very few and cannot supply the required amount of energy to them. So, the scientists all over the world are in search of new energy sources.

Man needs machines and machines need energy. But, energy, from where ? The tremendous amount of energy is hidden in the sun. i. e. the Solar Energy. Already the solar energy is utilized in a large scale. Even, India can depend upon this tremendous source of energy.

The possible mechanism for acquiring the sun's heat—→

1. Absorbing it on a black surface by movable concave mirrors.
2. Converting it to electrical or chemical energy by photo-electric process or photo chemical process.
3. By thermoionic converter.
4. By Solar pond.

Large amount of solar radiation is concentrated on a blackened metalic plate by some movable concave mirrors. A large quantity of heat energy is produced—other forms of energy is acquired from this.

Solar furnace, the most convenient process for utilizing the concentrated sun's rays by concave mirrors. The famous solar furnace of Mount Luis in France, which produce 3000°c temparature by using 35.000 concave mirrors.

Solar energy is converted to electricity by silicon photo Voltaic cell. It was first invented by Bell Telephone Laboratory of America. These cells were used in Vengard, Rellay and etc space satellites.

Very recently American scientists have reported on the development of "Thermoionic Converter" i. e. high power diodes that produce a flow of electrons from a heated cathod to a cooled anode. In future, to absorb solar energy it will be a good process. We can hope to its future.

Photo-Chemical reaction, ( as plant's Photosynthesis ) a device for the storage of solar energy as chemical energy. If we consider reversely then the stored Chemical

energy releases heat energy. For example—Photosynthesis. where $co_2$ and $H_2O$ in presence of solar energy and chlorophyll gives $C_6H_{12}O_6$ $+6O_2$ $+6\,H_2O$.

$$6\,Co_2+12\,H_2O \xrightarrow[\text{Chlorophyll}]{\text{Solar Energy}} C_6H_{12}O_6$$

$+6\,H_2O+6O_2$.

Here ( $C_6H_{12}O_6$ + $6O_2$ + $6H_2O$ ) solar energy is hidden as chemical energy. utB in reverse—

$C_6\ H_{12}\ O_6+6O_2 \longrightarrow 6\ \ Co_2+6H_2O$ + 673 kg calories heat. So, photo chemical reaction is a dependable source of energy

Solar-pond is another way of absorbing solar radiation. It is a small pond one or two metres deep with a blackned bottom. The sun's heat is absorbed by this pond and from this other energy can be acquired A solar pond of 10,000 Sq. Kilometres might provide electricity for 400 million people.

Nuclear Energy is a dependable source of energy till now. Two processes have been developed to bring out the energy of the atoms. (1) Nuclear fission and (2) Nuclear fussion.

In fission, matter is converted to energy. When an uranium 235 nucleus is struck by a high power neutron, fission takes place. The nucleus splits into two nucleiu hand releases a vast amount of energy. Along with it other two or more neutrons come out and again struck other U 235 nucleus. Thus chain reaction takes place. Nuclear reactor, where cadmium or graphite is used to tap the released energy. This chain reaction is the main theory of Atom Bomb.

